● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

অভিজ্ঞতা হৈছে কঠোৰ শিক্ষক; কিয়নো ই প্ৰথমতে পৰীক্ষা লয় আৰু তাৰ পাছতহে শিক্ষা দিয়ে।

ভেৰ্ণ'ন ছেণ্ডাৰ্ছ ল
*মাৰ্কিন বেছবল প্ৰশিক্ষক*



www.dainikagradoot.in

৭ লোকসভাত বাৰানসীত ইণ্ডিয়াৰ প্ৰাৰ্থী হ'ব কোন?
১৫ ২০২৮ৰ অলিম্পিকত অন্তৰ্ভুক্ত হ'ল ক্ৰিকেট
৪ পৃথিৱীলৈ দুদিনৰ কাৰণে অহা অসন্তুষ্ট আলহী আমি

RNI-Regd No. 62953/96 ■ উনত্ৰিংশতম বছৰ ● ৯ম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৬ আহিন ১৪৩০ ভাস্কৰাব্দ ১৪ অক্টোবৰ ২০২৩ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 14 October 2023 মূল্য ঃ ৯.০০ টকা




## ভিত্তিবৰ্ষ '৫১ নে '৭১? দিল্লী-দিছপুৰৰ মৌনতা

### উচ্চতম ন্যায়ালয়ত শপতনামা নিদিলে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** অসমৰ খিলঞ্জীয়াৰ সুৰক্ষা সম্পৰ্কীয় বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ নিৰ্ণয়ৰ গোচৰ সন্দৰ্ভত অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰিত সময়ৰ ভিতৰত শপতনামা *আঠ পৃষ্ঠাত চাওক*

## গুৱাহাটীত ৰেলযাত্ৰীৰ পৰা নগদ ১.১০ কোটি টকা জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** মহানগৰীৰ পল্টনবজাৰ ৰেল ষ্টেছনত আজি আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ নগদ ধন জব্দ কৰিবলৈ সক্ষম হয়। পল্টনবজাৰ ৰেল ষ্টেছনৰ চৰকাৰী ৰেল আৰক্ষীয়ে *১০ পৃষ্ঠাত চাওক*

■ যুদ্ধৰ সাতদিন ■ ইজৰাইলৰ সুসজ্জিত এলিট বাহিনীৰ বাংকাৰত অভিযানৰ ভিডিঅ' প্ৰচাৰ ■ বহুমহলীয়া অট্টালিকাত গুলি-বোমাৰ আক্ৰমণত ধৰাশায়ী ৬০জন হামাছ সদস্য

# হামাছক হত্যা কৰি ২৫০ পণবন্দীক মুক্তি

■ গাজাত বিমান আক্ৰমণত নিহত ১৩ জন ইজৰাইলী পণবন্দী ■ হামাছৰ বিবৃতিত শ্বাস বৃদ্ধি প্ৰধানমন্ত্ৰী নেতানিয়াহুৰ ■ গাজা সীমান্তত ইজৰাইলৰ তিনি লক্ষ সেনাৰ অৱস্থান



*দেৱী দুৰ্গাৰ প্ৰতিমাৰ চক্ষুদান মৃৎশিল্পীৰ, তেজপুৰত শুকুৰবাৰে।*

■ নিউজ ব্যুৰ'
**তেল আভিভ, ১৩ অক্টোবৰ ঃ** শ্বাসৰুদ্ধ যুদ্ধৰ পাছত বাংকাৰৰ পৰা অপহৃত ২৫০ জন পণবন্দীক উদ্ধাৰ কৰিলে ইজৰাইলৰ এলিট বাহিনীয়ে। এই অভিযানত হামাছৰ ৬০ জন সদস্যক হত্যা কৰে ইজৰাইলী বাহিনীয়ে। এই ঘটনাৰ প্ৰচাৰিত ভিডিঅ'ত দেখা গৈছে যে ইজৰাইলী বাহিনীয়ে চিঞৰিছে— 'অল ক্লিয়াৰ!' ৰূপালী পৰ্দাৰ দৃশ্যৰ দৰে এই ভিডিঅ'ত দেখা গৈছে যে গাজা সীমান্ত সংলগ্ন ছুফা আউটপ'ষ্টত হামাছ



বাহিনীৰ বাংকাৰত প্ৰৱেশ কৰে ইজৰাইলৰ সেনাৰ এলিট বাহিনীৰ দলে। ইজৰাইলী সেনাৰ 'ছাইটেট ১৩' ইউনিটৰ এটা দলে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰসহ এটা বহুমহলীয়া ঘৰৰ ভিতৰত প্ৰৱেশ কৰে। নিজ নিজ অৱস্থান গ্ৰহণ কৰি আগুৱাই যায় সেনাৰ দলটো আৰু বাংকাৰক লক্ষ্য কৰি গুলিচালনা কৰি যায়। প্ৰত্যুত্তৰত গুলি উৰি আহে তেওঁলোকৰ দিশলৈ। উল্লেখ্য যে ইজৰাইল-হামাছৰ যুদ্ধত হামাছ বাহিনীৰ হাতত বন্দী হৈছে *১০ পৃষ্ঠাত চাওক*

■ অসম গণ পৰিষদে খোজ দিলে ৩৯ বৰ্ষত ■ জন্মস্থান গোলাঘাটত আজি প্ৰতিষ্ঠা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী ■ আমি দেখি শিকিছো, ঠেকি শিকিছো ঃ ক'লে সভাপতি অতুল বৰাই

## আঞ্চলিক ৰাজনীতিত অগপ অটল বটবৃক্ষ

■ শিপাডাল মজবুত হৈয়ে আছে, উপযুক্তভাৱে প্ৰতিপালন কৰিলে পূৰ্বৰ দৰে ঠাল-ঠেঙুলি মেলিব



■ **ৰণ্টু নেওগ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** ছবছৰীয়া আন্দোলনৰ পটভূমিত ১৯৮৫ত অসমবাসীৰ বিপুল সমৰ্থনত জন্মলাভ কৰা অসম গণ পৰিষদে ৩৯ সংখ্যক বৰ্ষত ভৰি দিলে। ১৯৮৫ৰ ১৪ অক্টোবৰত জন্মলাভ কৰা দলটোৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্‌ক্ষণত অসমৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত আত্মবলিদান দিয়া প্ৰতিজন ছহিদলৈ শ্ৰদ্ধাঞ্জলি, নিৰ্যাতিতসকলক স্মৰণ কৰি অগপৰ কৰ্মী, সমৰ্থকৰ লগতে অসমবাসীলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে দলৰ সভাপতি অতুল বৰাই। ঐক্য, শান্তি আৰু প্ৰগতিৰ মন্ত্ৰৰে ৰাজ্যত প্ৰগতিশীল জাতীয়তাবাদ শক্তিশালীৰূপত প্ৰতিষ্ঠা কৰি তথা শক্তিশালী ভ্ৰাতৃত্ববোধ আৰু কৰ্ম-সংস্কৃতিৰ আধাৰত এখন স্ব-নিৰ্ভৰশীল অসম গঢ়াৰ লক্ষ্যৰে অগপৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস এইবাৰ জন্মস্থান গোলাঘাটত *১০ পৃষ্ঠাত চাওক*

■ 'দৈনিক অগ্ৰদূত'ৰে আছুতীয়া সাক্ষাৎ

■ গাজাৰ সাধাৰণ নাগৰিকৰ বিল্ডিংৰ তলে তলে খন্দা হৈছে এই সুৰংগ ■ অত্যাধুনিক প্ৰযুক্তিৰ চেষ্টাৰেও ঢুকি নাপায় গতিবিধ

## হামাছৰ বৃহৎ গোপন সুৰংগই তীব্ৰ প্ৰত্যাহ্বান আনিছে ইজৰাইললৈ


■ ভিতৰত আছে বিদ্যুৎ-অস্ত্ৰ মজুতৰ বৃহৎ স্থান-কংক্ৰিটৰে নিৰ্মাণ দেৱাল



■ নিউজ ব্যুৰ'
**তেল আভিভ, ১৩ অক্টোবৰ ঃ** গাজা ভূখণ্ডত পূৰ্ণ পৰ্যায়ত আক্ৰমণ আৰম্ভ কৰিলেও ইজৰাইলৰ সুসজ্জিত সেনা বাহিনীৰ বাবে হামাছ অধ্যুষিত অঞ্চলটোত অনায়াসে বিজয় হস্তগত কৰাটো সম্ভৱ নহ'ব। পদে পদে আছে বৃহৎ প্ৰত্যাহ্বান। হামাছৰ ব্যাপক পৰিসৰৰ গোপন সুৰংগই এই ক্ষেত্ৰত কঢ়িয়াই আনিব প্ৰত্যাহ্বান। এই বিষয়ে বিভিন্ন বিশেষজ্ঞই ইজৰাইলক সতৰ্ক কৰি দিছে। অতি ঘন বসতিপূৰ্ণ গাজাত সুৰংগৰ বিশাল *১০ পৃষ্ঠাত চাওক*

## মঙলদৈত বৃদ্ধা মাতৃৰ মৃতদেহৰ কাষত পুত্ৰৰ চিপজৰী লৈ আত্মহত্যা

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১৩ অক্টোবৰ ঃ** মঙলদৈ চহৰৰ টেঙাবাৰী ছয় নম্বৰ ৱাৰ্ডৰ লক্ষ্মীনাথ বেজবৰুৱা পথত অৱস্থিত এটা আঢ্যৱন্ত পৰিয়ালৰ বাসগৃহত বৃদ্ধা মাতৃ আৰু তেওঁৰ অবিবাহিত পুত্ৰৰ আজি একেলগে *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২২° |
| ডিব্ৰুগড় | ৩১° | ২২° |
| দিল্লী | ৩৪° | ২৩° |
| কলকাতা | ৩৪° | ২৫° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩২° | ২৬° |
| বাংগালুৰু | ৩১° | ১৯° |
| শ্বিলং | ২৩° | ১৪° |

১৩ অক্টোবৰ, ২০২৩

## আদানীৰ লুণ্ঠনৰ আৰু এক ভয়াৱহ কাণ্ড ফাদিল

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** বিদেশৰ পৰা কয়লা আমদানিৰ খৰচ দুগুণলৈ বৃদ্ধি কৰি বিজেপিৰ ঘনিষ্ঠ আদানী গোষ্ঠীয়ে দেশজুৰি লুণ্ঠন চলাই *আঠ পৃষ্ঠাত চাওক*

বসুন্ধৰাত খিলঞ্জীয়া নহয় বুলি আবেদন খাৰিজ

## হিন্দু বাঙালীক ব্যাপক হাৰত দিয়া হৈছে বিদেশী ন্যায়াধিকৰণৰ জাননী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** আগন্তুক লোকসভা নিৰ্বাচনৰ আগতে হিন্দু বাঙালীসকলৰ 'ডি' ভোটাৰ, আধাৰ কাৰ্ড, ভূমিৰ নামজাৰি, উচ্ছেদ, নাগৰিকত্ব প্ৰদান আদি সমস্যাসমূহ সমাধান নকৰিলে বিজেপি চৰকাৰে যোগ্য প্ৰত্যুত্তৰ পাব বুলি আজি সকীয়াই দিয়ে সদৌ *আঠ পৃষ্ঠাত চাওক*

## ক্ষুধা ঃ ১২৫ দেশৰ ভিতৰত ভাৰত ১১১ত

বিশ্বত শিশুৰ অপুষ্টিৰ হাৰতো আছে শীৰ্ষত ঃ বিগত বৰ্ষ (১০৭ স্থান) তকৈও অৱনমিত হ'ল চলিত বৰ্ষৰ ক্ষুধা সূচকত

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** চলিত বৰ্ষত বিশ্ব ক্ষুধা সূচকত ১২৫খন দেশৰ ভিতৰত ১১১ সংখ্যক স্থানলৈ অৱনমিত হ'ল ভাৰত। এই সূচকে লগতে জনাইছে যে শিশুসকলৰ অপুষ্টিৰ হাৰ ভাৰতত ১৮.৭ শতাংশ, সমগ্ৰ বিশ্বত যি সৰ্বাধিক। *১০ পৃষ্ঠাত চাওক*

## বৰপেটাত পত্নী-কন্যাক কুঠাৰৰে ঘপিয়াই হত্যা

### শিহৰণকাৰী ঘটনাত চাঞ্চল্য ঃ পাৰিবাৰিক সংঘাতৰ পৰিণতি ঃ কথমপি ৰক্ষা অতিথিৰ



**বিশেষ সংবাদদাতা**
**বৰপেটা, ১৩ অক্টোবৰ ঃ** এক শিহৰণকাৰী হত্যাৰ ঘটনাই আজি সমগ্ৰ বৰপেটাক জোঁকাৰি যায়। বৰপেটা চহৰৰ গান্ধীনগৰত আজি সন্ধিয়া প্ৰায় পাঁচ বজাত সংঘটিত এই ঘটনাত স্বামীৰ হাতত থিতাতে নিহত হয় পত্নী আৰু কন্যা। পৰিয়ালৰ আন সদস্য, স্থানীয় নাগৰিক আৰু প্ৰাথমিক অনুসন্ধানৰ ভিত্তিত আৰক্ষীয়ে পাৰিবাৰিক সংঘাতৰ এয়া ভয়ংকৰ পৰিণতি বুলি সন্দেহ প্ৰকাশ কৰিছে। এই ঘটনাত *আঠ পৃষ্ঠাত চাওক*

## সৰ্থেবাৰীত জ্বলিছে ক্ষোভৰ জুই, উৰিল ক'লা পতাকা

### উপ-জিলা গঠন, চৰকাৰী কাৰ্যালয়ৰ স্থিতাৱস্থা দাবী

**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ১৩ অক্টোবৰ ঃ** সৰ্থেবাৰী উপ-জিলা গঠন আৰু সৰ্থেবাৰী অঞ্চলত থকা চৰকাৰী কাৰ্যালয়সমূহৰ স্থিতাৱস্থা বাহাল ৰখাৰ দাবীত এমাহ ধৰি সৰ্থেবাৰীত ধাৰাবাহিকভাৱে আন্দোলন চলি *আঠ পৃষ্ঠাত চাওক*

চেঙা তেল



*এই অমৃত কালত তোমালোকে আকৌ কি ক্ষুধাৰ কথা কোৱাহে!*

■ ২৪ ঘণ্টাতে মহানগৰীত দুটাকৈ হত্যাকাণ্ড ■ পিষ্টল দেখুৱাই মহিলাৰ ডিঙিৰ চেইন কাঢ়িলে দুৰ্বৃত্তই ■ বেহাৰবাৰীত পত্নীক ডিঙি চেপি হত্যা ■ বিপন্ন হৈ পৰিছে জনজীৱন

## প্ৰতিটো দিনেই অপৰাধে কঁপাইছে অসম

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ অক্টোবৰ ঃ** প্ৰতিদিনে নিত্য-নতুন অপৰাধে কঁপাই তুলিছে অসমক। চৰকাৰী সভা-সমিতি, ভিআইপি-ভিভিআইপিৰ নিৰাপত্তাতে ব্যস্ত থকা আৰক্ষীৰ ব্যৰ্থতাৰ পৰিণতিত ক্ৰমাৎ অপৰাধ নগৰীলৈ পৰ্যবসিত হৈছে স্বয়ং গুৱাহাটী মহানগৰী। হাতত উদ্যত পিষ্টল লৈ দিন-দুপৰতে অপৰাধীৰ টিঘিল-ঘিলনিয়ে নাকচ কৰিছে আৰক্ষীৰ অস্তিত্ব। কালি ফুট গধূলিতে খানাপাৰাৰ কইনাধৰাত এজন যুৱকক নিচেই ওচৰৰ পৰা দুষ্কৃতিকাৰীয়ে গুলীয়াই পলায়ন কৰাৰ কেইঘণ্টামানৰ পাছতে ঘটনাস্থলীৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰ নিলগত সংঘটিত হয় এগৰাকী মহিলাক হত্যাৰ আন এক লোমহৰ্ষক ঘটনা। এই ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই আজি পুৱাতে মহানগৰীৰ মাজমজিয়াৰ আঠগাঁৱৰ কবৰস্থানৰ সমীপত খোজকাঢ়ি গৈ থকা এগৰাকী মহিলাক পিষ্টল দেখুৱাই ডিঙিৰ পৰা *১০ পৃষ্ঠাত চাওক*

■ কইনাধৰাত দুৰ্বৃত্তই হত্যা কৰা অঞ্জন নাথৰ হত্যাকাৰীৰ সন্ধান পোৱা নাই আৰক্ষীয়ে ■ নিশা জেৰা পত্নীক, ম'বাইল ফোন জব্দ ■ সুৰাপায়ী অঞ্জন ড্ৰাগছ সৰবৰাহতো জড়িত বুলি পত্নীৰ সন্দেহ, পৰিয়ালৰ অস্বীকাৰ

■ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়তে লাভ কৰিব চাইকেল ■ এটকা ল'লেও ৰঙাঘৰৰ আলহী হ'ব লাগিব ■ তেজপুৰত সকীয়নি মুখ্যমন্ত্ৰীৰ

## এইবাৰ শিক্ষক-শিক্ষয়িত্ৰীলৈও স্কুটী



### পুনৰ ১০ হেজাৰ শিক্ষক নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৩ অক্টোবৰ ঃ** ছাত্ৰ-ছাত্ৰীক চাইকেল যোগানৰ পাছতে এইবাৰ ৰাজ্যৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক স্কুটী দিয়াৰ কথা চিন্তা কৰিছে ৰাজ্য চৰকাৰে। আজি নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীলৈ মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল বিতৰণ আৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰত এক সভাত শিক্ষক-শিক্ষয়ত্ৰীসকলকো স্কুটী *আঠ পৃষ্ঠাত চাওক*

# বালি কঢ়িওৱা ডাম্পাৰৰ খুন্দাত আহত মটৰ চাইকেল আৰোহী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৩ অক্টোবৰ ঃ** ভোগদৈ নৈৰ পৰা বালি কঢ়িয়াই অনা শ শ ডাম্পাৰৰ দৈনিক আহ-যাহৰ ফলত এতিয়া মৰিয়নি নগৰত পথচাৰীসকল ব্যাপক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। নগৰখনত পুৱাৰ পৰা নিশালৈকে বালি কঢ়িওৱা শ শ ডাম্পাৰে সন্ত্ৰাস সৃষ্টি কৰাৰ লগতে পথচাৰীৰ বাবে বিপদ কঢ়িয়াই আনিছে। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই ডাম্পাৰসমূহ অত্যন্ত বিপজ্জনক বিবেচিত হৈছে। এই সন্দৰ্ভত সবিস্তাৰে সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হৈছে। কিন্তু প্ৰশাসন আৰু আৰক্ষীয়ে এই সমস্যাক লৈ কোনো কাৰ্যব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। কালি পুৱা নগৰৰ ষ্টেডিয়াম ৰোডৰ সন্মুখত মৰিয়নি-যোৰহাট পথত বালি কঢ়িয়াই অনা এখন ডাম্পাৰৰ তলত এজন মটৰ চাইকেল আৰোহী সোমাই পৰাত গুৰুতৰভাৱে আহত হয়। বালি কঢ়িয়াই অনা এএছ-০৩ চিচি-৩৭৬৮ নম্বৰৰ ডাম্পাৰখন যোৰহাট দিশে গৈ থকা অৱস্থাত এএছ-০৩ ৰাই ১৩৫০ নম্বৰৰ বাজাজ পালছাৰ বাহনখন কিবা প্ৰকাৰে ডাম্পাৰখনৰ তলত সোমাই পৰে। পুৱা ১০-৪০ মান বজাত সংঘটিত দুৰ্ঘটনাটোত বাদল বাছফৰ নামৰ আৰোহীজন গুৰুতৰভাৱে আহত হয়। আহত যুৱকজনক সংকটজনক অৱস্থাত ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ যোৱা হয়। মৰিয়নিৰ আৰক্ষীয়ে ইতিমধ্যে দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰখন জব্দ কৰিছে। উল্লেখ্য যে ভোগদৈ নৈৰ পৰা বালি কঢ়িয়াই অনা শতাধিক ডাম্পাৰ মৰিয়নি নগৰত প্ৰৱেশ কৰি তীব্ৰ গতিত অহা-যোৱা কৰে। প্ৰশাসন, আৰক্ষী, পৌৰসভা কোনেও এইবোৰ বিষয় লৈ চিন্তা কৰিবলৈ আহৰি নাই। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অতি বিপজ্জনক হৈ পৰিছে এনে ডাম্পাৰসমূহ। দিনে-নিশাই বালি কঢ়িয়াই নিয়া ডাম্পাৰ চালকৰ অতপালিও দিনক দিনে বৃদ্ধি পাইছে।


**TOURS & TREVELS**

**COMFORT TOURS**

Puri- 23/05/2024
Andaman- 01/06/2024
Silk Route (Sikim)

Phone No- 79808-52251, 98640-62307

**Address:**
Bharatseva Ashram, Colony Bazar, Guwahati-18


## NOTIFICATION

This is for general information that in pursuance of Government of Assam Notification No eCF 369775/3, dated Dispur the 12th September, 2023 the undersigned is pleased to notify that Dhing Territorial Road sub Division under Batadrava, Dhing & Raha Territorial Road Division with Head Quarter at Dhing is re-organized and renamed as Dhing Territorial Road Sub Division under Dhing & Rupohihat Territorial Road Division with Head Quarter at Nagaon for the jurisdiction of Dhing LAC with immediate effect.

Sd/-
**Asstt. Executive Engineer,**
**PWD Dhing Territorial Road Sub Division**

Janasanyog/DF/1650/23/14-Oct-23


## অফিচ স্থানান্তৰ

আশা ইন্টাৰনেছনেল ইণ্ডিয়া মাইক্ৰ'ফিনান্স লিমিটেডৰ চাপৰ ব্ৰাঞ্চ অফিচৰ স্থান পৰিৱৰ্তন/মাৰ্জৰ পৰিৱৰ্তিত ঠিকনা তলত উল্লেখ কৰা হ'ল—

| বৰ্তমানৰ ঠিকনা | পৰিৱৰ্তিত ঠিকনা |
|---|---|
| ওয়াড নং- ০৪ ডাকঘৰ+থানা- চাপৰ জিলা- ধুবুৰী, ডাক সূচাংক- ৭৮৩৩৭১, (অসম)। | গাঁও- কাঠাল তলা, মিলন নগৰ পথ, ওয়াড নং-০২, মাযাপুৰি, ডাকঘৰ+থানা+জিলা- বঙাইগাঁও, ডাক সূচাংক- ৭৮৩৩৮০ (অসম)। |

উক্ত স্থান পৰিৱৰ্তন ৩১/১০/২০২৩ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব।

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ২৬ আহিন শনিবাৰ ১৪ অক্টোবৰ

**সূৰ্যোদয় ঃ** ঘঃ ৫।২৫।১৫২, **সূৰ্যাস্ত ঃ** ঘঃ ৪।৫৬।৫০। **তিথি ঃ** অমাৱস্যা, দং ৪৩।১১।২১ ৰাঘঃ ১০।৪১।৪৭। **নক্ষত্ৰ ঃ** হস্তা, দং ২৮।৪০।৩৫ সঘঃ ৪।৫৩।২৯। **যোগ ঃ** ইন্দ্ৰ, দং ১৬।১৭।৫৭ ঘঃ ১১।৫৬।২৬। **কৰণ ঃ** চতুষ্পাদ। **জন্মত ঃ** ঃকন্যাৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ, মহিষৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী বুধ, বিংশোত্তৰী চন্দ্ৰৰ দশা, সঘঃ ৪।৫৩।২৯ যোৱাত দেৱাৰিগণ, বাঘৰ অস্থি, বিংশোত্তৰী মঙ্গলৰ দশা। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ, ৰাঘঃ ১০।৪১।৪৭ যোৱাত মতান্তৰে তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** ঈশানকোনত, ৰাঘঃ ১০।৪১।৪৭ যোৱাত পূৱত। **যাত্ৰা ঃ** শুভ ত্ৰ্যমৃতযোগ, পূবত নাই, সঘঃ ৪।৫৩।২৯ যোৱাত নাই, বৈধৃতিযোগ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মাটিমাহ, মাছ-মাংস, তেল খোৱা আৰু প্ৰায়শ্চিত্ত, ৰাঘঃ ১০।৪১।৪৭ যোৱাত কোমোৰা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** কৰ্মক্ষেত্ৰ ভ্ৰমণৰ যোগ। হঠাৎ লোৱা সিদ্ধান্তই আনন্দিত কৰিবি। প্ৰেমত আনন্দ দিব। বিদ্যাত শুভ। পাতল নীলা কাপোৰ পৰিধান কৰিব দিনতো শুভ হ'ব। শুভ সংখ্যা ৪।

**বৃষ ঃ** মাটি সম্পত্তি কিনোতে অলপ সাৱধান হ'ব। কৰ্মস্থানত কামৰ হেঁচা বাঢ়িব। প্ৰেমত খেলি-মেলি হ'ব পাৰে। নীলা ৰং শুভ, শুভ সংখ্যা ৬।

**মিথুন ঃ** দায়িত্ব আগতকৈ অলপ বাঢ়িব। নতুন কৰ্মৰ বাবে দূৰ ঠাই ভ্ৰমণ কৰিব পাৰিব। সামাজিক আৰু ৰাজনৈতিকসকলৰ বাবে শুভ। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৩।

**কৰ্কট ঃ** অভিজ্ঞ ব্যক্তিৰ পৰামৰ্শতা সংকট মুক্ত কৰিব ভবাতকৈ অধিক ধনৰ আগমন হ'ব। আৰ্থিকত ভাল। বগা কাপোৰ পিন্ধিব। শুভ সংখ্যা ২।

**সিংহ ঃ** আৰ্থিকত ভাল। ভ্ৰমণত শুভ। পুৰণা মামলা মোৰ্কাদমা পৰা মুক্ত হ'ব । প্ৰেমত শুভ। শুভ ৰং সেউজীয়া। শুভ সংখ্যা ৮।

**কন্যা ঃ** হেৰুৱা সম্পত্তি পুনৰ প্ৰাপ্তিৰ হ'ব পাৰে। বিদ্যাত শুভ। আৰ্থিকত শুভ শৰীৰ সম্পকে উদাস নহ'ব। শুভ ৰং পাতল সেউজীয়া, শুভ সংখ্যা ২।

**তুলা ঃ** বন্ধুবৰ্গৰ লগত বিভেদ হ'ব পাৰে। পাৰিবাৰিক জীৱনত শান্তি সমৃদ্ধি বজাই ৰাখক। নীলা বস্ত্ৰ পৰিধান কৰক। শুভ সংখ্যা ৭।

**বৃশ্চিকঃ** সমাজসেৱীসকলক অলপ সতৰ্ক থকা দৰকাৰ। উচ্চ বিষয়াৰ লগত যোগাযোগ বজায় ৰাখক। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৫।

**ধনু ঃ** শৰীৰৰ প্ৰতি যত্ন লোৱা দৰকাৰ। নিজৰ অৰ্হতাৰ ওপৰত যোগ্য স্থান প্ৰাপ্তিৰ যোগ। শুভ ৰং ক'লা, শুভ সংখ্যা ৯।

**মকৰ ঃ** কৰ্মত শুভ। নিজৰ মান-সন্মান বচায় কাম কৰিব। পাৰিবাৰিক ক্ষেত্ৰত শুভ। স্বাস্থ্যৰ প্ৰতি নজন দিয়ক। শুভ ৰং কমলা, শুভ সংখ্যা ৮।

**কুম্ভ ঃ** ৰাজনৈতিক আৰু সমাজকৰ্মীসকলৰ বাবে শুভ। কৰ্মত মাধ্যক প্ৰেমত শুভ। পাতল সেউজীয়া ৰং শুভ। শুভ সংখ্যা ৩।

**মীন ঃ** আৰ্থিক ব্যয়-বৃদ্ধি পাব। কৰ্মক্ষেত্ৰত জটিল সমস্যাৰ সন্মুখীন হ'ব পাৰে। দিনটো ইমান ভালে যোৱা টান। শুভ ৰঙা ৰং সেউজীয়া। শুভ সংখ্যা ৭।

## SHORT TENDER NOTICE
### NIT No. 3 of 2023-24

Sealed tenders in prescribed form affixing non-refundable court fee stamp of Rs.8.25 (Rupees eight and twenty five paisa) only in different groups are invited from the eligible registered contractors of Irrigation Department, Assam for the following works and the same will be received by the undersigned up to **2.00 PM of 30/10/2023** and will be opened on the same day at the same place at **3.00 PM** in presence of willing contractors/Firms or their authorised representatives. If the last date of receiving and opening of tenders happens to be a declared holiday, the same will be received and opened in the next working day.

The detailed NIT, particulars of work, specification of work, terms and conditions etc. may be seen in the office of the undersigned during the office hour on any working days up to 2.00 PM of **30/10/2023.**

The tender papers are to be collected from the office of the undersigned on payment of Rs.200.00 (Rupees two hundred) only in the form of Cash.

Name of work : Balance work of Nampthar FIS from Ch. 1500M to 2010 M under AIBP for the year 2013-14.
Approx. value of work : Rs. 1,00,38,000.00 (Rupees one crore thirty eight thousand only)(in 6 nos. of groups)
Earnest money : 2% for general caste and 1% for OBC, MOBC, ST, SC etc. on the value of the work.
Time of Completion : 30 (thirty) days from the date of issue of formal work order.

**Terms & Conditions:**

1. The tenderer will have to quote rates as per /below / above on percentage basis of estimated rate in both figures and words. Tenders with quoted rate below 10% of estimated rate will be rejected.
2. The undersigned is the sole authority to cancel or accept any tender without assigning any reason thereof.
3. The undersigned is not bound to accept the lowest tendered rate.
4. All other terms & conditions as per rules and procedures followed in Irrigation Department, Assam from time to time also applicable.
5. Contractors/Firms should attach signed Xerox copy of PAN, GSTIN, Registration Certificate, Labour Licence and Caste Certificate (if applicable).
6. Payment is subject to availability of fund against the scheme.
7. Contractors/Firms must be registered in INO IRRIGATION portal and the same must be enclosed with the bid document.

Executive Engineer,
Boko-Chaygaon Division (Irrigation)
Boko

**Janasanyog/C/11147/23/14-Oct-23**

Letter No. 18th/APBN/MT/2023/

## Auction Notice

Sealed tender affixing non-refundable court fee stamp of rupees 8.25(Rupees eight and twenty five) only are hereby invited from the Govt. Registered RVSF (Registered Vehicle Scrapping Facility) firms / companies for the following condemned departmental Vehicle of this unit which will be auctioned for Scrapping. The last date of receipt of the tender is on 27-10-2023 at 1300hours.

The quotation will be opened by the undersigned on the same date at 1400 hours in presence of the tenderer or their authorized representatives.

They must be accompanied with attested copy of Govt. Registration certificate (Assam). Pan card, Adhar card and up to date income tax, TIN/GST etc. Clearance certificate alongwith the earnest money of Rs. 5000/- (Rupees Five Thousand)only as securitymoney in the form of bank draft. Security money of the unsuccessful RVSF will be returned after the auction process is over. Successful RVSF will have to deposit the challan of the scrape value against the Head of Account "0055 police-800 other receipts" and carry the vehicle within 24 hours from time of closing the auction process.

The base price has been fixed as per the policy guidelines by the MVI, as below:

| Sl. No. | Vehicle Reg. No. | Type of Vehicle | Year of Manufacture | Base prices |
|---|---|---|---|---|
| 1. | AS-30-1517 | Tata 407 (Ambulance) | 1999 | Rs. 37,050.00 |

**Sd/-**Commandant,
18th Assam Police Battalion,Lumding,
District:- Hojai, Assam.

**Janasanyog/C/11145/23/14-Oct-23**

**NIT NO. 29 (SMI) 2023-24**

### NOTICE INVITING TENDER


e-Tenders are invited from the eligible intending contractors for execution of **'Dharmapur ELIS (15 Pts) in Nalbari District proposed under SMI (PMKSY-HKKP) for the year 2022-23'** to be implemented by Dharmapur-Barkhetri-Nalbari Irrigation Division under Irrigation Department, Government of Assam. The total estimated amount of the work is **Rs.3542.18323 Lakh** (Approx) . Details of the Tender Documents including Bid Security, terms and conditions and Packages etc. can be downloaded from www.assamtenders.gov.in w.e.f. 10.00 Hrs on 16/10/2023. The last date and time of submission of tender document is up-to 13.00 Hours on **06/11/2023.** The bid will be opened online in the e-procurement portal on **06/11/2023** at 15.00 hours.

The undersigned reserves the right to accept or reject any bid/tender, and to cancel/annul the bidding process and reject all bids at any time prior to contract award.

Chief Engineer,
Minor Irrigation, Assam,
Chandmari, Guwahati – 3.

**Janasanyog/C/11138/23/14-Oct-23**

## শব্দবেহু ঃ ১৪ অক্টোবৰ ২০২৩



**পথালিয়ে**

১। দোষাৰোপ, দায়ত পেলাই গোচৰ দিয়া (৪)
৩। আলোড়ন, বিক্ষোভ (৪)
৫। ধীৰে বলা বতাহৰ শব্দ (৪)
৬। সম্ভাব্য হানিৰ বাবে যি চুক্তি মতে ধন দিয়ে (২)
৭। নাসিকা, নাক (২)
৯। ধাৰ, ঋণ (৩)
১১। ওলোটা, বিৰুদ্ধ, বিষম (৪)
১৩। সৎ, ধাৰ্মিক, ভদ্ৰ (২)
১৪। চাটনি কৰি খোৱা এবিধ সুগন্ধি শাক (৩)
১৬। পাচি আদিৰ মুখত বন্ধা কামি, বাও (৩)
১৮। চুক্তি, নিয়ম, বান্ধনি (২)
১৯। বীণাৰ নিচিনা এবিধ বাদ্যযন্ত্ৰ (৪)
২১। পেৰা, কাঠ বা ধাতুৰ বন্ধ কৰি থব পৰা আধাৰ (৩)
২৩। অৰণ্য, জাৰণি, বন (২)
২৫। নৈ, নদ (২)
২৬। হানি, ক্ষতি, নাশ (৪)
২৭। মূৰ্খ, বুৰ্বক (৪)
২৮। চহি, স্বাক্ষৰ (৪)

**থিয়কৈ**

১। নিষ্ফল, নিৰৰ্থক, ব্যৰ্থ (৪)
২। গৌৰৱ, মৰ্যাদা (৩)
৩। মদ-ভাঙৰ ব্যৱসায় নিয়ন্ত্ৰণকাৰী বিভাগ (৪)
৪। তিৰোতা, নাৰী (৩)
৬। গুটি, বীৰ্য, শুক্ৰ (২)
৮। প্ৰবোধ, বুজনি (৩)
১০। কৌতুক, আনন্দ, ৰং-তামাছা (৩)
১১। জোন, চন্দ্ৰ (২)
১২। শৰীৰক কষ্ট দি কৰা দেৱতাৰ আৰাধনা (২)
১৫। সাৰে থকা অৱস্থা (৩)
১৬। এবিধ ইটাগুৰীয়া কাউৰীৰ সমান ডাঙৰ চৰাই (৩)
১৭। বগাই যোৱা উদ্ভিদ, বল্লৰী (২)
১৮। উচ্চ, বৰ্ধিত, বঢ়া (২)
২০। পৃথিৱী, মৰ্ত্য (৪)
২১। গুচৰীয়া, ফৰিয়াদী (২)
২২। হঠাৎ ভীত, অকস্মাৎ ভয় খোৱা (৪)
২৪। বিচ্ছেদ, বিয়োগ (৩)
২৫। স্বামীৰ ভনী (৩)

**উত্তৰ অহা সংখ্যাত**

### ১৩ অক্টোবৰ ২০২৩ সংখ্যাৰ উত্তৰ

**পথালিয়ে**

১। অপৰাধ ৫। কিতাপ ৬। নষ্ট ৭। নবাব ৮। কনক ৯। ৰাংকুকুৰ ১০। লব ১২। গোহালি ১৫। সাধনা ১৬। ৰস ১৮। কৰমৰ্দন ১৯। জনম ২০। মিচিমি ২২। হাল ২৩। কণিয়া ২৪। খেলিমেলি

**থিয়কৈ**

১। অভিন ২। ৰাঘবৰালি ৩। উপকৰণ ৪। কষ্ট ৫। কিলাকুটি ৬। নকল ১১। বহনা ১২। গোচৰ ১৩। জকমকনি ১৪। কমনীয়া ১৫। সানমিহলি ১৭। সজল ২১। মিতালি ২২। হাবি

## LOST

I have lost HSLC Certificate Roll: B57 No: 201. Date of Exam. 9th March 1981.

**Padmini Patgiri**
Nareswar Rana
Girls High School

## নাম সলনি

উত্তৰ লখিমপুৰ নটাৰীযোগে মোৰ মাৰ নাম শ্ৰীমতী ৰমা দেৱী সোণাৰীৰ পৰিৱৰ্তে শ্ৰীমতী গংগা সোণাৰী কৰা হ'ল, মোৰ ভোটাৰ পৰিচয় পত্ৰতো উক্ত ৰমা দেৱী সোণাৰীৰ ঠাইত শ্ৰীমতী গংগা সোণাৰী হ'ব লাগে।

**শ্ৰী দীপাংকৰ সোণাৰী**
**ৰাজবাৰী, বিহপুৰীয়া।**

## স্পেয়াৰ আৰু সেৱাৰ সৈতে ট্ৰেক মেচিন ডিপো/ছাইট

**নিবিদা জাননী নং. ঃ টিএমচি/পিকিউআৰএছ/আইঅ'এইচ/অ'টি/২০২৩-২৪, তাৰিখঃ ০৯-১০-২০২৩;** নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। **নিবিদা নং. ঃ** টিএমচি/পিকিউআৰএছ/আইঅ'এইচ/২০২৩-২৪; **কামৰ সংক্ষিপ্ত বিৱৰণ ঃ** এনএফআৰ ট্ৰেক মেচিন ৱৰ্কশ্বপ/ডিপো/ছাইটত স্পেয়াৰ আৰু সেৱাৰ সৈতে পিকিউআৰএছ প'ৰ্টেল নং ৬, ১১, ১২, ১৭ আৰু ১৮ৰ আইঅ'এইচ। **আনুমানিক মূল্য ঃ** ২,৬৪,০২,৯২৭.৫৬ টকা; **আমানত ধন ঃ** ২,৮২,০০০/- টকা; নিবিদাৰ **বন্ধৰ** তাৰিখ আৰু সময় **০১-১১-২০২৩ৰ ১৫:০০** ঘণ্টাত আৰু **মুকলি** কৰা হ'ব **১৫:৩০** ঘণ্টাত। উপৰোক্ত ই-নিবিদাৰ সম্পূৰ্ণ তথ্য আৰু নিবিদাৰ নথি পত্ৰ **০১-১১-২০২৩ৰ ১৪:৩০** ঘণ্টালৈকে ৱেবছাইট **www.ireps.gov.in**ত উপলব্ধ হ'ব।

জিএম(ডব্লিউ), মালিগাঁও
**উত্তৰ-পূব সীমান্ত ৰে'লৱে**
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

## প্ৰতীকাত্মক দখলী জাননী

**ICICI Bank** | **শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, লেণ্ডমাৰ্ক বিল্ডিং, ৪ৰ্থ মহলা, ২২৮এ, এজেচি বসু ৰোড কলকাতা-৭০০০২০, চি আই এন নম্বৰ ঃ এল৬৫১৯০জি জে ১৯৯৪পি এল চি ০২১০১২,** www.icici.bank.com

**যিহেতু**

নিম্ন স্বাক্ষৰকাৰী আই চি আই চি আই বেংক লিমিটেডৰ বিষয়াই চিকিউৰিটজেছন অৱ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অৱ চিকিউৰিটি ইণ্টাৰেষ্ট আইন, ২০০২ৰ অধীনৰ আৰু চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) বিধি ২০০২ৰ অনুচ্ছেদ ১৩ (১২)ৰ লগতে বিধি ৩-এ প্ৰদান কৰা ক্ষমতা অনুসৰি নিম্ন লিখিত ঋণীসকলক তলত উল্লেখ কৰা পৰিমাণৰ ঋণ আদায়ৰ বাবে দাবী জাননী জাৰি কৰিছিল, যাতে উক্ত ঋণী/সহ ঋণীসকলে সেই জাননী পোৱাৰ ৬০ দিনৰ ভিতৰত সুদসহ সমুদায় ঋণ আদায় কৰে।

যিহেতু নিৰ্দিষ্ট সময়ৰ ভিতৰত নিম্ন লিখিত ঋণী/সহ ঋণীসকলে সমুদায় ধনৰাশি পৰিশোধ কৰাত অপাৰগ হয়, গতিকে নিম্ন স্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়াই তলত উল্লেখ কৰা বিৱৰণৰ সম্পত্তি উক্ত আইনৰ অনুচ্ছেদ ১৩ (৪) আৰু বিধি ৮-এ প্ৰদান কৰা কৰ্তৃত্ব অনুসৰি নিম্ন উল্লেখিত তাৰিখত প্ৰতিকাত্মক দখলী কৰিছে বুলি ঋণী/সহ ঋণী লগতে সৰ্বসাধাৰণ ৰাইজক এই জাননী দ্বাৰা জনোৱা হ'ল। ঋণী/সহ ঋণীৰ লগতে সৰ্বসাধাৰণ ৰাইজক সতৰ্ক কৰি দিয়া যায় যে নিম্নোলিখিত সম্পত্তিৰ স'তে লেনদেন নকৰে যেন। অন্যথা আই চি আই চি আই বেংক লিমিটেড অনুসৰি মূল্য আদায় কৰা হ'ব।

| ক্ৰ নং | ঋণ লওঁতাৰ নাম/লোণ একাউণ্ট নং | সম্পত্তিৰ বিৱৰণ আৰু প্ৰতীকাত্মক দখলৰ তাৰিখ | ডিমাণ্ড জাননীৰ তাৰিখ আৰু টকাৰ পৰিমাণ | শাখাৰ নাম |
|---|---|---|---|---|
| ১ | উৎপল সোণাৰ ভূএঁা/নিকুঞ্জ ভূএঁা/নিভা ভূএঁা সোণাৰ/মানস সোণাৰ ভূএঁা/মুকুট নগৰ, মঞ্জুসৰ তাল চাভলি, গুজৰাট, ভদোদৰা-৩৫২০২১। LBGUW00005491364 | দাগ নম্বৰ ১২৫৬, পট্টা নং ৫৬১, গাঁও-বালিকৰীয়া, মৌজা-বতাহগিলা, থানা আৰু উপ-পঞ্জীয়কৰ কাৰ্যালয়-নলবাৰী, জিলা- নলবাৰী, অসম। মুঠ মাটিকালি ১ কঠা দুই লেচা। প্ৰতীকাত্মক দখলৰ তাৰিখ ১০.১০.২০২৩। | ২৭.০৬.২০২৩ ২০,০৫,১২৮/- টকা। | ভদোদৰা/ গুৱাহাটী |
| ২ | হাবিব আহমেদ/ আলটাফ হুছেইন/ নগৰঝাৰ, বৰপেটা, অসম, গুৱাহাটী-৭৮১৩১৬/ LBGUW00005837477/ LBGUW00005858040 | পট্টা নং ১৯০, দাগ নম্বৰৰ খণ্ড ৯১, গাঁও-নগৰঝাৰ, মৌজা-ঘিলাজাৰী, থানা-হাউলী, জিলা-বৰপেটা, অসম। মুঠ মাটিকালি- ১ কঠা ২.৬৮ একৰ, প্ৰতীকাত্মক দখলৰ তাৰিখ ১০.১০.২০২৩ | ১৬.০৬.২০২৩ ৩৩,৩৭,৩৫০/- টকা। | গুৱাহাটী |

ওপৰত উল্লেখ কৰা ঋণী/জামিনদাৰসকলক এই জাননী প্ৰকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা ধনখিনি আদায় দিবলৈ জনোৱা হ'ল, অন্যথা ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) আইন, ২০০২ৰ বিধি ৮ আৰু বিধি ৯ অনুসৰি বন্ধকত দিয়া উক্ত সম্পত্তি বিক্ৰী কৰা হ'ব।

**তাৰিখ ঃ ১৩ অক্টোবৰ ২০২৩**
**স্থান ঃ গুৱাহাটী**

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড

## অসম গ্ৰামীণ বিকাশ বেঙ্ক
**ASSAM GRAMIN VIKASH BANK**

AGVB

**আঞ্চলিক কাৰ্য্যালয়: ডিব্ৰুগড়**
মিলন নগৰ, ডাক - চি. আৰ. দাস বিল্ডিং, ডিব্ৰুগড়, অসম -৭৮৬০০৩
E-mail : rodbg@agvb.co.in, Phone : 0373-2319718

**(পৰিশিষ্ট – IV) [ আইন – 8(1) ]**
**দখল জাননী (স্থাৱৰ সম্পত্তি)**
**প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) বিধি, 2002ৰ**

বিত্তীয় ৰাশিৰ প্ৰতিভূতিকৰণ আৰু বিত্তীয় সম্পদৰ পুনঃনিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ ৰ অধীনত **অসম গ্ৰামীণ বিকাশ বেঙ্ক, ডিব্ৰুগড় আঞ্চলিক কাৰ্য্যালয়** কৰ্তৃত্বশীল বিষয়া হিচাপে আৰু প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) আইন, **২০০২ৰ ১৩** অনুচ্ছেদৰ অধীনত তেওঁক প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি নিম্নলিখিত ঋণীসকল/জামিনদাৰসকলক দাবী জাননীত উল্লেখ কৰা পৰিমাণৰ ধনৰাশিৰ লগতে ইয়াৰ ওপৰত সুদ, দাবী জাননী লাভ কৰাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাই দাবী জাননী জাৰি কৰা হৈছিল।

ঋণীসকল/জামিনদাৰসকল উক্ত দাবী জাননীত উল্লেখিত ধনৰাশি পৰিশোধ কৰিবলৈ ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত ঋণীসকল/জামিনদাৰসকল আৰু সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে নিম্নস্বাক্ষৰকাৰী বিষয়াই উক্ত আইনৰ ১৩ অনুচ্ছেদ ৰ ৪ নং উপ অনুচ্ছেদ লগতে বিধি ৮ হিচাপে পঢ়ি ইয়াৰ অধীনত তেওঁক প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি নিম্নলিখিত সম্পত্তি দখল কৰে।

সৰ্বসাধাৰণ ৰাইজ বিশেষকৈ ঋণীসকল/জামিনদাৰসকলক ওপৰত উল্লেখিত সম্পত্তিৰ ক্ৰয়-বিক্ৰয় কাৰ্যকলাপত জড়িত ন'হবলৈ ইয়াৰ দ্বাৰা সকীয়াই দিয়া হ'ল আৰু এনে ধৰণৰ যিকোনো ক্ৰয়-বিক্ৰয় লেনদেন কেৱল অসম গ্ৰামীণ বিকাশ বেঙ্কে পাবলগীয়া ধনৰাশি আৰু লগতে ইয়াৰ ওপৰত সুদ, খৰচ পৰিশোধৰ চৰ্তত হে কৰিব পৰা যাব ।

| ক্ৰ. নং | একাউণ্ট/ঋণী/জামিনদাৰৰ নাম আৰু ঠিকনা | ক) শাখাৰ নাম খ) জাননী জাৰিৰ তাৰিখ গ) দাবী জাননীত উল্লেখিত ধনৰাশি ঘ) সাংকেতিক দখলৰ তাৰিখ | স্থাৱৰ সম্পত্তিৰ বিৱৰণ |
|---|---|---|---|
| ১ | শ্ৰী অমৃত দত্ত ( মৃত দুলু দত্তৰ উত্তৰাধীকাৰি) পিতাঃ- মৃত দুলু দত্ত গাঁও - জি. এন. জি পথ , হস্পিতাল ৰোড্ ডাক - শিৱসাগৰ , জিলা- শিৱসাগৰ, অসম,পিন-৭৮৫৬৪০ | ক) শিৱসাগৰ খ) ১৫-০৫-২০২৩ গ) টকা- ১০,২৩,৪৫৫.৯৩, ১৫-০৫-২০২৩ লৈ সূত সহ । ঘ) ১০-১০-২০২৩ | অসমৰ শিৱসাগৰ জিলাৰ,নগৰমহল মৌজাৰ, শিৱসাগৰ উপ পঞ্জীয়কৰ কাৰ্য্যলয়ৰ অন্তৰ্গত শিৱসাগৰ টাউন খণ্ড-V ত অৱস্থিত পট্টা নং ৩৬৯৪, দাগ নং ৪০৭২ যে সামৰি লোৱা মৃত দুলু দত্ত, পিতাঃ- মৃত বিৰেন্দ্ৰ দত্তৰ নামত থকা মুঠ ০০ বিঘা ০০ কঠা ১৭.৭০ লেচা পৰিমানৰ মাটি আৰু ইয়াত থকা গৃহ। ইয়াৰ চাৰিসীমাঃ- উত্তৰেঃ যমুনা, দক্ষিণেঃ পথ, পূবেঃ দাগ নং ৪০৭১ আৰু পশ্চিমেঃ দাগ নং ২৫৯২। |

উক্ত আইনৰ ১৩ নং ধাৰাৰ ৮ নং উপ ধাৰাৰ অধীনত বন্ধকীকৃত সম্পতি সমূহ নিদিস্ট সময়ৰ ভিতৰত মোকোলাই লোৱাৰ বাবে ঋণীসকল /জামিনদাৰসকল/বন্ধকীৰ্কতাসকলৰ প্ৰতি মনযোগ আকৰ্ষণ কৰা হল ।

**স্থানঃ ডিব্ৰুগড়**
**তাৰিখঃ ১৪.১০.২০২৩**

**স্বাক্ষৰ/-**
**কতৃত্বশীল বিষয়া,**
**অসম গ্ৰামীণ বিকাশ বেঙ্ক, ডিব্ৰুগড় আঞ্চলিক কাৰ্য্যালয়**

*No.CHD/HT/BTC(G)779/2023-24/22* *Dated Kokrajhar, the 9th Oct., 2023*

## PRESS NOTICE INVITING TENDER
### TenderNo.HT/02/2023

Directorate of BTC, Handloom & Textiles, Kokrajhar invites Online bids from eligible is Registered Suppliers / Dealers / Firms /of BTR under Handloom & Textiles Departmental for the year 2022-23 for **"Supply of** Handloom Machine and accessories under Bodoland Handloom Mission **for the year 2022-23**"amounting to Rs. 259.50 lakhs (Rupees two crore fifty nine lakhs fifty thousand) only.

Details may be seen at website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/- H. Nath,
i/c. Director of BTC,
Handloom & Textiles, Kokrajhar

*IPR(BTC)-2023-24/608*

*No.C/S-03 KDA of 2023-24/3* *Dated: - 11th October,2023*

## SHORT NOTICE INVITING TENDER

Sealed tenders affixing Non-refundable court fee of Rs.8.25 (Rupees Eight point Twenty-five) only, are hereby, invited on behalf of the Kokrajhar Development Authority, Kokrajhar from registered APWD Contractors of Class-I and Class-II Category for the following work and will be received the same on or before 3rd November, 2023 up to 2.00 P.M in the office of the undersigned and will be opened on the same date at 3,00 P.M

**Name of Work :-** Const. of ICBP Road from Paglababa Mandir connecting road to Gaonburah House under Kokrajhar Development Authority.

**Estimated Amount :-** Rs. 12,74,291.00

1. The tender should bear Non-refundable Court fee of Rs. 8.25 (Rupees Eight point Twenty-five) only without which no tender will be considered for acceptance.
2. Tenders, which should always be placed in sealed covers, with the name of the work written on the envelopes will be received in the office of the Chairman, Kokrajhar Development Authority, Kokrajhar on the date and hour as mentioned above and will be open.
3. Time allowed for completion is 3(Three) months from the date of issue of Formal Work Order.
4. The bidders should quote rate at percentage above /at par the Schedule of Rates for Rural Roads Assam for the year 2020-21.
5. The selected bidder will have to sign The Formal Tender in F-2 Form after depositing the necessary Security Deposit Money at the rate of 2% for General and 1% in case of SC, ST, OBC of the tender value of the work within specified time from the date of issue of selection order.
6. The acceptance of tender will rest with the Chairman, Kokrajhar Development Authority, Kokrajhar who does not bind himself to accept the lowest tender and reserves right to reject any or all the tenders received without assigning any reason.

Sd/-
Administrator,
Kokrajhar Development authority Kokrajhar

*IPR(BTC)-2023-24/611*

*No.DPRD/BTC/(6th ASFC)-191/2023/12* *Dated Kokrajhar the 11th Oct., 2023*

## PRESS NOTICE

The Director, P&RD, BTC, Kokrajhar invites bids for the works under Revenue Gap Grant of 6th Finance Commission (Grand No. 66) for the year 2022-23 (i.e. 3604-00-200-5212-707-32-98) during 2023-24 from the registered contractors of Class-II & Class-I (A, B & C) category of Assam PWD (Roads)/ (Building), BTC.

| Sl. No. | Name of Dev. Block | Name of work | Amount |
|---|---|---|---|
| 1 | Dotma | Imp. of earth filling and sand gravelling at 2 No. Hazarkia village road | Rs. 24,58,500.00 |
| 2 | Dotma | Imp. of earth filling and sand gravelling Salkan Novti village road | Rs. 24,68,000.00 |
| 3 | Kokrajhar | Imp. of Benibari road under Kalipukhuri VCDC | Rs. 24,00,000.00 |
| 4 | Kokrajhar | Const. of road Haldwibari Balajan river Garjasali to Malsing road to Haldwibari village | Rs. 24,52,000.00 |
| 5 | Kokrajhar | Imp. of road from connecting East Maligaon road to West Bhadranpur village | Rs. 24,00,000.00 |

Details may be seen at website http://assamtenders.gov.in and also at the office of the undersigned during office hours.

It is to be noted that the only BTC Registered Firms/ Suppliers/ Contractor can only participate in the e-tendering process.

Sd/- Director,
Panchayat & Rural Development,
BTC, Kokrajhar

*IPR(BTC)-2023-24/607*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ অক্টোবৰ, ২০২৩ শনিবাৰ পৃষ্ঠা তিনি

## লখিমপুৰত চিকিৎসা বিষয়াৰ ১৬৯ টা পদৰ ৫০ টাই খালী


বিহপুৰীয়াত নগৰ স্বাস্থ্য-কল্যাণ কেন্দ্ৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ১৩ অক্টোবৰ ঃ** বিহপুৰীয়া খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত আৰু লখিমপুৰ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ সহযোগত আজি বিহপুৰীয়াৰ বামুণগাঁৱত এটি ছয় পৃষ্ঠাত চাওক

## ৭,৭০৭ বিঘা নৈ-বিল -জলাশয়ৰ ভূমি, ৩৪,৫৯৬ বিঘা চৰণীয়া পথাৰ, ১,৪৮,২২০ বিঘা চৰকাৰী ভূমি বেদখল ঃ হ্ৰাস পাইছে পৰিভ্ৰমী পক্ষীৰ আগমন

# নগাঁৱত বিল-জলাশয়ত অবাধ বেদখল



বিশেষ সংবাদদাতা
**নগাঁও, ১৩ অক্টোবৰ ঃ** নগাঁও জিলাৰ একাধিক নৈ, সুঁতি, বিল, জলাশয়, দলনি, পিটনিলৈ শীতৰ আগমনৰ প্ৰাক্মুহূৰ্তত আগমন ঘটে দেশী- বিদেশী অগণন পৰিভ্ৰমী পক্ষীৰ। পৰিভ্ৰমী পক্ষীৰ জলকেলি, কাকলিত প্ৰাণ পাই উঠিছিল জিলাখনৰ নৈ, বিল, জলাশয়সমূহ; কিন্তু বিগত কেইটামান বছৰৰ পৰা এনে পৰিভ্ৰমী পক্ষীৰ আগমন অভাৱনীয়ভাৱে হ্ৰাস পাবলৈ ধৰা পৰিলক্ষিত হৈছে। ইয়াৰ অন্যতম প্ৰধান কাৰণ নগাঁও জিলাৰ নৈ, সুঁতি, বিল, জলাশয়সমূহৰ ভূমিত হোৱা অবাধ বেদখল। উল্লেখ্য যে নগাঁও জিলাৰ নৈ, সুঁতি, বিল, জলাশয়সমূহৰ শ শ হেক্টৰ মাটি ইতিমধ্যে বেদখলকাৰীৰ কৰলত পৰিছে। এই অবাধ বেদখলে নৈ, সুঁতি, বিল, জলাশয়সমূহৰ স্বকীয় বৈশিষ্ট্যৰ প্ৰতিয়েই ভাবুকিৰ সৃষ্টি কৰিছে। প্ৰাপ্ত চৰকাৰী তথ্য অনুসৰি, নগাঁও জিলাত কলং, মৰিকলং, সোণাইকে ধৰি বিভিন্ন নৈ, জলাশয়, চৰণীয়া পথাৰ আৰু অন্য চৰকাৰী ভূমিৰ ১,৯১,৪১৫ বিঘা মাটি বেদখলকাৰীৰ কৰলত পৰিছে। ইয়াৰে ধিং ৰাজহ চক্ৰত নৈ- জলাশয় আদিত ১,৫৩৫ বিঘা দুই কঠা ১৭ লেচা, চৰণীয়া পথাৰৰ ২,৯৮৭ বিঘা এক কঠা আৰু চৰকাৰী খাচ মাটি ১৫ হেজাৰ বিঘা মাটি বেদখলকাৰীৰ কৰলত পৰিছে। ইপিনে, জিলাখনৰ ৰূপহী ৰাজহ চক্ৰ অঞ্চলত জলাশয়ৰ ১,৬০২ বিঘা তিনি কঠা ১২ লেচা, ৬৭৫ বিঘা চাৰি কঠা সাত লেচা চৰণীয়া পথাৰ আৰু ৩৯ হেজাৰ বিঘা দুই কঠা চৰকাৰী খাচ ভূমি বেদখলকাৰীৰ কৰলত পৰিছে। ঠিক একেদৰে জিলাখনৰ চামগুৰি ৰাজহ চক্ৰৰ নৈ, বিল, জলাশয়ৰ ১২২ বিঘা চাৰি কঠা ১৪ লেচা, চৰণীয়া পথাৰৰ ১৩৭০ বিঘা চাৰি কঠা ১৩ লেচা, চৰকাৰী খাচ ভূমিৰ ২৩,৬৫০ বিঘা চাৰি কঠা ১৯ লেচা মাটি, ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত নৈ-জলাশয়ৰ ৩৭১ বিঘা দুই কঠা তিনি লেচা, চৰণীয়া পথাৰৰ ৬,৪৪৪ বিঘা চাৰি কঠা, চৰকাৰী খাচ ভূমি ৯,৩৩৬ বিঘা এক কঠা ছয় লেচা মাটি বেদখল হৈ আছে। আনহাতে, নগাঁও সদৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মৰা কলঙৰ আঠ বিঘা চাৰি ছয় পৃষ্ঠাত চাওক

## দুৰ্ঘটনাৰ পাছতহে ট্ৰাকৰ বিৰুদ্ধে তৎপৰ মৰিয়নিৰ আৰক্ষী ঃ একাধিক ট্ৰাক জব্দ আৰক্ষীৰ



অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ১৩ অক্টোবৰ ঃ** মৰিয়নি নগৰত বালি কঢ়িওৱা ডাম্পাৰৰ লগতে মালবোজাই ট্ৰাকে নগৰবাসীৰ বাবে ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত ধাৰাবাহিক বাতৰি প্ৰকাশ হৈ অহাৰ পাছতো বিষয়টোক প্ৰশাসন, আৰক্ষী অথবা পৌৰসভাই বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট সমস্যাৰ সন্মুখীন হৈ অহা দেখা গৈছে। মৰিয়নি আৰক্ষী থানাৰ সন্মুখত থকা তিনিআলি, পৌৰসভা কাৰ্যালয়ৰ সন্মুখত প্ৰতিদিনে সাংঘাতিক ভিৰ হয়। কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সেই স্থানত ভিৰ কৰাৰ পাছত আনকি আৰক্ষীয়ে উক্ত স্থানত যানবাহন নিয়ন্ত্ৰণ কৰিবৰ বাবে যানবাহন আৰক্ষী নিয়োগ কৰিবলগীয়াও হৈছে। তৎসত্ত্বেও স্কুল আৰম্ভ হোৱাৰ সময়ত তেনে ট্ৰাক আদিৰ চলাচলে ব্যাপক সমস্যাৰ সৃষ্টি কৰি আহিছে। এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে আৰক্ষী আৰু প্ৰশাসনক মৰিয়নিবাসীয়ে বাৰম্বাৰ আহ্বান জনাই অহাৰ পাছতো কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাছিল; কিন্তু কালি পুৱা মৰিয়নি নগৰৰ মাজমজিয়াত ষ্টেডিয়াম ৰোডৰ সন্মুখত বালি বোজাই ডাম্পাৰৰ খুন্দাত এজন বাইক আৰোহী ছয় পৃষ্ঠাত চাওক

## হাজোত ন-বোৱাৰীৰ ৰহস্যজনক মৃত্যু ঃ স্বামী-শাহু-ননদক আটক

অগ্ৰদূত বাৰ্তা
**হাজো, ১৩ অক্টোবৰ ঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত মনাহকুছিৰ পদিয়াৰবড়ীত সংঘটিত এগৰাকী ন-বোৱাৰীৰ ৰহস্যজনক আত্মহত্যাৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনকি মহিলাগৰাকীক পৰিয়ালৰ লোকে হত্যা কৰাৰো অভিযোগ উঠিছে। আজি মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হয়। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, হাজো আৰক্ষী থানাৰ অন্তৰ্গত ওৰগালৰ কুমুদ দাসৰ কন্যা মনীষা দাস (২১)ক চাৰি মাহ পূৰ্বে মনাহকুছি পদিয়াৰবড়ীৰ দীপ দাস নামৰ যুৱকজনে পৰিয়ালৰ সন্মতি অবিহনে পলুৱাই নিয়ে। দুয়োৰে বৈবাহিক জীৱন প্ৰথম অৱস্থাত ঠিকে আছিল যদিও দিন বাগৰাৰ লগে লগে স্বামী দীপ আৰু পৰিয়ালৰ লোকে বিভিন্ন অজুহাত দেখুৱাই মনীষাৰ ওপৰত শাৰীৰিক-মানসিক অত্যাচাৰ আৰম্ভ কৰে বুলি মহিলাগৰাকীৰ পিতৃগৃহৰ লোকে ছয় পৃষ্ঠাত চাওক

## তামুলপুৰত পথ দুৰ্ঘটনাত হতাহত পাঁচ

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ১৩ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত দক্ষিণ কুমাৰীকাটাত আজি সন্ধিয়া প্ৰায় সাত বজাত সংঘটিত হয় এক ভয়াৱহ পথ দুৰ্ঘটনা। ভূটানৰ পৰা জিপচাম কঢ়িয়াই অনা এখন তীব্ৰবেগী ট্ৰেইলাৰে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এখন চাহৰ দোকান মহটিয়াই ভিতৰত সোমাই পৰে। ছয় পৃষ্ঠাত চাওক

## বৰদৌলগুৰিত পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ১৩ অক্টোবৰ ঃ** ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰদৌলগুৰিস্থিত বৰআঠিয়াবাৰীৰ কালিৰাম চ'কত এক পথ দুৰ্ঘটনাত সন্ধিয়া প্ৰায় পাঁচ বজাত এজন যুৱকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণী মতে, এজন বন্ধুৰ স'তে তেওঁ বৰদৌলগুৰি চ'কলৈ আহি আছিল। মটৰ চাইকেলৰ পাছত উঠি অহা যুৱকজনক ছয় পৃষ্ঠাত চাওক

## হোজাইত অনুষ্ঠানতে অসুস্থ প্ৰধান শিক্ষক মৃত্যু

অগ্ৰদূত বাৰ্তা
**হোজাই, ১৩ অক্টোবৰ ঃ** হোজাইৰ ফমাৰপাৰৰ এখন ব্যক্তিগত শিক্ষানুষ্ঠানৰ এক অনুষ্ঠানত যোগদান কৰি হঠাৎ অসুস্থ হৈ পৰা হোজাই জিলাৰ লংকা শিক্ষাখণ্ডৰ অন্তৰ্গত ফমাৰপাৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আতাউৰ ৰহমানৰ আজি মৃত্যু ঘটে। প্ৰাপ্ত তথ্য অনুসৰি, অনুষ্ঠানৰ সময়তে প্ৰচণ্ড বুকুৰ বিষ অনুভৱ কৰাত তেওঁক লগে লগে হোজাইৰ হাম হাস্পতাললৈ অনা হয় যদিও বাটতে ৰহমানৰ মৃত্যু হয়। অৱসৰলৈ মাজত মাথোঁ কেইটামান মাহ বাকী থকা ৫৯ বছৰীয়া ৰহমানে মৃত্যুৰ সময়ত পত্নী, পুত্ৰ-কন্যাক এৰি থৈ গৈছে। মৃদুভাষী শিক্ষকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

## তিনিখন কাঠৰ দলং পৰিদৰ্শন কৰি পকীকৰণৰ আশ্বাস বিটিচিৰ প্ৰধানৰ



অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ১৩ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও সদৰ চহৰৰ মাজেদি বৈ যোৱা মদাতি নদীৰ ওপৰত থকা পাঁচখন কাঠৰ দলঙৰ ভিতৰত তিনিখন দলং যোৱাটো বাৰিষাত নদীৰ প্ৰবল সোঁতে উটুৱাই নিয়ে আৰু বাকী দলং দুখনৰ অৱস্থাও অতি জৰাজীৰ্ণ। নিশ্চিহ্ন হোৱা দলং তিনিখন নিৰ্মাণ কৰাৰ দাবীত ৰাইজে ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন-নিবেদন কৰাৰ লগতে গোসাঁইগাঁৱৰ এজন ছাত্ৰই দলং নিৰ্মাণৰ দাবী জনাই যোৱা পাঁচ অক্টোবৰত অসমৰ নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহল শেহতীয়াকৈ ১১ অক্টোবৰত গোসাঁইগাঁৱত মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰযোগে দাবী জনোৱাৰ উপৰি সিদিনাই গোসাঁইগাঁও চহৰৰ জৰাজীৰ্ণ কাঠৰ দলঙৰ বিষয়ে সাংবাদিকে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰাৰ পাছত আজি বিটিচি প্ৰধান প্ৰমোদ বড়োৰ গোসাঁইগাঁও চহৰত আকস্মিক পৰিদৰ্শনক লৈ ৰাইজৰ মাজত আশাৰ সঞ্চাৰ হৈছে। আজি বিয়লি চাৰি মান বজাত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য সদলবলে হঠাতেই গোসাঁইগাঁৱত উপস্থিত হৈ গোসাঁইগাঁও চহৰৰ মাজেদি বৈ ছয় পৃষ্ঠাত চাওক

## সদৌ লেখিকা সমাৰোহৰ উপ-সভানেত্ৰী শশী প্ৰভা দেৱীৰ মৃত্যু তেজপুৰত শোকৰ ছাঁ



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ১৩ অক্টোবৰ ঃ** এগৰাকী সুলেখিকা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটাপ্ৰাপক, কবি, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী, তেজপুৰ শাখা লেখিকা সমাৰোহ সমিতিৰ বৰ্তমানৰ সভানেত্ৰী শশী প্ৰভা দেৱী (৭৬)ৰ নিজ বাসগৃহতে অকলশৰীয়া অৱস্থাত মৃত্যু ঘটে। যোৱা নিশা পোহৰলৈ অহা এই ঘটনাই সমগ্ৰ তেজপুৰবাসীক শোকস্তব্ধ কৰি তোলে। উল্লেখ্য যে সামাজিক ক্ষেত্ৰখনৰে সক্ৰিয় হৈ থকা সৰবৰহী মহিলাগৰাকীৰ নিথৰদেহ কালি সন্ধিয়া অনাকাংক্ষিতভাৱে ওচৰ চুবুৰীয়াই প্ৰত্যক্ষ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৰহাটত কৰ্ম সূত্ৰে থকা পুত্ৰ আৰু বিবাহিতা কন্যাৰ বিপৰীতে নিজ ইচ্ছাতেই তেজপুৰৰ নিজা বাসগৃহত অকলশৰীয়াকৈ তেজপুৰৰ দা ধৰা বামুণ চুবুৰিৰ বাসগৃহত জীৱন যাপন কৰা সৰবৰহী লেখিকাগৰাকীৰ স্বামীৰ প্ৰায় পাঁচ বছৰ পূৰ্বে বিয়োগ ঘটিছিল। কালি ছয় পৃষ্ঠাত চাওক

## প্ৰসূতি বিভাগৰ চিকিৎসক কৰ্তব্যত নথকাৰ অভিযোগ ঃ ৰাজপথত সন্তান প্ৰসৱ কৰিলে প্ৰসূতিয়ে

অগ্ৰদূত বাৰ্তা
**হাজো, ১৩ অক্টোবৰ ঃ** হাজোৰ ৰামদিয়া ৰাজ্যিক চিকিৎসালয়ত প্ৰসূতি বিভাগৰ চিকিৎসক নথকাত ৰাজপথতে এগৰাকী প্ৰসূতিয়ে সন্তান জন্ম দিব লগা হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, ৰামদিয়াৰ বৰছলিৰ দুই নম্বৰ ভেলকৰৰ এগৰাকী প্ৰসূতিয়ে ই-ৰিক্সাৰে আজি পুৱা আশাকৰ্মী সহ ৰামদিয়াৰ ৰাজ্যিক চিকিৎসালয়লৈ গৈছিল। অথচ সেই সময়ত চিকিৎসালয়খনত প্ৰসূতি বিভাগৰ চিকিৎসক নথকাত চিকিৎসালয়খনত কৰ্মৰত আন এজন চিকিৎসকে হাজো বিষ্ণুৰাম মেধি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে প্ৰসূতিগৰাকীক। অভিযোগ অনুসৰি, ৰামদিয়া ৰাজ্যিক চিকিৎসালয়ত জৰুৰীকালীন সেৱাৰ বাবে এম্বুলেঞ্চ বাহন আছিল যদিও চালকৰ অনুপস্থিতিত ই-ৰিক্সাতে প্ৰসুতি গৰাকীক হাজোলৈ নিবলগীয়া হয়। প্ৰসৱ বেদনাত চটফটাই থকা প্ৰসুতি গৰাকীয়ে হাজোৰ বিষ্ণুৰাম মেধি সামূহিক চিকিৎসালয় পোৱাৰ পূৰ্বে হাজোৰ বৰচাপৰিৰ ৰাজপথত ই-ৰিক্সাতে সন্তান জন্ম দিয়ে। ৰামদিয়াৰ ৰাজ্যিক চিকিৎসালয়ত দুজনকৈ নিয়মীয়া চিকিৎসক নিয়োজিত হৈ আছে যদিও ছয় পৃষ্ঠাত চাওক

## চৰকাৰী আঁচনিৰ পৰা বঞ্চিত প্ৰকৃত হিতাধিকাৰী

### বানপানীত গৃহহাৰা হৈ জীৱন পাৰ কৰিছে এখন টিঙৰ চালিৰ তলত

অগ্ৰদূত বাৰ্তা
**কচুৱা, ১৩ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে দৰিদ্ৰ, অৱহেলিত লোকৰ কল্যাণৰ বাবে বিভিন্ন জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰি আহিছে। তাৰ পাছতো একাংশ প্ৰকৃত হিতাধিকাৰীয়ে ইয়াৰ সুফল পোৱা নাই। নগাঁও জিলাৰ কঠিয়াতলি উন্নয়ন খণ্ডৰ চাংচকী পঞ্চায়তৰ পুৰণি দেউৰীগাঁৱৰ দীপক নামৰ লোকজনৰ দুৰৱস্থাই চৰকাৰখনৰ উন্নয়নৰ প্ৰকৃত ছবিখন দাঙি ধৰে। উল্লেখ্য যে ২০২২ৰ মে'-জুনত হোৱা প্ৰলংকাৰি বানে দীপক বৰাৰ বাসগৃহ সম্পূৰ্ণৰূপে ভাঙি লৈ যায়। পাছত লোকজনে ৰুগীয়া মাতৃক লৈ দুখে কষ্টৰে এখন টিঙৰ চালি দি দিন অতিবাহিত কৰি আহিছে। তথ্য মতে, দীপকৰ মাতৃ দীঘ্যদিন ধৰি ৰোগত আক্ৰান্ত হৈ শয্যাগত। ছয় পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত ভয়ংকৰ খহনীয়া অব্যাহত নিশা ব্ৰহ্মপুত্ৰই ধৰিলে কালৰূপ




### ১০ বাসগৃহ ব্ৰহ্মপুত্ৰত জাহ হোৱাৰ উপক্ৰম ঃ বাসগৃহ এৰি পলায়ন নিৰাপদ স্থানলৈ

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** এক অৱৰ্ণনীয় পৰিস্থিতিত জীৱনৰ কষ্টোপাৰ্জিত সা-সম্পত্তি এৰি প্ৰাণৰ মমতাত যেন পলায়ন কৰিব লগা পৰিৱেশৰ সৃষ্টি হৈছে ডিব্ৰুগড়ত। বিগত সপ্তাহৰো অধিক সময় ডিব্ৰুগড়ৰ মোহনাঘাটত ভয়ংকৰ খহনীয়াত আতংকগ্ৰস্তই নিজৰ ঘৰ-বাৰী এৰিব লগা হৈছে। নিৰাপদ স্থানলৈ আঁতৰিছে খহনীয়াগ্ৰস্ত। চকুৰ সন্মুখত চপৰা-চপৰে খহাই ক্ৰমাৎ চহৰৰ দিশে ধাৱমান হৈছে ব্ৰহ্মপুত্ৰ। যেনেকৈ যি পাৰে বয়-বস্তু, সা-সম্পত্তি লৈ সুৰক্ষিত স্থানলৈ ঢাপলি মেলিছে ১০ টাকৈ পৰিয়াল। মৰমৰ পঁজাটো নদীৰ বুকুত জাহ যোৱাৰ পৰা ৰক্ষা কৰাত ব্যৰ্থৰ যান্ত্ৰণা বুকুত বান্ধি সকলোৱে আশ্ৰয় লৈছে সুৰক্ষিত স্থানত। ইতিমধ্যে বিগত সাত দিনে ভয়ংকৰ খহনীয়াই জলসম্পদ বিভাগকো জলা-কলা খুৱাইছে। পকী পাৰ্কুপাইন, বাঁহৰ পাৰ্কোপাইন, জিঅ'বেগ আদি পেলাইছে যদিও সকলো যেন ফুটুকাৰ ফেন। এক বুজাব নোৱৰা অসহনীয় দৃশ্য। ডিব্ৰুগড়ৰ ছয় পৃষ্ঠাত চাওক

## কুম্ভকৰ্ণ নিদ্ৰাত এনএছআইডিচিএল

### কমাৰগাঁৱত হাবি-জংঘলৰে ভৰি পৰিছে নৱনিৰ্মিত চাৰিশাৰীযুক্ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ



অগ্ৰদূত বাৰ্তা
**খুমটাই, ১৩ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কমাৰগাঁৱৰ গেলেকীয়াল গাঁও তিনি আলি, বৰুৱাগাঁও, পানীদিহিঙীয়া, বছাপথাৰ, পাৰঘাট আদি অঞ্চলকেইটাত চাৰিশাৰীযুক্ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষে কাষে হাবি-জংঘলে ভৰি পৰাত ভয়ংকৰ পথ দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এফালে চৰকাৰে পথ দুৰ্ঘটনা ৰোধৰ বাবে সজাগতা সভা, বাটৰ নাট আদিৰ যোগেদি চালকসকলক সজাগ কৰা চেষ্টা কৰিছে যদিও বৃহত্তৰ কমাৰগাঁও অঞ্চলত বিপৰীত ছবি দেখা গৈছে। আনহাতে, চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটো দিয়া সাংকেতিক চিহ্ন-ব'ৰ্ডসমূহতো হাবি-জংঘলে ভৰি পৰিছে। ইফালে, নুমলীগড়ৰ পৰা আৰম্ভ হোৱা চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ মাজৰ অংশত কোনো বৃক্ষৰোপণ নকৰাত নিশা গাড়ী চালকসকলৰ যথেষ্ট সমস্যাৰ সৃষ্টি হয়। ইফালে, এনএছআইডিচিএলৰ গুৰুত্বহীনতাৰ বাবে ৩৭ নম্বৰ চাৰিলেগুযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কে'বাটাও দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা স্থান সাংকেতিক চিহ্ন-ব'ৰ্ড, কিছু কিছু স্থানত পথৰ কাষৰ ছাইড বাম আদি নথকাত কে'বাটাও সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈছে। ইফালে, কমাৰগাঁৱৰ উৰণীয়া সেতুৰ তলৰ অংশ) লগতে ৰাষ্টীয় ঘাইপথটো সম্পূৰ্ণকৈ নিৰ্মাণ নকৰাত সৰ্বসাধাৰণ ৰাইজৰ যথেষ্ট সমস্যা সৃষ্টি হৈছে। গুৰুত্বপূৰ্ণ বিষয় যে নুমলীগড়ৰ পৰা ৰঙামাটিলৈকে বহু স্থানত বিদ্যালয়, পদপথ, চাৰিশাৰীযুক্ত পথ, তিনিআলি, কেঁকুৰি, ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাত সহস্ৰাধিক অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ উত্তাল প্ৰতিবাদ

### ■ দাবী পূৰণ নহ'লে আগন্তুক নিৰ্বাচনত ভোট বৰ্জনৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১৩ অক্টোবৰ ঃ** নিয়মীয়া কৰ্মচাৰীক স্বীকৃতি দিয়াৰ লগতে কে'বাটাও গুৰুত্বপূৰ্ণ দাবীৰ সমৰ্থনত সহস্ৰাধিক অংগনৱাড়ী কৰ্মী-সহায়িকাই গোৱালপাৰা জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত বিভিন্ন চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বেনাৰৰ লগতে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদকাৰী অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে 'অংগনৱাড়ী কৰ্মী-সহায়িকাক চৰকাৰী কৰ্মচাৰীৰূপে স্বীকৃতি দিয়ক, মাননিৰ সলনি মজুৰি দিয়ক, মজুৰি নিদিয়ালৈকে কৰ্মীসকলৰ বাবে ১২ হেজাৰ আৰু সহায়িকাৰ বাবে ১০ হেজাৰ টকা ধাৰ্য কৰক, ১৫ অক্টোবৰত অৱসৰকালীন সুবিধা আদায় দিয়ক, আমাৰ দাবী ন্যায্য দাবী, আমাৰ দাবী পূৰণ কৰক, আমাক মজুৰি দিবই লাগিব, আমাৰ ন্যায্য দাবী পূৰণ কৰক' আদি শ্ল'গানৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে সদৌ অসম অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ সভানেত্ৰী জয়মতী দাসে কয় যে অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰ দাবী পূৰণ নহ'লে আগন্তুক নিৰ্বাচনত ৰাজ্যৰ এক লাখ ২১ হেজাৰ অংগনৱাড়ী কৰ্মী-সহায়িকাই ভোট বৰ্জন কৰিব। তেওঁ আৰু কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিশা সপোনত যি দেখে পিছদিনা তাকেই কৰে। ছয় পৃষ্ঠাত চাওক

## ধৰ্মপ্ৰাণা মহিলা মাইকন শইকীয়াৰ মৃত্যু

### জ্যেষ্ঠ মাতৃৰ মৃত্যুত শোকস্তব্ধ সাংসদ দিলীপ শইকীয়া



অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ১৩ অক্টোবৰ ঃ** নলবাৰী সমষ্টিৰ ১১ নম্বৰ দেহাৰকুছি গাঁওপঞ্চায়তৰ অন্তৰ্গত পূৰ্ণকামদেৰ (মোমাইতোলা) নিৱাসী মাইকন শইকীয়া (৯৫)ৰ আজি পুৱা নিজ বাসভৱনত বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। দীৰ্ঘদিনৰ পৰা অসুস্থ হৈ থকাৰ অন্তত আজি পুৱা শইকীয়াৰ মৃত্যুৰ বাতৰি পোৱাৰ মাত্ৰকে শোকস্তব্ধ হৈ পৰে সাংসদ দিলীপ শইকীয়া। লগে লগে তেওঁ সকলো কাৰ্যসূচী বাদ দি নিজ জন্ম গাঁৱত উপস্থিত হৈ জ্যেষ্ঠ মাতৃৰ সৎকাৰত অংশ লয়। উল্লেখ্য যে আজি সাংসদগৰাকীৰ জ্যেষ্ঠ মাতৃৰ সৎকাৰৰে পূৰ্ণকামদেৰ গাৱঁত সুন্দৰকৈ সজাই তোলা নৱনিৰ্মিত শ্মশানখনৰ উদ্বোধন কৰে। মনকৰিবলগীয়া যে মৃত মাইকন শইকীয়াৰ জ্যেষ্ঠ পুত্ৰ নিৰঞ্জন শইকীয়া দীৰ্ঘবছৰৰ পৰা নিউজ পেপাৰ হকাৰ হিচাপে কৰ্মৰত হৈ আছে। অইন দিনাৰ দৰে আজিও তেওঁ পেপাৰ বিতৰণ কৰিবলৈ ওলাই যোৱাৰ পাছতে মাতৃৰ মৃত্যুৰ বাতৰি পাই ছয় পৃষ্ঠাত চাওক

## ২৪ ঘণ্টাৰ পাঁচ মিনিট খোলা মনেৰে হাঁহক, নিৰোগী হৈ থাকক

### 'মানুহে মানুহৰ বাবে, দৰং অসম'ৰ বৰ্ষপূৰ্তি অনুষ্ঠানত ডাঃ অঞ্জনজ্যোতি চৌধুৰী

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ১৩ অক্টোবৰ ঃ** মানৱতাবাদী সংগঠন 'মানুহে মানুহৰ বাবে, দৰং, অসম'ৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠান যোৱা নিশা যুথ ক্লাব, মঙলদৈত সামৰণি পৰে। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বৰ্ষপূৰ্তি উপলক্ষে কালি বিয়লি 'গীতে মাতে অন্তৰংগ আলাপ' অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, হাস্যৰসিক ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে মানুহে মানুহৰ বাবে, দৰং, অসমে বিগত তিনি বছৰ ধৰি যেনেদৰে মানৱ কল্যাণৰ বাবে কাম কৰি আছে, সেয়া অনন্য বুলি উল্লেখ কৰি কয় যে এতিয়াও যে সমাজৰ পৰা মানৱতা শেষ হৈ যোৱা নাই তাকেই প্ৰতিপন্ন কৰিছে এই স্বেচ্ছাসেৱী সংগঠনে। তেওঁ লগতে প্ৰতিজন ব্যক্তি দিনে মাত্ৰ পাঁচ মিনিটকৈ সময় খোলাকৈ হাঁহিলে নিৰোগী হৈ থাকিব পাৰে বুলি উল্লেখ কৰি ২৪ ঘণ্টাৰ অলপ সময় সমাজৰ হিতৰ বাবে কাম কৰিবলৈও সকলোলৈ আহ্বান জনায়। অনুষ্ঠানত কৰুণাধাৰা মহানগৰ সমিতিৰ সম্পাদক মানৱজ্যোতি দাস, 'অভিগ্ন' স্বেচ্ছাসেৱী সংগঠনৰ সভাপতি হীৰেন চহৰীয়া, সমাজসেৱক প্ৰাণজিৎ শইকীয়া, 'নিৰাময়ৰ' সম্পাদক কুশল ডেকা, উদ্যোগী মহিলা ৰবী মজুমদাৰ, কিৰীতি বৰা, শেখৰ মজুমদাৰ, ৰাজীৱ কুমাৰ ডেকা, ডাঃ ডাউদ আলীয়ে চমুকৈ ভাষণ প্ৰদান ছয় পৃষ্ঠাত চাওক

## 'দেওলগা' দুৰ্গম সীতাৰাম পাহাৰচূড়াত আজিও পাখি ভাগি পৰি ৰ'ল দ্বিতীয় বিশ্বযুদ্ধৰ যুদ্ধ বিমান

### পাহাৰচূড়াত খোজ দিবলৈ ভয় কৰে পাহাৰী জনতাই, পৰি ৰ'ল মাৰ্কিন বিমানৰ যন্ত্ৰাংশ, মুকলি হৈ ৰ'ল দুৰ্ঘটনাৰ স্থান



অগ্ৰদূত বাৰ্তা
**কলিয়াবৰ, ১৩ অক্টোবৰ ঃ** 'দেওলগা' দুৰ্গম সীতাৰাম পাহাৰচূড়াত আজিও লোকচক্ষুৰ আঁৰত পাখিভাগি পৰি ৰৈছে দ্বিতীয় বিশ্বযুদ্ধৰ এখন মাৰ্কিন যুদ্ধ বিমান। অতি দুৰ্গম কাৰ্বিপাহাৰৰ ঘন জংঘলৰ মাজত সিঁচৰতি হৈ পৰি ৰৈছে সেই বিশেষ যুদ্ধ বিমানখনৰ অৱশেষ। কাৰ্বিপাহাৰৰ অন্তৰ্গত অতি দুৰ্গম আৰু ঘন জংঘলেৰে আবৃত সীতাৰাম নামৰ সুউচ্চ চূড়াত উপস্থিত হৈ প্ৰত্যক্ষ কৰিছিলো অ'ত ত'ত সিঁচৰতি হৈ পৰি ৰোৱা যুঁজাৰু বিমানখনৰ ভগ্নাৱশেষ। ইয়াৰ পাছতে অনুসন্ধান কৰি পোৱা তথ্য মতে, দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে এই দুৰ্গম কাৰ্বি পাহাৰকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন দুৰ্গম স্থানত সন্ধানহীন হৈ পৰিছিল বহুকেইখন মাৰ্কিন যুঁজাৰু বিমান। বিশ্বযুদ্ধত জাপানৰ বিৰুদ্ধে যুঁজ দি থকাৰ সময়তে বৈমানিক, সেনাবাহিনীৰ লোকসহ নিখোঁজ হৈছিল এই ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী শনিবাৰ ২৬ আহিন ১৪৩০ ভাস্কৰাব্দ ১৪ অক্টোবৰ ২০২৩



# ৰাষ্ট্ৰসংঘৰ ব্যৰ্থতা

পেলেষ্টাইনী সশস্ত্ৰ সংগঠন হামাছে ইজৰাইলত অতৰ্কিতে আক্ৰমণ কৰাৰ পাছত ৰাষ্ট্ৰসংঘৰ ব্যৰ্থতাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। বিশ্বত এখনৰ পাছত আন এখন ভয়াৱহ যুদ্ধ আৰম্ভ হ'বলৈ ধৰিছে যদিও এনেবোৰ যুদ্ধৰ অৱসান ঘটাই শান্তি স্থাপনৰ ক্ষেত্ৰত সফল হ'ব পৰা নাই ৰাষ্ট্ৰসংঘ। যোৱা সপ্তাহত আৰম্ভ হোৱা হামাছ-ইজৰাইলৰ যুদ্ধৰ ক্ষেত্ৰতো ৰাষ্ট্ৰসংঘৰ নিষ্ক্ৰিয় ভূমিকা আকৌ এবাৰ প্ৰত্যক্ষ হৈছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে এক বিবৃতিত ইজৰাইলক আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়ে দায়িত্ব সীমাবদ্ধ ৰাখিছে। ইজৰাইল-হামাছৰ শেহতীয়া সংঘাতৰ ক্ষেত্ৰত প্ৰথমবাৰলৈ ৰাষ্ট্ৰসংঘই শান্তি স্থাপনৰ আহ্বানৰে বৰ্তমানলৈকে কোনো যৌথ বিবৃতি প্ৰকাশ কৰা নাই। কেৱল ৰাষ্ট্ৰসংঘৰ ৱেবছাইটত এই ঘটনাৰ তদন্ত কৰাৰ কথাহে উল্লেখ কৰা হৈছে। ৰাষ্ট্ৰসংঘই বাৰে বাৰে আন্তৰ্জাতিক যুদ্ধ-বিগ্ৰহ আৰু সংঘাতৰ প্ৰসংগত এইদৰে নীৰৱ দৰ্শকৰ ভূমিকাত অৱতীৰ্ণ হোৱাক লৈ ইতিমধ্যে বিতৰ্কৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰসংঘই যদি বিশ্বত শান্তি-সম্প্ৰীতি অটুট ৰাখিব নোৱাৰে, তেন্তে এই আন্তৰ্জাতিক সংগঠনৰ প্ৰয়োজন কি বুলি প্ৰশ্ন উত্থাপিত হৈছে। বিশিষ্ট মানৱাধিকাৰ কৰ্মী দ্ৰীকা য়াছিনে ৰাষ্ট্ৰসংঘ বন্ধ কৰি দিয়াৰো দাবী জনাইছে। য়াছিনে কয় যে যি সংগঠনে ৭৫ বছৰত কোনো এটা সংঘাতৰ সমাধান কৰিব নোৱাৰিলে, তেনে সংগঠনৰ কোনো প্ৰয়োজন নাই। মানৱাধিকাৰ কৰ্মীজনে বিশ্বত শান্তি স্থাপনৰ বাবে এক নতুন প্ৰভাৱশালী সংগঠন গঠনৰো দাবী জনাইছে। মালয়েছিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মহাথিৰ মহম্মদে ইজৰাইল-পেলেষ্টাইনৰ শেহতীয়া সংঘাতৰ বাবে ৰাষ্ট্ৰসংঘক জগৰীয়া কৰিছে। পূৰ্বে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্ল'ডিমীৰ জেলেন'স্কিয়েও ৰাষ্ট্ৰসংঘক প্ৰভাৱহীন সংস্থা বুলি অভিহিত কৰিছিল। জেলেন'স্কিয়ে অভিযোগ কৰিছিল যে ৰাষ্ট্ৰসংঘত এনে একাংশ লোক মজুত আছে, যিসকলে কেতবোৰ দেশৰ অপকৰ্মক সঠিক আখ্যা দি আহিছে।

ৰাষ্ট্ৰসংঘৰ দৰে আন্তৰ্জাতিক শান্তি-নিৰাপত্তা নিশ্চিতকৰণৰ সংস্থাৰ বিৰুদ্ধে ব্যৰ্থতা আৰু অস্তিত্বহীনতাৰ অভিযোগ উত্থাপিত হোৱাটো অতি পৰিতাপৰ কথা। প্ৰথম বিশ্বযুদ্ধৰ পাছত বিশ্বত শান্তি স্থাপনৰ বাবে উড্ৰ' উইলছনৰ নেতৃত্বত ৰাষ্ট্ৰসংঘৰ গঠন কৰা হৈছিল; কিন্তু ইয়াৰ পাছতে ১৯৩৯ত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল আৰু এই যুদ্ধৰ সমাপ্তিৰ পাছত ২৪ অক্টোবৰ ১৯৪৫ত আমেৰিকা, ৰাছিয়াসহ ৫০ খনৰো অধিক দেশৰ প্ৰতিনিধিয়ে ছেন ফ্ৰান্সিছক'ত একত্ৰিত হৈ শান্তি স্থাপনৰ বাবে এক আন্তৰ্জাতিক সংস্থা গঠনৰ সিদ্ধান্ত লৈছিল। ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰত উল্লেখ কৰা অনুসৰি, এই সংগঠনৰ মূল কাম হৈছে বিশ্বত শান্তি স্থাপন কৰা। দুই বা ততোধিক কোনো দেশৰ মাজত সংঘাতে দেখা দিলে সেয়া শান্তিপূৰ্ণভাৱে আন্তৰ্জাতিক আইনৰ অধীনত সমাধা কৰিবলৈ ৰাষ্ট্ৰসংঘ বদ্ধপৰিকৰ। নিৰাপত্তা পৰিষদসহ ৰাষ্ট্ৰসংঘৰ মুঠ ছটা মুখ্য সংস্থা বা বিভাগ আছে; কিন্তু বাস্তৱত বিগত ৭৫ বছৰত ৰাষ্ট্ৰসংঘই বিশ্বৰ সৰহ সংখ্যক দেশৰে সংঘাতৰ কোনো বাস্তৱসন্মত সমাধান সূত্ৰ উলিয়াব নোৱাৰিলে। কেৱল পেলেষ্টাইন-ইজৰাইল সংঘাতে নহয়, ২০২২ৰ ফেব্ৰুৱাৰীত ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ কৰাৰ পাছত বৰ্তমানলৈকে অব্যাহত থকা যুঁজৰো কোনো মীমাংসা কৰাব পৰা নাই ৰাষ্ট্ৰসংঘই। ইউক্ৰেইনত যুদ্ধ প্ৰতিৰোধ আৰু ৰাছিয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে ৰাষ্ট্ৰসংঘত কে'বাবাৰো প্ৰস্তাৱ লোৱা হৈছিল, কিন্তু ৰাছিয়া আৰু চীনৰ বিৰোধিতাত এনে প্ৰস্তাৱ গৃহীত নহ'ল। ফলত বৰ্তমানেও দুই ৰাষ্ট্ৰৰ যুদ্ধ অব্যাহত আছে। পূৰ্বেও ভিয়েটনাম-আমেৰিকা যুদ্ধ, ইৰাক-ইৰানৰ যুদ্ধ, ৰোৱাণ্ডা নৰসংহাৰ, ব'ছনিয়াৰ গৃহযুদ্ধ আদিৰ ক্ষেত্ৰতো সমস্যাৰ সমাধানত ৰাষ্ট্ৰসংঘৰ চূড়ান্ত ব্যৰ্থতা বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিছিল; কিন্তু প্ৰশ্ন হয়, শান্তি স্থাপন আৰু নানা দেশৰ সংঘাত দূৰ কৰাত কিয় বাৰে বাৰে এই আন্তৰ্জাতিক সংস্থাটো ব্যৰ্থ হৈছে?

সৰহ সংখ্যক বিশেষজ্ঞৰ মতে, ৰাষ্ট্ৰসংঘ ব্যৰ্থ হোৱাৰ মূল কাৰক হৈছে একাংশ সদস্য ৰাষ্ট্ৰৰ ভেট' ক্ষমতা। এই বিশেষ অধিকাৰৰ জৰিয়তে ৰাষ্ট্ৰসংঘৰ কাম-কাজত প্ৰায়ে চীন, ৰাছিয়া, আমেৰিকা, ব্ৰিটেইন আৰু ফ্ৰান্সে অবাধে হস্তক্ষেপ কৰি আহিছে। ভেট' ক্ষমতাধাৰী দেশকেইখনে ৰাষ্ট্ৰসংঘক নিজৰ ইচ্ছা অনুসৰি পৰিচালনা কৰি অহাৰ ফলতে প্ৰকৃতাৰ্থত এই আন্তৰ্জাতিক সংস্থাই যুদ্ধ-বিগ্ৰহ প্ৰতিৰোধত ব্যৰ্থ হৈছে। বিশিষ্ট ব্ৰিটিছ সমালোচক নীল গাৰ্ডেনাৰৰ মতে, দুৰ্বল নেতৃত্বৰ বাবে ৰাষ্ট্ৰসংঘই সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰি এক অস্তিত্বহীন সংস্থাত পৰিণত হৈছে। গাৰ্ডেনাৰে লগতে কৈছে যে ২১ শতিকাৰ প্ৰয়োজনীয়তা অনুসৰি ৰাষ্ট্ৰসংঘৰ পুনৰ গঠন কৰা নহ'লে সংস্থাটো অচিৰে অপ্ৰাসংগিক হ'ব। উল্লেখ্য যে ২৩২১ কোটি টকাৰ বাৰ্ষিক বাজেটৰে সমৃদ্ধ ৰাষ্ট্ৰসংঘক শান্তি স্থাপনৰ বাবে ইয়াৰ ১৩৭ খন সদস্য দেশে ধনৰ যোগান ধৰি আহিছে। ইউক্ৰেইনৰ পাছত ইজৰাইলতো যুদ্ধ প্ৰতিৰোধত চৰম ব্যৰ্থ হোৱা ৰাষ্ট্ৰসংঘৰ সংস্কাৰ সাধন নহ'লে আগন্তুক দিনত এই আন্তৰ্জাতিক সংস্থাৰ প্ৰয়োজন বিশ্ববাসীয়ে অনুভৱ নকৰাটোৱে স্বাভাৱিক।

## খোলা মঞ্চ


# ভূপেন হাজৰিকাৰ কোনটো গীতে আপোনাক বেছিকৈ প্ৰেৰণা যোগায়?



সুধাকণ্ঠ ভূপেন হাজৰিকাৰ কোনটো গীতে বেছিকৈ প্ৰেৰণা যোগায় বুলি একেষাৰে ক'বলৈ কঠিন হয়। তেওঁৰ অতুলনীয় সৃষ্টিৰ যিটো গীত শুনা যায়, সিটোতে তেওঁৰ অমৃত ভৰা কণ্ঠৰ প্ৰেৰণাৰ মৌ বৰষে। জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ত গোৱা গীতবোৰে প্ৰতিগৰাকী অসমীয়াৰ মন-মগজু শিয়ৰাই তুলিছিল। সেই গীতবোৰে অসমীয়া ডেকা শক্তিক আগুৱাই যাবলৈ বৰ্ণনাতীতভাৱে প্ৰেৰণা যোগাইছিল। বিহুৰ সময়ত গোৱা গীতবোৰে ডেকা-গাভৰুৰ মন উতলা কৰে। সময়ৰ আহ্বানত ভিন্ন ভাৱনাৰ ভিন্ন সুৰত গোৱা গীতবোৰে সকলোকে প্ৰেৰণা যোগায়। তেওঁৰ নিজৰ যুগ্ম জীৱনৰ পৰা বিচ্ছিন্ন হোৱা প্ৰেমৰ দৰদী গীতসমূহো এক প্ৰেৰণাৰ উৎস বুলি ক'ব পাৰি। তাৰে প্ৰায়বোৰ গীতে মোৰ অন্তৰ চুই যায়। সেই গীতবোৰৰ মাজত 'অ' তই অবুজ মন' শীৰ্ষক গীতটোৱে মোৰ মনত শিহৰণ তুলিছিল আৰু সেই গীতটোৰ অন্তৰ্নিহিত ভাৱত বিভোৰ হৈ পৰিছিলো। এতিয়াও ক'ব নোৱাৰাকৈ মোৰ মনত গুণগুণনি এটা আহে। তাৰেই মূল ভাৱক আধাৰ হিচাপে লৈ অনাকাংক্ষিতভাৱে বিচ্ছিন্ন হ'বলৈ যোৱা বহুতো পৰিয়ালক বুজনি দিবলৈ প্ৰেৰণা পাইছিলো। তেনেকৈ মাদক দ্ৰব্য সেৱনেৰে স্খলিত হৈ পৰা একাধিক পৰিয়ালক বিচ্ছিন্ন হোৱাৰ পৰা ৰক্ষা কৰিবলৈ সক্ষমো হৈছিলো।

### 'অ' তই অবুজ মন'

### গৰ্গেশ্বৰ দাস



তেওঁ গীতটোত নিজৰ সন্তানটোক ফুলৰ লগত তুলনা কৰি সাধাৰণ কথাতে পত্নীৰ স'তে মনোমালিন্য হৈ বিচ্ছেদিত হোৱা তেওঁৰ পৰিয়ালৰ কাহিনীটোৱে আৱেগিকভাৱে গীতৰ মাজেৰে প্ৰকাশ কৰিব বিচাৰিছে।

প্ৰথম অন্তৰাত তেওঁ প্ৰেমৰ অৰ্থ বুজাবলৈ গৈ কৈছে—প্ৰেমত এটা মনৰ দুজন মানুহ আৰু দুটা মনৰ এটাই সুৰ। তাৰে এটা সুৰ নোহোৱা হ'লে আনটো অসম্পূৰ্ণ হয়। এইখিনি কথা পাহৰিলে কি হ'ব পাৰে তাকেই তেওঁৰ অবুজ মনটোক আক্ষেপেৰে বুজাব বিচাৰিছে। দ্বিতীয় অন্তৰাত তেওঁ কৈছে— ভৰ যৌৱনেৰে আন্দোলিত বৈৱাহিক জীৱনত তেওঁলোকৰ পৰিয়ালত এটা সন্তান সংযোজিত হ'ল, যাক তেওঁ এটি ফুলৰ লগত তুলনা কৰিছে। কেনেদৰে পত্নীৰ স'তে মনোমালিন্য ঘটিল তেওঁ গমেই নাপালে। তেওঁলোকৰ বিচ্ছিন্নতাই ফুল কুমলীয়া সন্তানটোকো তেওঁৰ পৰা আঁতৰাই লৈ গ'ল। তেওঁ নিজ হাতেৰে ফুলৰ পাহি চিঙি দিয়াৰ দৰে অনুভৱ কৰিলে। শেষৰ অন্তৰাত তেওঁ কৈছে — প্ৰকৃত প্ৰেমত আত্ম অভিমান, জেদ আৰু ভেদভাৱ আশোভনীয়। জেদ আৰু ভেদভাৱ যদি মনৰ পৰা এৰি দিয়া নহয়, তেওঁলোকৰ প্ৰেম আৰু মনৰ ব্যৱধান বাঢ়ি গৈ থাকিব। নিজৰ সৰু সৰু দোষতে অগ্নি শৰ্মা হৈ মানসিকভাৱে দগ্ধ হ'ব আৰু এটা সময়ক দুয়ো দুয়োকে বিচাৰি নাপাব। অবিশ্বাস আৰু আত্ম অভিমানেৰে ভৰা এটা মন লৈ পতি-পত্নী পৰস্পৰে আগবঢ়াৰ কাৰণে হয়তো তেওঁলোকে এটা বিচ্ছেদিত জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল। তেওঁৰ অবুজ মনটোৱে এই কথা ফঁহিয়াই চোৱা হ'লে হয়তো বিবাহ-বিচ্ছেদৰ দৰে বিৰহ জীৱন কটাবলগীয়া নহ'লহেঁতেন বুলি তেওঁ গীতটোৰ মাজেৰে আক্ষেপ প্ৰকাশ কৰিছে।

মই অনুভৱ কৰো সুধাকণ্ঠ ভূপেন হাজৰিকাৰ 'অ' তই অবুজ মন' শীৰ্ষক গীতটোৱে মোক বাৰুকৈয়ে প্ৰেৰণা যোগায়। ফোন : ৯৪০১৩০৩৬৮৯

# পৃথিৱীলৈ দুদিনৰ কাৰণে অহা অসন্তুষ্ট আলহী আমি

## ক্ষমতাশালী, অহংকাৰী আৰু প্ৰভাৱশালী ব্যক্তিসকল ভিতৰি ভিতৰি ভয়াতুৰ



চৈধ্যখন ব্যঞ্জনেৰে আহাৰ গ্ৰহণ কৰিও সন্তুষ্টি লভিব নোৱাৰা ব্যক্তি আমাৰ মাজতে কিমান যে আছে! ধন-সম্পদৰ পাহাৰ গঢ়িও সুখ-সন্তুষ্টি লভিব নোৱাৰা মানুহ অনেক আছে। লাগে লাগে কেৱল লাগে। ধন লাগে, সোণ লাগে, মাটি লাগে, ক্ষমতা লাগে, প্ৰভাৱ-প্ৰতিপত্তি লাগে, প্ৰভুত্ব খটুৱাব লাগে আৰু যে কি নালাগে!

দিনৰাতি একাকাৰ কৰি দৌৰি দৌৰি বহুতে অৱশ্যে ধন-সম্পদ, ঘৰ-মাটি, ক্ষমতা-প্ৰতিপত্তি গঢ়িলে। হেঁপাহৰ ভোগজৰা ঘিউ-মৌৰে ভৰালে। স্থাৱৰ-অস্থাৱৰ সম্পত্তিও বহুতৰ বৰ্তমান আছে; অৱশ্যে এটা বস্তু তেওঁলোকৰ নাই। সুখ নাই। শান্তি নাই। নেতা-নেতৃত্বৰ লাজ নাই। লাজ-লজ্জাহীন, মিছা-মিথ্যাচাৰত নিমজ্জিত নেতাবোৰৰ অনিয়ম আৰু অনীতি তেওঁলোকৰ জীৱনৰ চিৰসহচৰ।

জীৱনৰ অনিত্যতা আৰু অস্থায়িত্বৰ সত্যক সঠিকভাৱে উপলব্ধি কৰিব পৰাহেঁতেন আমাৰ ৰাজনৈতিক নেতা, আমোলা-বিষয়াবোৰে ক্ষমতাৰ অহংকাৰত গঙাটোপ নহ'লহেঁতেন। তেওঁলোকে সাধাৰণ জনতাৰ ভাগ্য নিৰ্ধাৰণ কৰোতা, ভৱিষ্যদ্ৰষ্টা, অদৃষ্ট নিয়ন্তা, অদৃষ্ট নিয়ন্তা বুলিও ভাবি নল'লেহেঁতেন। ক্ষমতাৰ অহংকাৰ আৰু ধৰ্মীয় উন্মাদনাত মত্ত থকা বাবে এনেকুৱা কিছুমান কাম তেওঁলোকে কৰিবলৈ ধৰিছে যেন ঈশ্বৰৰ পৰাহে নিৰ্দেশ পাইছে আৰু তাকে পালন কৰি গৈছে নিষ্ঠাসহকাৰে।

আৰু এটা কথা। ক্ষমতাশালী, অহংকাৰী আৰু প্ৰভাৱ-প্ৰতিপত্তিশীল ব্যক্তিসকল ভিতৰি ভিতৰি ভয়াতুৰ। ভয়-ভীতত চিৰ আতুৰ। ভয়াতুৰ নেতাৰ চিঞঁৰ-বাখৰ বেছি। মিছা-মিথ্যাচাৰৰ প্ৰকোপো বেছি। তেওঁলোকৰ ধন-সম্পদ হেৰুওৱাৰ ভয় অকল নহয়, বৰ্তমান ভোগ কৰি থকা সুযোগ-সুবিধা আৰু প্ৰভাৱ-প্ৰতিপত্তি হেৰুওৱাৰ ভয়ে নিতৌ খাই মাৰে নেতাক।

ৰাজনৈতিক নেতাৰ ভয় ক্ষমতা হেৰুওৱাৰ, প্ৰভুত্ব নোহোৱা হোৱাৰ আৰু তাৰ ফলস্বৰূপে প্ৰভাৱ কমি যোৱাৰ। ধন-সম্পদ বা আন কিহবাই ক্ষমতা হেৰুওৱাৰ ক্ষতি কোনো প্ৰকাৰে পূৰণ কৰিব নোৱাৰে। ক্ষমতা আৰু প্ৰভাৱ প্ৰতিপত্তি হেৰুওৱা নেতা-নেতৃত্বৰ মনলৈ বিলাস-বৈভৱত কটোৱা মধুৰ স্মৃতিয়ে জীৱনলৈ তিক্ততা আনে। তিতিকি আস্বাদে জীৱনটো অৰ্থহীন কৰি পেলায়। তেনে ব্যক্তি বা নেতাৰ জীৱনৰ মাদকতা নোহোৱা হয়।

মনৰ সন্তুষ্টি আৰু সুস্থতা নাথাকিলে চৈধ্য বিধ ব্যঞ্জনেৰে ভাতসাঁজ খাবলৈ দিলেও অসন্তোষ প্ৰকাশ কৰা দেখা যায়। অসন্তোষীয়া জীৱ প্ৰাণত অন্তৰ্বেদনা বঢ়াটো তেনেই স্বাভাৱিক। যিবিলাক ব্যক্তিৰ অতিৰিক্ত ধন-সম্পদ নাই, পাবলৈও আশা নাই তেওঁলোকৰ হেৰুৱাবলৈও একো নাই। তেনে ব্যক্তি কিছু পৰিমাণে সুখী। শান্তিও হয়তো তেওঁলোকৰ কিছু আছে।

পূৰ্ব নিৰ্ধাৰিত চিন্তাধাৰাৰ পৰা ফালৰি কাটি আহি আমি যদি স্বতন্ত্ৰ আৰু নিৰপেক্ষ চিন্তা-চৰ্চাৰে আগবাঢ়িব পাৰো, চিন্তাৰ মুক্তি আনি যুক্তিসহকাৰে উপস্থাপন কৰিব পাৰো যে আমি এই পৃথিৱীলৈ দুদিনৰ কাৰণে অহা অসন্তুষ্ট আলহীহে, এইখন পৃথিৱীৰ আমি স্থায়ী বাসিন্দা নহয়। জোৰপূৰ্বক আমি আমাৰ ভোগ-দখল স্থায়ী কৰিব কোনোমতে নোৱাৰো। ধন-সম্পদৰ স্থায়ী গৰাকীও হ'ব নোৱাৰো।

### আছুতীয়া চিন্তা

### জয়কান্ত শৰ্মা



যিটো সময়ত আমাৰ জীৱনটোৱে অনিত্য-অসাৰ তাৰ তুলনাত ধন-সম্পদনো কি? ক্ষমতাৰ অহংকাৰ কিমান দিনৰ? নিৰপেক্ষ আৰু নিঃস্বাৰ্থ দৃষ্টিভংগীৰে ক'ব লাগিলে আমাৰ জীৱনবোৰেই দেখোন একোটা অসম্পূৰ্ণ আৰু অসাৰ্থক স্বপ্ন। দিবা স্বপ্নত অস্থিৰ অশান্ত। অন্তহীন কামনা-বাসনা। সীমাহীন লোভ-লালসা। তাৰ বাহিৰেনো কি?

লোভ-লালসাবোৰ পূৰ নৌহওঁতেই, বিৰামহীন বাসনাৰ দুস্বপ্ন বুকুত বান্ধি লৈ ফুৰোতে নিজৰ জীৱনে আমাৰ লগত ভেঙুচালি কৰে। লুকা ভাকু খেলে। জীৱন নাটৰ যৱনিকা পৰে দৃশ্যাংশ শেষ নোহোৱাতে। বিশাল মঞ্চখন খালী হৈ যায় হঠাতে। আমাৰ-প্ৰস্থানৰ লগে লগে আন কাৰোবাৰ প্ৰৱেশ প্ৰকৃতি নিৰ্ধাৰিত নতুন নাটৰ নতুন চৰিত্ৰৰ প্ৰৱেশে পৰিৱেশ নতুন কৰে। সুন্দৰ অভিনয় কৰাৰ উপৰি আমি কোৱা আৰু গোৱা সংলাপ তেওঁলোকেও প্ৰক্ষেপ কৰে হয়তো সংশোধনৰ মাজেৰে। আমাতকৈ হয়তো উচ্চস্বৰে, উগ্ৰতাৰে নতুবা আবেগিকভাৱে সংলাপবোৰ প্ৰক্ষেপ কৰে সময়ে যিধৰণে বিচাৰে।

নতুন নাট্যকাৰৰ নাটৰ বিষয়বস্তু, লক্ষ্য-উদ্দেশ্য সামান্য ইফাল-সিফাল হ'ব পাৰে। কোনোবাই হয়তো ৰজা, ধনকুবেৰ বা বিখ্যাত জমিদাৰৰ চৰিত্ৰটোক পছন্দ কৰি অভিনয় সুন্দৰভাৱে ফুটাই তুলিব পাৰে। কুইন এলিজাবেথ, লেডি ডায়েনা, ক্লিউপেট্ৰা, হেলেন নতুবা ছোনিয়া, ৰিণিকিৰ চৰিত্ৰটোকে বৰ্ণিল কৰি তুলিব পাৰে নিজৰ মেধাশক্তি নহ'লেও আনৰ সহায়তে। অৱশ্যে তেওঁলোকেও চিৰকাল মঞ্চখন দখল কৰি থাকিব নোৱাৰে। ক্ষমতা প্ৰয়োগ কৰি জীৱন নাটৰ অংকও বঢ়াব নোৱাৰে।

লহিয়াবলৈ ধৰা বেলিটোক পশ্চিম আকাশত ওলোমাই ৰাখি থ'বলৈ কাৰো সাধ্য নাই। বেলি পৰিবই। জীৱন নাটৰ যৱনিকা আহিবই। জীৱন নাটৰ নাট্যকাৰে ইমান দীঘলীয়াকৈ নাট ৰচনা কৰা নাই যে আমি বহুকাল অভিনয় কৰি যাব পাৰিম, ভোগ-দখল বৰ্তাই ৰাখিব পাৰিম এই ধুনীয়া ধৰাত। অসম্ভৱ।

প্ৰকৃততে নাট্যকাৰৰ লক্ষ্য-উদ্দেশ্য নুবুজি নাটৰ চৰিত্ৰ সঠিকভাৱে ৰূপায়ণ কৰাটো উজু কথা বুলি ভাবি লোৱাটো ভুল। আখৰা সম্পূৰ্ণ নকৰাকৈ কোনো অভিনেতাই অভিনয়ৰ বাবে উৎসুক হোৱাটো আৰু বেছি ভুল। হামাছৰ এইখিনিতে ভুল হ'ল। শুই থকা সিংহক ধনুকাঁড় মাৰি জগালে হামাছে। কিছু সংখ্যক ইহুদী হত্যা কৰি, ঘৰ-দুৱাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান ধ্বংস কৰি তেওঁলোকে ইজৰাইলক উচিত মূল্য দিব লাগিব। মূল্য দিব লাগিব লক্ষ লক্ষ হামাছৰ জীৱনেৰে। গাজা ভূখণ্ড হয়তো চাৰখাৰ হ'ব ট্ৰয় নগৰৰ দৰে।

> যিবিলাক ব্যক্তিৰ অতিৰিক্ত ধন-সম্পদ নাই, পাবলৈও আশা নাই তেওঁলোকৰ হেৰুৱাবলৈও একো নাই। তেনে ব্যক্তি কিছু পৰিমাণে সুখী।

নাটৰ দৃশ্যাংশৰ অন্তৰ্ভুক্ত নিজৰ চৰিত্ৰটো বুজি লৈ আন্তৰিকতাৰে অনুশীলন কৰি নিপুণতাপ্ৰাপ্ত নোহোৱাকৈ হঠাতে অভিনয় কৰিবলৈ গ'লে মঞ্চত জথৰ লাগে। নিজৰ সংলাপ পাহৰে। তেনেকুৱা হ'লে অংকটোতে আউল লাগে। ঠিক জীৱন নাটৰ দৰে। বিশ্ব মঞ্চৰ নাটখনতো বহুতে আঁকোৰগোজালি কৰি মঞ্চ এৰিব নুখুজি গোটেই নাটখনকে বৰবাদ কৰি পেলায়। বিশ্বৰ শান্তিপূৰ্ণ নেতাবোৰৰ মহান পৰিকল্পনাবোৰকো পণ্ড কৰি পেলায়। ক্ষমতাৰ অহংকাৰত উৎফুল্লিত নেতাই মৃত্যু উপত্যকাত পৰিণত কৰে পৃথিৱীক।

আচলতে এইখন সংসাৰ মঞ্চলৈ আমি কিয় আহিছো? কিমান দিনৰ বাবে আহিছো? আমাৰ শেষ পৰিণতি কি? মৃত্যুনে? এই প্ৰশ্নবোৰৰ উত্তৰ আমাৰ হাততে আছে। আমি সকলোৱে দেখি আছো। ইতিহাস পঢ়িছো। তাৰ পৰা জানিব পাৰিছো অতীত সমাজ আৰু ৰাষ্ট্ৰৰ উত্থান-পতন, সৃষ্টি আৰু ধ্বংস। মানৱ জীৱনৰ অস্থায়িত্বৰ উমান পাইছো যুদ্ধ-বিগ্ৰহৰ মাজত। ধৰ্মীয় আৰু সাম্প্ৰদায়িক উন্মাদনা আৰু উগ্ৰ জাতীয়তাবাদে পৃথিৱীখনক যুদ্ধভূমিত পৰিণত কৰা নাইনে? যুদ্ধৰ মাজত মানুহে কি বিচাৰি পায়? মানুহৰ জীৱন আৰু তেজৰ নিচাই কাক কি লাভৱান কৰে? খাৰ-বাৰুদৰ ধোঁৱাৰ মাজত মানুহৰ শান্তি আৰু সুৰক্ষাৰ প্ৰশ্নই ভুমুকি মাৰিব পাৰেনে?

প্ৰকৃততে মানুহ, জাতি বা সমাজ আনকি ৰাষ্ট্ৰৰো আত্ম-বিশ্লেষণৰ অভাৱ বাৰুকৈয়ে দেখা যায়। নিজৰ ভুল কেৰে দেখা নাপায়। আগ্ৰাসন, অধিগ্ৰহণ, হিংসা-ঈৰ্ষা আদি মানুহৰ অসুখ-অশান্তিৰ মূল কাৰণ। মানুহৰ মায়া-মোহ, লোভ-লালসা আৰু অসাৰ্থক স্বপ্নৰ স্বাৰ্থই এনেকুৱা শিক্ষা-জ্ঞান দিয়ে যে যুদ্ধত মানুহ মৰিলে ছহিদ হয়। হিন্দু হ'লে স্বৰ্গবাসী হয়। মুছলমানে জেহাদত মৰিলে বেহেস্তত স্থানপ্ৰাপ্ত হয়।

বহুতৰ ধাৰণা যে মানুহে পুনৰ্জনম লয়। আত্মাৰ মৰণ নাই। পুণ্যাত্মা গৈ পৰমপুৰুষ পৰমাত্মাত বিলীন হয়। এনে ধ্যান-ধাৰণাবোৰ নতুন নহয়। প্ৰাচীন ঋষি-মুনিৰ ধাৰণা এয়া। এই প্ৰাচীন বা পূৰ্ব ধাৰণাকে আমিও ধাৰণ কৰি লৈছো আমাৰ চিন্তাৰ জগতত। পূৰ্বৰ এই ধাৰণাবোৰ ভাল, পবিত্ৰ আৰু প্ৰবল বুলি আজিও বহুতে যুক্তি দাঙি ধৰে। সাধাৰণ মানুহে তাক মানি লয় সহজতে। মানি লয় এইকাৰণে যে তেওঁলোকে নিজৰ মন-মস্তিষ্কক কষ্ট দিব নোখোজে। জটিল কথা বা চিন্তা ভাৱনাৰ পৰা দূৰত থাকিয়ে স্বস্তিৰ নিশ্বাস এৰে বহুতে।

দৰাচলতে আন আন জীৱ-জন্তুৰ দৰে মানুহৰ জীৱনো একে। মৃত্যুৰ পাছত সকলো সম্পৰ্কচ্ছিন্ন। প্ৰকাণ্ড এটা শূন্য। আত্মা-পৰমাত্মাৰ ধাৰণা ভ্ৰান্ত। ভ্ৰমৰ পৰা উৎপত্তি হোৱা অজ্ঞতাৰ দ্বাৰা প্ৰতিপালিত ধাৰণা এয়া।

সি যি কি নহওক, মানুহে সদায় সুখদায়ক পৰিণতি, সুখ-আনন্দৰ দিনবোৰৰ কথা স্মৰণ কৰি ভাল পায়। তাৰ বিপৰীতে দুখদায়ক কথা, দুখ-দৈন্যৰ দিন বা কষ্টৰ সময়ক পাহৰি থাকিব বিচাৰে। তেনেদৰে মানৱ জীৱনৰ অনিত্যতা বা মৃত্যুৰ কথা জানিও, সম্পৰ্কচ্ছিন্ন যন্ত্ৰণাকাতৰ বিদায়ৰ কাহিনী শুনিও তাক পাহৰি থাকিবলৈ যত্ন কৰো। আমি যে এই পৃথিৱীৰ দুদিনৰ আলহী তাকো মনত পেলাবলৈ ইচ্ছা নকৰো। স'ততে পাহৰি থাকো।

সত্যত ক'বলৈ গ'লে মানুহে মৃত্যুভয়ৰ পৰা আঁতৰি থাকিবলৈ অযথা ব্যস্ততা বঢ়াই লয়। লোভ-লালসাক দমন কৰিব নোৱাৰি ধন-সম্পদৰ পাহাৰ গঢ়ি লয়। যিবিলাকে ধন-সম্পদ, ক্ষমতা, প্ৰভাৱ-প্ৰতিপত্তি গঢ়ি ল'ব নোৱাৰে তেওঁলোকে ঈৰ্ষাৰ জুই একুৱাকে অন্তৰত জ্বলাই লয়। সেই জুইতে দহি-পুৰি মৰে। সুখ-শান্তিত নিজেও নাথাকে আনকো থাকিবলৈ নিদিয়ে। সন্ত্ৰাসবাদীবোৰে অসৎ চিন্তা-ভাৱনা আৰু কুকৰ্মেৰে জগতখন অশান্ত কৰি তোলে। আলফা, হামাছ, অলকায়দা, হিজবুল মুজাহিদ্দিন যিয়ে কোৱা নহওক কিয়, সন্ত্ৰাসবাদী কাৰ্যকলাপ মানৱতাৰ পৰিপন্থী, প্ৰগতিৰোধক আৰু অসুখ-অশান্তিৰ কাৰক।

ৰাজনৈতিক নেতা-নেতৃত্বৰ ক্ষেত্ৰতো একেটাই কথা। কোনো ৰাষ্ট্ৰনেতাই আন ৰাষ্ট্ৰৰ সুখ-সমৃদ্ধি সহ্য কৰিব নোৱাৰে। ভাৰতৰ বাহিৰে সকলো ৰাষ্ট্ৰৰ নেতা নতুবা ৰাষ্ট্ৰপ্ৰধানে আন ৰাষ্ট্ৰৰ ওপৰত ক্ষমতা, প্ৰভাৱ-প্ৰভূত্ব খটুৱাবলৈ স'ততে যত্নপৰ হয়। তাকে কৰিব নোৱাৰিলে ঈৰ্ষা-হিংসাত লাগি যায়। কূট ৰচনা কৰি হ'লেও হেয় কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে। তেতিয়াও তেওঁলোকে পাহৰি থাকিবলৈ যত্ন কৰে চিৰ প্ৰস্থানৰ কথা। এই পৃথিৱীলৈ দুদিনৰ বাবে অহা আলহী বুলি নিজক নধৰে কোনো নৰে। যিবোৰে ধৰে তেওঁলোকে কাৰো অন্যায়-অপকাৰ অৱশ্যে নকৰে।


ফোন : ৮৮২২১৮৮৬৭৯

## ম'বাইল, লেপটপ হাতত লৈ থকাৰ পাছতো

# আমাৰ মন বিজ্ঞানমনস্ক নহয় কিয়?

সুজলা সুফলা শস্যশ্যামলা এইখন অসম ৰাজ্যক প্ৰকৃতিয়ে দিয়া নাইনো কি। বিনন্দীয়া নান্দনিক পৰিৱেশৰ মাজত সৰু-বৰ ভিন্ন জনগোষ্ঠীৰ বাসভূমি অসম। মানুহবোৰো শিক্ষা-দীক্ষা, আধুনিক জীৱন প্ৰণালীৰে বহুখিনি আগবাঢ়ি গৈছে। গাঁৱে-ভূঞে নগৰে-চহৰে সকলো মানুহৰ ঘৰে ঘৰে বাইক, গাড়ী, হাতে হাতে স্মাৰ্টফোন ইত্যাদি ইত্যাদি। আপাত দৃষ্টিৰে লক্ষ্য কৰিলে সকলো মানুহকে বিজ্ঞানৰ আধুনিক তথ্য প্ৰযুক্তিৰে সমৃদ্ধ যেন লাগে; কিন্তু মানসিকভাৱে তেওঁলোক কিমান বিজ্ঞান মনস্ক হ'ব পাৰিছে সেইটোহে ডাঙৰ কথা। সংবাদ মাধ্যম যোগে পোহৰলৈ অহা বহু অন্ধবিশ্বাস জনিত ঘটনাই এইটো বাৰে বাৰে প্ৰমাণ কৰে যে এতিয়াও আমাৰ ৰাজ্যত মানুহ অন্ধবিশ্বাস মুক্ত হৈ বিজ্ঞান মনস্ক হ'বলৈ যেন বহু দূৰ বাকী আছে। বৰ্তমান সময়ত দেখা যায় যে ম'বাইল ফোনটো হাতত নাথাকিলে, ইণ্টাৰনেটটো দিনটোৰ ভিতৰত এবাৰ চাব নোৱাৰিলে, টি ভিটোৰ সমুখত এবাৰো বহিব নোৱাৰিলে সেই সময়খিনিৰ বাবে নিজকে অচল যেন লাগে। বিজ্ঞান, প্ৰযুক্তিৰ অৱদানেৰে সমৃদ্ধ আধুনিক মানৱ সমাজৰ এই লোকসকলে একো একোটা ভয়ানক, জঘন্য কাণ্ড কেনেদৰে সংঘটিত কৰিব পাৰে, সেই কথা ভাবিবলৈকে আচৰিত লাগে। সাধাৰণতে প্ৰায়বোৰ মানুহৰ মনত এই ধাৰণাটো থাকে যে শিক্ষাৰ পোহৰ নোপোৱা, স্বাস্থ্য সেৱাৰ কোনো সুযোগ সুবিধা নথকা, বহিঃজগতৰ লগত কোনো ধৰণৰ সম্পৰ্ক নথকা অত্যন্ত দূৰ্গম অঞ্চলসমূহত অন্ধবিশ্বাস, কুসংস্কাৰৰ প্ৰাদুৰ্ভাৱ বেছি। আনুষ্ঠানিক শিক্ষা লাভ নকৰা অথবা অৰ্ধশিক্ষিত লোকসকলৰ মনত সহজে অন্ধবিশ্বাসে বাহ লয় আৰু তেওঁলোকক সেই চিন্তা-ধাৰাৰ পৰা মুক্ত কৰিবলৈকো যথেষ্ট কঠিন। কিন্তু সদায় এইষাৰ কথা সম্পূৰ্ণভাৱে সত্য নে? আমি মানি ল'ব পাৰো নে? আজি এই আধুনিক একবিংশ শতিকাত যি যুগত চন্দ্ৰলৈ মানুহ গৈছে, জীৱন ধাৰণৰ প্ৰতিটো খোজতে মানুহৰ বিজ্ঞানৰ অৱদানসমূহৰ ওপৰত নিৰ্ভৰশীল, সেই সময়তো মানুহ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ গৰাহত সোমাই আছে। সৌসিদিনা সংবাদ মাধ্যম যোগে পোহৰলৈ আহিছে যে এতিয়া ডাইনীৰ দৰে অন্ধবিশ্বাসৰ বলী হৈ এগৰাকী মহিলাক গোৱালপাৰা জিলাত বিগত ওঁঠৰ বছৰ ধৰি সমাজ চ্যুত, পৰিয়াল চ্যুত কৰি ৰাখিছে। ডাইনীৰ মিছা সন্দেহত অভিযুক্ত কৰি মহিলাগৰাকীৰ নিৰীহ পৰিয়ালটোক গাঁৱৰ পৰা সম্পূৰ্ণ বাহিৰ কৰি দিয়া হৈছে। যিটো সময়ত ইণ্টাৰনেট অবিহনে এখন্তেকো মানুহে পাৰ কৰিব নোৱাৰাৰ দৰে অৱস্থা, তেনে সময়ত ডাইনীৰ দৰে অন্ধবিশ্বাসত এগৰাকী প্ৰাপ্ত বয়স্ক মহিলা খেলুৱৈক নামঘৰলৈ যাওঁতে নামঘৰৰ পৰা অপমান কৰি খেদি দিয়া হৈছিল। ঠিক একেদৰে দুবছৰমান আগতে ওদালগুৰি জিলাৰ কলাইগাঁও ব্লকৰ অন্তৰ্গত ৰামপুৰ গাঁৱত এগৰাকী বিজ্ঞান শিক্ষকৰ ঘৰতে তন্ত্ৰ-মন্ত্ৰৰ দৰে কাৰ্যকলাপ চলি অহাৰ লগতে নৰবলিৰ দৰে ঘটনা সংঘটিত হৈছিল। অথচ এইগৰাকী বিজ্ঞান শিক্ষকে পয়ত্ৰিশ বছৰ ধৰি ছাত্ৰ-ছাত্ৰীক বিজ্ঞান শিক্ষা প্ৰদান কৰি আহিছিল। এটা অঞ্চলত অৰ্থাৎ এখন সমাজত শিক্ষকগৰাকীক শৈক্ষিক, সামাজিক উন্নয়নৰ মূল চালিকা শক্তি বুলি ধৰি লোৱা হয়। অথচ এই শিক্ষকে আমাৰ সমাজত এনে কাণ্ড ঘটাইছিল। এতিয়া সোপা ধৰাৰ সন্দেহত সৰল সুঠাম যুৱকক অতি বৰ্বৰ আৰু পৈশাচিকভাৱে কোবাই মৰা ঘটনা আমাৰ ৰাজ্যত সংঘটিত হৈছে। এতিয়াও এনে বহু পৰিয়াল আছে য'ত মহিলাই ল'ৰা সন্তান জন্ম দিব নোৱাৰিলে এলাগী বুলি গণ্য কৰা হয়। এতিয়াও বহু অঞ্চলত বেমাৰ-আজাৰ হ'লে চিকিৎসকৰ ওচৰলৈ নগৈ বেজালি চিকিৎসা আৰম্ভ কৰি দিয়ে। বহুতে ডাইনীৰ প্ৰকোপত এই বেমাৰ-আজাৰসমূহ হোৱা বুলি ধৰি লয়। এয়া মাত্ৰ সততে দেখি থকা উদাহৰণহে।

### মানসী মিশ্ৰ



আমাৰ ৰাজ্যৰ চুকে-কোণে এনে ধৰণৰ বহু ঘটনা সংঘটিত হৈ আছে, যিসমূহ ঘটনা সততে পোহৰলৈ নাহে। বহুজনে ভাবি লোৱাৰ দৰে কেৱল জুপুৰি ঘৰত বসবাস কৰা, বিদ্যুতৰ পোহৰ নোপোৱা মানুহৰ মাজতে যে অন্ধবিশ্বাস কুসংস্কাৰৰ পয়োভৰ তেনে নহয়। নিয়ন লাইটৰ পোহৰত, ব্যক্তিক লগ পাইছিলো। সেইসকলৰ মাজৰে দুগৰাকী মহাবিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ অধ্যাপকে আমাৰ সমাজত এতিয়াও ডাইনী আছে বুলি গভীৰভাৱে বিশ্বাস কৰে। ডাইনী যে দৰাচলতে এক অন্ধবিশ্বাস সেই কথা পতিয়ন নিয়াবলৈ মই তেওঁলোকৰ লগত বহু সময় যুক্তি তৰ্ক কৰিবলগীয়া হৈছিল। আমাৰ সমাজ সভ্যতা বিজ্ঞান প্ৰযুক্তিৰ চমকপ্ৰদতাৰে যিমান দূৰ আগবাঢ়ি গৈছে তেনেস্থলত আমাৰ সমাজখনত অন্ধবিশ্বাস, কুসংস্কাৰৰ মাত্ৰা বাঢ়িহে গৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তত সময়ে সময়ে ডাইনী,



অট্টালিকাত বসবাস কৰা মানুহৰ বহুত দ লৈ অন্ধবিশ্বাস সোমাই আছে। এইখিনিতে উল্লেখ নকৰি নোৱাৰিলো যে আজিৰ পৰা কেইটামান বছৰ আগতে এখন আলোচনা সভাত কে'বাজনো সোপাধৰা, আইলন্ডা, মহাদেৰ লন্ডা আদিৰ দৰে বহুতো অন্ধবিশ্বাসজনিত ঘটনা ঘটিয়েই আছে। যিসমূহ ঘটনাত ইতিমধ্যে বহু নিৰীহ লোকে প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছে। বহুতেই চিৰদিনৰ বাবে নিজৰ ঘৰবাৰী ত্যাগ কৰিবলগীয়া হৈছে। বহুবছৰ ধৰি ৰাজ্যখনৰ কে'বাখনো জিলা বিশেষকৈ গোৱালপাৰা, কোকৰাঝাৰ, চিৰাং, বঙাইগাঁও, ওদালগুৰি জিলাত ডাইনীৰ দৰে অন্ধবিশ্বাসৰ কৱলত পৰি বহু ব্যক্তিক অকথ্য শাৰীৰিক, মানসিক নিৰ্যাতন দিয়াৰ ঘটনাও সংঘটিত হৈছে। বহু নিৰীহ ব্যক্তিৰ জীৱন কাঢ়ি লোৱা হৈছে। বহুলোক পৰিয়ালচ্যুত, সমাজচ্যুত হ'বলগীয়া হৈছে। ইয়াৰ উপৰি বিভিন্ন চাহ জনজাতি অঞ্চলসমূহ থকা শোণিতপুৰ, বিশ্বনাথ আদি ঠাইত ডাইনীৰ দৰে অন্ধবিশ্বাসত কে'বাগৰাকী ব্যক্তিক নিষ্ঠুৰভাৱে হত্যা কৰাৰ উদাহৰণ ৰাজ্যবাসীৰ হাতত আছে। আজিৰ পৰা কেইটামান বছৰ আগতে কাৰ্বি আংলং জিলাৰ ডকমকাত দুজনকৈ প্ৰকৃতিপ্ৰেমী প্ৰতিভাৱান যুৱকক মৰিয়াই মৰিয়াই হত্যা কৰা হৈছিল। এই ঘটনাই সমগ্ৰ দেশতে যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। আমি একৈশ শতিকাৰ মানুহ হৈ বিশ্ববাসীৰ সমুখত লজ্জানত হ'বলগীয়া হৈছিল। বিগত কেইটামান বছৰ ধৰি আমাৰ ৰাজ্যখনৰ ভিন্ন প্ৰান্তত অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ বৰ্বৰ ঘটনা চলি আছে। দেখা যায় যে ঘটনা ঘটাৰ কেইদিনমানলৈ সকলো ফালে সৰৱ প্ৰতিবাদ হয়। আৰক্ষীক বিষয়টো অৱগত কৰোৱাৰ পাছত আৰক্ষী দল এটা উপস্থিত হৈ অনুসন্ধান কৰি কিছু তথ্য সংগ্ৰহ কৰে। এনেদৰে দুই-চাৰিটা দিন উকলি যোৱাৰ পাছতে আকৌ সকলো নিতাল মাৰে। এই নিষ্ঠুৰ ঘটনাসমূহৰো কোনো সৰল আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ নুঠে। বহুক্ষেত্ৰত একোটা গোচৰৰ নিষ্পত্তি হ'বলৈ ১৫-২০ বছৰ অপেক্ষা কৰিবলগীয়া হয়।

> একবিংশ শতিকাত যি যুগত চন্দ্ৰলৈ মানুহ গৈছে, জীৱন ধাৰণৰ প্ৰতিটো খোজতে মানুহৰ বিজ্ঞানৰ অৱদানসমূহৰ ওপৰত নিৰ্ভৰশীল, সেই সময়তো মানুহ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ গৰাহত সোমাই আছে

অতি পৰিতাপৰ বিষয় যে অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ বিষয়ে যুঁজ কৰিবলৈ পূৰ্ণাংগ আইন এখন এতিয়ালৈ হৈ উঠা নাই। আমাৰ ৰাজ্যত বহুলোকৰ মনৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ ধাৰণাসমূহ আঁতৰ কৰিবলৈ যথেষ্ট সজাগতামূলক কাৰ্যসূচীৰ প্ৰয়োজন আছে। প্ৰতিখন জিলাৰে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসনে এনে ধৰণৰ কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ আগবাঢ়ি আহিব লাগে। প্ৰতিখন জিলাৰ বাবে আছুতীয়াকৈ ইয়াৰ বাবে কল্যাণমূলক পুঁজিও থাকে। ছাত্ৰাৱস্থাতে যাতে অন্ধবিশ্বাস, কুসংস্কাৰ আদিয়ে বাহ ল'ব নোৱাৰে তাৰ বাবে স্কুল-কলেজসমূহত সজাগতা সভা, বক্তৃতানুষ্ঠান আদি হ'ব লাগে। এই সকলোৱে উৰ্দ্ধত আমাৰ ৰাজ্যত ন্যায়পালিকা যথেষ্ট সজাগ আৰু সক্ৰিয় হওঁক। দুৰ্ঘটনাসমূহ ঘটি যোৱাৰ পাছত বহুত চিঞৰ-বাখৰ কৰিলেও কোনো কামত নাহে। সমাজখন কুসংস্কাৰমুক্ত কৰিবলৈ বিজ্ঞানসন্মত মানসিকতা এটা সকলো স্তৰৰ মানুহৰ মাজত জগাই তুলিব লাগিব।

ফোন : ৮৬৩৮০৬০৫৭৩

## অভিমত

# চিঠি লিখাৰ আনন্দ

চিঠি আহিছে, চিঠি আহিছে বুলি এতিয়া আৰু পিয়ন নাহে পদূলিৰ মুখত চাইকেলৰ বেল বজাই বজাই। এতিয়া চিঠি লিখাৰ অভ্যাস আৰু নাই। যান্ত্ৰিক যুগত যন্ত্ৰত আবদ্ধ হৈছে চিঠিৰ আনন্দ। চিঠিৰ যুগত চাইকেলৰ বেল বজাই ডাকপিয়ন আহিছিল ঘৰলৈ। চিঠি পোৱাৰ আনন্দত আত্মহাৰা হৈছিল, কোন প্ৰিয়জনৰ চিঠি আহিছে বুলি আকুলতাৰ অন্ত নাছিল। চিঠি খোলাৰ অপেক্ষা আছিল অত্যন্ত আনন্দদায়ক।

কিমান ভালপোৱা, আৱেগ আছিল চিঠিত। প্ৰিয়জন, আত্মীয়স্বজন বন্ধু-বান্ধৱৰ যোগাযোগ আছিল চিঠিৰ মাধ্যমত। হয়, আজিও যোগাযোগ আছে; কিন্তু চিঠি লিখা আৰু পোৱাৰ যিটো আনন্দ আছিল সেইটো হেৰাই গ'ল যান্ত্ৰিকতাৰ যুগত। বৰ্তমান প্ৰজন্মই চিঠি লিখিব নাজানে। অথচ এই চিঠিয়েই আছিল যোগাযোগৰ একমাত্ৰ মাধ্যম। শুভেচ্ছা বাৰ্তা চিঠিৰ জৰিয়তে আমি পাইছিলো। সেই দিনবোৰ হেৰাই গ'ল ম'বাইলৰ দৌৰাত্ম্যত। এতিয়া মিনিটে মিনিটে বাৰ্তাপ্ৰেৰণ হয়। কিন্তু দীৰ্ঘদিন অপেক্ষাৰ পাছত চিঠি পোৱাৰ আনন্দ আৰু নাই। ডাক বাকচটো দেখিলে মনটো বেয়া লাগে। কিমান মানুহৰ হৃদয়ৰ ভাষা জমা হৈছিল ৰঙা বাকচটোত। ৰঙা বাকচটো আমাৰ হৃদয়ৰ ভাষাৰ স্মৃতি, দুখ— বেদনাৰ নীৰৱ সাক্ষী হৈ আছে। ডাক বাকচটো নষ্ট নকৰিব।

আশা আহমেদ
কোকৰাঝাৰ, ফোন : ৯৯৫৪২৮৩৯৩৩

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ অক্টোবৰ শনিবাৰ, ২০২৩ পৃষ্ঠা ৫

# বৃদ্ধাশ্ৰমেই শেষ আশ্ৰয় নেকি আমাৰ পিতৃ-মাতৃৰ ?

**২০২০ৰ তথ্যমতে, ভাৰতত ১.৮ কোটি গৃহহীন বৃদ্ধলোক আছে। এইসকল জ্যেষ্ঠ নাগৰিকৰ বুজনসংখ্যকে সন্তানৰ দায়িত্বজ্ঞানৰ অৱহেলাৰ বাবে বৃদ্ধাশ্ৰমক শেষ আশ্ৰয়স্থল হিচাপে আঁকোৱালি ল'বলৈ বাধ্য হৈছে। ফলত ২০২৩ৰ ২৪ ছেপ্টেম্বৰলৈকে ৫৫১খনৰ পৰা ৭,৪৬৫খনলৈ ভাৰতত বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পাইছে। উচ্চ শিক্ষিত তথা ভাল উপাৰ্জনকাৰী সন্তানৰ পিতৃ-মাতৃ হৈও একাংশই বৃদ্ধাশ্ৰমত জীৱন পৰিক্ৰমাৰ অন্তিমটো ক্ষণৰ বাবে কৰিবলগীয়া হৈছে**

**বৈচিত্ৰ্যময়** সমাজক নৈতিকতাৰ বিলুপ্তকৰণে বাৰুকৈয়ে বিঘ্নিত কৰা পৰিলক্ষিত হৈছে। মানুহৰ মাজত ভ্ৰাতৃত্বৰ বৈশিষ্ট্য বিনাশ হৈছে। ইজনে-সিজনক চিনি নোপোৱা হৈছে। দৈনিক কাকতসমূহৰ বাতৰিবোৰৰ পৰাই সমাজত নৈতিকতাৰ অভাৱত হোৱা বিশৃংখলাৰ সম্পৰ্কে গম পোৱা যায়। সাম্প্ৰতিক সময়ত বাতৰি কাকতসমূহত আদৰ্শৰ বাতৰি যথেষ্ট উপলব্ধ নহয়। কেৱল হাই-কাজিয়া, জাতি-ধৰ্ম আদিক লৈ বাদ- বিবাদৰহে বাতৰি পঢ়িবলৈ পোৱা যায়। যেন সমাজখন সভ্য সমাজ হৈ থকা নাই।সমাজত এনে বিশৃংখলাই আমাক ডাৰউইনৰ মতবাদলৈ উভতি লৈ যায়। সঁচাকৈ আমি মানুহবোৰৰ পূৰ্বপুৰুষ বান্দৰ আছিল নেকি? যিকি নহওঁক নৈতিকতাৰ লগত জড়িত কথাহে ক'ব খুজিছো। বিশেষকৈ যুব চামৰ পিতৃ-মাতৃৰ প্ৰতি থকা দায়বদ্ধতাৰ বিষয়ে চমুকৈ ক'ব খুজিছো। যিহেতু বৰ্তমান সময়ত যিমান আধুনিকতাৰ প্ৰৱল ধুমুহাত পৰি মানুহে জ্ঞানী হোৱাৰ লগতে ধন-

**ব্ৰাদাৰ জেমছ দলে**

সম্পত্তিৰে বিলাসিতাৰ গৰাকী হৈছে যদিও পিতৃ-মাতৃৰ প্ৰতি অনীহা হোৱা দেখা যায়। বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে বৃদ্ধাশ্ৰমত থকা আৱাসীৰ সংখ্যাও বৃদ্ধি হৈছে। মন কৰিবলগীয়া এই যে বৃদ্ধাশ্ৰম বিলাকলৈ দুখীয়া পৰিয়ালৰ তুলনাত ধনী পৰিয়ালৰ পৰাহে অধিক সংখ্যক বৃদ্ধ-বৃদ্ধা আহে। এই আৱাসীসকলে বাৰ্ধক্য জীৱনটো সুখ-শান্তিৰে সন্তান, নাতি-পুতিৰ স'তে কটোৱাৰ সেউজীয়া সপোন ৰচিছিল। এই সপোন বাস্তৱায়িত হোৱাৰ আশা কৰিয়েই সন্তানক শিক্ষিত কৰি তোলাৰ লগতে চাকৰি বা ব্যৱসায়েৰে একোজন কৰ্মসংস্থাপিত ব্যক্তি হিচাপে গঢ় দিয়ে; কিন্তু এচাম সন্তানৰ কাৰ্যকলাপে সেই সেউজীয়া সপোনবোৰ ছাৰখাৰ কৰি পেলায়। যেন সাম্প্ৰতিক সময়ৰ কিছুমান মানুহে বাৰ্ধক্য অৱস্থাত থকা পিতৃ-মাতৃক বোজা বুলি ভাৱে। এই বোজাৰ শিথিলতা আনিবলৈকে কেন্দ্ৰীয় চৰকাৰৰ অনুদানেৰে বেচৰকাৰী সংস্থাবোৰে বৃদ্ধাশ্ৰমৰ পৰিচালনা কৰি আছে।



২০২০-২১ বৰ্ষত কেন্দ্ৰীয় সমাজ কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা প্ৰচাৰিত কেন্দ্ৰীয় চৰকাৰৰ অৰ্থসাহায্যত কাৰ্যক্ষম হোৱা বৃদ্ধাশ্ৰমৰ পৰিসংখ্যাৰ তথ্য অনুসৰি দেশৰ শক্তিশালী ৰাজ্যসমূহত বৃদ্ধাশ্ৰমৰ সংখ্যা বেছি। আনহাতে দৰিদ্ৰ জনতাই প্ৰতিনিধিত্ব কৰা ৰাজ্যসমূহত বৃদ্ধাশ্ৰমৰ সংখ্যা কম। ওড়িছা, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, অসম, কৰ্ণাটক, মহাৰাষ্ট্ৰ, উত্তৰপ্ৰদেশ, পশ্চিমবংগ, মধ্যপ্ৰদেশ, তেলেংগানা আদি বিভিন্ন সম্পদেৰে চহকী ঔদ্যোগ প্ৰধান উন্নয়নশীল ৰাজ্যসমূহে বৃদ্ধাশ্ৰমৰ সংখ্যাই ক্ৰম অনুযায়ী শীৰ্ষ স্থান দখল কৰিছে। আনহাতে, বিহাৰ, পুডুচেৰী, উত্তৰাখণ্ড, ঝাৰখণ্ড আদি ৰাজ্যসমূহে ক্ৰমে নিম্নস্থান দখল কৰিছে। লক্ষ্যণীয় যে কেৰালা, পঞ্জাৱ আদিৰ দৰে শিক্ষিত দুখন ৰাজ্যত কেৱল সাতখন বৃদ্ধাশ্ৰম আছে। এই নগণ্য বৃদ্ধাশ্ৰমৰ কাৰণে কৰ্তৃপক্ষই চৰকাৰী সাহায্যও গ্ৰহণ কৰা নাই। কেৰালাৰ বৃদ্ধাশ্ৰমসমূহ খ্ৰীষ্টান গিৰ্জাৰ দ্বাৰা পৰিচালনা কৰাৰ বাবে চৰকাৰী সাহায্য গ্ৰহণ নকৰে। লজ্জাজনক যে অসমৰ দৰে বৰ্ণাঢ্য ৰাজ্যই বৃদ্ধাশ্ৰমৰ সংখ্যাৰ ক্ষেত্ৰত শীৰ্ষৰ চতুৰ্থ স্থানত পদাৰ্পণ কৰিছে। স্বীকাৰ কৰিব লাগিব যে অসমীয়া সমাজৰ মাজত পিতৃ-মাতৃৰ প্ৰতি থকা দায়িত্বৰ অৱজ্ঞা কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। সৰ্বভাৰতীয় বৃদ্ধাশ্ৰমৰ সংখ্যা হৈছে ৫৫১খন। ইয়াৰে ৪০খন অসমত উপলব্ধ। এই ৪০খন বৃদ্ধাশ্ৰমত ২০২০-২১ৰ জৰীপমতে আৱাসীৰ সংখ্যা ১,২৯৫ গৰাকী। কেন্দ্ৰীয় লোকপিয়ল ২০১১ৰ তথ্য অনুসৰি, অসমত বাস কৰা ৬০-৭৯ বছৰৰ নাগৰিকৰ সংখ্যা ১৮,৪৮,৯৬৯ গৰাকী, ৮০-৯৯ বছৰৰ নাগৰিকৰ সংখ্যা ২,১৮,৩৫৩ গৰাকী আৰু এশ আৰু তাৰ পৰা ঊৰ্দ্ধৰ নাগৰিকৰ সংখ্যা ১১,২২২ গৰাকী। ইয়াৰে বৃহৎ সংখ্যকে বৃদ্ধাশ্ৰমত আশ্ৰয় লৈ আছে। কেন্দ্ৰীয় আৰু ৰাজ্যিক জনসংখ্যা প্ৰক্ষেপন কাৰিকৰী গোটৰ প্ৰতিবেদন ২০১১-২০৩৬ অনুসৰি ২০২১লৈকে ভাৰতত প্ৰায় ১৩.৮ কোটি বৃদ্ধ লোক আছে। ২০৩৪লৈকে ইয়াৰ সংখ্যা আৰু ৫.৬ কোটি বৃদ্ধি হোৱাৰ ধাৰণা কৰিছে।

দীৰ্ঘকালীন বয়স বৃদ্ধিৰ সমীক্ষা ২০২০ৰ তথ্যমতে, ভাৰতত ১.৮ কোটি গৃহহীন বৃদ্ধলোক আছে। এইসকল জ্যেষ্ঠ নাগৰিকৰ বুজনসংখ্যকে সন্তানৰ দায়িত্বজ্ঞানৰ অৱহেলাৰ বাবে বৃদ্ধাশ্ৰমক শেষ আশ্ৰয়স্থল হিচাপে আঁকোৱালি ল'বলৈ বাধ্য হৈছে। ফলত ২০২৩ৰ ২৪ ছেপ্টেম্বৰলৈকে ৫৫১খনৰ পৰা ৭,৪৬৫খনলৈ ভাৰতত বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পাইছে। উচ্চ শিক্ষিত তথা ভাল উপাৰ্জনকাৰী সন্তানৰ পিতৃ-মাতৃ হৈও একাংশই বৃদ্ধাশ্ৰমত জীৱন পৰিক্ৰমাৰ অন্তিমটো ক্ষণৰ বাবে কৰিবলগীয়া হৈছে। এই দুৰ্ভগীয়া পিতৃ-মাতৃসকলক ভৰণ-পোষণৰ বাবে আঁচনি প্ৰণয়ন কৰি কেন্দ্ৰীয় চৰকাৰে প্ৰতিবছৰে বৃহৎ পৰিমাণৰ অনুদান বৃদ্ধাশ্ৰমসমূহক প্ৰদান কৰি আহিছে। কেন্দ্ৰীয় সমাজ কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা প্ৰচাৰিত তথ্য অনুসৰি ২০২০-২১ বৰ্ষলৈকে সৰ্বভাৰতীয় বৃদ্ধাশ্ৰমসমূহক ১২,৮০,৩১,৭০৩ টকাৰ অনুদান আগবঢ়াইছে। ইয়াৰে ১,৬৪,৩১,২৫৪ টকা অসমৰ বৃদ্ধাশ্ৰমসমূহক অনুদান হিচাপে আগবঢ়োৱা হয়। স্মৰ্তব্য যে বৃদ্ধাশ্ৰমত জীৱনৰ অন্তিম সময় কটোৱা সকলৰ অধিকাংশই নগৰ-চহৰ অঞ্চলত বসবাস কৰা লোকৰ পিতৃ-মাতৃ। এই বৃদ্ধাশ্ৰমসমূহৰ আৱাসীসকলৰ মাজতে কাৰোবাৰ জন্ম দিয়া পিতৃ-মাতৃ, শহুৰ-শাহুৰেক, ককা-আইতাক আদি আছে। দুৰ্ভাগ্যজনক যে এনে বহু দম্পতী আছে, যিসকলে পিতৃ-মাতৃক বা শহুৰ-শাহুৰেকক গাঁৱৰ ঘৰত থৈ চহৰ-নগৰত বিলাসী জীৱন কটায়। তেনে পিতৃ-মাতৃৰ বহুতে বৃদ্ধাশ্ৰমক আপোন কৰি লয়। একাংশই চহৰতে থাকি চহৰৰ বৃদ্ধাশ্ৰমত পিতৃ-মাতৃক ৰাখে। কিছুদিন পূৰ্বে সংবাদমাধ্যমৰ যোগে অসমৰে এটি শিশুৰ খবৰ পাইছিলো। শিশুটোৱে আইতাক ঢুকাল বুলিয়ে মাক-দেউতাৰ পৰা গম পাইছিল। কিন্তু এদিন বৃদ্ধাশ্ৰমত আইতাকক সাক্ষাতৰ সৌভাগ্য লাভ কৰে। এই দিশটো লক্ষ্য কৰিলে বুজিব পাৰি যে যিমান মানুহ শিক্ষিত হৈছে সিমানেই নৈতিকতা আৰু দায়বদ্ধতাৰ পৰা দূৰ হৈছে। কিয়নো গ্ৰামাঞ্চলৰ অধিকাংশই অশিক্ষিত তথাপি তেওঁলোকে পিতৃ-মাতৃক বৃদ্ধাশ্ৰমলৈ নপঠিয়ায়, তেওঁলোকে ইয়াক একপ্ৰকাৰ পাপ বুলিয়ে গণ্য কৰে। কাৰণ মানুহৰ জীৱনত সকলোৰে ঊৰ্দ্ধত পিতৃ-মাতৃৰ স্থান দিয়াটো প্ৰথম কৰ্ম।

ধনীলোকৰ পৰিয়ালসমূহত নৈতিক-শিষ্টাচাৰৰ পাঠ শিকোৱাৰ মনোভাৱৰ অভাৱ ঘটিছে। ধনীলোকৰ প্ৰাধান্য থকা অঞ্চলত নৈতিক-শিষ্টাচাৰৰ পাঠ শিকোৱাৰ প্ৰৱণতা কম। আমি যেনেকৈ মূৰৰ সেন্দূৰ আৰু ডিঙিৰ হাৰৰ যত্ন লওঁ তেনেকৈ পিতৃ-মাতৃৰো যত্ন ল'ব লাগে। আমি সন্তানসকলে পিতৃক এজন পুৰুষ আৰু মাতৃক এগৰাকী নাৰী হিচাপে গণ্য নকৰি কেৱল পিতৃ-মাতৃ হিচাপে গণ্য কৰিব লাগে। সমাজৰ প্ৰতিজন ব্যক্তিয়ে সচেতনাৰে বৃদ্ধাশ্ৰমত পিতৃ-মাতৃক ৰখা পৰম্পৰা বৰ্জন কৰিব লাগে। ইয়াক সকলোৱে সামাজিক ব্যাধিৰ ৰূপত গণ্য কৰিব লাগে। পিতৃ-মাতৃক কৰা শুশ্ৰূষা দেখিলেহে সন্তানেও ভৱিষ্যতে এই স্বৰ্গীয় কৰ্ম কৰিব। সমাজখনেও সুস্থিৰ শিষ্টাচাৰৰ বাতাবৰণ লাভ কৰিবলৈ সক্ষম হ'ব।

*ফোন ঃ ৮৮২২৮৯০৯৪৫*

# মহালয়া

**মহালয়াৰ দিনা মৃৎশিল্পীসকলে দেৱীৰ প্ৰতিমাত চকু অংকন কৰে। তেওঁ দেৱী আদ্যাশক্তিক ধূপ-ধূনা জ্বলাই আৰাধনা কৰে। বহুতো পূজা মণ্ডপতে দেৱীৰ প্ৰতিমা নিৰ্মাণ কৰা হয়। দেৱীৰ প্ৰতিমাই মহালয়াৰ সময়লৈ পূৰ্ণতাৰ দিশলৈ গতি কৰে। বীৰেন্দ্ৰ কুমাৰ ফুকনৰ চণ্ডীপাঠ আৰু মহিষাসুৰ মৰ্দিনীৰ স্তুতিয়ে এক নান্দনিক পৰিৱেশৰ সৃষ্টি কৰে**



**ফটিকদত্ত গোস্বামী**

**দুৰ্গা** পূজাৰ দেৱীপক্ষৰ আগৰ পক্ষটোক 'পিতৃপক্ষ' বুলি জনা যায়। এই পক্ষটোৰ শেষৰ দিনটোৱেই হ'ল মহালয়া। এই দিনাখন ধৰালৈ দেৱী দুৰ্গা সপৰিয়ালে কৈলাসৰ পৰা নামি আহে। প্ৰতিপদ তিথিৰ পৰা অমাৱস্যালৈ কৃষ্ণপক্ষৰ এই ১৫টা দিনত পিতৃলোকৰ পৰা মৰ্ত্যলোকলৈ পূৰ্বপুৰুষৰ আত্মাসমূহ আহে বুলি বিশ্বাস কৰা হয়। পিতৃলোক হ'ল এনে এটা স্থান— য'ত আমাৰ তিনি পুৰুষ বৰ্তি থাকে। এই লোকত যমৰাজৰ শাসন চলে। লাহে লাহে আত্মাসমূহ পিতৃলোকৰ পৰা স্বৰ্গলোকলৈ যায়। অসমীয়া সমাজত 'পিতৃপক্ষ'ক 'প্ৰেতপক্ষ' বুলিও জনা যায়।



পিতৃপক্ষক হিন্দুসকলে কিছু ক্ষেত্ৰত অপৱিত্ৰ বুলি বিবেচনা কৰে। কিছুমান শুভ কৰ্ম এই পক্ষত আৰম্ভ কৰিবলৈ বিচৰা নহয়। মহালয়াৰ পাছতহে সেইসমূহ শুভ কৰ্মৰ আৰম্ভণি কৰিবলৈ বিচৰা হয়। পিতৃপক্ষৰ সময়ছোৱাতেই নিজৰ পূৰ্বপুৰুষসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়।

পিতৃপক্ষৰ সময়ছোৱাত পুত্ৰৰ দ্বাৰা পিতৃৰ শ্ৰাদ্ধ কৰিলে আত্মাই স্বৰ্গপ্ৰাপ্তি হয়। ধৰ্ম শাস্ত্ৰ অনুসৰি গৃহস্থই দেৱতা আৰু অতিথিসকলৰ দৰে পূৰ্বপুৰুষকো সন্তুষ্ট কৰি ৰাখিব লাগে। মাৰ্কণ্ডেয় পুৰাণৰ মতে যদি পূৰ্বপুৰুষসকলে শ্ৰাদ্ধৰ দ্বাৰা সন্তুষ্ট হয়, তেন্তে তেওঁলোকে ধন-সম্পত্তি, সুস্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰে।

মহাভাৰতৰ যুদ্ধত মহাৰথী কৰ্ণৰ মৃত্যুৰ পাছত তেওঁৰ আত্মাটো স্বৰ্গলৈ যায়। তাত তেওঁ সোণ আৰু অলংকাৰহে খাদ্য হিচাপে লাভ কৰিলে। তাতে তেওঁৰ আত্মাটোৱে অসন্তুষ্টি প্ৰকাশ কৰি ক'লে এয়া কিয় হৈছে? তেতিয়া তেওঁক অৱগত কৰা হ'ল যে গোটেই জীৱনকালত তেওঁ বহুতো ধন, সোণ দান কৰিছিল। কিন্তু কোনোদিনে তেওঁ পূৰ্বপুৰুষক পিণ্ড দান কৰা নাছিল। তেওঁ ক'লে যে মৃত্যুৰ আগমুহূৰ্তলৈ নিজৰ পূৰ্বপুৰুষৰ বিষয়ে অৱগত নাছিল। তেতিয়া ইন্দ্ৰই তেওঁক মৰ্ত্যলৈ গৈ নিজৰ পূৰ্বপুৰুষসকলক পিণ্ডদান কৰিবলৈ আহ্বান জনায়। সেই আহ্বান সাৰোগত কৰি কৰ্ণই তেওঁৰ পূৰ্বপুৰুষসকলক পিণ্ডদান কৰিবলৈ মৰ্ত্যলৈ আহে। তেওঁ এই পিতৃপক্ষৰ ১৫টা দিনতেই মৰ্ত্যলৈ আহি পূৰ্বপুৰুষসকলক পিণ্ডদান কৰি পুনৰ স্বৰ্গলৈ ঘূৰি যায়। সেয়েহে, পূৰ্বপুৰুষসকলৰ স্মৰণৰ বাবে পিতৃপক্ষকে সৰ্বোত্তম কাল বুলি বিবেচনা কৰা হয়। পূৰ্বপুৰুষৰ বাৰ্ষিক শ্ৰাদ্ধ নিৰ্ধাৰিত সময়ত কৰিবলৈ অসমৰ্থ হ'লেও এই প্ৰেতপক্ষৰ সময়তে শ্ৰাদ্ধ কৰিলে মৃতকৰ আত্মাই শান্তি লাভ কৰে বুলি বিশ্বাস কৰা হয়। পূৰ্বপুৰুষৰ প্ৰতি সন্মান আৰু ভক্তি প্ৰদৰ্শন কৰি তেওঁলোকৰ আশিস লাভ কৰিব পৰা যায়। প্ৰেতপক্ষৰ এইটো আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ। পিতৃপক্ষৰ দ্বাৰা ককাদেউতাক আৰু আজোককাকৰ শ্ৰাদ্ধ কৰাৰো সুযোগ লাভ কৰা যায়। তেওঁলোকক শ্ৰাদ্ধ প্ৰদান কৰাৰ দ্বাৰা পিতৃলোকৰ পৰা স্বৰ্গলোকলৈ গমন কৰে।

পিতৃপক্ষৰ উদ্‌যাপন বিভিন্ন স্থানত বিভিন্ন ধৰণেৰে কৰা হয়। মহালয়াৰ মাধ্যমেৰে পশ্চিমবংগত ইয়াক পালন কৰা হয়। সেইদিনা পুৱতি নিশাৰে পৰা মানুহে চণ্ডীপাঠ শুনে। দেৱী দুৰ্গাক আৰাধনা কৰা হয়। সকলোৱে সমূহীয়াকৈ প্ৰাতঃভ্ৰমণ কৰে। প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ ফুকনৰ চণ্ডীপাঠে আজিও শ্ৰোতাক আপ্লুত কৰে। আমাৰ অসমতো মহালয়াৰ দিনাখন মানুহে জুম বান্ধি প্ৰাতঃভ্ৰমণ কৰিবলৈ যায়। পূজামণ্ডপ আৰু অন্যান্য স্থানত সমূহীয়াকৈ চণ্ডীপাঠ শুনে। শক্তিপীঠ আৰু অন্য মন্দিৰসমূহত মহালয়াৰ পিছৰ দিনাৰ পৰাই দুৰ্গা পূজা ন দিনীয়াকৈ পালন কৰা হয়। কামাখ্যা মন্দিৰকে ধৰি বিভিন্ন দেৱালয়ত ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতিত উলহ-মালহেৰে দুৰ্গা পূজা অনুষ্ঠিত কৰা হয়।

গুজৰাট, মধ্যপ্ৰদেশ আদি পশ্চিম ভাৰতৰ ৰাজ্যসমূহত নৱৰাত্ৰি উৎসৱ পালন কৰা হয়। মহালয়াৰ পিছ দিনাৰ পৰাই এই উৎসৱ উলহ-মালহেৰে পালন কৰা হয়। মহালয়াৰ দিনা পূৰ্বপুৰুষৰ শ্ৰাদ্ধ কৰি পিণ্ডদান কৰা হয়। পিতৃপক্ষত কিছুমান নীতি-নিয়ম পালন কৰা হয়। কিছুমান নীতি-নিয়ম পালন কৰিলে শুভ বুলি বিবেচনা কৰা হয়। পিতৃপক্ষত যদি তৰ্পণ দিব পাৰে তেন্তে পৰিয়ালৰ মংগল হয়।

মহালয়াৰ স'তে জড়িত আন কিছুমান লোকপ্ৰিয় কাহিনীও আছে। কীৰ্তিবাসৰ ৰামায়ণ অনুসৰি ৰাৱণৰ বিৰুদ্ধে যুদ্ধ কৰাৰ আগতে ৰামচন্দ্ৰই শৰৎকালত অকাল বোধন কৰি দুৰ্গা পূজা অনুষ্ঠিত কৰিছিল। মহালয়াৰ দিনাখনেই মা দুৰ্গা ধৰালৈ নামি আহিছিল। হিন্দু শাস্ত্ৰ অনুসৰি গণেশ উৎসৱৰ পাছৰ পূৰ্ণিমাৰ পিছদিনাৰ পৰা আৰম্ভ হোৱা পক্ষটোক পিতৃপক্ষ বোলা হয়। মা দুৰ্গাৰ আগমনে পিতৃপক্ষৰ সমাপ্তি হোৱা বুলি সূচায়। এইদিনা সকলো পুত্ৰ আৰু সতি-সন্ততিয়ে গংগা দেৱীক উপাসনা কৰি নিজৰ পূৰ্বৰ তিনিটা প্ৰজন্মৰ পূৰ্বপুৰুষক উপাসনা কৰে। এই ধৰ্মীয় পৰম্পৰা অতিকৈ পৱিত্ৰ বুলি বিবেচনা কৰা হয়। এইটো বিশ্বাস কৰা হয় যে এনে কৰাৰ ফলত তেওঁৰ পূৰ্বপুৰুষসকলৰ পৰা আশীৰ্বাদ লাভ কৰিব আৰু তেওঁ সকলো অপশক্তিৰ পৰা মুক্ত হ'ব। এই পৰম্পৰাক তৰ্পণ বুলি অভিহিত কৰা হয়। গংগাকে ধৰি বিভিন্ন নদীৰ পাৰত পূৰ্বপুৰুষক উদ্দেশ্যি তৰ্পণ কৰা হয়। মহালয়াৰ বাবে প্ৰস্তুতি আগৰ দিনাখনেই কৰা হয়। সকলোৱে ৰাতিপুৱা সোনকালে উঠি চণ্ডীপাঠ শ্ৰৱণ কৰাৰ লগতে পূৰ্বপুৰুষৰ শ্ৰাদ্ধ কৰে।

ব্ৰহ্মাৰ দ্বাৰা বৰ লাভ কৰি মহিষাসুৰ অতি শক্তিশালী হৈ উঠিছিল। তেওঁ কোনো পুৰুষ আৰু দেৱতাৰ হাতত মৃত্যু নোহোৱাৰ বৰ লাভ কৰিছিল। তেওঁ ভাবিছিল যে কোনো পুৰুষ বা দেৱতাই বধ কৰিব নোৱাৰিলে তেওঁ অমৰ হৈ থাকিব। তেওঁ তিনি লোকতে প্ৰভাৱ বিস্তাৰ কৰি একচ্ছত্ৰী ক্ষমতা লাভ কৰে। ইয়াৰ ফলত গভীৰ সংকটৰ সৃষ্টি হ'ল আৰু সকলো দেৱতা একত্ৰিত হৈ এই সমস্যাৰ সমাধানৰ চিন্তা কৰিলে। সকলো দেৱতাৰে তেজৰ সংমিশ্ৰণত দুৰ্গা দেৱীৰ উৎপত্তি হয়। এই পৰম শক্তিৰ অধিকাৰী দুৰ্গা দেৱীয়েই মহিষাসুৰক সংহাৰ কৰি ধৰালৈ শান্তি কঢ়িয়াই আনিবলৈ সক্ষম হয়। সেই মা দুৰ্গাকেই ভক্তসকলে বসন্ত আৰু শৰৎকালত প্ৰতিবছৰে পূজা-অৰ্চনা কৰি আহিছে। শৰৎ কালৰ দুৰ্গা পূজাই বৰ্তমান অধিক জনপ্ৰিয় হৈ পৰিছে। এই দুৰ্গা পূজা কেৱল ভাৰতবৰ্ষতেই নহয়, চুবুৰীয়া নেপাল, বাংলাদেশ আদিতো উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

মহালয়াৰ অভিধানিক অৰ্থ হ'ল— 'মহ' শব্দৰ অৰ্থ 'প্ৰেত'। অৰ্থাৎ প্ৰেতৰ আলয়। সনাতন ধৰ্ম অনুসৰি এই দিনা প্ৰয়াত আত্মাসমূহ মৰ্ত্যৰ পৰা ঘূৰাই পঠোৱা হয়। মহালয়াৰ বিষয়ে ব্ৰহ্মবৈৱৰ্ত পুৰাণত কোৱা হৈছে যে যি ক্ষণত পৰমব্ৰহ্ম অৰ্থাৎ পৰমাত্মাৰ লয়প্ৰাপ্তি হয় সেই সময়চোৱাই মহালয়া। নিৰাকাৰ ব্ৰহ্মাৰ আশ্ৰয়েই হ'ল মহালয়া।

শ্ৰীশ্ৰী চণ্ডীৰ মতে মহালয়া হৈছে পূজা বা উৎসৱৰ আলয়। ইয়াত আলয় শব্দটোৰ এটা অৰ্থ হৈছে আশ্ৰয়। পিতৃলোকক স্মৰণৰ ক্ষণকেই বোলা হৈছে মহালয়া। এই সন্ধিক্ষণক জ্যোতিৰ্বিজ্ঞানৰ দ্বাৰা ব্যাখ্যা কৰা হয়।

'মহালয়া' শব্দৰ সন্ধি বিশ্লেষণ কৰিলে— যিদৰে অনেক ধৰণৰ অৰ্থ পোৱা যায়, তেনেদৰে অভিধানৰ পৰা জনা যায় 'মহ' শব্দৰ দুটি অৰ্থ আছে। এটা হ'ল 'মহ' বুলিলে পূজা বা উৎসৱ বুজায়। ইয়াৰ স'তে ব্যুৎপত্তি কৰিলে হয় মহ+আলয় = মহালয় অৰ্থাৎ পূজা বা উৎসৱৰ আলয় বা আশ্ৰয়।

এতিয়া আহো মহাভাৰতৰ প্ৰসংগলৈ। পিতামহ ভীষ্মৰ কুৰুক্ষেত্ৰৰ যুদ্ধত মৃত্যুবৰণৰ পৰা কৰ্ণৰ মৃত্যু আৰু পুনৰ পৃথিৱীলৈ ঘূৰি আহি পিতৃপুৰুষক অন্ন-জল নিবেদন কৰাৰ কাহিনীত ইয়াৰ অৰ্থ সুকীয়া। ব্যাসদেৱৰ লেখাত 'মহালয়' বুলি 'পিতৃলোক'ক বুজোৱা হয়। তাত বিদেহী পিতৃপুৰুষসকলে বাস কৰে। অৰ্থাৎ পিতৃলোকক স্মৰণৰ অনুষ্ঠানেই হ'ল মহালয়া।

অনেক ভাষাবিদে প্ৰশ্ন কৰে যে মহালয় শব্দক স্ত্ৰীলিংগ কিয় কৰা হ'ল? ইয়াৰ বিষয়ে ভাষাগত বা ব্যাকৰণগত সঠিক তথ্য লাভ কৰিব পৰা নাযায়। তথাপি শাস্ত্ৰ বিশেষজ্ঞসকলে জানিব দিয়ে যে মহালগ্ন আমাৰ জীৱনৰ 'মহালয়া'। এই ক্ষেত্ৰত দেৱী দুৰ্গাক মহান আশ্ৰয় বোলা হয় আৰু আন্ধাৰৰ পৰা আলোকলৈ উত্তৰণৰ লগ্নটিয়েই হ'ল মহালয়া।

মহালয়াৰ পিণ্ডদান প্ৰধানকৈ গয়া, হৰিদ্বাৰ, প্ৰয়াগ আদি স্থানত কৰা হয়। গংগা নদীৰ পাৰত সহস্ৰাধিক লোকে পূৰ্বপুৰুষক পিণ্ড দান কৰে। কাউৰীৰ ৰূপত পূৰ্বপুৰুষে সেই পিণ্ডদান লাভ কৰে। মহালয়াৰ শেষৰ দিনটো সৰ্বপিতৃ অমাৱস্যা বুলিও কোৱা হয়।

মহালয়াৰ দিনা মৃৎশিল্পীসকলে দেৱীৰ প্ৰতিমাত চকু অংকন কৰে। তেওঁ দেৱী আদ্যাশক্তিক ধূপ-ধূনা জ্বলাই আৰাধনা কৰে। বহুতো পূজা মণ্ডপতে দেৱীৰ প্ৰতিমা নিৰ্মাণ কৰা হয়। দেৱীৰ প্ৰতিমাই মহালয়াৰ সময়লৈ পূৰ্ণতাৰ দিশলৈ গতি কৰে। বীৰেন্দ্ৰ কুমাৰ ফুকনৰ চণ্ডীপাঠ আৰু মহিষাসুৰ মৰ্দিনীৰ স্তুতিয়ে এক নান্দনিক পৰিৱেশৰ সৃষ্টি কৰে।

আমাৰ অসমতো মহালয়াৰ পুৱা বিভিন্ন নগৰ-চহৰত সহস্ৰাধিক লোক প্ৰাতঃভ্ৰমণলৈ যায়। ৰাজধানী মহানগৰী গুৱাহাটী, যোৰহাট, শিলচৰ, কৰিমগঞ্জ, হোজাই আদি চহৰত মহালয়াৰ পুৱা সহস্ৰাধিক প্ৰাতঃভ্ৰমণকাৰী লোক ওলাই আহে। কিন্তু বৰ্তমান সময়ৰ সংক্ৰামক ৰোগ, প্ৰাকৃতিক দুৰ্যোগ (সঘনাই হোৱা বানপানী, ভূমিকম্প, ধুমুহা আদি) আদিৰ প্ৰতি দৃষ্টি ৰাখি আমি মহালয়াকে ধৰি এইবাৰ শাৰদীয় সময়ছোৱাত অনুষ্ঠিত হ'বলগীয়া দুৰ্গা পূজা, লক্ষ্মী পূজা, কালী পূজা, দীপাৱলী আৰু ৰাসোৎসৱৰ ক্ষেত্ৰত সতৰ্কতামূলক পদক্ষেপ গ্ৰহণ কৰা উচিত।

এইদৰে, পিতৃপক্ষ আৰু মহালয়াই আমাৰ সনাতন সমাজত এক উচ্চ আসন লাভ কৰি আহিছে।

আমাৰ পূৰ্বপুৰুষৰ স'তে বৰ্তমান আৰু উত্তৰ পুৰুষৰ সমন্বয়ৰ সাঁকো হিচাপে মহালয়া উৎসৱ পৰিগণিত হৈ আহিছে। পৰম আদ্যাশক্তি মা দুৰ্গাৰ ধৰালৈ আগমনৰ ফলস্বৰূপে সকলোৱে মনত এক অনাবিল প্ৰশান্তি অনুভৱ হয়। মাতৃশক্তিৰ আৰাধনাৰ এই শাৰদীয় দুৰ্গোৎসৱে সাৰ্বজনিক ৰূপ লাভ কৰিছে। জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে ইয়াৰ আনন্দত মগ্ন হয়। মহালয়াৰ পৰা শুভাৰম্ভণি কৰা হয় দুৰ্গোৎসৱৰ।

*ফোন ঃ ৯৮৬৪০-১১১২৫*

# ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যলৈ শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি



**জ্যোতিষ কুমাৰ শৰ্মা**

'এক কৰুণ নীৰৱতাই হ'ল
মোৰ সাহিত্যিক জীৱন'
হয় কবিবৰ,
১৯৯৭ৰ শাওণৰ
আজিৰ এই দুৰ্ভগীয়া
দিনটোতেই
নৱগ্ৰহ শ্মশানৰ উজ্জ্বলিত
বেলিটোক
ধোঁৱাৰ কুণ্ডলীৰে ঢাকি
এক সীমিত সংখ্যক
গুণমুগ্ধৰ উপস্থিতিত
কৰুণ নীৰৱতাৰ মাজত
হেৰাই গৈছিলা তুমি।
মানৱদৰদী সাহিত্যসেৱী তুমি,
ঔপন্যাসিক, সাংবাদিক,
নিবন্ধকাৰ, গল্পকাৰ,
সাহিত্য সমালোচক
ৰাজনীতিবিদ, নিৰহংকাৰী
এক সৰল মনৰ ব্যক্তি আছিলা তুমি।
অসমীয়া সাহিত্যক
বিশাল ভাৰতীয় সাহিত্যৰ
সমকক্ষ কৰি তুলিবলৈ'
অহোপুৰুষাৰ্থ কৰাৰ লগতে
সাহিত্য একাডেমীৰ
সন্মানীয় অধ্যক্ষ পদ
অলংকৰণ কৰি জাতিটোৰ বাবে
তুমি গৌৰৱ কঢ়িয়াই আনিছিলা।
মেদিনী চৌধুৰীয়ে
তোমাক লৈয়েই লিখিছিল—
'জীৱন সুদীৰ্ঘ নহওক,
কথা নাই
কিন্তু বিশাল হ'ব লাগে...'
হে গুণীবৰ, তোমাৰ
জীৱনৰ বিশালতা
আমাৰ সকলোৰে বাবেই ঈৰ্ষণীয়।
তোমাৰ গভীৰ জীৱনবোধ,
অধ্যয়নপুষ্ট অভিজ্ঞতা,
সূক্ষ্ম পৰ্যবেক্ষণ আৰু
কলাত্মক ৰূপেৰে অবিশ্ৰান্তভাৱে
তুমি কৰা জীৱনৰ বিশ্লেষণ
আমাৰ বাবে অতিকে আদৰ্শনীয়।
শৈশৱতে তুমি কল্পনা কৰিছিলা,
চক্ৰাই বাগিচাৰ তোমাৰ চোতালৰ
ওখ দেৱদাৰু দুজোপাৰ দৰে
ওখ হ'বলৈ,
কিন্তু তুমিতো আকাশ চুবলৈ
সক্ষম হ'লা কবিবৰ!
দ্বিতীয় মহাযুদ্ধৰ সময়ত
জাপানী সৈন্যসকলৰ আক্ৰমণত
বিধ্বস্ত হৈ পৰা নগাসকলৰ
সামাজিক, অৰ্থনৈতিক জীৱনৰ
অভিজ্ঞতাৰে লিখা 'ইয়াৰুইংগম'
তোমাৰ সাহিত্যৰ অনুপম সৃষ্টি।

'ৰাজপথে ৰিঙিয়াই'ত
তুমি লিখিছিলা...
'লেখনী হ'ব লাগিব তৰোৱাল,
কবিতা হ'ব লাগিব
নতুন সমাজৰ ৰণ জেউতি,
গীত হ'ব লাগিব
অন্যায় অসাম্যৰ বিৰুদ্ধে
শত কণ্ঠত নিনাদিত হোৱা
সমৰ সংগীত।'
এৰা,
তোমাৰ প্ৰতিখন উপন্যাস
প্ৰতিটো কবিতা, গীত
আনকি প্ৰতিটো নিবন্ধই যেন
ইয়াৰ প্ৰতিভূ হৈ জিলিকি আছে।
তোমাৰ 'সান্ধ্য স্বৰ' সঁচাকৈয়ে
আধুনিক মনৰ প্ৰতিফলন,
'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?'
আধুনিক অসমীয়া কবিতাৰ
এক মাইলৰ খুঁটি।
তুমি সৃষ্টি কৰা 'ৰামধেনুৰ যুগ',
'নৱযুগ'
অসমীয়া সাহিত্য জগতৰ
ভোটাতৰা স্বৰূপ।
'মৃত্যুঞ্জয়'ত গোসাঁইৰ মুখেৰে
তুমি কোৱাইছিলা...
'মানুহ নমৰাকৈ যদি
যুদ্ধ কৰিব পাৰিলোহেঁতেন।'
হে মৃত্যুঞ্জয়ী
তোমাৰ এই কালজয়ী উক্তি
আজিৰ যুগতো যে সকলোৰে বাবে
এক প্ৰবল প্ৰত্যাহ্বান।

অকল সেয়াইনে?
তোমাৰ চেনেহৰ মহানগৰীখনৰ
অপৰিকল্পিত ৰূপ দেখি
তুমি যে ব্যথিত হৈ পৰিছিলা!
জনদিয়েক ডেকা অভিযন্তাক লৈ
ড° পদ্মকান্ত বড়াৰ স'তে
তুমি 'ছেভ গুৱাহাটী'
অনুষ্ঠানটিৰ জন্ম দিছিলা!
তদুপৰি 'মদন কামদেৱ'ৰ
ভাস্কৰ্যৰ প্ৰত্নতাত্ত্বিক সমল বিচাৰি
তুমি দেৱাংগিৰী পাহাৰলৈকো
ঢপলিয়াই গৈছিলা।
হে মান্যবৰ!
সৌন্দৰ্য আৰু সত্যৰ সমন্বয়েৰে
তুমি জগত জিনিলা,
কলমটোকে সাৰথি কৰি
'লেখক-বনুৱা'ৰ পৰিচয়েৰে
নিৰৱচ্ছিন্ন সাধনৰ বলত
নিজক প্ৰতিষ্ঠা কৰিলা...
আৰু অসমীয়া ভাষা-সাহিত্যক
জগত সভালৈ'
আগবঢ়াই লৈ গ'লা,
তোমাৰ আজিৰ জন্ম শতবাৰ্ষিকীৰ
এই শুভ মুহূৰ্তত
নেদেখাজনৰ ওচৰত
প্ৰণিপাত জনাইছো...
তোমাৰ বিদেহী আত্মাই
চিৰশান্তি লাভ কৰক,
চিৰশান্তি লাভ কৰক।।

ফোন ঃ ৯৪৩৫০১৪৯১৮

# প্ৰাক ঐতিহাসিক দিচৈ নৈ

**দিচৈ এখন সৰু নদীৰ নাম। এই নৈখন নগালেণ্ডৰ মোকচাং অঞ্চলৰ লং চামটাওৰ ওচৰৰ পৰা আৰম্ভ হৈছে। প্ৰথম অৱস্থাত নৈখন ছুইং, চুৰং আদি নাম লৈ নিচে সংৰক্ষিত বনাঞ্চলৰ দক্ষিণত অসমত প্ৰৱেশ কৰিছে আৰু নিচে নামলৈ উত্তৰ-পশ্চিমলৈ বৈ গৈছে। যোৰহাট জিলাৰ মৰিয়নি পাৰ হোৱাৰ পাছতে ইয়াৰ নাম ভোগদৈলৈ ৰূপান্তৰ ঘটিছে, যিটো নৈৰ দৈৰ্ঘ্য ১৬০ কিলোমিটাৰ। অসমত এটা সময়লৈকে ভোগদৈ নামৰ কোনো এখন নদী নাছিল। দিচৈ নদী ভোগদৈ হোৱাৰ এটা ঐতিহাসিক কাৰণ আছে। ১৮শ শতিকাতে কোনো আধুনিক কাৰিকৰী কৌশল অবিহনে এখন নদী খন্দাৰ দৰে দুৰূহ কাৰ্য নিশ্চয় বিস্ময়ক। ভোগদৈ নৈ আজিও বৈ আছে কিন্তু ইয়াৰ মূলসুঁতি দিচে নৈ বৰ্তমান মৰাতি আৰু এৰাসুঁতিত পৰিণত হৈ কেইবাটাও টুকুৰাত বিভক্ত হৈছে।**

**দিচৈ** এখন সৰু নদীৰ নাম। এই নৈখন নগালেণ্ডৰ মোককচাং অঞ্চলৰ লং চামটাঙৰ ওচৰৰ পৰা আৰম্ভ হৈছে। প্ৰথম অৱস্থাত নৈখন ছুইং, চুৰং আদি নাম লৈ দিচৈ সংৰক্ষিত বনাঞ্চলৰ দক্ষিণত অসমত প্ৰৱেশ কৰিছে আৰু দিচৈ নাম লৈ উত্তৰ-পশ্চিমলৈ বৈ গৈছে। যোৰহাট জিলাৰ মৰিয়নি পাৰ হোৱাৰ পাছতে ইয়াৰ নাম ভোগদৈলৈ ৰূপান্তৰ ঘটিছে, যিটো নৈৰ দৈৰ্ঘ্য ১৬০ কিলোমিটাৰ।

অসমত এটা সময়লৈকে ভোগদৈ নামৰ কোনো এখন নদী নাছিল। দিচৈ নদী ভোগদৈ হোৱাৰ এটা ঐতিহাসিক কাৰণ আছে। ১৮শ শতিকাতে কোনো আধুনিক কাৰিকৰী কৌশল অবিহনে এখন নদী খন্দাৰ দৰে দুৰূহ কাৰ্য নিশ্চয় বিস্ময়কৰ। ভোগদৈ নৈ আজিও বৈ আছে, কিন্তু ইয়াৰ মূলসুঁতি দিচে নৈ বৰ্তমান মৰাসুঁতি আৰু এৰাসুঁতিত পৰিণত হৈ কে'বাটাও টুকুৰাত বিভক্ত হৈছে।

দিচে নৈ আগতে নগালেণ্ডৰ পৰা ওলাই আহি যোৰহাটৰ মাজেদি বৈ গৈছিল আৰু ব্ৰহ্মপুত্ৰত পৰিছিল। ব্ৰিটিছৰ সহায়ত বিদ্ৰোহী মোৱামৰীয়াসকলৰ হাতৰ পৰা ৰাজ্য পুনৰুদ্ধাৰ কৰি স্বৰ্গদেউ গৌৰীনাথ সিংহই আহোমৰ শেষ ৰাজধানী ৰংপুৰ আৰু গড়গাঁৱৰ পৰা যোৰহাটলৈ স্থানান্তৰিত কৰিছিল। সেই সময়ত নতুন ৰাজধানীৰ কাষত প্ৰজাৰ সুবিধাৰ্থে পানী যোগানৰ বাবে এখন নৈৰ প্ৰয়োজনীয়তা আহি পৰে। সেইমতে স্বৰ্গদেউৱে পাত্ৰমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ স'তে আলোচনা কৰি যোৰহাটত এখন সৰু নদী খন্দাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেনেকৈ ১৮শ শতিকাত দিচৈ নৈখন বহল আৰু দকৈ খান্দি যোৰহাটৰ মাজেৰে ব্ৰহ্মপুত্ৰলৈ বোৱাই দিয়া হ'ল। নৈ খন্দাৰ প্ৰাকমুহূৰ্তত পূৰ্ণানন্দ বুঢ়াগোঁহায়ে কামখিনি সুকলমে আগবাঢ়িবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই ভোগ প্ৰদান কৰে। সেইবাবে সেই নদীখনে নাম পালে 'ভোগদৈ'।

নগা পাহাৰত উৎপত্তি হৈ যোৰহাট নগৰৰ মাজেদি গৈ এসময়ত ব্ৰহ্মপুত্ৰত পৰিছিল যদিও বৰ্তমান নৈখন পশ্চিমৰ কাকডোঙাৰ লগলাগি গেলাবিল নাম ল'লে। তাৰ পাছত পশ্চিমলৈ বৈ গৈ ধনশিৰি টেমেৰা নামৰ গাঁৱৰ ওচৰত ধনশিৰি নদীত পৰিছে।

আমি আগতে কৈ আহিছিলো যে ভোগদৈ নৈ আজিও বৈ আছে যদিও ইয়াৰ মূলসুঁতি দিচৈ বৰ্তমান এৰাসুঁতি, মৰাসুঁতি আদিত পৰিণত হৈ কে'বাটাও ভাগত

**খগেন পেগু**

বিভক্ত হ'ল। দিচৈ যিহেতু এখন সৰু নদী আছিল, সেয়ে হয়তো দ আৰু বহলকৈ খান্দি দিয়াৰ পাছত ভোগদৈ নৈখনে যোৰহাটৰ ঢেকৰগড়াৰ পিনে গতি সলাই পশ্চিমলৈ বৈ যায় আৰু পশ্চিমৰ কাকডোঙাৰ লগ লাগে। ফলত বালিগাঁও ককিলামুখ হৈ বৈ যোৱা নৈখন মৰাসুঁতিত পৰিণত হ'ল। এতিয়াও দগাঁও মালৌপথাৰত মালৌ আলি পাৰ হৈ এটা মৰাসুঁতি বাৰিষা হ'লে জী উঠে আৰু এলেংমৰালৈ জিৰ্ জিৰ্কৈ বৈ যায়।

অৱশ্যে আঠ নম্বৰ স্পাৰৰ পৰা এলেংমৰা, চেঙেলীআটি, গৰুমৰা আদি হৈ দেৰগাঁও নেঘেৰিটিঙৰ ওচৰৰ গেণ্ডালীলৈকে মথাউৰি নিৰ্মাণ হোৱাত মালৌ পথাৰৰ মৰাসুঁতিটো পথাৰ, জলাশয় আদি ইটো-সিটোত গৈ মিলি যায়। কিছু বছৰৰ আগতে যাতায়াত আৰু যোগাযোগৰ সুবিধাৰ বাবে মথাউৰিটো লোকনিৰ্মাণ বিভাগে পকীকৰণ কৰিছে।

উল্লেখ্য যে দিচৈ নৈ ককিলামুখৰ পৰা বৈ অহাৰ কথাও মানুহে কয়। নগালেণ্ডৰ পৰা বৈ ওলাই যোৰহাটৰ মাজেদি গৈ নৈখনে ককিলামুখ হৈ দক্ষিণ-পশ্চিমলৈ বৈ গৈছিল। মথাউৰিটো পাৰ হ'লে এলেংমৰাৰ শুকুৰবৰীয়া বজাৰৰ সমীপৰ পৰাই দিচৈ নৈৰ এটা দীঘল মৰাসুঁতি আৰম্ভ হৈ যায়। এই মৰাসুঁতিটো ওপৰ দেউৰী গাঁৱৰ পিনে অলপ টুকুৰা টুকুৰ হ'লেও নামদেউৰী গাঁৱৰ পৰা স্পষ্ট ৰূপত দেখা দিয়ে। তাৰ পাছত কলবাৰী, ধনখুলৈ, বাঁহফলা গাঁও হৈ চাৰিগাঁৱলৈ যায়। অৱশ্যে মালৌআলিৰ উত্তৰফালে মূল বাঁহফলা গাঁও আৰু ধনখুলৈ গাঁৱৰ মাজত এটা ডাঙৰ এৰাসুঁতি আছে। এই এৰাসুঁতিটো বাৰিষা হ'লে মূলসুঁতিৰ লগত মিলি পৰে। তেনেকৈ এৰাসুঁতি মূল মৰাসুঁতিৰ লগত মিলি চাৰিগাঁও অঞ্চলত ভাল এখন নৈৰ ৰূপ লয়। তাৰ পাছত সি দুটা সুঁতিত বিভক্ত হৈ এটা আমগুৰি অঞ্চললৈ যায়; আৰু আনটো গেণ্ডালি হৈ পশ্চিমৰ চৌগুৰি কনুৱা, ধেমাজি, বাঁহগুৰি আদি গাঁৱলৈ গতি কৰে। অৱশ্যে গেণ্ডালীত নামনিমুৱা মথাউৰিয়ে ইয়াক ভেটা দিছে।



সেয়ে চৌগুৰি অঞ্চলত ইয়াক এখন পোতাবিলৰ দৰে দেখা যায়।

তাৰ পাছত কিছুদূৰ পশ্চিমলৈ গ'লে ধেমাজি, বাঁহগুৰি আদি গাঁও পোৱা যায়। তাৰ নাতিদূৰত আছে দিচৈ তিনি আলি। বাৰিষা দিচৈ তিনিআলিৰ পৰাই ই স্পষ্ট এটা সৰু নদীৰ ৰূপত বাৰিক গাঁও, টায়ুং গাঁও, কয়লাঘাট, দানিচাপৰি আদি গাঁও হৈ পশ্চিমলৈ কিছুদূৰ গতি কৰে। পশ্চিমত ইয়াৰ মূলসুঁতিটো বেৰকেপ গাঁৱৰ পৰা তিনচুকী মিচিং গাঁৱৰ পূব মূৰেদি অশ্বখুড়াৰ সৃষ্টি কৰে আৰু সোঁপিনে উত্তৰৰ নাককাটি বহিখোৱা গাঁও অঞ্চললৈ গতি কৰে। এইখিনিতে দিচৈ নৈ সম্পৰ্কত এটা কাহিনী এনেকৈ পোৱা যায়। সেয়া হ'ল, দিচৈ নৈত বৰশী বাওঁতে নাককাটি বহিখোৱা গাঁৱৰ মণিৰাম দলেৰ বৰশীত কামোৰা গৰুৱা মাছ এটাই প্ৰায় এক কিলোমিটাৰ পশ্চিমত থকা নাচনিপাৰলৈ তেওঁক টানি নিয়ে।

সি যি কি নহওক, নাককাটিৰ পাছত তালচিবাৰী, গিলুং পাথৰি, মিলিগাঁও, কাঞ্চা চাপৰি, ভকত চাপৰি, পাথৰি, চেলেক, মেদক আদি গাঁও হৈ মথাউৰিৰ ভিতৰত আলামী মাজগাঁও, মথাউৰিৰ বাহিৰত আলামী লাকলিঙীয়া, মিচিমিআটি আদি গাঁৱৰ কিনাৰেদি অফলা গাঁও পাই যায়। দিচৈ নদীৰ উত্তৰ পাৰত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে আছে লহৰে চাপৰি, শিয়াল চাপৰি, বামুণ চাপৰি, ৰোহিতা চাপৰি আদি।

অৱশ্যে প্ৰায় ৩০ বছৰ আগতে, অৰ্থাৎ ১৯৯২লৈকে দিচৈ নৈখন দলপাৰ পৰাও এক নম্বৰ ৰি-ৰি, দুই নম্বৰ ৰি-ৰি, ন-নিকৰি আদি গাঁৱৰ কাষেদি পশ্চিমলৈ দীঘলকৈ বৈ গৈছিল আৰু এলেংমাৰী গাঁৱৰ ওচৰত ব্ৰহ্মপুত্ৰৰ বুকুত মিলি গৈছিল। এতিয়া আগৰ দলপা, ৰি-ৰি, ন-নিকৰি আদি গাঁৱৰ সন্মুখৰ বহুভাগ অঞ্চল খহাই পেলোৱাত দিচে নদীৰ মাজ দলপা অঞ্চলৰ পিছৰ বহুখিনি দৈৰ্ঘ্য ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। তেতিয়া বৰবালি মাজ দলপা গাঁৱৰ পিছফালে দুটা অটব্য অৰণ্য আছিল, যাৰ নাম আছিল কোৰ কাঠনি আৰু লৌতৃক কাঠনি। তাত ডাঙৰ এজোপা শিমলু গছ আছিল। সেই শিমলুজোপাত ঔপম, অৰ্থাৎ অশৰীৰি অপদেৱতা বা উপদেৱতা আছিল। শিমলু গছজোপাৰ ওচৰত থকা মাজ দলপাৰ গাল' দলেহঁতৰ পৰিয়ালে শিমলুজোপাৰ পৰা সোণৰ চেইন পাইছিল যাৰ বাবে ঘৰখন পিছলৈ বহুত ধনী হৈ গ'ল বুলি কথিত আছে। ব্ৰহ্মপুত্ৰই খহাই নিওঁতে সেই গছজোপাৰ পৰা এটা অতি প্ৰচণ্ড শব্দ ওলাইছিল । তাৰ পিছতেই বাকী সকলোখিনি হাবিৰ লগতে আগৰ ৰি-ৰি, নিকৰি আদি গাঁও অঞ্চলো খহাই পেলায়। অৰ্থাৎ তেনেকৈয়ে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল দিচৈ নদীৰ নামনি অংশ ।

সিফালে বছৰদিয়েক পাছত গেণ্ডালীৰ পৰা ধেমাজি, বাঁহগুৰি, টায়ুংগাঁও, তিনচুকী মিচিং গাঁও আদিৰ উত্তৰ কাষেদি পশ্চিমলৈ দীঘলকৈ মথাউৰি নিৰ্মাণ হোৱাত বেৰকেপ গাঁৱৰ পৰা উত্তৰ-পশ্চিমলৈ বৈ যোৱা দিচৈ নদীৰ সোঁত বন্ধ হৈ যায়; আৰু ই নামনিৰ চাৰহ গাঁও, জৰাগুৰি, চুমনীয়া মাজচাপৰি, ওপৰ টেমেৰা, গুলুং টেমেৰা গাঁও (বৰ্তমানৰ ছহিদ কমলা মিৰি সমাধিক্ষেত্ৰ) আদি পাৰ হৈ পশ্চিম-দক্ষিণলৈ আগবাঢ়ে। তাৰ পাছত চেঙেলীসুঁতি বুঢ়ী গোঁসানী থানৰ কাষেদি বৈ গৈ ৰঙাগড়া ঘাটৰ ওচৰত দুসুঁতিমুখত গেলাবিলৰ লগ লাগে।

উল্লেখ্য যে ৰঙাগড়া ঘাটৰ দুসুঁতিমুখৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ উত্তৰফালে বৰচাপৰি গাঁও পাৰ হৈ দুসুঁতি বুলি এখন গাঁও পোৱা যায়, যাৰ ঠিক ওচৰতে উত্তৰ-পশ্চিমফালে পাঠৰি গাঁও অৱস্থিত। আগৰ দিচৈখনৰ মূলসুঁতি এই পাঠৰিগাঁও আৰু ভকত চাপৰিৰ মাজেদিয়ে চেলেক, মেদক আৰু আলামী গাঁৱৰ কাষেদি পশ্চিমলৈ বৈ যাওঁতে দক্ষিণলৈ এটা শাখা সুঁতিৰ সৃষ্টি কৰিছে, যাক বৰবিল বুলি কোৱা হয়। তাৰ পৰাই মিচিমিআঁটি হৈ বাৰিষা নামটেমেৰা গাঁৱৰ পূব মূৰেদি গেলাবিললৈ এটা শাখাসুঁতি ওলাই গৈছে। ইয়াৰে আনটো শাখা আড়িমৰা বিল আৰু দক্ষিণ-পশ্চিমমুৱা হৈ বৰটিকা গাঁও তথা বংকোৱাল গাঁৱৰ মাজেদি ওলাই বোৱা শাখাসুঁতি এটাৰ লগত মিলিত হৈছে; তাৰ পৰা গৰৈমাৰী গাঁৱৰ পথাৰ অঞ্চলেদি গৈ নিকৰি বৰতলৰ দক্ষিণ কাষেদি পশ্চিমলৈ বৈ যায়। এই সুঁতিটোও দিচৈৰ মূলসুঁতিয়ে সৃষ্টি কৰা এটা শাখাসুঁতি; আৰু ই নিকৰি বৰতলৰ পৰা পশ্চিমলৈ বৈ গৈ ন-নিকৰি অঞ্চলত গৈ ব্ৰহ্মপুত্ৰত পৰিছেহি ।

*ফোনঃ ৯৪৩৫৩৫০২৮৫*

# লাওখোৱা চাপৰিৰ আৰক্ষীৰ জালত ছাত্ৰ বৃত্তি কেলেংকাৰিৰ মূল নায়ক

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ১৩ অক্টোবৰ ঃ** ৰূপহীহাটত ছাত্ৰ বৃত্তি কেলেংকাৰিত লিপ্ত থকাৰ অভিযোগত আটক হ'ল বেংকৰ চিএছপিৰ স্বত্বাধিকাৰী। অসম গ্ৰামীণ বিকাশ বেংকৰ চিএছপি ছাদ্দাম হুছেইনসহ আটক হ'ল ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষকৰ লগতে এয়াৰটেল পেমেন্ট বেংকৰ স্বত্বাধিকাৰী মুকছিদুল মমিন। আৰক্ষী সূত্ৰই জনোৱা মতে, ৰূপহীহাটৰ বৰপেটাৰ ছাদ্দামে লাউগাঁৱত চলাই আহিছিল অসম গ্ৰামীণ বিকাশ বেংকৰ চিএছপি। তাৰে গইনা লৈ সংখ্যালঘু ছাত্ৰ বৃত্তিত সংঘটিত কৰিছিল ব্যাপক দুৰ্নীতি। দীৰ্ঘদিনৰে পৰা ৰূপহীহাটত সংখ্যালঘু ছাত্ৰ বৃত্তিৰ নামত সংঘটিত কৰি আহিছিল ব্যাপক দুৰ্নীতি। শেহতীয়াকৈ ৰূপহীহিস্থিত আৰএবি একাডেমীৰ স্বত্বাধিকাৰ তথা প্ৰধান শিক্ষক মমিনে ছাদ্দামৰ স'তে মিলি আত্মসাৎ কৰি আহিছিল সংখ্যালঘু ছাত্ৰ বৃত্তিৰ ধন। মমিনৰ নিজে এয়াৰটেল পেমেন্ট বেংকৰ স্বত্বাধিকাৰী হিচাপে আৰু গ্ৰামীণ বিকাশ বেংকৰ চিএছপিৰ স্বত্বাধিকাৰী ছাদ্দামে ৰূপহীহাটত সংখ্যালঘু ছাত্ৰ বৃত্তিৰ কেলেংকাৰি সংঘটিত কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। আটকাধীন ছাদ্দাম আৰু মমিনক তদন্ত কৰিলেহে ওলাই পৰিব ৰূপহীহাটৰ বৃহৎ চক্ৰৰ লগত জড়িত থকা আন বহু ৰৌ-বৰালীৰ নাম। আটকাধীন দুয়োকে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# নগাঁৱত বিল-জলাশয়ত অবাধ বেদখল

*তিনি পৃষ্ঠাৰ পৰা* কঠা ১০ লেচা, কলং নদীৰ ৩০ বিঘা দুই কঠা ১৮ লেচা, সোণাই নদীৰ সাত বিঘা ১০ লোচা, জলাশয়ৰ ৬২২ বিঘা চাৰি লেচা, চৰণীয়া পথাৰৰ ৫,৫১১ বিঘা এক কঠা ১০ লেচা আৰু চৰকাৰী ভূমিৰ ৯,৩৩৬ বিঘা এক কঠা ছয় লেচা মাটি বেদখল হৈ আছে। আনহাতে, জিলাখনৰ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত নৈ-জলাশয়ৰ ৩,৩৪৬ বিঘা এক কঠা ১২ লেচা, চৰণীয়া পথাৰৰ ১৫,৩৮৯ বিঘা এক লেচা, বনাঞ্চলৰ ৮৮৭ বিঘা সাত লেচা, চৰকাৰী খাচ ভূমি ৫৮,৫৩৬ বিঘা দুই কঠা ন লেচা মাটি আৰু কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কলং নৈৰ ৬৩ বিঘা মাটি, গাঁৱলীয়া চৰণীয়া পথাৰৰ ২,২১৬ বিঘা চাৰি কঠা ১৪ লেচা, চৰকাৰী খাচ ভূমি ৩৯ হেজাৰ বিঘা দুই কঠা ভূমি বেদখল হৈ আছে। স্মৰ্তব্য যে অসম বিধানসভাৰ অধিবেশন ২০২৩ত নগাঁও বিধানসভাৰ বিধায়ক ৰূপক শৰ্মাৰ তৰা চিহ্নিত প্ৰশ্ন নম্বৰ ১৯০১ উত্তৰত যোৱা ৩১ মাৰ্চত এই তথ্য সদনী কৰিছিল ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে। স্মৰ্তব্য যে নগাঁও জিলাৰ মৰিকলং-পোতাকলং, হাৰিভাংগা, ডিমৌ, ১৩০ নম্বৰ বৌমাৰী (৩৬ হেক্টৰ), ১৩৯ নম্বৰ এৰা কপিলী, শিয়াল খাইতি, জলাগহগা, ৰাবীডেং কেন্দুগুৰি, শিলডুবি, ৫২ (এ) বৰপেটা, শুকতিপোতা, দীঘলী-পটলী, লখনাবন্ধা, লুটুমাৰী গ্ৰান্ট, চতিয়ান, বৰকপা, দীঘলী, লাওপানী, চামগুৰি, বৰঘুলি, মেৰ বিল, শিৰস্থান পোতাকলং, গুৰগুৰীয়া-বৰচিঙা, গাগলমাৰী, ফাকলি তিনি নম্বৰ সোণাই খণ্ডৰ, চাৰি নম্বৰ সোণাই খণ্ড-দুই, ১০ নম্বৰ কলং খণ্ড-চাৰি, ন নম্বৰ কলং খণ্ড-তিনি, ১৪-১৫ নিশাৰী/হাৰিয়া, ১২০ নম্বৰ শিহুৱা পুঠিমাৰী, বৰপানী/ফাকলি, ১৪১/১৪২ বৰালিমাৰী/ চিতলমাৰী, ১৪৪ নম্বৰ জুৰীয়া, ৫৩ নম্বৰ সোণাইবেৰা/জৰামাৰী, আঠ নম্বৰ কলং খণ্ড-দুই, ১৯/২০/২১ কপিলী, তুলসীজান, মাহৰোল, ননৈ, ভেৰভেৰী, সাপেখাতি, কাটিমাৰী, চুলুং, বৰপাতলি/ভাটিখালি, মিছা বিল কুঁজি বিল, কাছধৰা, এৰাকলং, বাঘমাৰী, পেনাই, এৰাকলং শেনচোৰা, চামগুৰি, গাগলমাৰী, বোকাবিল, মোৰামাৰী, বকুলগুৰি, লেতেৰী, কদমসুতি, হাঁহিলা আৰু শান্তিজান প্ৰমুখ্যে বিলসমূহৰ উপৰি, ব্ৰহ্মপুত্ৰ, কলং, কপিলী, সোণাই, ননৈ, চম্পাৱতী, ডিজু নৈত কেইটামান বছৰৰ আগলৈকে ছেপ্টেম্বৰৰ শেহফালৰ পৰাই অসংখ্য পৰিভ্ৰমী পক্ষীৰ আগমন ঘটিছিল। পৰিভ্ৰমী পক্ষীৰ কাকলিয়ে মুখৰিত কৰি ৰাখিছিল নৈ, সুঁতি, বিল, জলাশয়সমূহৰ উপত্যকা। কেৱল বেদখলৰ সমস্যা আৰু পানীৰ গভীৰতা হ্ৰাস পোৱা সমস্যাৰ বাবেই পূৰ্বৰ তুলনাত বিগত কেইটামান বছৰৰ পৰা অবিভক্ত জিলাখনলৈ আগমন ঘটা পৰিভ্ৰমী পক্ষীৰ সংখ্যা বহু পৰিমাণে কম হোৱা পৰিলক্ষিত হৈছে। স্মৰ্তব্য যে শীতৰ আগমনৰ প্ৰাকমুহূৰ্তত অবিভক্ত জিলাখনৰ নৈ, সুঁতি, বিল, জলাশয়সমূহলৈ শৰালি হাঁহ, ঘিলা হাঁহ, দেওহাঁহ, হাড়গিলা, উলুমৰা বা বেংগল ফ্লৰিকান, ঢেৰা, মণিয়ৰী, কণামুচৰী, ধুতিৰাজ, কাম চৰাই, শামুকভাঙা, চাকৈচকোৱা, বৰ শৰালি প্ৰমুখ্যে বিভিন্ন দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ আগমন ঘটিছিল। এতিয়াও অতি কম পৰিমাণে যিসমূহ পৰিভ্ৰমী পক্ষীৰ অবিভক্ত জিলাখনৰ নৈ, সুঁতি, বিল, জলাশয়সমূহলৈ আগমন ঘটিছে সেইসমূহ বিভিন্ন জাল, ফান্দ আদিৰে ধৰি একাংশ চোৰাংচিকাৰীয়ে বিক্ৰী কৰি থকা পৰিলক্ষিত হৈছে।

# ২৪ ঘণ্টাৰ পাঁচ মিনিট খোলা মনেৰে

*তিনি পৃষ্ঠাৰ পৰা* কৰে। এই সভাত যুথ ক্লাব, মঙলদৈয়ে 'বিশিষ্ট সমাজ সংগঠন বঁটা', মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভঁৰালৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ ডাউদ আলীলৈ কামেশ্বৰী বৰা সোঁৰণী শ্ৰেষ্ঠ মানৱসেৱা বঁটা', বোকাখাতৰ বিশিষ্ট ৰক্তদাতা ৰাজু দাসলৈ 'মানৱতাবাদী বঁটা', মঙলদৈৰ প্ৰবীণ খেলুৱৈ, প্ৰশিক্ষক মৃদুল দত্ত তামুলীলৈ চিন্তাৰাম বৰা সোঁৰণী 'সৃষ্টিশীল বঁটা', খাৰুপেটীয়াৰ বিশিষ্ট ৰক্তদাতা কুসুম বেইগলৈ ৰ্ঝণা মজুমদাৰ সোঁৰণী 'শ্ৰেষ্ঠ মহিলা ৰক্তদাতা বঁটা', দেশৰ বিভিন্ন ৰাজ্যৰ উন্নত চিকিৎসালয়লৈ দুই শতাধিক ৰোগীক চিকিৎসাৰ বাবে লৈ মানৱ সেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা মঙলদৈৰ প্ৰণৱ কুমাৰ ৰায়লৈ 'মানৱ সেৱা' বঁটা প্ৰদান কৰা হয়। ড° ভূপেন হাজৰিকাৰ কালজয়ী 'মানুহ মানুহৰ বাবে' গীতৰে আৰম্ভ হোৱা এই অনুষ্ঠানত প্ৰাঞ্জল শৰ্মা, ৰিণ্টিমণি ডেকাই গীত, মীনাক্ষি ডেকাৰ নেতৃত্বত বিয়াগীত, মীৰা হাজৰিকাই কবিতা, কবিতা শইকীয়া দাস, হিমাকেশ শাণ্ডিল্য, জোনাক নিবিড় কাশ্যপে গীত তৃষ্ণা হাজৰিকা, ডাঃ জয়ন্ত কুমাৰ নাথে কবিতা আবৃত্তি, প্ৰীতিশ্ৰদ্ধা বৰুৱাই লোকগীত, জিণ্টি শইকীয়াই গীত, এনী ভুঞা ডেকা, মিনতি হাজৰিকাই কবিতা, শ্ৰেয়া ৰয়ৰ নৃত্য, হৃৎ কাশ্যপ, শিখামণি কাকতিয়ে গীত কুঞ্জ দেৱীৰ নেতৃত্বত মহোঁখুন্দা, সীমা চৌধুৰী, বিনিতা চহৰীয়াই কবিতা, নিৰ্মালি দেৱী শৰ্মাৰ হাস্যৰস, নিকু কটকী, ৰঞ্জিত বুঢ়াগোহাই, কিৰীটি বৰা, জুপিতৰা বৰুৱাই গীত, দিহানাম আদি পৰিৱেশন কৰি পৰিৱেশ মুখৰিত কৰি তোলে। ইয়াৰ আগতে পুৱা সভাপতি আনোৱাৰ হুছেইনে পতাকা উত্তোলন, উপদেষ্টা হৰি চন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলন আৰু অৱসৰপ্ৰাপ্ত অধ্যাপিকা, এনচিচিৰ মেজৰ ড° লীনা শইকীয়াই মাল্যাৰ্পণ কৰে। ইয়াৰ পূৰ্বে ১০ অক্টোবৰৰ বিয়লি অনুষ্ঠিত সভাত সম্পাদক জিতুমণি চহৰীয়াই সম্পাদকীয় প্ৰতিবেদন আৰু বিত্ত সম্পাদক ৰাতুল ডেকাই জমা খৰচৰ হিচাপ দাখিল কৰে। ইপিনে, তৃতীয় বৰ্ষপূৰ্তি উপলক্ষে সাত অক্টোবৰত মঙলদৈৰ নগৰ বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত মুক্তিযোদ্ধা ৰত্নেশ্বৰ শৰ্মা সোঁৰণী চিত্ৰাংকন প্ৰতিযোগিতাত ৪১২ জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। মঙলদৈ নগৰ বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবীন্দ্ৰ কাকতিয়ে উদ্বোধন কৰা এই প্ৰতিযোগিতাৰ 'ক' শাখাত ডন বস্ক' হাইস্কুলৰ ৰিচিক ইয়াছিৰ প্ৰথম, জ্ঞান গুৰুকুল জাতীয় বিদ্যালয়ৰ বিশাল কাশ্যপ দ্বিতীয়, ডন বস্ক' হাইস্কুলৰ ৰিচা মেধি তৃতীয়, বাৰ্লিন বৰুৱা চতুৰ্থ, বেজপাৰা প্ৰাথমিক বিদ্যালয়ৰ ভাস্কৰ ডেকা পঞ্চম আৰু ডন বস্ক' হাইস্কুলৰ বিচাংক বৰুৱাই উদগনিমূলক বঁটা, 'খ' শাখাত মঙলদৈ নগৰৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মেঘ্না দেৱী প্ৰথম, হলী চাইল্ড পাব্লিক স্কুলৰ হৰ্ষিক কুমাৰ ৰাজবংশী দ্বিতীয়, কেন্দ্ৰীয় বিদ্যালয়, মঙলদৈৰ ধৰিত্ৰী ডেকা তৃতীয়, হলী চাইল্ড পাব্লিক স্কুলৰ ভাৰ্গৱ বড়া চতুৰ্থ, ভ্ৰাজিষ্ণু বৰুৱাই পঞ্চম স্থান আৰু 'গ' শাখাত মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আফ্ৰিন চুলতানা আহমেদ প্ৰথম, আলিছা ৰহমান দ্বিতীয়, জ্ঞান মন্দিৰ জাতীয় বিদ্যালয়ৰ বৰষা ডেকা তৃতীয়, প্ৰিলিয়েট একাডেমীৰ ধ্ৰুৱা ডেকাই চতুৰ্থ স্থান লাভ কৰে।

# 'দেওলগা' দুৰ্গম সীতাৰাম পাহাৰচূড়াত

*তিনি পৃষ্ঠাৰ পৰা* মাৰ্কিন বিমানসমূহ। যুদ্ধ চলি থকাৰ মাজতে আৰু ইয়াৰ পাছৰ সময়ত বহু অনুসন্ধান, অভিযান চলায়ো বহুকেইখন বিমানৰ সন্ধান উলিওৱাত ব্যৰ্থ হৈছিল মাৰ্কিন সেনা তথা কৰ্তৃপক্ষ। অৱশেষত ২০১৬ৰ ২০ অক্টোবৰত আমি প্ৰথমবাৰৰ বাবে সেই দুৰ্গম অঞ্চলত উদ্ধাৰ কৰিছিলো বিমানখনৰ ভগ্নাৱশেষ। স্থানীয় লোকৰ খবৰৰ ভিত্তিত সন্ধান পোৱা গৈছিল যুঁজাৰু বিমানখনৰ। উল্লেখ্য যে সেই মহাযুদ্ধৰ সময়ত বিমান দুৰ্ঘটনাৰ স্থান তথা পাহাৰচূড়াৰ 'দেওলগা পাহাৰ'ৰূপে চিনাক্ত কৰি সেই পাহাৰচূড়াত ভৰি থোৱাৰ পৰা বিৰত আছিল স্থানীয় লোকসকল। পাহাৰী জনতাৰ মাজত এক জনবিশ্বাস গঢ় লৈ উঠিছিল যে সেই পাহাৰত ভৰি থলেই হ'ব নিশ্চিত মৃত্যু। পূৰ্বে এই পাহাৰলৈ গৈ বহুকেইজনে অকাল মৃত্যুক সাবটি লোৱাৰ কথাও প্ৰকাশ কৰিছিল পাহাৰৰ নামনিত বসবাস কৰা একাংশ লোকে। অৱশ্যে সেই বিমান দুৰ্ঘটনাস্থলীৰ পৰা আশ-পাশৰ পাহাৰটিলাত বিভিন্নজনে আজিও কৰি আহিছে ঝুমখেতি। কলিয়াবৰৰ পৰা কাৰ্বি আংলঙৰ ভিতৰ সোমাই খন বামন, লাংডুং, মাইগোমকে আদি কৰি ছুখনকৈ পাহাৰ আৰু বহুকেইটা পাহাৰটিলাৰ উচ্চতা পাৰ হৈ হয় ঘণ্টাতকৈয়ো অধিক সময় খোজকাঢ়ি প্ৰত্যক্ষ কৰিছিলো সেই মাৰ্কিন যুঁজাৰু বিমানৰ সিঁচৰতি হৈ পৰি ৰোৱা ভগ্নাৱশেষ। ইয়াৰ পূৰ্বে নামনিৰ পাতলীয়া জনবসতিৰ অঞ্চলটোৰ কোনো কোনো লোকৰ ঘৰত প্ৰত্যক্ষ কৰিছিলো সেই বিমান দুৰ্ঘটনাৰ ফলত ছিটিকি পৰা সৰু-সুৰা যন্ত্ৰাংশ, লোহাৰ টুকুৰা। যুঁজাৰু বিমানখনৰ ভগ্নাৱশেষ উদ্ধাৰৰ পাছতে আৰম্ভ হৈছিল ইয়াৰ ওপৰত এক চৰজমিন অনুসন্ধান।

### স্থানীয় বৃদ্ধ লোকে কি প্ৰত্যক্ষ কৰিছিল বিশ্বযুদ্ধৰ সেই বিশেষ নিশা

বয়সৰ জোখাৰে এশৰ ঘৰ পাৰ কৰা জন সিং বে' নামৰ স্থানীয় বৃদ্ধজনে প্ৰকাশ কৰা মতে, বিশ্বযুদ্ধৰ সেই সময়তে আকাশেদি বিমানৰ চলাচলৰ মাজতে কোনো এক নিশা এক অগ্নিপিণ্ডসদৃশ বস্তু বিকট শব্দ কৰি উৰি আহি খেকোচা খাই পৰিছিল সেই দুৰ্গম অঞ্চলৰ সকলোতকৈ ওখ পাহাৰখনৰ চূড়াত। সেই সময়ত জনবসতি অতি সেৰেঙা অঞ্চলটোৰ কোনো লোকেৰে সেই স্থানলৈ যাবলৈ সাহস নাছিল। আচলতে বৰ্তমানে সেই পাহাৰলৈ উঠি যোৱাৰ নামনিতে এতিয়া থকা কাৰ্বি-নেপালী সম্প্ৰদায়ৰ গাঁওখন ১৯৯৪ মানতহে স্থাপিত হৈছিল। বহুদিনলৈ সেই ওখ পাহাৰচূড়াত মানুহ বগাই নগ'লেও লাহে লাহে ঝুম খেতি কৰা মানুহে খেতি কৰা স্থানত উদ্ধাৰ কৰিছিল বহু সৰু-বৰ যন্ত্ৰাংশ আৰু লোহাৰ টুকুৰা। খেতিয়কৰ কোৰত লাগি উদ্ধাৰ হৈছিল এইসমূহ সামগ্ৰী। স্থানীয় লোকৰ ভাষ্য অনুসৰি, বহু বছৰ পূৰ্বে কাথাৰ গাঁৱৰ গাঁওবুঢ়াই সেই স্থানৰ আশে-পাশে এটা সৰু আকাৰৰ হাতঘড়ী সদৃশ ঘড়ীও পাইছিল যদিও পাছত সহজ-সৰল পাহাৰীয়া লোকৰ কথা অনুসৰি, মৰা মানুহৰ ঘড়ী' বুলি পাহাৰৰ দ' খাৱৈত দলিয়াই দিছিল। বিভিন্ন আকাৰৰ গুলিও উদ্ধাৰ হৈছিল সেই স্থানত। তাৎপৰ্যপূৰ্ণভাৱে বৰ্তমানে ভগ্নাৱশেষ পৰি থকা স্থানৰ আশে-পাশে কোনো স্থানত টৰ্চলাইত জ্বলালে ই বন্ধ হৈ যায় বুলিও লোকসকলে প্ৰকাশ কৰে। হয়তো দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ কোনো উচ্চ ক্ষমতা সম্পন্ন যন্ত্ৰাংশৰ বাবেই এনে হোৱাৰ সন্দেহ কৰিব পাৰি। আজিৰ পৰা বহু বছৰ পূৰ্বে সেই স্থানত বহুকেইটা বাকচ দেখাপোৱাৰ লগতে কোনো এক চক্ৰই সেয়া সেই সময়তে লৈ যোৱাৰ কথাও প্ৰকাশ পাইছে। আনকি সেই সময়ত এই বাকছ কঢ়িয়াবলৈ ওখ পাহাৰত উঠি এটা হাতীৰো মৃত্যু হোৱাৰ কথা তেওঁলোকে প্ৰকাশ কৰে। বয়োজ্যেষ্ঠসকলে প্ৰকাশ কৰা মতে, কাথাৰ গাঁৱৰ গাঁওবুঢ়াই উদ্ধাৰ কৰা ঘড়ীটো বন্ধ হৈ আছিল ৭-৩০ বজাত। জনা সিং বে'ই প্ৰকাশ কৰা অনুসৰি, সন্ধিয়াৰ পাছত হোৱা সেই অগ্নিপিণ্ড দেখাৰ মুহূৰ্ত আৰু এই ঘড়ী সদৃশ যন্ত্ৰৰ সময়লৈ চাই বিশ্বযুদ্ধৰ সেই বিশেষ দিনটোত সন্ধিয়া ৭-৩০ বজাৰ আশে-পাশেই মাৰ্কিন যুঁজাৰু বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ এক সন্দেহ কৰিব পাৰি।

### দ্বিতীয় বিশ্বযুদ্ধৰ পাছত প্ৰকাশিত তথ্য

১৯৩৯ৰ এক ছেপ্টেম্বৰৰ পৰা ১৯৪৫ৰ দুই ছেপ্টেম্বৰলৈ ছবছৰ ধৰি চলা দ্বিতীয় বিশ্ব মহাসমৰৰ কালছোৱাত দক্ষিণ-পূৱ এছিয়াৰ যুদ্ধক্ষেত্ৰৰ অধিকাংশ যুদ্ধবিমান মাৰ্কিন বাহিনীৰ তত্ত্বাৱধানত এই কাৰ্বি পাহাৰৰ ওপৰেৰে পথ লোৱাৰ কথা জনা যায়। মাৰ্কিন যুদ্ধ বিমানে কলকাতাৰ পৰা জাপানৰ বিৰুদ্ধে যুঁজৰ বাবে উৰা মৰাৰ সময়তে উত্তৰ-পূৰ্বাঞ্চলৰ ঘন অৰণ্যৰ মাজত বৈমানিকসহ সন্ধানহীন হৈছিল বহু বিমান। বিমানৰ লগতে সেই সময়ত উত্তৰ-পূবৰ সন্ধানহীন হৈছিল ৮৪ গৰাকী বৈমানিক। এক তথ্য মতে, ১৯৪৫ৰ ১৫ জুলাইত মণিপুৰ সীমান্তৰ পৰা ডিমাপুৰ অঞ্চলৰ মাজত ৰাডাৰৰ সংযোগ বিচ্ছিন্ন হৈ সন্ধানহীন হৈ পৰিছিল মাৰ্কিন সেনাবাহিনীৰ 'চি-৪৬-এ' যুদ্ধ বিমানখন। ইয়াৰ লগতে নিৰুদ্দেশ হৈছিল বিমানখনত থকা প্ৰথম লেফটেনেণ্ট উইলিয়াম এম ডুফে আৰু ছাৰ্জেণ্ট থমাছ জে ফ্ৰান্স। এই তথ্য সেই সময়তে বিভিন্ন বিদেশী বাতৰি কাকতত প্ৰকাশ পাইছিল। এই বিমানখনৰ ক্ৰমিক নম্বৰ আছিল ৪২-১০৭৩৩১। যুঁজাৰু বিমানখন কাৰ্বি পাহাৰৰ বামন পাহাৰ অঞ্চলৰ ঘন অৰণ্যত সন্ধানহীন হোৱা বুলিও প্ৰকাশ পাইছিল। উল্লেখ্য যে সম্প্ৰতি যুঁজাৰু বিমানৰ ভগ্নাৱশেষ উদ্ধাৰ হোৱা সীতাৰাম পাহাৰৰ গাতে লাগি আছে এই বামন নামৰ পাহাৰখনো। এই সমগ্ৰ তথ্য একত্ৰিত কৰি ১৯৪৫ৰ ১৫ জুলাইৰ নিশাই এই পাহাৰত 'চি-৪৬-এ' বিমানখন ধ্বংসপ্ৰাপ্ত হোৱাৰ এক ধাৰণা কৰিব পাৰি। এই দিনটোৰ দিনচেৰেক পাছতেই মাৰ্কিন সেনাৰ দ্বাৰা ১৯৪৫ৰ ছয় আ)৮ ন আগষ্টত জাপানৰ ওপৰত বৰ্ষিত হৈছিল 'লিটল বয়' আৰু 'ফেটমেন' নামৰ দুটাকৈ পৰমাণু বোমা। কোনে জানে এই পথেৰেই কিজানি পৰমাণু বোমাৰ নীলনক্সা প্ৰস্তুত কৰি উভতি আহিছিল এই যুঁজাৰু বিমানখনো।

কাৰ্বি পাহাৰৰ যি স্থানত যুঁজাৰু বিমানখনৰ মুল অংশ পৰি আছে সেই স্থানত আজিও গজা নাই ঘাঁহ-বন। বন বিভাগৰ লোকে কিছু বছৰ পূৰ্বে আশ-পাশৰ অঞ্চলৰ পৰা ইয়াৰ কিছু অংশ উদ্ধাৰ কৰাৰ কথাও জানিব পৰা গৈছে। আজিও বহু গৃহস্থৰ ঘৰত ইয়াৰ কিছু সামগ্ৰী সংগৃহীত হৈ থকাৰ লগতে ঠায়ে ঠায়ে উদ্ধাৰো হৈ আছে যদিও মুল অংশ এতিয়াও পৰি ৰৈছে সেই স্থানতে। আজিও মানুহ নাযায় সেই স্থানলৈ ক্ষতি হোৱাৰ ভয়তে। আমাকো বহুজনে সহৃদয়তাৰে বহু বাধা প্ৰদান কৰিছিল যদিও মনত উৎসুকতা লৈ উপস্থিত হৈছিলো সেই স্থানত। হাবি কাটি আগুৱাই যোৱাৰ সময়ত পাহাৰৰ ওপৰত দেখিছিলো ডাঙৰ ডাঙৰ গছত ভালুকৰ নখৰ আঁচোৰ। যিহওক ছটাকৈ ঘণ্টা ওখ পাহাৰচূড়া বগাই সেই স্থানত উপস্থিত হোৱাৰ অভিজ্ঞতা আৰু পাখি ভাগি পৰি ৰোৱা যুঁজাৰু বিমানৰ ভগ্নাৱশেষ প্ৰত্যক্ষ কৰাৰ মুহূৰ্ত স্মৰণীয়। আশা কৰিছো 'মিছিং ইন একচন' নামৰে মাৰ্কিন বাহিনীয়ে তাহানিতে হাতত লোৱা উত্তৰ-পূৰৰ হাবিত সন্ধানহীন যুঁজাৰু বিমানৰ সন্ধান পাই উদ্ধাৰ হ'ব বিমানখনৰ অৱশিষ্ট। ইয়াৰ লগে লগে উদ্ধাৰ হ'ব বহু নজনা কথা, ইতিহাস।

# যোগীঘোপাত চুৰি গৰু কঢ়িয়াই নিয়া বিলাসী বাহন দুৰ্ঘটনাগ্ৰস্ত

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা আৰক্ষী থানাৰ অন্তৰ্গত চলন্তাপাৰাত যোৱা নিশা চুৰি গৰু কঢ়িয়াই নিয়া বিলাসী বাহন এখন দুৰ্ঘটনাত পতিত হয়। ইয়াৰ পাছতে আৰক্ষীয়ে বাহনখনৰ পৰা এটা চোৰাং গৰু জব্দ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, যোৱা নিশা প্ৰায় ১২ বজাত এএছ-০১ এই-২৯৬৬ নম্বৰৰ এখন চাৰি চকীয়া বিলাসী বাহন পাল্লীৰ তলৰ পৰা চলন্তাপাৰা বজাৰ অভিমুখে তীব্ৰ গতিত গৈ থকা সময়তে কুঠিপাৰাৰ ঈদগাহৰ সমীপতে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ এটা কালভাৰ্টত খুন্দা মাৰে। দুৰ্ঘটনাৰ শব্দ শুনি স্থানীয় একাংশ লোক ঘটনাস্থলীত উপস্থিত হোৱাত পৰিস্থিতি বিষম দেখি চোৰাং গৰু বেপাৰীয়ে বাহনখনত যাত্ৰীৰ আসনত কঢ়িয়াই অনা এটা গৰু বাহিৰলৈ উলিয়াই দি ফোন কৰাৰ চলেৰে আন্ধাৰৰ সুযোগ লৈ তাৰ পৰা তৎক্ষণাত পলায়ন কৰে। ইপিনে, ঘটনাৰ খবৰ লাভ কৰি ঘটনাস্থলীত যোগীঘোপা আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্থ বাহনখন আৰু গৰুটো জব্দ কৰি থানালৈ নিয়ে। উল্লেখ্য যে গোধন সৰবৰাহৰ ক্ষেত্ৰত প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ পাছতো একাংশ সৰবৰাহকাৰীয়ে নতুন কৌশলেৰে গো-সৰবৰাহ অব্যাহত ৰাখিছে।

# গোৱালপাৰাত সহস্ৰাধিক

*তিনি পৃষ্ঠাৰ পৰা* অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে অৰুণোদয় আঁচনিৰ পৰা আৰম্ভ কৰি আয়ুষ্মান কাৰ্ডলৈ সকলো চৰকাৰী কাম কৰিব লাগে যদিও তেওঁলোকৰ চাকৰি কিয় চৰকাৰীকৰণ নহ'ব বুলি প্ৰশ্ন উত্থাপন কৰে দাসে। তেওঁ আৰু কয় যে 'বেটী বাচাও বেটী পঢ়াও' বুলি কোৱা চৰকাৰৰ দিনতে শিলসাঁকোত মহিলাসকলে নগ্ন হৈ উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলগীয়া হৈছে। মণিপুৰত মহিলা ধৰ্ষণ হৈছে। চৰকাৰৰ এনে কাণ্ডক ধিক্কাৰ দিয়ে সভানেত্ৰীগৰাকীয়ে। তেওঁ আৰু কয় যে অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰ সমস্যা সমাধানৰ বাবে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক ৰাজ্যিক অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাই বাৰে বাৰে দাবী জনাই আহিছে যদিও কোনো সুফল পোৱা নাই। সেয়েহে তিনিৰ পৰা ৩১ অক্টোবৰলৈকে অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাই ৰাজ্যজুৰি অসহযোগ আন্দোলনৰ পথ বাছি ল'বলৈ বাধ্য হৈছে। দিনে দিনে কামৰ বোজা বৃদ্ধি পোৱাৰ বিপৰীতে আজিৰ মূল্যবৃদ্ধিৰ বজাৰত মাহিলি মাননিৰূপে কৰ্মীয়ে মাত্ৰ ৬৫০০ টকা আৰু সহায়িকাসকলে ৩২৩৩ টকাৰে জীয়াই থাকিবলৈ সংগ্ৰাম কৰি আছে।

# বৰদৌলগুৰিত পথ দুৰ্ঘটনাত

*তিনি পৃষ্ঠাৰ পৰা* এখন ব্যক্তিগত বাহনে পাছফালে খুন্দিওৱাৰ ফলত পথত ছিটিকি পৰে আৰু মূৰত আঘাত পায়। গুৰুতৰভাৱে আঘাত পোৱাত ছিপাঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰে যদিও যুৱকজনৰ মৃত্যু হয়। দুৰ্ঘটনাত নিহত হোৱা যুৱকজনকঘৰ হাজৰিকাপাৰাৰ পিঠাখোৱা নিৱাসী সৰুকণ শৰ্মাৰ পুত্ৰ জ্যোতিষ শৰ্মা বুলি চিনাক্ত কৰা হৈছে।

# প্ৰসূতি বিভাগৰ চিকিৎসক

*তিনি পৃষ্ঠাৰ পৰা* প্ৰসূতি বিভাগৰ চিকিৎসক বিষ্ণু ৰাম ডেকা প্ৰায়েই কৰ্তব্যত উপস্থিত নথকাৰ অভিযোগ উঠিছে। এম্বুলেঞ্চ চালকৰ অনুপস্থিতিৰ বাবেই ৰাজপথত সন্তান প্ৰসৱ কৰিবলগীয়া হ'ল ভেলকৰৰ প্ৰসূতি গৰাকীয়ে। সম্প্ৰতি মাতৃ আৰু নৱজাতক সন্তানটিৰ স্বাস্থ্যৰ অৱস্থা সুস্থিৰ বুলি চিকিৎসালয় সূত্ৰই জনাইছে।

# কুম্ভকৰ্ণ নিদ্ৰাত

*তিনি পৃষ্ঠাৰ পৰা* গতিৰোধক স্থান, গতিবেগ, ক'ত হৰ্ণ বজাব নালাগে আদিৰ সাংকেতিক চিহ্নৰ ফলকসমূহ নথকাত সৰ্বসাধাৰণ ৰাইজ, চালক আদিৰ যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে আৰু এই সমূহ নথকাত কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলসমূহত সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈছে। ইফালে, শীঘ্ৰেই পথ নিৰ্মাণ সংস্থাক চাৰিশাৰীযুক্ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা আঁসোৱাহসমূহ নাইকিয়া কৰিবলৈ সচেতন ৰাইজে দাবী জনাইছে।

# ধৰ্মপ্ৰাণা মহিলা মাইকন

*তিনি পৃষ্ঠাৰ পৰা* আধাতে কাম সামৰি ঘৰলৈ উভতি আহে। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, পূৰ্ণকামদেৱ গাঁও উন্নয়ন সমিতি, মহাদেৱ ৰাইচ মিল পেপাৰ এজেঞ্চিৰ স্বত্বাধিকাৰী ভূপেন শৰ্মা, নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মা আদি কৰি অজস্ৰ দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, তিনি কন্যাসহ অজস্ৰ গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# হাজোত ন-বোৱাৰীৰ

*তিনি পৃষ্ঠাৰ পৰা* অভিযোগ উত্থাপন কৰিছে। মনীষাৰ পিতৃগৃহৰ লোকৰ অভিযোগ অনুসৰি, স্বামী দীপ আৰু পৰিয়ালৰ লোকে মনীষাক নিৰ্দয়ভাৱে হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰিছে। তদুপৰি স্বামীৰ পৰিয়ালে মনীষাক শাৰীৰিক নিৰ্যাতন চলোৱাই নহয়, বিভিন্ন সময়ত যৌতুক দাবী কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। কিয়নো স্বামীয়ে শাৰীৰিক, মানসিক অত্যাচাৰ চলোৱাৰ কথা নিজৰ পিতৃক ফোনযোগে কে'বাবাৰো জনাইছিল মনীষাই। কালি সংঘটিত এই ঘটনাৰ পাছতে মনীষাৰ পিতৃয়ে অভিযুক্ত স্বামী দীপ আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে হাজো আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। ইতিমধ্যে হাজো আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰাৰ লগতে মনীষাৰ স্বামী দীপ, শাহু চুৰুবালা দাস আৰু ভগ্নীক সোধ-পোছৰ বাবে আটক কৰিছে।

# ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটাপ্ৰাপক

*তিনি পৃষ্ঠাৰ পৰা* ঘৰৰ জপনা পুৱাৰ পৰা সন্ধিয়ালৈকে খোল নোখোৱাত আৰু ম'বাইল ফোনতো কোনো ধৰণৰ সঁহাৰি লাভ নকৰাত সন্দেহবশতঃ পাছত ওচৰ-চুবুৰীয়াৰ জপনা পাৰ হৈ ঘৰৰ ভিতৰলৈ সোমাই গৈ তলা মাৰি থকা ঘৰৰ ভেণ্টিলেছনৰে জুমি চাই বিছনাত বৰ্ষীয়ান মহিলাগৰাকী তলৰ মুৰ কৰি পৰি থকা দেখা পোৱাৰ পাছত হুৱাদুৱা লাগে আৰু স্থানীয় গাঁওবুঢ়াৰ জৰিয়তে আৰক্ষীক খবৰ দিয়াৰ পাছত ঘটনাস্থলীত আৰক্ষী আৰু দণ্ডাধীশ উপস্থিত হৈ দৰ্জাৰ তলা ভাঙি প্ৰাথমিক তদন্ত আৰম্ভ কৰি পূৰ্বৰ নিশাই তেওঁৰ মৃত্যু হোৱা বুলি আশংকা কৰি মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। বহুকেইখন গ্ৰন্থৰ স্ৰষ্টা, তেজপুৰৰ সক্ৰিয় ৰাজহুৱা কৰ্মীগৰাকীৰ ১৯৫০ৰ ২৬ এপ্ৰিলত জিলাখনৰ চাৰিদুৱাৰত জন্ম হৈছিল আৰু ১৯৭০ৰ চাৰি ফেব্ৰুৱাৰীত তেজপুৰৰ দা ধৰা বামুণ চুবুৰি নিৱাসী প্ৰেম নাৰায়ণ মিশ্ৰৰ স'তে বিবাহপাশত আবদ্ধ হোৱা বিদুষীগৰাকী এগৰাকী সুদক্ষ সমাজ সংগঠকৰূপে তেজপুৰৰ লগতে জিলাখনৰ সৰ্বত্ৰে জনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৯৭২ৰ ২৩ অক্টোবৰত মিছামাৰীৰ ৰামনাথপুৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলি গন্দুৱাবিল প্ৰাথমিক বিদ্যালয়, বৰআটি প্ৰাথমিক বিদ্যালয়, তেজপুৰৰ বৰুৱা চুবুৰি প্ৰাথমিক বিদ্যালয়ত এগৰাকী নিষ্ঠাবান শিক্ষয়িত্ৰীৰূপে সুদীৰ্ঘকাল শিক্ষাদান কৰি শেষত ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটাৰ বাবে দুটাকৈ বছৰ অতিৰিক্ত কাৰ্যকালেৰে ২০১২ত তেজপুৰৰ ডেকাৰগাঁও চুক প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা দেৱীয়ে ২০০২ ত ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাৰ লগতে ২০১০ত ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি বাবু জগজীৱন ৰাম কলা-সংস্কৃতি তথা সাহিত্য একাডেমীৰ তৰফৰ পৰা ২০১০ত 'শ্ৰীমতী ইন্দ্ৰানী জগজীৱন ৰাম ৰাষ্ট্ৰীয় পুৰস্কাৰ'ৰ লগতে ৰ'টাৰী ক্লাব লায়ন্স ক্লাবৰ বিশেষ পুৰস্কাৰ, বিভিন্ন বঁটা-বাহন, সম্বৰ্ধনাৰে বিভূষিত হৈছিল। ২০০৮ত 'প্ৰগতিকামী শিশু মঞ্চ' নামৰ এক অনুষ্ঠানৰ গঢ় দি শিশুসকলৰ বৌদ্ধিক-মানসিক আৰু সুকুমাৰ কলা বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা লেখিকাগৰাকীয়ে দা-ধৰা বামুণ চুবুৰিৰ 'আজলী মহিলা সমিতি'ৰ ২০১৪ৰ পৰা ১৬ লৈ সম্পাদিকাৰ দায়িত্বত থাকি নাৰী সৱলীকৰণৰ বাবেও অহোপুৰুষাৰ্থ কৰিছিল। 'ভাৰতীয় কবিয়ত্ৰী সন্মিলন'ৰ সদস্যা দেৱীয়ে আইপিচি বিশেষ দলৰ স'তে ৰাছিয়া ভ্ৰমণ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। আনহাতে, 'অসম সম্প্ৰীতি গোষ্ঠী'ৰ হৈ ২০১৭ত বাংলাদেশত আয়োজন কৰা বিহু সন্মিলনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা দেৱী তেজপুৰ লেখিকা সমাৰোহ সমিতিৰ মুখপত্ৰ 'ভৈৰৱী'ও সম্পাদনা কৰাৰ লগতে তেওঁৰ আন এক বদান্যতা হ'ল দা ধৰা বামুণ চুবুৰিৰ 'উত্তৰ আঞ্চলিক যুৱ-শিশু বিকাশ কেন্দ্ৰ'ত 'বিকাশ ৰংগ মঞ্চ'ৰ দান কৰ্ম। ১৯৯৭ত গুপ্ত ঘাটকৰ হাতত অকাল মৃত্যুক সাবটি লোৱা পুত্ৰ ৰাজেশ মিশ্ৰৰ সোঁৱৰণত এই মঞ্চখন দান হিচাপে আগবঢ়াই যুৱ-শিশুসকলৰ প্ৰতিভা বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছিল। পুত্ৰ ৰাজেশ মিশ্ৰৰ সোঁৱৰণত প্ৰতিবছৰেই নৈতিক আৰু মানৱীয় মূল্যবোধ সম্পন্ন শিক্ষাৰ্থীক প্ৰদান কৰি আহিছিল দুটাকৈ বিশেষ বঁটা। আনহাতে, এইগৰাকী বিদুষীয়ে 'বন্ধু বিদ্যালয়' গঠন কৰি 'বন্ধু বিদ্যালয় দিৱস'ৰ জৰিয়তে কে'বাখনো বিদ্যালয় একত্ৰিত কৰি শিক্ষাৰ্থীসকলক পাঠ্যপুথিৰ জ্ঞানৰ বাহিৰেও আন সকলো দিশতে পাৰদৰ্শী কৰি গঢ়ি তোলাৰ এক দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰিছিল।

# প্ৰশাসনৰ বাধা নেওচি হাজোৰ ঐতিহাসিক গৰ্জন বিলত মাছ ধৰাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**হাজো, ১৩ অক্টোবৰ ঃ** হাজোৰ ঐতিহাসিক গৰ্জন বিলত প্ৰশাসনৰ বাধা নেওচি অবৈধভাৱে মাছ ধৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। তথ্য মতে, ২০২০ত অসম চৰকাৰৰ অধীনৰ অসম মীন উন্নয়ন নিগমে হাজোৰ গৰ্জন বুলুটজান বিলৰ একৰ পৰা ছয় নম্বৰ পুখুৰী গৰ্জন বুলুটজান মৎস্যজীৱী মীন পালন সমবায় সমিতি লিমিটেডক সাত বছৰৰ বাবে আবণ্টন দিছিল যদিও প্ৰকৃততে একৰ পৰা তিনি নম্বৰ পুখুৰীকেইটাৰ পৰিচালনাৰ দায়িত্ব সমিতিক অৰ্পণ কৰিছিল। সমিতিয়ে প্ৰথম দুবছৰ সম্পূৰ্ণ ৰাজহ বিভাগীয়ভাৱে আদায় দি মাছৰ উৎপাদন বৃদ্ধি কৰিছিল। প্ৰথম দুবছৰ সুকলমে পৰিচালনা কৰাৰ পাছত তৃতীয় বছৰৰ আৰম্ভণিতে অৰ্থাৎ ২০২২ৰ ২৬ এপ্ৰিলত বিভিন্ন অজুহাত দেখুৱা সমিতিৰ পৰা আবণ্টন বাতিল কৰে। গৰ্জন বুলুটজান মৎস্যজীৱী মীন পালন সমবায় সমিতিয়ে বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো নিগমে সমিতিয়ে পুখুৰীসমূহত মেলি দিয়া মাছ উঠাবলৈ অনুমতি নিদিয়াত বাধ্য হৈ সমিতি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। দীৰ্ঘদিন ধৰি নিগমে ন্যায়ালয়ত শপতনামা দাখিল নকৰাত গোচৰটো অমীমাংসিতভাৱে পৰি থাকে যদিও পুনৰ ন্যায়ালয়ৰ হস্তক্ষেপত নিগমে শপতনামা দাখিল কৰাত উচ্চ ন্যায়ালয়ে যোৱা দুই আগষ্টত সমিতিৰ সপক্ষে ৰায় দান কৰি নিগমক ১০ দিনৰ ভিতৰত মাছ মৰাৰ সময় দি নিৰ্দেশনা দিয়ে। সমিতিয়ে অভিযোগ কৰা মতে, নিগমক পুখুৰীত মাছ মাৰিব নোৱৰাৰ বিভিন্ন অসুবিধা জনোৱা আৰু ন্যায়ালয়ৰ ৰায়ৰ পাছতো বৰ্তমানলৈ সমিতিখনক মাছ মৰাৰ অনুমতি নিদি সমিতিখনক যথেষ্ট সমস্যাত পেলোৱাৰ অভিযোগ কৰিছে। সমিতিয়ে আৰু অভিযোগ কৰা মতে, যোৱা ১৩ এপ্ৰিলত অসম মীন উন্নয়ন নিগমে সমিতিখনক মাছ মৰাৰ অনুমতি প্ৰদান কৰিছিল যদিও সন্দেহবশতঃ তৃতীয় পক্ষৰ হেঁচাত উক্ত অনুমতি পুনৰ ২৯ এপ্ৰিলত বাতিল কৰে। সমিতিয়ে আৰু জনোৱা মতে, নিগমে ন্যায়ালয়ৰ ৰায়ৰ প্ৰত্যাহ্বান জনাই পুনৰ উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰে যদিও আবেদনখন ত্ৰুটিপূৰ্ণ হৈ থকাত আৰু নিগমে ইয়াৰ শুধৰণিৰ ব্যৱস্থা নকৰাত বৰ্তমানলৈ উক্ত আবেদনখন শুনানি নোহোৱাকৈ পৰি থাকে। ফলত নিগমে ৰাজহ হেৰুওৱাৰ লগতে সমিতিখনক সৰ্বস্বান্ত কৰাৰ দিশত ঠেলি দিয়াৰো অভিযোগ উঠিছে। লক্ষ্যণীয়ভাৱে উক্ত পুখুৰীকেইটাত অবৈধভাৱে মাছমৰা কাৰ্য চলি থকাত নিগম কৰ্তৃপক্ষক সমিতিয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অনুৰোধ জনোৱাৰ পাছতো কোনো ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰা নাই। তেনে সুযোগ বুজি চাৰি অক্টোবৰৰ পৰা বিভিন্ন ঠাইৰ পৰা অহা একাংশ লোকে উক্ত পুখুৰীকেইটাত অবৈধভাৱে প্ৰায় ২৫ লাখ টকাৰ মাছ মাৰি লৈ যোৱা বুলি সমিতিয়ে জানিবলৈ দিছে। অৱশেষত যোৱা ১০ অক্টোবৰত হাজোৰ ৰাজহ চক্ৰ বিষয়া,আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে অবৈধভাৱে মাছ মাৰি থকাসকলক খেদি পঠিয়ায় যদিও কালিৰে পৰা পুনৰ উক্ত বিলত মাছ মৰা অব্যাহত আছে বুলি অভিযোগ তুলিছে।

## অসম মীন উন্নয়ন নিগমক ব্যৱস্থা গ্ৰহণৰ দাবী

# কয়াকুছি-বৰপেটা পথত দুৰ্ঘটনাত নিহত দুই ছাত্ৰ

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ১৩ অক্টোবৰ ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছি আৰক্ষী চকীৰ অন্তৰ্গত কয়াকুছি- বৰপেটা পথৰ বৈৰাৰ পথাৰত আজি বিয়লি এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজনকৈ ছাত্ৰৰ মৃত্যু হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কয়াকুছি ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ত অধ্যয়নৰত দুই ছাত্ৰ আজি পৰীক্ষা দি এছ-১৫ আৰ-১৫৪৮ নম্বৰ গ্লেমাৰ মটৰ চাইকেলখনৰে ঘৰলৈ যোৱা অৱস্থাত মটৰ চাইকেলখন দুৰ্ঘটনাত পতিত হৈ ছাত্ৰ দুজনে মৃত্যক সাবটি ল'ব লগা হয়। নিহত ছাত্ৰ দুজন খান্দাৰকুৰ গাঁৱৰ সংশেৰ আলীৰ পুত্ৰ ফনি মিয়া (১৮) আৰু পাকাবেতবাৰী গাঁৱৰ নুৰ ইছলামৰ পুত্ৰ ছাইদুল ইছলাম (১৮)। উল্লেখ্য যে মটৰ চাইকেলখনৰ গতিবেগ বেছি থকাৰ বাবে বৈৰাৰ পাথাৰৰ ৰাস্তাৰ কেঁকুৰিত নিয়ন্ত্ৰণ কৰিব নোৱাৰি প্ৰথমে এডাল গছত খুন্দা মাৰি ছিটিকি পৰে। লগে লগে স্থানীয় ৰাইজে কয়াকুছিৰ আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে লগে লগে চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদি চিকিৎসালয়লৈ নিয়াৰ পথত দুয়ো ছাত্ৰৰ মৃত্যু হয়।

# ডিব্ৰুগড়ত ভয়ংকৰ খহনীয়া অব্যাহত

*তিনি পৃষ্ঠাৰ পৰা* মোহনাঘাটত এতিয়ালৈ তিনিটা বাসগৃহ ব্ৰহ্মপুত্ৰৰ বুকত জাহ যোৱাত পৰিয়ালকেইটাৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰেই হৈছেগৈ। কেৱল সিমানেই নহয় আৰু প্ৰায় ৭০ টাকৈ বাসগৃহ ব্ৰহ্মপুত্ৰ প্ৰবল খহনীয়াত জাহ যোৱাৰো উপক্ৰম হৈছে। এনে পৰিপ্ৰেক্ষিতত সমগ্ৰ অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। আনহাতে, উপায়হীন তথা দিক্-বিদিক হেৰুৱাই পেলাইছে ডিব্ৰুগড়ৰ জলসম্পদ বিভাগ। বিভাগে জিঅ'বেগ আৰু পকী-পাৰ্কোপাইনৰ ডাম্পিং কৰিছে যদিও এই পৰ্যন্ত কোনো সুফল পোৱা নাই। নদীৰ অটল গহ্বৰত যেন চিৰকালৰ বাবে সোমাই পৰিছে পাৰ্কুপাইন। ডিব্ৰুগড় চহৰৰ মোহনাঘাট অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ ভয়ংকৰ খহনীয়াই নিদ্ৰা হৰণ কৰিছে ডিব্ৰুগড়বাসীৰ। ভয়ংকৰ খহনীয়াৰ ফলত ইতিমধ্যে ডিব্ৰুগড় প্ৰধান সুৰক্ষা বান্ধ পালেহি ব্ৰহ্মপুত্ৰৰ প্ৰধান সুঁতি। জলসম্পদ বিভাগে জিঅ'বেগ আৰু পকী-পাৰ্কুপাইনৰ জৰিয়তে খহনীয়া ৰোধ কৰিবলৈ চেষ্টা কৰিছিল যদিও সকলো যেন ফুটুকাৰ ফেনত পৰিণত হৈ খহনীয়াত সকলো উটি যায়। ক্ৰমান্বয়ে চহৰৰ ফাললৈ ধাবমান হোৱা ব্ৰহ্মপুত্ৰৰ এনে কালৰূপক লৈ এতিয়া স্বাভাৱিকতে আতংকিত ডিব্ৰুগড়বাসী।

# তামুলপুৰত পথ দুৰ্ঘটনাত হতাহত পাঁচ

*তিনি পৃষ্ঠাৰ পৰা* দুৰ্ঘটনাৰ ফলত চাহ দোকানখনৰ গৰাকী গীতা ডেকা (৫৫) ঠাইতে নিহত হয়। লগতে নিহত মহিলা গৰাকীৰ পুত্ৰ ৰূপম ডেকা, বোৱাৰীয়েক ধৰিত্ৰী ফুকন আৰু দোকানত থকা গ্ৰাহক ঋষি শৰণীয়া আৰু ফটিক আৰ্য গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ লগে লগে এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। দুৰ্ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে ঘটনাস্থলীত কে'বাশ লোক উপস্থিত হৈ ৰঙিয়া-ভূটান পথ অৱৰোধ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। আনহাতে, ঘটনাৰ খবৰ পাই তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, দৰংগাজুলীৰ এমচিএলএ বিজিত গৌড়া নাৰ্জাৰীৰ লগতে তামুলপুৰ জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, আৰক্ষী অধীক্ষক পংকজ যাদৱসহ আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। পাছত আৰক্ষী তথা একাংশ স্থানীয় লোকৰ সহযোগত ট্ৰেইলাৰখনৰ তলত আবদ্ধ হৈ থকা নিহত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে আহত কেইজনক উদ্ধাৰ কৰি কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰায়। আঘাত গুৰুতৰ হোৱাত আটাইকেইজনকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

# লখিমপুৰত চিকিৎসা বিষয়াৰ ১৬৯ টা

*তিনি পৃষ্ঠাৰ পৰা* নগৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ উদ্বোধন কৰা হয়। বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাই কেন্দ্ৰটো উদ্বোধন কৰে। এই উদ্দেশ্যে ডাঃ প্ৰফুল্ল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিধায়ক ড° অমিয় কুমাৰ ভূঞাই বিহপুৰীয়া সমষ্টিৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ ৰাইজক অৱগত কৰে। সভাত লখিমপুৰ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ গুণিন কুমাৰ গগৈয়ে লখিমপুৰ জিলাত পদ অনুপাতে চিকিৎসক নথকা বিষয়টো সদৰী কৰে। জিলাখনত ১৬৯ টা চিকিৎসা বিষয়া পদৰ ৫০ টা পদেই খালী বুলি উল্লেখ কৰে সঞ্চালকজনে। বিতুপন বৰুৱাই আঁতধৰা উদ্বোধনী সভাখনত মহকুমা স্বাস্থ্য বিষয়া ডাঃ মৰমী কলিতা, বঙালমৰা চিকিৎসালয়ৰ চিকিৎসক ডাঃ দ্বিপেন বৰা, জিলা আৰু খণ্ড আঁচনি বিষয়া ক্ৰমে দেবাংগ বিকাশ গগৈ আৰু জ্ঞানদ্বীপ শইকীয়া উপস্থিত থাকে।

# দুৰ্ঘটনাৰ পিছতহে ট্ৰাকৰ বিৰুদ্ধে তৎপৰ

*তিনি পৃষ্ঠাৰ পৰা* গুৰুতৰভাৱে আহত হোৱাৰ পিছতহে প্ৰশাসন তৎপৰ হৈ পৰে। আজি বিদ্যালয় আৰম্ভ আৰু ছুটীৰ সময়ত বালি সৰবৰাহ কৰা ডাম্পাৰৰ চলাচল বন্ধ কৰি দিয়াৰ লগতে ট্ৰাক আদিৰ চলাচলো বন্ধ কৰি দিয়া হয়; কিন্তু এই বিষয়ে আৰক্ষী অথবা সংশ্লিষ্ট বিভাগে কোনো আগতীয়া জাননী জাৰি নকৰাত একাংশ ট্ৰাক আৰু ডাম্পাৰ চালক এই নিষেধাজ্ঞাৰ সম্পৰ্কে জ্ঞাত নাছিল। যাৰ ফলত আজি ন' এণ্ট্ৰীৰ সময়তো অৰ্থাৎ বিদ্যালয় আৰম্ভ আৰু ছুটীৰ সময়ত একাধিক ট্ৰাক আৰু ডাম্পাৰ নগৰৰ মাজত সোমাই পৰে। মৰিয়নিৰ আৰক্ষীয়ে পুৱাৰ সময়তে তেনে তিনিখনতকৈও অধিক ট্ৰাক আৰু ডাম্পাৰ জব্দ কৰে।

# তিনিখন কাঠৰ দলং পৰিদৰ্শন কৰি

*তিনি পৃষ্ঠাৰ পৰা* যোৱা মদাতি নৈৰ ওপৰত থকা দুখন জৰাজীৰ্ণ কাঠৰ দলং প্ৰত্যক্ষ কৰাৰ লগতে যোৱা বাৰিষাত বাঢ়নী পানীয়ে উটুৱাই নিয়া কাঠৰ দলঙৰ ধ্বংসাৱশেষৰ বুজ লৈ দলংসমূহ অতি শীঘ্ৰেই নিৰ্মাণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰাৰ লগতে মদাতি নদীৰ জাবৰ-জোথৰ, চাফ-চিকুণ কৰিবলৈ ৬০ লাখ টকা আবন্টন দিয়ে। গোসাঁইগাঁও চহৰৰ মাছ, মাংস আৰু শাক-পাচলি বজাৰত জমা হৈ থকা পানী নিষ্কাসনৰ বাবে শীঘ্ৰেই পকী নলা বনোৱা হ'ব বুলি বিটিচিৰ প্ৰধান প্ৰমোদ বড়োৱে আশ্বাস প্ৰদান কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত প্ৰমোদ বড়োৱে কয়, 'বিটিচিৰ শিক্ষাখণ্ডৰ সমস্যা আৰু টেট উত্তীৰ্ণ শিক্ষক-শিক্ষয়িত্ৰীৰ পৰ্যায়ক্ৰমে নিযুক্তি দিয়া হ'ব।' উল্লেখ্য যে গোসাঁইগাঁও চহৰৰ বাসিন্দা তথা বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কোকৰাঝাৰ জিলাৰ সভাপতি জেঠমল মালুৰ পুত্ৰ তথা দশম শ্ৰেণীত অধ্যয়নৰত বিবেক মালুৱে গোসাঁইগাঁও সদৰ চহৰৰ এই পাঁচখন জৰাজীৰ্ণ কাঠৰ দলং পকীকৰণৰ বাবে দাবী জনাই যোৱা পাঁচ অক্টোবৰত অসমৰ কেবিনেট মন্ত্ৰী অশোক সিংহললৈ আবেদন জনোৱাৰ পাছত ১১ অক্টোবৰত গোসাঁইগাঁও ভ্ৰমণলৈ অহা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰতো অনুৰূপ দাবী জনাই বিবেকে এখন স্মাৰকপত্ৰ দিছিল। আজি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে গোসাঁইগাঁৱত উপস্থিত হৈ জৰাজীৰ্ণ কাঠৰ দলঙৰ পকীকৰণৰ ব্যৱস্থা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰাত বিবেক মালুৱে আনন্দত আত্মহাৰা হৈ ইয়াৰ বাবে মুখ্যমন্ত্ৰী, বিটিচিৰ প্ৰধান আৰু ৰাজ্যৰ নগৰ উন্নয়ন মন্ত্ৰীক কৃতজ্ঞতা জনায়।

# চৰকাৰী আঁচনিৰ পৰা বঞ্চিত প্ৰকৃত


*তিনি পৃষ্ঠাৰ পৰা* বানপানী শুকোৱাৰ পাছত দীপকৰ ঘৰলৈ লাট মণ্ডল, পঞ্চায়তৰ মুৰব্বী, লগতে বহু বিষয়া আহি চোৱা-চিতা কৰি গ'ল; কিন্তু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শমাই ঘোষণা কৰা ধৰণে গৃহহাৰা দীপকে এটা বাসগৃহ নাপালে। বানপানীত সাহায্যৰ পৰা বঞ্চিত হোৱা দীপকে এটা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ বাবেও স্থানীয় চাংচকী পঞ্চায়ত আৰু কঠিয়াতলি উন্নয়ন খণ্ডৰ কাষ চাপিছিল যদিও সেইফালৰ পৰাও বিশেষ সঁহাৰি নোপোৱাৰ অভিযোগ কৰিছে দীপক বৰাই। ইঘৰ-সিঘৰত কাম কৰি উপাৰ্জন কৰা দীপকে ৰুগীয়া মাকৰ ঔষধ যোগানকে ধৰি খোৱা-বোৱা যোগাৰ কৰি আহিছে; কিন্তু পৰিয়ালটোৰ নামত নাই অৰুণোদয়কে ধৰি আন চৰকাৰী আঁচনি। দীপকৰ বৃদ্ধ মাতৃৰ নামত নাই বৃদ্ধ পেন্সন। আজি দীপক বৰাৰ বাসগৃহত উপস্থিত হয় কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ৰাজু বৰা। বৰাই বানত গৃহহাৰা হোৱা দীপক বৰাৰ লগতে আন আনসকলক তৎকালে চৰকাৰক ব্যৱস্থা লোৱাৰ বাবে দাবী জনাইছে।

## ১০০ লকাৰত ৫০০ কোটি টকা থকাৰ দাবী বিজেপি সাংসদৰ



**নিউজ ব্যুৰ', জয়পুৰ, ১৩ অক্টোবৰ ঃ** বিজেপিৰ ৰাজ্যসভাৰ সাংসদ কিৰোড়ী লাল মীনাই আজি অভিযোগ কৰা অনুসৰি জয়পুৰৰ এটা ভৱনত ব্যক্তিগত ১০০ লকাৰত ৫০০ কোটি টকাৰ ক'লা ধন আৰু ৫০ কিলোগ্ৰাম সোণ জমা ৰখা হৈছে। সাংসদজনে এই অভিযোগ দাখিল কৰি আৰক্ষীক উক্ত লকাৰ শীঘ্ৰে খুলিবলৈ দাবী জনালে। অৱশ্যে এই লকাৰৰ গৰাকী কোন সেই তথ্য মীনাই সদৰী কৰা নাই। জয়পুৰত সংবাদ মাধ্যমৰ আগত দাবী কৰি বিজেপিৰ সাংসদজনে আজি এইদৰে কয়, 'প্ৰায় ১০০ টা লকাৰ আছে য'ত প্ৰায় ৫০০ কোটি টকা আৰু ৫০ কিলো সোণ আছে। মই তেতিয়ালৈকে প্ৰৱেশদ্বাৰত বহি থাকিম, যেতিয়ালৈকে আৰক্ষীয়ে আহি এই লকাৰ খুলি নিদিয়ে। লকাৰৰ গৰাকী কোন এই কথা মই পাছত সদৰী কৰিম।'

## ব্ৰিটেইনত কাৰাগাৰত নাই ঠাই, শাস্তি ঘোষণাত নিষেধাজ্ঞা




**নিউজ ব্যুৰ', লণ্ডন, ১৩ অক্টোবৰ ঃ** বন্দীৰে ভৰিছে ব্ৰিটেইনৰ সকলো কাৰাগাৰ। সেয়েহে দেশখনৰ ন্যায়াধীশসকলক সম্প্ৰতি গোচৰৰ ৰায়দান অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। আনকি দোষী সাব্যস্ত হোৱাৰ পাছতো আদালতে অপৰাধীৰ শাস্তি ঘোষণাৰ পৰা বিৰত আছে। ফলত ধৰ্ষণৰ দৰে গুৰুতৰ অপৰাধত জড়িত ব্যক্তিয়েও কাৰাগাৰৰ পৰিৱৰ্তে মুক্ত জীৱন যাপনৰ সুযোগ লাভ কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, কাৰাগাৰত বন্দীৰ বোজা হ্ৰাস কৰিবলৈ প্ৰশাসনে একাংশ কাৰাবন্দী মুক্তি দিয়াৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে। ইংলণ্ড আৰু ৱেলছৰ মুখ্য ন্যায়াধীশে জনোৱা অনুসৰি অহা সোমবাৰ পৰ্যন্ত জামিনত মুক্তি লাভ কৰা অপৰাধীৰ শাস্তিৰ ৰায়দান দিব নোৱাৰিব ব্ৰিটেইনৰ আদালতে। কিয়নো ব্ৰিটেইনৰ প্ৰায়বোৰ কাৰাগাৰত সম্প্ৰতি নতুন বন্দীৰ বাবে ঠাইৰ অভাৱ ঘটিছে। কাৰাগাৰৰ পৰা একাংশ বন্দীক মুক্তি দিয়াৰ পাছতহে নতুন বন্দীক কাৰাগাৰত ৰখা সম্ভৱ হ'ব বুলি মুখ্য ন্যায়াধীশে উক্ত নিৰ্দেশনাত উল্লেখ কৰিছে।




## ছেপ্টেম্বৰত দেশত ২.৬ শতাংশ হ্ৰাস ৰপ্তানি, আমদানিও কমিল

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** ভাৰতৰ আমদানি আৰু ৰপ্তানি উভয়ে যোৱা মাহত হ্ৰাস পালে। আজি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি ছেপ্টেম্বৰত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ ২.৬ শতাংশ হ্ৰাস পালে। ২০২২ৰ ছেপ্টেম্বৰত ভাৰতৰ মুঠ ৰপ্তানিৰ পৰিমাণ আছিল ৩৫.৩৯ বিলিয়ন ডলাৰ। ২০২৩ৰ ছেপ্টেম্বৰত ৰপ্তানি ২.৬ শতাংশ হ্ৰাসৰে ৩৪.৪৭ বিলিয়ন ডলাৰ হ'ল। ইফালে, ছেপ্টেম্বৰত আমদানিও ১৫ শতাংশ হ্ৰাসৰে ৫৩.৮৪ বিলিয়ন ডলাৰ হ'ল। ২০২২ৰ ছেপ্টেম্বৰত দেশৰ আমদানিৰ পৰিমাণ আছিল ৬৩.৩৭ বিলিয়ন ডলাৰ। কেন্দ্ৰীয় চৰকাৰৰ পৰিসংখ্যা অনুসৰি ছেপ্টেম্বৰত দেশৰ ২৪.১৬ বিলিয়ন ডলাৰৰ বাণিজ্যিক লোকচান হ'ল।

## ইজৰাইলৰ সমৰ্থনত থিয় দিলে হলিউডে



**নিউজ ব্যুৰ', হলিউড, ১৩ অক্টোবৰ ঃ** পেলেষ্টাইনী সংগঠন হামাছে ইজৰাইলত অতৰ্কিতে ভয়াৱহ আক্ৰমণ সংঘটিত কৰাত বিশ্বজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইতিমধ্যে বিশ্বৰ সৰহ সংখ্যক দেশে ইজৰাইলৰ সমৰ্থনত থিয় দিছে। হলিউডৰ চলচ্চিত্ৰ তাৰকাসকলেও হামাছৰ সন্ত্ৰাস আক্ৰমণক তীব্ৰ গৰিহণা দি ইজৰাইলৰ সমৰ্থনত থিয় দিলে। 'ৱণ্ডাৰ ৱমেন'খ্যাত গেল গেডট হৈছে ইজৰাইলী অভিনেত্ৰী-মডেল আৰু চলচ্চিত্ৰ নিৰ্মাতা। গেডটে হামাছক তীব্ৰ গৰিহণা দিলে। হলিউড অভিনেতা জেমি লি কৰ্টিছ, ক্ৰিচ পাইন, ময়িম বালিক, লিভ শ্ৰেইবৰ, মাইকেল ডগলাছ, জেৰি চিনফিল্ডে ইতিমধ্যে ইজৰাইলক সমৰ্থন কৰিলে। ক্ৰিয়েটিভ কমিউনিটি ফ'ৰ পীচ শীৰ্ষক হলিউডৰ চিত্ৰকৰ্মীৰ সংগঠনটোৱে এক মুক্ত পত্ৰত এইদৰে লিখিলে, 'হামাছে নিৰীহ পুৰুষ, মহিলা আৰু শিশুক হত্যা কৰাৰ লগতে অপহৰণ কৰিলে। এয়া সন্ত্ৰাসবাদ। এয়া অপকৰ্ম। হামাছৰ এনে কাম কোনো কাৰণতে যুক্তিসংগত নহয়। এয়া সন্ত্ৰাসবাদৰ বৰ্বৰ কৰ্ম আৰু আমি সকলোৱে ইয়াৰ তীব্ৰ বিৰোধিতা কৰা উচিত।

## আমেৰিকাত বছৰি সংঘটিত ৫০ লাখ পথ দুৰ্ঘটনা



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৩ অক্টোবৰ ঃ** বিকশিত দেশ আমেৰিকাত বছৰি গড়ে ৫০ লাখৰো অধিক পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। বিশেষকৈ অতি দ্ৰুত গতিত বাহন চালনা আৰু সুৰাপান কৰি বাহন চলোৱাৰ ফলত আমেৰিকাত বছৰি ৫০ লাখৰো অধিক পথ দুৰ্ঘটনা সংঘটিত হৈছে। এক সমীক্ষাত অংশ লোৱা ৬২ শতাংশ ট্ৰাক ড্ৰাইভাৰে কয় যে তেওঁলোকে কেতিয়াবা পথ দুৰ্ঘটনা সংঘটিত কৰি আহিছে। অকলেণ্ড, ছেন ফ্ৰান্সিছকো, ডেট্ৰইট, ৱাশ্বিংটন ডিচি আৰু লছ এঞ্জেলছত সৰ্বাধিক পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে।

### হামাছৰ শীৰ্ষ নেতাকো নিৰাপত্তা প্ৰদান কৰিছে বিশেষভাবে প্ৰশিক্ষিত 'নুকবা' বাহিনীৰ কমাণ্ডোৱে

# হামাছৰ ভয়াৱহ আক্ৰমণৰ নেপথ্যত আছিল 'নুকবা' বাহিনী

**নিউজ ব্যুৰ' গাজা, ১৩ অক্টোবৰ ঃ** যোৱা শনিবাৰে পুৱতি নিশাতে ইজৰাইলত পেলেষ্টাইনৰ সন্ত্ৰাসবাদী সংগঠন হামাছে যি ভয়াৱহ আক্ৰমণ সংঘটিত কৰিছিল, ইয়াৰ আঁৰত আছিল হামাছৰ প্ৰশিক্ষিত বিশেষ সশস্ত্ৰ বাহিনী 'নুকবা'। সূত্ৰৰ খবৰ অনুসৰি, দীৰ্ঘদিন ধৰি হামাছে ইজৰাইলত এনে এক বৰ্বৰ আক্ৰমণ চলাবলৈ পৰিকল্পনা প্ৰস্তুত কৰিছিল। এই উদ্দেশ্যৰে হামাছে সাজু কৰি তুলিছিল 'নুকবা' গোটৰ সদস্যসকলক। 'নুকবা'ত ভৰসা ৰাখিয়ে ইজৰাইলত উক্ত আক্ৰমণ হামাছে সংঘটিত কৰিছিল। বিশ্বৰ অন্যতম এক শ্ৰেষ্ঠ সেনা বাহিনী হিচাপে পৰিচিত ইজৰাইল ডিফেন্স ফ'ৰ্চক অংগুষ্ঠ প্ৰদৰ্শন কৰি হামাছে 'নুকবা'ৰ জৰিয়তে গাজাত অভূতপূৰ্ব সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি শীৰ্ষস্থানীয় হামাছ নেতাই নিজে 'নুকবা' গোটৰ বাবে সদস্যক নিৰ্বাচন কৰি আহিছে। 'নুকবা' বাহিনীৰ সদস্যসকল যিদৰে টেংক-বিধ্বংসী ক্ষেপণাস্ত্ৰ পৰিচালনাত পাৰ্গত, একে সময়তে এই যোদ্ধাসকল ৰকেট আৰু স্নাইপাৰ ৰাইফল ব্যৱহাৰতো সিদ্ধহস্ত। বৰ্তমানে এই 'নুকবা' বাহিনীৰ কমাণ্ডোৱে হামাছৰ শীৰ্ষ নেতাকো নিৰাপত্তা প্ৰদান কৰিছে বুলি ইজৰাইলৰ সেনা বাহিনীৰ সূত্ৰত প্ৰকাশ। আইডিএফৰ তথ্য অনুসৰি, ২০০৭ বৰ্ষত গাজা দখল কৰাৰ পাছৰে পৰা সেই অঞ্চলত হামাছে এটা প্ৰান্তৰ পৰা আনটো প্ৰান্তলৈ সুৰংগ নিৰ্মাণ আৰম্ভ কৰিছিল আৰু ইজৰাইলত আক্ৰমণ সংঘটিত কৰাৰ সময়ত এই সুৰংগটো ব্যৱহাৰ কৰিছিল। বিশেষতঃ 'নুকবা' বাহিনীয়ে এই সুৰংগৰ জৰিয়তে ইজৰাইলৰ ভূখণ্ডত অনুপ্ৰৱেশ কৰি শনিবাৰে ত্ৰাসৰ সৃষ্টি কৰিছিল। বিগত প্ৰায় এসপ্তাহ ধৰি অব্যাহত থকা হামাছ-ইজৰাইলৰ সংঘৰ্ষৰ ফলত বৰ্তমানলৈকে প্ৰায় চাৰি লাখ ২৩ হেজাৰ বাসিন্দাই গাজা ত্যাগ কৰিবলৈ বাধ্য হ'ল। একেদৰে নিহতৰ সংখ্যাও ডেৰ হেজাৰতকৈ অধিক হৈছে।






## লোকসভা নিৰ্বাচনৰ পূৰ্বে বিহাৰত জেডিইউৰ নেতাৰ দলত্যাগ

**নিউজ ব্যুৰ' পাটনা, ১৩ অক্টোবৰ ঃ** জেডিইউৰ জ্যেষ্ঠ নেতা ললন পাছৱানে দলত্যাগৰ কথা ঘোষণা কৰিলে। পাছৱানে লালু প্ৰসাদ যাদৱৰ আৰজেডিৰ স'তে জেডিইউৰ মৰ্চা গঠনৰ তীব্ৰ বিৰোধিতা কৰি যোৱা নিশা দলত্যাগৰ সিদ্ধান্ত ল'লে। পদত্যাগপত্ৰত পাছৱানে উল্লেখ কৰা অনুসৰি তেওঁ জেডিইউৰ প্ৰাদেশিক উপ-সভাপতিৰ পদৰ লগতে সদস্য পদো ত্যাগ কৰিলে। পাছৱানৰ ইস্তফাৰ সন্দৰ্ভত অৱশ্যে জেডিইউৱে আনুষ্ঠানিকভাৱে কোনো বিবৃতি প্ৰকাশ কৰা নাই।

## আপৰ সাংসদ সঞ্জয়ৰ ন্যায়িক জিম্মা ২৭ অক্টোবৰলৈ বৃদ্ধি



**নিউজ ব্যুৰ' নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** দিল্লীৰ সুৰা কেলেংকাৰিৰ গোচৰত আম আদমী পাৰ্টি (আপ)ৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙৰ ন্যায়িক জিম্মাৰ ম্যাদ পুনৰ ১৪ দিন বৃদ্ধি কৰিলে দিল্লীৰ ৰাউজ এভিনিউ আদালতে। আদালতৰ নিৰ্দেশৰ পাছত অহা ২৭ অক্টোবৰলৈকে ন্যায়িক জিম্মাত থাকিব লাগিব আপৰ সাংসদজনে। উল্লেখ্য যে প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)-এ দিল্লীৰ সুৰা নীতিৰ গোচৰত অবৈধ বিত্তীয় লেনদেনৰ অভিযোগত সিঙক যোৱা চাৰি অক্টোবৰত গ্ৰেপ্তাৰ কৰিছিল।

## সন্ত্ৰাসবাদীৰ স্থান নাই ঃ এক্সৰ পৰা হামাছৰ একাউণ্ট আঁতৰালে মাস্কে



**নিউজ ব্যুৰ', কেলিফৰ্ণিয়া, ১৩ অক্টোবৰ ঃ** ইজৰাইলত যোৱা শনিবাৰে পেলেষ্টাইনৰ সন্ত্ৰাসবাদী সংগঠন হামাছে আক্ৰমণ সংঘটিত কৰাৰ পাছত সামাজিক মাধ্যম এক্স (টুইটাৰ)-এ হামাছৰ স'তে জড়িত একাধিক একাউণ্ট মাইক্ৰ'ব্লগিং ছাইটটোৰ পৰা আঁতৰালে। এলন মাস্ক মালিকনাধীন সংস্থাটোৱে হামাছ সমৰ্থকৰ একাউণ্ট এক্সৰ পৰা আঁতৰ কৰাৰ কথা সদৰী কৰি কয় যে সন্ত্ৰাসবাদী সংগঠনৰ বাবে এক্সত কোনো স্থান নাই। এক্সৰ মুখ্য কাৰ্যবাহী বিষয়া লিণ্ডা য়াকাৰিন'য়ে এই সন্দৰ্ভত মন্তব্য কৰি ক'লে, 'সন্ত্ৰাসবাদী সংগঠন অথবা চৰমপন্থী গোটৰ বাবে এক্সত কোনো স্থান নাই। আমি এনে ধৰণৰ ব্যক্তি-সংগঠনৰ একাউণ্ট বন্ধ কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিম।'

## ইজৰাইলৰ পৰিস্থিতিৰ সন্দৰ্ভত বাইডেনক সকীয়াই ৰামাস্বামীয়ে ক'লে, 'এই দশা আমেৰিকাৰো হ'ব পাৰে'




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৩ অক্টোবৰ ঃ** সন্ত্ৰাসবাদী সংগঠন হামাছৰ আকস্মিক আক্ৰমণৰ পাছত পেলেষ্টাইনৰ বিৰুদ্ধে আগ্ৰাসী হৈ উঠিছে ইজৰাইল। হামাছক উৎখাত কৰিবলৈ ইজৰাইলে হুংকাৰ দিছে আৰু গাজা ষ্ট্ৰীপত ধাৰাসাৰ বোমাবৰ্ষণ অব্যাহত ৰাখিছে। এনে সময়তে আমেৰিকাই ইজৰাইললৈ সমৰ্থন আগবঢ়ালে। কিন্তু আমেৰিকাৰ ২০২৪ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পদপ্ৰাৰ্থী তথা ৰিপাব্লিকান নেতা ভাৰতীয় মূলৰ বিবেক ৰামাস্বামীয়ে ইজৰাইলৰ সন্দৰ্ভত আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনক বৃহৎ সকীয়নি দিলে। ৰামাস্বামীয়ে বাইডেনক সকীয়াই দি কয় যে যদি ইজৰাইলত এনে পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে তেন্তে আমেৰিকাতো এদিন একে পৰিস্থিতি হ'ব পাৰে। ৰামাস্বামীয়ে কয় যে বিগত দুবছৰত ইছলামিক চৰমপন্থীৰ স'তে সম্পৰ্ক ৰক্ষা কৰা দেশৰ ৭০ হেজাৰৰো অধিক লোকে আমেৰিকাৰ সীমান্ত পাৰ হ'বলৈ আহি ধৰা পৰিছে। আমেৰিকাৰ সীমান্ত এইদৰে প্ৰব্ৰজনকাৰীৰ বাবে মুক্ত ৰখাৰ বাবে বিষম পৰিণতি এদিন দেশখনে ইজৰাইলৰ দৰে ভুগিব লাগিব পাৰে বুলি বাইডেনক সকীয়াই দিলে ৰিপাব্লিকান নেতাজনে।

## ৩৫ একৰ ভূমি ঃ ইহুদি, মুছলমান, খ্ৰীষ্টধৰ্মীৰ বাবে কিয় গুৰুত্বপূৰ্ণ অল অক্সা ?

**নিউজ ব্যুৰ', গাজা, ১৩ অক্টোবৰ ঃ** ইজৰাইল আৰু হামাছৰ শেহতীয়া সংঘাতৰ অন্যতম এক কাৰণ হৈছে ধৰ্মীয় স্থান অল অক্সা চৌহদ। যোৱা সাত অক্টোবৰত যেতিয়া হামাছে ইজৰাইলত ভয়ংকৰ আক্ৰমণ সংঘটিত কৰিছিল, সেই সময়ত বহুতে এই অঘটনৰ বাবে ইহুদী আৰু আৰববাসীৰ মাজত দীৰ্ঘদিন ধৰি অব্যাহত থকা সংঘাতকে দোষাৰোপ কৰিছিল। ইয়াৰে অন্যতম কাৰণটো হৈছে অল অক্সাৰ স'তে জড়িত পুৰণি বিবাদ। কিন্তু অল অক্সা কিয় পেলেষ্টাইনী আৰু ইজৰাইলৰ বাবে সমানে গুৰুত্বপূৰ্ণ? অল অক্সা পূব জেৰুজালেমত অৱস্থিত। এই অঞ্চলটো ইজৰাইলৰ অধীনস্থ। দৰাচলতে অল অক্সা হৈছে এনে এক ধৰ্মীয় স্থান, যি স্থান খ্ৰীষ্টধৰ্মী, ইহুদী আৰু মুছলমানৰ বাবে সমানে গুৰুত্বপূৰ্ণ। ৩৫ একৰ ভূমিত স্থিত অল অক্সাত খ্ৰীষ্টান, ইহুদী আৰু মুছলমানৰ স'তে জড়িত পবিত্ৰ গৃহ আছে। অল অক্সাত মূলতঃ ছটাকৈ পবিত্ৰ ধৰ্মীয় স্থান আছে। অল অক্সা মছজিদ, ড'ম অব দ্য ৰ'ক আৰু ড'ম অব দ্য চেন হৈছে এই স্থানত থকা মুছলমানৰ পবিত্ৰ স্থান। একেদৰে উক্ত অঞ্চলত থকা ৱেষ্টাৰ্ন ৱাল, টেম্পল মাউণ্ট আৰু হলি অব দ্য হলিজ হৈছে ইহুদীসকলৰ পবিত্ৰ স্থান। আনহাতে, খ্ৰীষ্টধৰ্মীসকলে বিশ্বাস কৰা অনুসৰি অল অক্সা চৌহদ যি জেৰুজালেমত স্থিত, উক্ত অঞ্চলত এসময়ত যীশুখ্ৰীষ্টই অনুগামীসকলক নানা ধৰণৰ উপদেশ বাণী দিছিল। এই চহৰতে যীশুক ক্ৰুছবিদ্ধ কৰা হৈছিল আৰু যীশুৰ পুনৰ জনম ইয়াতে হোৱা বুলি খ্ৰীষ্টধৰ্মীসকলে বিশ্বাস কৰা হেতুকে অল অক্সাক পবিত্ৰ গণ্য কৰে। মুছলমানসকলে অল অক্সাক অল-হৰম অল-শ্বৰীফ বা ন'বেল চেন্সুৰি নামেৰে সম্বোধন কৰে। ইহুদীসকলে এই স্থানক টেম্পল মাউণ্ট বুলি কয়। ইহুদী, খ্ৰীষ্টধৰ্মী আৰু মুছলমানসকলৰ বাবে অল অক্সা সমানে পবিত্ৰ ভূমি হিচাপে পৰিচিত হোৱা হেতুকে এই ভূখণ্ডৰ অধিকাৰক লৈ এই তিনি ধৰ্মীয় সম্প্ৰদায়ৰ লোকৰ মাজত এক সংঘাত দীৰ্ঘদিন ধৰি অব্যাহত আছে।





## ইজৰাইলৰ সমৰ্থনত যুদ্ধত অংশ মডেল, অভিনেতা, ৰাজনেতাৰ

**নিউজ ব্যুৰ', তেল আভিভ, ১৩ অক্টোবৰ ঃ** হামাছে যোৱা সাত অক্টোবৰত ইজৰাইলত আক্ৰমণ সংঘটিত কৰাৰ পাছত ইজৰাইলৰ সেনা বাহিনীয়ে সন্ত্ৰাসবাদী সংগঠনটোৰ বিৰুদ্ধে আগ্ৰাসী অভিযান আৰম্ভ কৰিছে। ইজৰাইলৰ হৈ এই যুদ্ধত অংশ ল'বলৈ ইতিমধ্যে দেশখনৰ কে'বাজনো ৰাজনেতা, মডেল আৰু অভিনেতাই আগবাঢ়ি আহিছে। সেনাৰ পোছাক পৰিধান কৰি ইতিমধ্যে প্ৰাক্তন প্ৰধানমন্ত্ৰী নফতালি বেনেটে হামাছৰ বিৰুদ্ধে অস্ত্ৰ তুলি ল'লে। ইজৰাইলৰ জনপ্ৰিয় মডেল নতালিয়া ফাদেবে দেশৰ সেনা বাহিনীত যোগদান কৰি প্ৰশিক্ষণ গ্ৰহণ আৰম্ভ কৰিছে। অভিনেতা ইদান অমেদিয়ে হামাছৰ বিৰোধী যুদ্ধত ইজৰাইলৰ সেনা বাহিনীত যোগদান কৰিলে। একেদৰে ইজৰাইলী অভিনেতা লিয়'ৰ ৰেজেও সেনা বাহিনীত যোগদান কৰি প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

## ২০২৩ বৰ্ষত তাপমাত্ৰাৰ সকলো অভিলেখ ভংগ ঃ দাবী ৰাষ্ট্ৰসংঘৰ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১৩ অক্টোবৰ ঃ** ২০২৩ বৰ্ষত বিশ্বত তাপমাত্ৰাৰ সকলো অভিলেখ ভংগ হ'ল। এইদৰে দাবী কৰিলে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে। ৰাষ্ট্ৰসংঘৰ মুৰব্বীয়ে জনোৱা অনুসৰি চলিত বৰ্ষত বিশ্বত অভিলেখ পৰিমাণত খৰাংৰস্থা, অগ্নিকাণ্ড আৰু বন্যাৰ ঘটনা সংঘটিত হ'ল। এই দুৰ্যোগৰ কাৰণত সৃষ্ট পৰিস্থিতি অধিক জটিল হৈছে মূলতঃ দাৰিদ্ৰ আৰু অসমতাৰ কাৰণত। আজি আন্তৰ্জাতিক দুৰ্যোগ দিৱস উপলক্ষে এক বাৰ্তাত গুটেৰেছে এই তথ্য সদৰী কৰি স্থিতিশীল ভৱিষ্যতৰ বাবে অসমতাৰ বিৰুদ্ধে সংগ্ৰামৰ আহ্বান জনালে।

## লোকসভাৰ নিৰ্বাচনত বাৰানসীত ইণ্ডিয়াৰ প্ৰাৰ্থী হ'ব কোন ?



**নিউজ ব্যুৰ', বাৰানসী, ১৩ অক্টোবৰ ঃ** ২০২৪ৰ লোকসভাৰ নিৰ্বাচনক লৈ দেশৰ বিৰোধী মৰ্চা ইণ্ডিয়াই প্ৰস্তুতি ব্যাপক কৰি তুলিছে। উত্তৰ প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী অজয় ৰায়ে আজি কয় যে ৰাজ্যখনৰ ৮০ লোকসভাৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতাৰ বাবে কংগ্ৰেছ সম্পূৰ্ণৰূপে সাজু। ৰায়ে কয় যে কোন সমষ্টিত কোন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব সেই সিদ্ধান্ত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতৃত্বই গ্ৰহণ কৰিব। তদুপৰি লোকসভাত প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰত কোন ৰাজ্যত কোন ৰাজনৈতিক দলৰ স'তে কংগ্ৰেছে মৰ্চা গঠন কৰিব নে নকৰে সেই সিদ্ধান্তও দলৰ শীৰ্ষ নেতৃত্বই গ্ৰহণ কৰিব বুলি ৰায়ে জানিবলৈ দিয়ে। উত্তৰ প্ৰদেশৰ ৰাই বৰেলীত ছোনিয়া গান্ধীয়ে পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিব নেকি বুলি উত্থাপিত প্ৰশ্নৰ উত্তৰ দি কংগ্ৰেছ নেতাজনে কয় যে ৰাই বৰেলীত বৰ্তমানে ছোনিয়া সাংসদ হৈ আছে আৰু তেৰেঁ নিশ্চিতভাৱে ২০২৪ত ইয়াৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰিয়ংকা গান্ধী ভদ্ৰাই ফুলপুৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ সন্দৰ্ভত দলৰ একাংশ নেতা-কৰ্মীৰ দাবীৰ প্ৰসংগত ৰায়ে কয় যে এয়া কংগ্ৰেছ নেতৃত্বই চূড়ান্ত কৰিব। আনহাতে, বাৰানসীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে ইণ্ডিয়া মৰ্চাৰ প্ৰাৰ্থী কোন হ'ব বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত ৰায়ে কয় যে তেওঁ নিজে এই সমষ্টিৰ পৰা আসন্ন নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখ্য যে বাৰানসীত পূৰ্বে দুবাৰকৈ ৰায়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও তেওঁৰ তৃতীয় স্থানহে লাভ কৰিছিল। ২০০৪ত অন্তিমবাৰ কংগ্ৰেছে বাৰানসীত জয়লাভ কৰিছিল।

## ৰাজস্থানত বসুন্ধৰাক গুৰুত্বহীন কৰিবলৈ দিয়াক প্ৰক্ষেপ বিজেপিৰ

**নিউজ ব্যুৰ', জয়পুৰ, ১৩ অক্টোবৰ ঃ** ৰাজস্থান বিধানসভাৰ নিৰ্বাচনৰ দিন কাষ চাপি অহাৰ লগে লগে ৰাজ্যখনৰ ৰাজনীতি উত্তপ্ত হৈ উঠিছে। ৰাজস্থানৰ ৰাজনীতিত ইমানদিনে মহাৰাণী হিচাপে পৰিচিত হৈ অহা বসুন্ধৰা ৰাজে সিন্ধিয়াক এইবাৰৰ নিৰ্বাচনত বিজেপিয়ে একাষৰীয়া কৰাৰ এক অভিযোগ উত্থাপন হৈছে। গোৱালিয়ৰৰ ৰাজকুমাৰী আৰু ঢোলপুৰৰ মহাৰাণী বসুন্ধৰাক বিজেপিয়ে এইবাৰৰ নিৰ্বাচনত গুৰুত্বহীন কৰাৰ বিপৰীতে জয়পুৰ ৰাজবংশৰ মহাৰাণী তথা বিজেপিৰ নেত্ৰী দিয়া কুমাৰীক প্ৰাধান্য দিয়াটো প্ৰত্যক্ষ হৈছে। বিজেপিৰ সাংসদ হোৱাৰ পাছতো আসন্ন নিৰ্বাচনৰ বাবে দলে দিয়াক জয়পুৰৰ অন্যতম গুৰুত্বপূৰ্ণ সমষ্টি বিদ্যাধৰনগৰ বিধানসভাত প্ৰতিদ্বন্দ্বিতাৰ বাবে টিকট প্ৰদান কৰিলে। বিগত পাঁচ বিধানসভা নিৰ্বাচনত বিদ্যাধৰনগৰ সমষ্টিৰ পৰা বিজয়ী হৈ আহিছিল নাৰপাট সিং ৰাজভীয়ে। কিন্তু এইবাৰ ৰাজভীক টিকট বঞ্চিত কৰি বিজেপিয়ে দিয়াক উক্ত সমষ্টিত প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে। উত্থাপিত অভিযোগ অনুসৰি ৰাজভী বসুন্ধৰা শিবিৰৰ সমৰ্থক হোৱা হেতুকে দলে তেওঁক টিকট বঞ্চিত কৰিলে। বিজেপিয়ে বৰ্তমানলৈকে ঘোষণা কৰা প্ৰাৰ্থীৰ তালিকাত এইবাৰ বসুন্ধৰা শিবিৰৰ নেতাসকলক টিকটৰ পৰা বঞ্চিত কৰাৰো অভিযোগ উঠিছে। বৰ্তমানলৈকে বিজেপিয়ে ৪১ সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। দিয়াক বিজেপিয়ে বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ পাছত বসুন্ধৰাৰ বিকল্প হিচাপে ৰাজপৰিয়ালৰ এইগৰাকী মহিলা সদস্যক বিজেপিয়ে প্ৰক্ষেপ কৰা বুলি ধাৰণা কৰা হৈছে।



## তেলেংগানা কংগ্ৰেছত অঘটন, প্ৰাক্তন সভাপতিৰ দলত্যাগ



**নিউজ ব্যুৰ', হায়দৰাবাদ, ১৩ অক্টোবৰ ঃ** তেলেংগানা বিধানসভা নিৰ্বাচনৰ কেইসপ্তাহমান পূৰ্বে আজি কংগ্ৰেছত এক অঘটন সংঘটিত হ'ল। ৰাজ্যখনৰ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি প'ন্নালা লক্ষমেইয়াই দলত্যাগ কৰিলে। কংগ্ৰেছ দলত অন্যায়-অনিয়ম বৃদ্ধি পাইছে বুলি অভিযোগ কৰি লক্ষমেইয়াই আজি দলত্যাগৰ কথা ঘোষণা কৰে। বিধানসভা নিৰ্বাচনৰ পূৰ্বে তেলেংগানাৰ পিছপৰা সম্প্ৰদায়ৰ এজন প্ৰভাৱশালী নেতা হিচাপে পৰিচিত লক্ষমেইয়াৰ দলত্যাগ কংগ্ৰেছৰ বাবে এক মোক্ষম আঘাত বিবেচনা কৰা হৈছে। চাৰিবাৰকৈ পূৰ্বে বিধায়ক নিৰ্বাচিত হোৱা লক্ষমেইয়াই অবিভক্ত অন্ধ্ৰ প্ৰদেশতো ১২ বছৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কংগ্ৰেছ ত্যাগৰ পাছত লক্ষমেইয়াই বিআৰএছত যোগদান কৰিব বুলি ধাৰণা কৰা হৈছে।

## লোকসভাৰ নিৰ্বাচনত উত্তৰাখণ্ডত বিজেপিয়ে টিকট কৰ্তন কৰিব পাৰে এইসকল সাংসদৰ



**নিউজ ব্যুৰ', ডেৰাডুন, ১৩ অক্টোবৰ ঃ** ২০২৪ত দেশত অনুষ্ঠিত হ'ব লগা লোকসভাৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰস্তুতি ব্যাপক কৰি তুলিছে। উত্তৰাখণ্ডত ইতিমধ্যে অধিক সংখ্যক লোকসভাৰ আসন দখল কৰাৰ লক্ষ্যৰে বিজেপিয়ে বিশেষ ৰণকৌশল প্ৰস্তুত কৰিছে। বিজেপিৰ সূত্ৰই দাবী কৰা অনুসৰি, লোকসভাৰ আসন্ন নিৰ্বাচনত উত্তৰাখণ্ডত বিজেপিয়ে কে'বাজনো জ্যেষ্ঠ নেতাক টিকট বঞ্চিত কৰিব পাৰে। বৰ্তমানৰ কে'বাজনো সাংসদে আসন্ন নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সুযোগ লাভ নকৰিব পাৰে বুলি জানিবলৈ দি সূত্ৰটোৱে কয় যে টিহৰি সমষ্টিৰ সাংসদ মহাৰাণী ৰাজ্য লক্ষ্মী শ্বাহে বয়সজনিত কাৰণত এইবাৰ টিকট বঞ্চিত কৰিব পাৰে। হৰিদ্বাৰৰ সাংসদ ৰমেশ পোখৰিয়াল নিশংকও টিকট বঞ্চিত হ'ব পাৰে। নৈনিতালৰ সাংসদ অজয় ভট্টৰ টিকট লাভৰ ক্ষেত্ৰতো অনিশ্চয়তাই দেখা দিছে। সাংসদ তীৰথ সিং ৰাৱটৰো টিকট দলে কৰ্তন কৰিব পাৰে। সংৰক্ষিত সমষ্টি অলমুৰাৰ সাংসদ অজয় তমতাৰ টিকট কৰ্তন হোৱাটো নিশ্চিত বুলি দলৰ সূত্ৰই দাবী কৰিছে। তমতাৰ স্থানত বিজেপিয়ে এইবাৰ উক্ত সমষ্টিত ৰেখা আৰ্যক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিব পাৰে।

## চত্তিছগড়ত আপৰ তৃতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা



**নিউজ ব্যুৰ', ৰাইপুৰ, ১৩ অক্টোবৰ ঃ** চত্তিছগড় বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি (আপ)য়ে তৃতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিলে। যোৱা নিশা ১১ বজাত কেজৰিৱাল নেতৃত্বাধীন দলটোৱে ঘোষণা কৰা প্ৰাৰ্থীৰ তালিকাত ১১ জন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। তৃতীয়খন প্ৰাৰ্থীৰ তালিকাত আপে অনুসূচিত জনজাতিৰ এজন আৰু অনুসূচিত জাতিৰ এজন প্ৰাৰ্থীক দলৰ টিকট প্ৰদান কৰিলে। ২০১৮ৰ চত্তিছগড় বিধানসভাৰ নিৰ্বাচনত আপে প্ৰথমবাৰ ৰাজ্যখনৰ ৯০ সমষ্টিৰ ৮৫ টাত প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল। অৱশ্যে উক্ত নিৰ্বাচনত কেজৰিৱালৰ দলটোৱে এটাও সমষ্টিত জয়লাভ কৰা নাছিল। এইবাৰ ৰাজ্যখনত ৯০ সমষ্টিত আপে প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত লৈছে আৰু ইতিমধ্যে দলটোৱে ৩৩ সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। উল্লেখ্য যে অহা সাত আৰু ১৭ নৱেম্বৰত দুটা পৰ্যায়ত চত্তিছগড়ত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

# মটক স্বায়ত্তশাসিত পৰিষদৰ ভুৱা ৱৰ্ক অৰ্ডাৰ

## ■ কোটি কোটি টকাৰ ভুৱা ৱৰ্কৰ্ডাৰ ■ মুখ্য কাৰ্যবাহী ডেভিদ চেতিয়াৰ কঠোৰ সকীয়নি

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** মটক স্বায়ত্তশাসিত পৰিষদৰ নামত ভুৱা ৱৰ্ক অৰ্ডাৰ আৱন্টন। ভুৱা ৱৰ্ক অৰ্ডাৰৰ বমবমীয়া ব্যৱসায় চলাই আছে। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়া সংবাদমেল। পৰিষদৰ মুখ্য কাৰ্যালয়ত সংবাদমেলত অনুষ্ঠিত কৰি পৰিষদৰ নামত ভুৱা ৱৰ্ক অৰ্ডাৰ আৱন্টন দি পৰিষদটোৰ বিৰুদ্ধে দুৰ্নাম-অপপ্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপন কৰিছে। মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়াই স্পষ্ট কৰি দিছে যে পৰিষদে ২০২১-২২ আৰু ২০২২-২৩ বিত্তীয় বৰ্ষত কোনোধৰণৰ ৱৰ্কৰ অৰ্ডাৰ আৱন্টন দিয়া হোৱা নাই । এই দুটা বিত্তীয় বৰ্ষত এক কোটিকৈ ৰাজ্য চৰকাৰে পৰিষদক আৱন্টন দিছিল। ইতিমধ্যে ৯৮ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। তেনেস্থলত পৰিষদে কি ভিত্তিত কামৰ নিবিদাৰ বাবে আহ্বান জনাব। দৰাচলতে ৱৰ্ক অৰ্ডাৰ আৱন্টন দিয়ে পৰিষদৰ প্ৰধান সচিবহে। ৫০ লাখ টকাৰ অধিক কামৰ ওপৰতহে পৰিষদে নিবিদা দিয়াৰ নিয়ম আছে। কোটি কোটি টকা যদি খৰচ কৰি কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে তেনেহ'লে পোনপটীয়াকৈ পৰিষদৰ বিষয়াববীয়াসকলক যোগাযোগ কৰিবলৈ আহ্বান জনাইছে মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়াই। লগতে ভুৱা ৱৰ্ক অৰ্ডাৰ আৱন্টন দিয়া চক্ৰটোৰ পাকচক্ৰত নপৰিবলৈ ঠিকাদাৰসকলৰ প্ৰতি আহ্বান জনাইছে। তেওঁ লগতে জানিবলৈ দিয়া মতে, মটক জনগোষ্ঠীৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ১২৫ কোটি টকা এককালীন সাহায্য আগবঢ়াইছে। ইয়াৰ ভিতৰত ইতিমধ্যে পুঁজি প্ৰদান কৰিছে চৰকাৰে। মটক জনগোষ্ঠীৰ বিভিন্ন জনগোষ্ঠীৰ সংগঠনৰ সহযোগত এই পুঁজিৰ প্ৰকল্পসমূহ ৰূপায়ণ কৰা থকা হৈছে। প্ৰথম পৰ্যায়ত লাভ কৰা ২৫ কোটি টকাৰ ভিতৰত ১৫ কোটি টকা মটক জনগোষ্ঠীৰ নিকনুৱা আৰু আৰ্থিকভাৱে দুৰ্বল ব্যক্তিসকলক এককালীন সাহায্য প্ৰদান কৰা হৈছে। এইদৰে ১০ কোটি টকাৰে এটা বৃহৎ প্ৰকল্প নিৰ্মাণৰ কামো চলি আছে। দ্বিতীয় পৰ্যায়ত লাভ কৰা আন ২৫ কোটি টকাৰে অসম লোকসেৱা আয়োগ, কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দৰে প্ৰতিযোগিতাৰ অন্তৰ্গত হ'ব পৰাকৈ মটক জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ১০ বছৰলৈকে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যজনে জানিবলৈ দিছে। আনহাতে, তৃতীয় পৰ্যায়ৰ পুঁজিৰ বাবে ইতিমধ্যে বিত্তীয় প্ৰস্তাৱ প্ৰেৰণৰ বাবে প্ৰস্তুতি চলাই থকা বুলি জানিবলৈ দিছে। এই সংবাদমেলত পৰিষদৰ কাৰ্যবাহী সদস্য যতীন দিহিঙীয়া, সাধাৰণ সদস্য দীপজ্যোতি শইকীয়া উপস্থিত থাকে।

# ভিত্তিবৰ্ষ '৫১ নে '৭১? দিল্লী-দিছপুৰৰ মৌনতা

*এক পৃষ্ঠাৰ পৰা* দাখিলৰ পৰা বিৰত আছে। অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ নে ১৯৫১ হোৱা উচিত সেই সন্দৰ্ভত দিল্লী আৰু দিছপুৰৰ চৰকাৰে ন্যায়ালয়ে নিৰ্ধাৰণ কৰি দিয়া ১০ অক্টোবৰৰ ভিতৰত শপতনামা দাখিল নকৰাৰ বাবে এই গোচৰটোৰ শুনানি পুনৰ পিছুৱাই দিবলগীয়া হৈছে উচ্চতম ন্যায়ালয়ে। উল্লেখ্য যে ন্যায়িক প্ৰক্ৰিয়াৰ সুৰক্ষা সম্পৰ্কীয় চাৰিটাকৈ গোচৰৰ শুনানি অহা ১৭ অক্টোবৰত অনুষ্ঠিত কৰা হ'ব বুলি উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠে সিদ্ধান্ত লৈছিল যদিও শেষ মুহূৰ্তত মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে ১৭ অক্টোবৰৰ পৰিবৰ্তে অহা সাত নৱেম্বৰত পৰাহে এই গোচৰৰ শুনানি আৰম্ভ কৰা হ'ব বুলি জনায়। আজি গুৱাহাটীত এই গোচৰৰ গুচৰীয়া অসম সন্মিলিত মহাসংঘৰ হৈ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে এক সংবাদমেলত দিল্লী আৰু দিছপুৰৰ চৰকাৰৰ ভূমিকাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। ইফালে, নিৰ্ধাৰিত সময়ত শপতনামা দাখিল কৰা সদৌ অসম ছাত্ৰ সন্থাৰ ভূমিকাকো মহাসংঘই আজি তীব্ৰ সমালোচনা কৰে। মহাসংঘৰ কাৰ্যকৰী সভাপতিজনে সংবাদমেলত কয় যে সদৌ অসম ছাত্ৰ সন্থাই এই গোচৰৰ সন্দৰ্ভত সাংবিধানিক বিচাৰপীঠৰ চৎচত শপতনামা দাখিল কৰিছে যদিও আছুৱে ১৯৫১ক ভিত্তিবৰ্ষ গণ্য কৰাৰ পৰিবৰ্তে ১৯৭১ৰ ২৪ মাৰ্চৰ পূৰ্বে অহা সকলো বিদেশীকে নাগৰিকত্ব দিয়াৰ পোষকতা কৰিছে। ৰহমানে সংবাদমেলত কয় যে আছুৱে এই স্থিতি গ্ৰহণ কৰি প্ৰায় ৮০ লাখ অবৈধ বিদেশীক নাগৰিকত্ব দি ৰখাৰ পোষকতা কৰিছে। তেওঁ কয় যে গোচৰটোৰ শুনানিৰ তাৰিখ সাত নৱেম্বৰলৈ পিছুৱাই দি মুখ্য ন্যায়াধীশ নেতৃত্বাধীন সাংবিধানিক বিচাৰপীঠে নিৰ্দিষ্ট সময়ৰ পূৰ্বে ভাৰত চৰকাৰ আৰু অসম চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। যদিহে এই সময়ছোৱাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে শপতনামা নিদিয়ে তেন্তে চৰকাৰৰ স্থিতি নজনাকৈয়ে সাংবিধানিক বিচাৰপীঠে শুনানি আৰম্ভ কৰিব। ৰহমানে অভিযোগ কৰে যে চৰকাৰে চক্ৰান্তমূলকভাৱে শপতনামা দাখিলৰ পৰা বিৰত আছে।

ইফালে, ভিত্তিবৰ্ষ ১৯৫১ হ'লেও খিলঞ্জীয়া জনগোষ্ঠীসমূহে অসমত ৭০ শতাংশহে সুৰক্ষিত হ'ব। যদি ভিত্তিবৰ্ষ ১৯৭১ নিৰ্ণয় কৰা হয় তেন্তে খিলঞ্জীয়া সকলো অধিকাৰ হেৰুৱাই অসমৰ ভূমিতে গোলাম হ'ব লাগিব। সদৌ অসম ছাত্ৰ সন্থাই অসম চুক্তি স্বাক্ষৰৰ সময়ত ১৯৮৫ত নাগৰিকত্ব আইনৰ ৬-এ ধাৰা যুক্ত কৰি অসমত বসবাস কৰি থকা প্ৰায় ৮০ লাখ বাংলাভাষী হিন্দু-মুছলমান বিদেশী আৰু নেপালী বিদেশীৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ ভয়ানক ষড়যন্ত্ৰ কৰিছিল। সেই বাবে অসম সন্মিলিত মহাসংঘই নাগৰিকত্ব আইনৰ ৬-এ ধাৰাক অবৈধ, অসাংবিধানিক বুলি প্ৰত্যাহ্বান জনাই এই ধাৰা বাতিল কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল।

## লেকাঙত পিআৰচিৰ দাবীত মৰাণ জনগোষ্ঠীৰ গণ সমাৰেশ-সমদল

**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ১৩ অক্টোবৰ ঃ** অৰুণাচলৰ লেকাঙত বসবাস কৰা অসমীয়াসকলৰ অন্যতম হ'ল মৰাণ জনগোষ্ঠীয় লোকসকল। ঐতিহাসিক কালৰে পৰা উক্ত অঞ্চলত বসবাস কৰি অহা মৰাণসকলে দীৰ্ঘদিনে দাবী কৰি অহাৰ পাছতো কালি পৰ্যন্ত মৰাণসকলক স্থায়ী বাসিন্দাৰ স্বীকৃতি লাভ কৰা নাই। কালি লেকাঙত মৰাণ ছাত্ৰ সন্থা, মৰাণ মহিলা পৰিষদ, মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ উন্নয়ন পৰিষদৰ উদ্যোগত মহাদেৱপুৰৰ সমীপৱৰ্তী এৰালনী-চিতপানী নামঘৰ খেলপথাৰ প্ৰাংগণত এক গণসমাৰেশ আয়োজন কৰাৰ লগতে সমদল উলিয়ায়।

# তেজপুৰ বায়ুসেনা ঘাটিত বায়ুসেনাৰ মুৰব্বী

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ১৩ অক্টোবৰ ঃ** দেশৰ বায়ুসেনাৰ মুৰব্বী এয়াৰ চিফ মাৰ্শ্বাল ভি আৰ চৌধাৰীয়ে দুদিনীয়া কাৰ্যসূচীৰে কালি তেজপুৰৰ বায়ুসেনা ঘাটিত উপস্থিত হয়হি। ইয়াত কালি আৰু আজি অনুষ্ঠিত বাৰ্ষিক ইন্সপেকচন পৰ্বত এয়াৰ কমাণ্ডিং অফিচাৰসকলৰ সন্মিলনত অংশগ্ৰহণ কৰে তেওঁ। বায়ুসেনাৰ বিষয়া এয়াৰ মাৰ্শ্বাল এছ পি ধৰ্কাৰে তেওঁক আদৰণি জনাই সকলো কমাণ্ডাৰ আৰু জ্যেষ্ঠ বিষয়াৰ স'তে চিনাকি কৰাই দিয়ে। শীৰ্ষ বায়ুসেনা বিষয়াজনে কমাণ্ডৰ কাৰ্যকৰী প্ৰস্তুতিৰ পৰ্যালোচনা কৰে আৰু সন্তুষ্টি প্ৰকাশ কৰে। তেজপুৰ বায়ুসেনাৰ ঘাটিত অনুষ্ঠিত সভাত দিয়া ভাষণত বায়ুসেনাৰ মুৰব্বীজনে উচ্চ কাৰ্যকৰী প্ৰস্তুতি বজাই ৰখা আৰু সকলো মঞ্চ, অস্ত্ৰ ব্যৱস্থা আৰু



সম্পত্তিৰ কাৰ্যকৰী প্ৰস্তুতি নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ সকলো দুৰ্ঘটনা আৰু পৰিঘটনাৰ মূল কাৰণ বিশ্লেষণ, অভিযানৰ সফলতা বৃদ্ধিৰ বাবে ৰক্ষণাবেক্ষণৰ পদ্ধতি উন্নত কৰা তথা সকলো সময়তে শাৰীৰিক আৰু চাইবাৰ সুৰক্ষাৰ ওপৰত গুৰুত্ব দি প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ সকলো কমাণ্ডাৰক নিৰাপদ কাৰ্যকৰী উৰণৰ পৰিৱেশ প্ৰদানৰ দিশত নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। অনুষ্ঠানত তেওঁ বিমানঘাটিৰ পৰিচালনাকে ধৰি একাধিক ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰাসকলক বঁটাও প্ৰদান কৰে।

# হিন্দু বাঙালীক ব্যাপক হাৰত দিয়া হৈছে বিদেশী

*এক পৃষ্ঠাৰ পৰা* অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনে। আজি দিছপুৰ প্ৰেছ ক্লাবত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি মহানন্দ সৰকাৰ দত্তই এক সংবাদমেলত শাসকীয় চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি বিজেপিৰ মায়াজাল আৰু ছলাহী কথাত এইবাৰ হিন্দু বাঙালী সমাজ ভোল নোযায় বুলি মন্তব্য কৰে। উল্লেখ্য যে বিদেশী ন্যায়াধিকৰণৰ জাননী, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত বায়'মেট্ৰিক দিয়াসকলৰ আধাৰ কাৰ্ড উলিয়াব নোৱৰা, হিন্দু-বাঙালীক নাগৰিকত্ব প্ৰদান কৰা, উপজাতীয় উন্নয়ন পৰিষদ গঠন কৰা, উচ্ছেদ বন্ধ, চিলাপথাৰ আৰু ধলা-শদিয়াৰ ঘটনাৰ উচিত তদন্ত আদি কৰি বহু কেইটা দাবীৰে বাঙালী যুৱ-ছাত্ৰ পৰিষদে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। হিন্দু-বাঙালীসকলৰ এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত বিজেপি চৰকাৰে কোনোধৰণৰ সদিচ্ছা প্ৰকাশ কৰা নাই বুলি দত্তই মন্তব্য কৰি কয়, 'বৰ্তমানৰ চৰকাৰখনক দেখিছো যে আমাৰ সমস্যা সমাধানৰ ক্ষেত্ৰত তিলমানো গুৰুত্ব দিয়া নাই। এই চৰকাৰক বিশ্বাস কৰিছিলো, ভাল পাইছিলো, মুকলিকৈ সমৰ্থন জনাইছিলো যে এই চৰকাৰৰ নেতৃত্বত আমাৰ সমস্যাসমূহ সমাধান হ'ব। এই বিশ্বাস আমাৰ বাবে ডাঙৰ ভুল যে আছিল আজি দিনত অনুভৱ কৰিবলৈ বাধ্য হৈছো। বিজেপিয়ে হিন্দু বাঙালীৰ সমস্যা সমাধান হোৱাটো যে নিবিচাৰে স্পষ্ট হৈ পৰিছে। বিশেষকৈ বসুন্ধৰা আচনিত ১০ শতাংশ হিন্দু বাঙালীৰ মানুহৰ মাটি নামজাৰি হোৱা নাই। যেতিয়া আবেদনসমূহ বাতিল হৈছে, তাত লিখা হৈছে যে খিলঞ্জীয়া হোৱাৰ উপযুক্ত নথি নোহোৱা কাৰণে আবেদন বাতিল কৰা হৈছে। যিসকলে ১৯৫১ৰ তথ্য দিব পাৰে, ১৯৭১ আগৰ নথি, ১৯৪০ৰ আগৰ ভোটাৰ তালিকাত নাম থকা মাটিৰ নথি দিব পাৰে আৰু সেইসকলে মাটিৰ নামজাৰি কৰিবলৈ যাওঁতে খিলঞ্জীয়া নহয় যেন সন্দেহ কৰি নামজাৰি বাতিল কৰা হৈছে। ইয়াৰ পাছতো এই চৰকাৰৰ পৰা কি থাকে হিন্দু-বাঙালীসকলৰ সমস্যা নহ'ব।' উল্লেখ্য যে ২০১৪ত ৰবাকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী সভাত আহি বিজেপি চৰকাৰ আহিলে বন্দী শিবিৰ উঠাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল বুলি দত্তই পুনৰ কয়, 'আমি বন্দী শিবিৰ উঠাই দিয়ক বুলি কোৱা নাছিলো, তেওঁ নিজেই কৈছিল। প্ৰকৃত বিদেশীক উঠাই দিয়ক আমাৰ ক'বলগীয়া নাই; কিন্তু যিসকল স্বদেশী তেওঁলোক বিদেশীৰ নামত হাৰাশাস্তিৰ সম্মুখীন হ'ব নালাগে। চাৰি-পাঁচবছৰ হিন্দু বাঙালীক বন্দীশালত ৰখা হ'ল। পাছত তেওঁলোকক নাগৰিক হিচাপে ঠিক কৈ মুকলি কৰি দিয়া হ'ল। এতিয়া এই স্বদেশীসকলক পুনৰ বিদেশী ন্যায়াধিকৰণৰ জাননী দিয়া হৈছে। এই সন্দৰ্ভত বিভিন্ন প্ৰতিবাদ, আলোচনা হ'ল। হিন্দু হিন্দু কৈ থকা চৰকাৰৰ দিনত আমাৰ সমস্যা সমাধান হ'ব বুলি ভাবিছিলো আৰু চৰকাৰক সহযোগ কৰিছিলো; কিন্তু আজি ১০ বছৰে সমস্যাবোৰৰ সমাধান নহ'ল।'

ইফালে, কিছুদিন বিদেশী ন্যায়াধিকৰণৰ জাননী জাৰি প্ৰক্ৰিয়া বন্ধ হৈ আছিল বুলি বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ সভাপতিজনে মন্তব্য কৰি পুনৰ কয়, 'এতিয়া পুনৰ জাননী দিয়া আৰম্ভ হৈছে। প্ৰকৃততে কিহৰ কাৰণে এয়া হৈছে? তথ্য লাগে, দিয়া হৈছে? কেৱল বাংলাভাষী হোৱাৰ কাৰণেই নেকি এনে হাৰাশাস্তি? নে বাঙালীসকলে নিজকে অসমৰ সন্তান, ভূমিপুত্ৰৰূপে, নিজৰ দেশ হিচাপে লোৱা আৰু ভবাৰ কাৰণে ভুল হ'ল নেকি? আমিতো বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ হৈ থাকি গৌৰৱ অনুভৱ কৰো।' এই চৰকাৰ পূৰ্বৰ চৰকাৰতকৈও ভয়ংকৰ আৰু চৰকাৰখনে ষড়যন্ত্ৰ কৰি হিন্দু বাঙালীক এলাগী কৰিব খুজিছে বুলি সভাপতি দত্তই মন্তব্য কৰি কয়, 'চৰকাৰখনৰ হিন্দুত্ব বুলি একো নাই, তেওঁলোক হিন্দু বাঙালীক বাংলাদেশী সজোৱাৰ ষড়যন্ত্ৰ চলাইছে। নহ'লে বসুন্ধৰাত কিয় এনে হৈছে? হিন্দু হিন্দু কৈ হিন্দুৰ কোনো সমস্যা নহয় বুলি কৈ তেতিয়া কিয় হিন্দু সমস্যা হৈছে? এইটো কেনেকুৱা হিন্দুত্ববাদ? আজি যিসকলে চৰকাৰ চলাই আছে, যিসকলৰ হিন্দুত্ববাদৰ কথা কয়, হিন্দু বাঙালীক তেওঁলোকে বেছি হিন্দু বুলি কয়? আমি যিমান সত্য-সনাতনৰ বিশ্বাস কৰো, হিন্দু হিন্দু বুলি কৈ থকা নেতাসকল আমাতকৈ বেছি সনাতন নেকি?' আজিৰ দিনত যে ৰাজনৈতিক প্ৰেক্ষাপটত প্ৰায় সকলো দলতে হিন্দু বাঙালীৰ নেতা আছে; কিন্তু এই নেতাসকলে একেবাৰে অকৰ্মণ্য বুলি অভিহিত কৰি সংগঠনটোৰ সভাপতিজনে এই নেতাসকলৰ দেহত হিন্দু বাঙালীৰ তেজ নাই বুলি কটু সমালোচনা কৰে। তেওঁ কয়, 'তেওঁলোকৰ দেহত যদি হিন্দু বাঙালীৰ তেজ থাকিলেহেঁতেন, বিধায়ক হোৱাৰ পাছত বিধানসভাত হিন্দু বাঙালীৰ সমস্যাসমূহ উত্থাপন কৰিলেহেঁতেন। তেওঁলোক প্ৰকৃত বাঙালী হয় নে নহয় সন্দেহ আছে। কেৱল ৰাজনীতিৰ ঘি-ক্ৰীম খোৱাৰ কাৰণে তেল মাৰি তেওঁলোকে নিজৰ স্বাৰ্থ সিদ্ধি কৰিছে।' হিন্দু বাঙালীসকলৰ সমস্যাসমূহ সমাধানত এই চৰকাৰৰ এক শতাংশও সদিচ্ছা নাই বুলি তেওঁ মন্তব্য কৰি পুনৰ কয় যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বায়'মেট্ৰিক দিয়াসকলৰ আধাৰ কাৰ্ড এতিয়ালৈকে নোহোৱাৰ বাবে বিভিন্ন সমস্যা হৈছে। চৰকাৰক এই কথা বাৰম্বাৰ কৈ অহা হৈছে যদিও কোনো গুৰুত্ব নাই। বসুন্ধৰাত মাটি নামজাৰি কাৰণে হিন্দু বাঙালী লোকে আবেদন কৰিছে যদিও বিভিন্ন অজুহাত দেখুৱাই, সেই আবেদনসমূহ খাৰিজ কৰা হৈছে। বিভিন্ন স্থানত হিন্দু বাঙালীসকলক লক্ষ্য কৰি উচ্ছেদ চলোৱা হৈছে। ইয়াৰ উপৰি চিলাপথাৰ আৰু ধলা-শদিয়াৰ নৃশংস হত্যাকাণ্ডৰ ঘটনা আজিও উচিত তদন্ত নহ'ল বুলি সভাপতি দত্তই কয় যে হিন্দু বাঙালীসকলৰ এই সমস্যাসমূহলৈ হিন্দুত্বৰ পতাকা আওৰোৱা চৰকাৰখনে পিঠি দি আছে বুলি অভিযোগ কৰে। তেওঁ কয়, 'যিহেতু এই চৰকাৰক এসময়ত হিন্দু বাঙালীসকলে পূৰ্ণ সমৰ্থন কৰিছিল। লাহে লাহে হিন্দু বাঙালী সমাজৰ মাজত চৰকাৰৰ প্ৰতি থকা আস্থা আৰু বিশ্বাস হ্ৰাস পাবলৈ ধৰিছে। এতিয়া চুড়ান্ত সময় আৰু এইবাৰ হিন্দু বাঙালী সমাজে চৰকাৰৰ কথাত বিশ্বাস নকৰে। যদি সদিচ্ছা আছে চৰকাৰে সমস্যা সমাধান কৰি দেখুৱাওক।' চৰকাৰে এখন মায়াৰ জাল সাজি, ছলাহী কথাৰে ১০ বছৰ খালে বুলি তেওঁ মন্তব্য কৰি পুনৰ কয় যে মিছা কথাৰো এটা সীমা থাকে, ১০ বছৰে হিন্দু বাঙালীসকলে ধৈৰ্য ধৰিলে। এতিয়া প্ৰাপ্যৰ দাবীৰে পুনৰ অহা ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া লোকসভা অধিবেশনত দিল্লীত পুনৰ প্ৰতিবাদ সাব্যস্ত কৰা হ'ব। আগন্তুক লোকসভা নিৰ্বাচনৰ আগত যদি হিন্দু বাঙালীৰ সমস্যা সমাধান নহয়, বিজেপি চৰকাৰে এইবাৰ যোগ্য প্ৰত্যুত্তৰ পাব বুলি বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ সভাপতিজনে মন্তব্য কৰে।

# মঙলদৈত বৃদ্ধা মাতৃৰ মৃতদেহৰ কাষত

*এক পৃষ্ঠাৰ পৰা* মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই মঙলদৈবাসীক বিমৰ্ষ কৰি তুলিছে। প্ৰয়াত অধিবক্তা শশীকান্ত শৰ্মাৰ বাসগৃহৰ পৰা দুৰ্গন্ধ নিৰ্গত হোৱাত একাংশ ওচৰ-চুবুৰীয়াই বাসগৃহটোলৈ গৈ প্ৰথমে অধিবক্তাজনৰ সৰু পুত্ৰ বিৰাজ ওৰফে বিজন শৰ্মা (৫৫)ক চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে চুবুৰীয়াই আন এটা কোঠাৰ বিছনাত মৃত অৱস্থাত প্ৰত্যক্ষ কৰে প্ৰয়াত অধিবক্তাজনৰ পত্নী দুৰ্গেশ্বৰী দেৱী (৮২)ক। স্থানীয় ৰাইজৰ মতে, দুৰ্গেশ্বৰী দেৱী বিগত কেইমাহমানৰ পৰা ৰোগাক্ৰান্ত হৈ শয্যাগত হৈ আছিল। প্ৰচুৰ মেধাসম্পন্ন আৰু ৰসায়ন বিজ্ঞানৰ স্নাতক তেওঁৰ সৰু পুত্ৰ তথা এজন ক্ষুদ্ৰ ব্যৱসায়ী বিৰাজে গভীৰ আৰ্থিক দীনতাৰ মাজতো মাতৃৰ চোৰা-চিতাৰ দায়িত্ব পালন কৰি আহিছিল। অৱশ্যে মাতৃৰ শাৰীৰিক অৱস্থাৰ ক্ৰমাৎ অৱনতি ঘটিবলৈ ধৰাত চিকিৎসাৰ বোজা সহিব নোৱাৰি পুত্ৰ বিৰাজ অত্যন্ত হতাশাত ভুগি আহিছিল। স্থানীয় ৰাইজে সন্দেহ ব্যক্ত কৰিছে যে হয়তো ৰোগাক্ৰান্ত মাতৃৰ মৃত্যুৰ দুখ সহ্য কৰিব নোৱাৰি আৰু ইয়াৰ বাবে নিজকে জগৰীয়া বুলি ভাবি অবিবাহিত পুত্ৰজনে আত্মহত্যাৰ দৰে চূড়ান্ত পথ বাছি ল'লে। তথ্য মতে, শশীকান্ত শৰ্মা আৰু দুৰ্গেশ্বৰী দেৱীয়ে দুই পুত্ৰক উচ্চ শিক্ষাৰে শিক্ষিত কৰিছিল। তেওঁলোকৰ বৰপুত্ৰ বহু বছৰ আমেৰিকা যুক্তৰাষ্ট্ৰত চাকৰি কৰি কিছুদিন পূৰ্বে অসমলৈ স্থায়ীভাৱে উভতি আহি গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰি কাৰ্যনিৰ্বাহ কৰি আছে; কিন্তু পৰিতাপৰ কথা যে ৰোগাক্ৰান্ত শয্যাগত মাতৃক চিকিৎসাৰ বাবে বা আৰ্থিকভাৱে দুৰ্বল ৰুগীয়া মাতৃৰ একমাত্ৰ সাৰথি ভ্ৰাতৃৰ বাবে তেওঁৰ অলপো অনুকম্পা নহ'ল। ইফালে, ঘটনাৰ খবৰ পোৱা মাত্ৰকে দৰং জিলাৰ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল মঙলদৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুকুট কাকতিসহ ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ তদন্ত কৰে আৰু মৃতদেহ দুটাৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

আৰক্ষীয়ে মাতৃগৰাকীৰ নশ্বৰদেহৰ মঙলদৈতে মৰণোত্তৰ পৰীক্ষা সমাপন কৰে যদিও আত্মহত্যা কৰা বিৰাজ শৰ্মাৰ মুখত কিবা এটা সাফৰ জাতীয় সামগ্ৰী থকাৰ সন্দেহত তেওঁৰ মৰণোত্তৰ পৰীক্ষা কৰাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে ঘৰটোত কেৱল মাতৃ-পুত্ৰই অকলে বসবাস কৰা বাবে ঘৰটোত প্ৰকৃততে কি হৈছিল সেই সকলো এতিয়াও অন্ধকাৰতে আছে। মৃত বিৰাজ শৰ্মা পেছাত এজন ক্ষুদ্ৰ ব্যৱসায়ী আছিল আৰু তেওঁ দীৰ্ঘদিন ধৰি দৈনিক বাতৰি কাকত বিক্ৰী কৰিছিল।

# বৰপেটাত পত্নী-কন্যাক কুঠাৰৰে ঘপিয়াই হত্যা

*এক পৃষ্ঠাৰ পৰা* লোকচক্ষুৰ আগতে স্বামী ঋষভ দাসে নিজৰ ঘৰৰ কোঠাৰ দুৱাৰমুখতে কুঠাৰৰে উপৰ্যুপৰি ঘপিয়াই পত্নী বিনীতা দাস আৰু যুৱতী কন্যা হিয়া দাসক হত্যা কৰে।

### কিদৰে সংঘটিত হ'ল এই ভয়ংকৰ কাণ্ড

গান্ধীনগৰতে এখন ষ্টেচনাৰী দোকান থকা ঋষভ দাসে হাতত কুঠাৰ এখন লৈ আকস্মিকভাৱে একেটা ঘৰতে পৃথকে থকা পত্নী আৰু জীয়ৰীৰ কোঠালৈ যায়। কোঠাটোত সেই সময়ত পত্নী বিনীতা দাস আৰু অন্য এগৰাকী যুৱতীসহ এগৰাকী মহিলাও আছিল। কোঠাটোৰ দুৱাৰমুখতে পত্নীক দেখি ঋষভে উন্মাদৰ দৰে উপৰ্যুপৰি ঘপিয়াবলৈ ধৰে। বিনীতা দাসৰ মৰণকাতৰ চিঞৰত জীয়ৰী হিয়া দৌৰি আহে আৰু মাকক ৰক্ষা কৰিবলৈ চেষ্টা কৰে; কিন্তু পিতৃয়ে হিয়াকো তেতিয়া ঘপিয়াবলৈ ধৰে। মুহূৰ্ততে কোঠাটোত তেজৰ পুখুৰী সদৃশ পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, এই ঘটনাত কিংকৰ্তব্যবিমূঢ় হৈ আলহী মাতৃ-কন্যাই নিজক বচোৱাৰ বাবে চিঞৰি যেনি-তেনি লৰ মাৰে। ঋষভে তেওঁলোককো খেদি যায়। অৱশ্যে তেওঁলোকে নিজক লুকুৱাবলৈ সক্ষম হয়। তেওঁলোকেই লুকাই থকা স্থানৰ পৰা আৰক্ষীক খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈহে তেওঁলোকক উদ্ধাৰ কৰে। আনহাতে, বিনীতা দাস আৰু হিয়া দাসৰ ৰক্তাক্ত মৃতদেহ দুটা সাবটা-সাবটিকৈ থকা অৱস্থাত উদ্ধাৰ কৰা হয়। এই দৃশ্য ইমানে ভয়ংকৰ আছিল যে উদ্ধাৰৰ বাবে যোৱা এজন আৰক্ষীৰো মূৰ আচন্দ্ৰাই কৰে। আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে স্থানীয় ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ঘটনাস্থলীতে ঋষভকো গ্ৰেপ্তাৰ কৰা হয়। দুটাকৈ হত্যাকাণ্ড সংঘটিত কৰাৰ পাছতো ঋষভক যথেষ্ট স্বাভাৱিক অৱস্থাত সকলোৱে প্ৰত্যক্ষ কৰে।

### সঘনে সূত্ৰপাত কাজিয়াৰ

ঋষভ দাসৰ পৰিয়ালটোত দীৰ্ঘদিনৰ পৰা পাৰিবাৰিক সংঘাত চলি আহিছে। এনে সংঘাতৰ বাবেই ঘৰ একেটা হ'লেও পাকঘৰ তিনিটা আছিল। বিনীতা আৰু হিয়াই পৃথকে খোৱা-বোৱা কৰিছিল। ঋষভেও বেলেগে খাইছিল। আকৌ ঋষভৰ মাক আৰু ভনীয়েকেও পৃথকে খাইছিল। পৃথকে খোৱাৰ সমান্তৰালকৈ ঋষভ আৰু বিনীতাৰ মাজত সঘনে কাজিয়া লাগিছিল। তেওঁলোকৰ বিবাহ বিচ্ছেদৰ প্ৰক্ৰিয়াও চলি আছিল। চুবুৰীয়া কে'বাজনো লোকে জনায় যে আজিও দুয়োৰে কাজিয়া হৈছিল। অৱশ্যে কাজিয়াৰ কাৰণ কোনেও স্পষ্টকৈ ক'ব নোৱাৰিলে। এনেকুৱা কাজিয়া সঘনে লাগে; কিন্তু আজি যে সেই কাজিয়াৰ পৰিণতি ইমান ভয়ংকৰ হ'ব কোনেও কল্পনাই কৰিব পৰা নাছিল। প্ৰসংগক্ৰমে উল্লেখ্য যে জীৱন নিৰ্বাহৰ বাবে বিনীতা দাসে গান্ধী নগৰতে থকা এখন ডিপাৰ্টমেণ্টেল ষ্টোৰত কৰা কৰিছিল। হিয়া দাস আছিল উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী।

### পূৰ্বেও হত্যাৰ অন্য এক চেষ্টা

আজিৰ পূৰ্বে প্ৰায় আঠ বছৰ পূৰ্বে ঋষভ দাসে হত্যাৰ আন এক চেষ্টা চলাইছিল। সেইবাৰ নিজৰ ভনীয়েক এগৰাকীক দাৰে ঘপিয়াইছিল। অৱশ্যে সৌভাগ্যক্ৰমে ভনীয়েকৰ প্ৰাণ ৰক্ষা পৰিছিল। কিন্তু দাৰ ঘাপত হাতৰ কে'বাটাও আঙুলি ছিঙি গৈছিল।

# আদানীৰ লুণ্ঠনৰ আৰু এক ভয়াৱহ কাণ্ড ফাদিল

*এক পৃষ্ঠাৰ পৰা* অহাৰ তথ্য উন্মোচিত হৈছে। লণ্ডনৰ পৰা প্ৰকাশিত এখন কাকতত আজি প্ৰকাশ পাইছে আদানী গোষ্ঠীয়ে দুগুণ খৰচ দেখুৱাই বিদেশৰ পৰা কয়লা আমদানিৰ ৰহস্য শীৰ্ষক এক প্ৰতিবেদন। উল্লেখ্য যে বিদেশৰ পৰা আমদানি কৰা কয়লাৰ অত্যধিক মূল্য দেখুৱাই পৰোক্ষভাৱে এনে কয়লা বিক্ৰীৰে দেশৰ সৰ্বসাধাৰণ জনতা, দেশৰ উদ্যোগগোষ্ঠীত মাধমাৰ শোধাইছে উদ্যোগপতি গৌতম আদানীৰ সংস্থাই। কয়লাৰ অত্যধিক দামৰ বাবে বিদ্যুতৰ মাচুলৰো বৰ্ধিত ভৰিবলগীয়া হৈছে দেশবাসীয়ে। লণ্ডনৰ পৰা প্ৰকাশিত কাকতখনৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, আদানী গোষ্ঠীয়ে বজাৰ দৰতকৈ দুগুণ দাম আদায় দিয়া দেখুৱাই বিদেশৰ পৰা পাঁচশ কোটি ডলাৰ মূল্যৰ কয়লা আমদানি কৰিছে। এটা বিদেশী সংস্থাৰ জৰিয়তে কয়লা আমদানি কৰা এই সংস্থাটোৰ অংশীদাৰ হ'ল টাইৱানৰ এজন ব্যৱসায়ী, যিজন ব্যৱসায়ী আদানী গোষ্ঠীৰো অংশীদাৰ।

দেশত প্ৰচলিত নিয়ম অনুসৰি, তাপবিদ্যুৎ উৎপাদনত কয়লাৰ খৰচৰ ওপৰত নিৰ্ভৰ কৰি বিদ্যুৎ মাচুল স্থিৰ কৰা হয়। কাকতখনত প্ৰকাশিত তথ্য মতে, আদানী গোষ্ঠীয়ে বিদ্যুৎ উৎপাদনৰ বাবে ব্যৱহাৰ কৰা কয়লা আমদানিৰ ব্যয় কাগজে-কলমে বৃহৎ হাৰত বৃদ্ধি কৰিছে। ইণ্ডোনেছিয়াৰ পৰা কয়লা ভৰ্তি জাহাজখনে যাত্ৰা আৰম্ভ কৰাৰ সময়ত কয়লাৰ মূল্য যিমান আছিল তাৰ তুলনাত গুজৰাটৰ মুনৰাত আদানীৰ বন্দৰত সেই জাহাজ উপস্থিত হোৱাৰ পাছতে কয়লাৰ দাম দুগুণ পৰ্যন্ত বৃদ্ধি পায়। কয়লাৰ এই বৰ্ধিত মূল্যৰ ভিত্তিতে বিদ্যুৎ মাচুলো নিৰ্ধাৰণ হয়। পৰোক্ষভাৱে বৰ্ধিত হাৰত বিদ্যুৎ মাচুল আদায় দি দেশৰ সৰ্বসাধাৰণ জনতা আৰু উদ্যোগ গোষ্ঠীসমূহে আদানী গোষ্ঠীক ধনী কৰি আহিছে। যাৰ জৰিয়তে আদানী গোষ্ঠীয়ে বিদ্যুৎ উৎপাদনত হোৱা ব্যয়ৰ তুলনাত ৫২ শতাংশ অধিক মুনাফা অৰ্জন কৰে। আজি এই প্ৰতিবেদন প্ৰকাশ পোৱাৰ পাছতে দেশৰ ৰাজনীতিত বিৰোধী পক্ষৰ সমালোচনাৰ সন্মুখীন হৈছে বিজেপি আৰু আদানী গোষ্ঠী। চত্তিছগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ বাঘেলে এই প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আজি কয়, 'বিধানসভা নিৰ্বাচনত পদুম ফুলৰ বুটাম টিপিলে ভিভি পেটত দেখা যাব আদানীত ভোট পৰিছে।' ইফালে, তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ জহৰ সৰকাৰে কয় যে তেওঁ সংসদৰ মজিয়াত কয়লা আমদানি প্ৰক্ৰিয়াত আদানীৰ প্ৰসংগত প্ৰশ্ন উত্থাপন কৰোতে কেন্দ্ৰীয় কয়লা আৰু শক্তিমন্ত্ৰীয়ে তাৰ উত্তৰ দিয়াৰ পৰা বিৰত আছিল। এতিয়া আদানীৰ অপ্ৰয়োজনীয় কয়লা আমদানি আৰু দেশৰ সৰ্বসাধাৰণ জনতাৰ পৰা অধিক হাৰত বিদ্যুৎ মাচুল সংগ্ৰহৰ খেলখন উন্মোচিত হ'ল। এতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কি কৰিছে বুলিও তেওঁ প্ৰশ্ন কৰে।

প্ৰসংগত উল্লেখ্য যে ইয়াৰ পূৰ্বে হিণ্ডেনবাৰ্গ ৰিচাৰ্ছৰ তদন্তত আদানী গোষ্ঠীৰ বিৰুদ্ধে শ্বেয়াৰ বজাৰত কাৰচাজি, নিজৰ ধন বিদেশলৈ প্ৰেৰণ কৰি নিজৰ সংস্থাৰ জৰিয়তে পুনৰ শ্বেয়াৰ ক্ৰয় কৰি ভাৰতলৈ সেই ধন উভতাই অনাৰ দৰে গুৰুতৰ অভিযোগ উঠিছিল। আনকি বিদেশী সংবাদ মাধ্যমে অভিযোগ তুলিছিল যে আদানী গোষ্ঠীৰ ধন দেশৰ বাহিৰত কৰ ফাকি দিয়াৰ সহজ স্থান মৰিচাছত জমা ৰখা হৈছিল। যাৰ পৰিমাণ ১০০ কোটি ডলাৰ। পাছত সেই ধনেই আকৌ আদানী সংস্থাৰ শ্বেয়াৰ ক্ৰয় দেখুৱাই বিনিয়োগ কৰা হৈছিল। যাৰ ফলত শ্বেয়াৰ বজাৰত আদানী গোষ্ঠীৰ শ্বেয়াৰ মূল্য হোৱাহাৰে বৃদ্ধি পাইছিল। সংবাদ মাধ্যমত প্ৰকাশিত তথ্য মতে, এই সমগ্ৰ কাম-কাজ সমাপন কৰিছিল গৌতম আদানীৰ ভ্ৰাতৃ বিনোদ আদানী আৰু আন দুজন বিদেশী ব্যক্তিয়ে। তেওঁলোকৰ ভিতৰত আকৌ এজন চীনৰ নাগৰিক।

উল্লেখ্য যে ইয়াৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ ৰাজহ চোৰাংচোৱা সংস্থাই চলোৱা তদন্ত উন্মোচিত হৈছিল যে আদানী গোষ্ঠীয়ে বিদ্যুৎ উৎপাদন যন্ত্ৰ-পাতি অত্যধিক দামত ক্ৰয় কৰি আনিছে। আদানী গোষ্ঠীয়ে এনে যন্ত্ৰ-পাতি বিদেশৰ উৎপাদনকাৰী সংস্থাৰ পৰা পোনপটীয়াকৈ ক্ৰয়ৰ পৰিৱৰ্তে এটা মধ্যভোগী সংস্থাৰ জৰিয়তে ক্ৰয় কৰিছিল। সেই সংস্থাটোৱে বজাৰ দৰত যন্ত্ৰ-পাতিসমূহ ক্ৰয় কৰি আনি আদানীক বিক্ৰী কৰি লাভ আদায় লৈছিল। আশ্চৰ্যকৰ কথাটো হ'ল এই মধ্যভোগীটো সংস্থাটোও আদানীৰে কোম্পানী। অৰ্থাৎ বিভিন্ন সা-সামগ্ৰী বিদেশৰ পৰা ক্ৰয়ৰ ক্ষেত্ৰত বিভন্ন ভুৱা কোম্পানীৰ জৰিয়তে ক্ৰয় কৰা দেখুৱাই সেই ধন পুনৰ বক্ৰপথৰে উভতাই আনি আদানী গোষ্ঠীৰ শ্বেয়াৰত ক্ৰয় কৰি বিনিয়োগ কৰিছে। ইফালে, অধিক দামত বিদ্যুৎ উৎপাদনৰ যন্ত্ৰ-পাতি ক্ৰয় কৰাৰ সূত্ৰে আদানীৰ কোম্পানীৰ দ্বাৰা উৎপাদিত বিদ্যুৎ মাচুল বৃদ্ধি পাইছে। এই বৰ্ধিত মাচুল আদায় দি লুণ্ঠিত হৈছে দেশৰ সৰ্বসাধাৰণ জনতা। গুজৰাট কংগ্ৰেছেও অভিযোগ তুলিছিল যে আদানী গোষ্ঠীয়ে গুজৰাটবাসীক অধিক দৰত বিদ্যুৎ যোগান ধৰি মুনাফা লুটিছে।

আন এক সংবাদ সংস্থাই প্ৰকাশ কৰা তথ্য মতে, ২০১৯-২০২১লৈ কয়লা আমদানিৰ খৰচ অস্বাভাৱিকভাৱে বৃদ্ধি পাইছিল। ২০১৯ৰ জানুৱাৰীত ইণ্ডোনেছিয়াৰ কালীয়ঙৰ পৰা জাহাজেৰে ৭৪,৮২০ টন কয়লা কঢ়িয়াই অনাৰ সময়ত কয়লাখিনিৰ ৰপ্তানি মূল্য আছিল ১৯ লাখ ডলাৰ। তাৰ লগত পৰিবহণ আৰু বীমাৰ খৰচ হৈছিল ৪২ হেজাৰ ডলাৰ; কিন্তু আদানী সংস্থাই গুজৰাটৰ মুনৰা পোৱালৈকে সেই কয়লাৰ আমদানি মূল্য দেখুৱাইছিল ৪৩ লাখ ডলাৰ। নতুনকৈ প্ৰকাশিত এই তথ্যই সমগ্ৰ দেশতে এতিয়া আদানী গোষ্ঠীৰ লুণ্ঠনক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# এইবাৰ শিক্ষক-শিক্ষয়িত্ৰীলৈও স্কুটী

*এক পৃষ্ঠাৰ পৰা* দিয়াৰ পৰিকল্পনা ব্যক্ত কৰি কয় যে শিক্ষক-শিক্ষয়িত্ৰীসকলে সন্মুখীন হোৱা সকলো সমস্যাৰ সমাধান কৰা হ'ব। স্কুটী দিয়াৰ বাবে ৰাজকোষৰ পৰা পাঁচশ কোটি টকা ব্যয় কৰাতো কোনো সমস্যাৰ বিষয় নহয় বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেজপুৰ কলেজিয়েট হাইস্কুল খেলপথাৰত অনুষ্ঠিত চাইকেল বিতৰণ অনুষ্ঠানত ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'ৰাজ্যৰ মুঠ ৩,৬৯,৪৫৪ গৰাকী নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীলৈ মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত আগবঢ়োৱা চাইকেল ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিদ্যালয়তে লাভ কৰিব। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা কোনেও এটকাও ল'ব নোৱাৰিব। এটকাও যদি কোনোবাই লয় তেনেহ'লে সেইজন ৰঙাঘৰৰ আলহী হোৱাটো নিশ্চিত। এটকাও যদি কোনোবাই বিচাৰে তেনেহ'লে ছাত্ৰ-ছাত্ৰীসকলে মুখ্যমন্ত্ৰীৰ দিছপুৰৰ কাৰ্যালয়ৰ ঠিকনালৈ সেই বিষয়ে উল্লেখ কৰি পত্ৰ লিখিলেই হ'ল। ঠিকনাত মাত্ৰ মুখ্যমন্ত্ৰীৰ নামৰ লগতে বন্ধনীৰ ভিতৰত 'মামা' বুলি লিখিলেই হ'ল।' উল্লেখ্য যে আজি দিনৰ প্ৰায় ১২ বজাত আঁচনিখনৰ অধীনত প্ৰতীকী ৰূপত শোণিতপুৰৰ পাঁচখন বিদ্যালয়ৰ পাঁচগৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। মুঠ ১৬০ কোটি ৯৩ লাখ ৪১ হেজাৰ ৬২৪ টকা ব্যয়ৰে ৰূপায়ণ কৰা আঁচনিখনৰ অধীনত শোণিতপুৰৰ ১২,৪৮৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চাইকেল লাভ কৰিছে। শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষকসকলে ৰাজ্যৰ শিক্ষা ব্যৱস্থাক ভাল কৰাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিব লাগে। শিক্ষকসকলৰ প্ৰতি মৰম থকা বুলিও উল্লেখ কৰি তেওঁ কয় যে একাংশ শিক্ষকেহে শিক্ষা সেতু এপৰ বিৰোধিতা কৰিছে। ৯৫ শতাংশ শিক্ষকেই চৰকাৰৰ নীতিৰ সমৰ্থন কৰা বুলি দোহাৰি তেওঁ কয় যে বিদ্যালয়লৈ যোৱা বাটপথৰ অৱস্থা বেয়া হ'লে সেয়া নিৰ্মাণ কৰা হ'ব আৰু প্ৰয়োজনত ১০ বছৰৰ পাছত বদলিকৰণৰো ব্যৱস্থা কৰা হ'ব। তদুপৰি দূৰণিবটীয়া তথা যাতায়াতৰ সমস্যাত ভোগা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে স্কুটী প্ৰদানৰ চিন্তা-চৰ্চা কৰাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৫০ হেজাৰ বা এক লাখ শিক্ষক-শিক্ষয়িত্ৰীক স্কুটী দিবলৈ হ'লে পাঁচশ কোটি টকা ব্যয় হ'ব, যিটো কোনো সমস্যাৰ বিষয় নহয়। এনে শিক্ষক-শিক্ষয়িত্ৰীসকলে আবেদন কৰিলেই স্কুটী দিয়াৰ বাবে শীঘ্ৰেই এক আঁচনি লোৱা হ'ব বুলিও প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে। শীঘ্ৰেই ৰাজ্যত পুনৰ ১০ হেজাৰ শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে চাহ বাগিচাৰ বিদ্যালয়লৈ যোৱাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে চাইকেল দিবলৈ অনুৰোধ কৰাৰ পাছতেই এই আঁচনি গ্ৰহণ কৰা বুলিও উল্লেখ কৰে। আনহাতে, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, জলসিঞ্চন মন্ত্ৰী অশোক সিংহলৰ লগতে বিধায়ক পদ্ম হাজৰিকা, পৃথ্বিৰাজ ৰাভা, গণেশ লিম্বু, কৃষ্ণকমল তাঁতীৰ লগতে শিক্ষা বিভাগৰ সচিব তথা শোণিতপুৰৰ জিলা আয়ুক্ত আদিয়ে অংশ লোৱা সভাত মুখ্যমন্ত্ৰীজনে শিক্ষা সেতু এপক এক যুগান্তকাৰী পদক্ষেপ আখ্যা দিয়ে। এই এপৰ বাবেই শিক্ষামন্ত্ৰী ডাঃ পেগুক সকলোৱে মনত ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

ইপিনে, বিদ্যালয়সমূহৰ সংলগ্নকৰণৰে চৰকাৰী বিদ্যালয়সমূহত শিক্ষকৰ সংখ্যাকে ধৰি বিদ্যালয় গৃহ তথা আন সকলো সুবিধা প্ৰদান কৰিব বুলি কয় মুখ্যমন্ত্ৰীয়ে। বিদ্যালয়ৰ সংলগ্নকৰণৰ বাবেই কৰ্ণাটকৰ লগতে দাক্ষিণাত্যৰ ৰাজ্যসমূহ যথেষ্ট আগবাঢ়ি যোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সেইবোৰ ৰাজ্যত শৈক্ষিক আন্দোলন কেতিয়াবাই আৰম্ভ হোৱাৰ বিপৰীতে অসমত এতিয়াহে আৰম্ভ হৈছে। ৰাজ্যৰ বৌদ্ধিক মহলে তথা একাংশ লোকে সকলো ঋণাত্মক দৃষ্টিভংগীৰে চায় বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায় লগতে কয় যে গছক কেৱল মৰম কৰিলেই হ'ল আৰু গছ সকলো সময়তে ৰুব পাৰি। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণি ভাষণ আগবঢ়োৱা সভাত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে ৰাজ্যত সম্প্ৰতি শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰসকল ছাত্ৰীসকলতকৈ পিছ পৰিছে। সম্প্ৰতি বিতৰণ কৰা চাইকেলৰ ভিতৰতো এক লাখ ৬০ হেজাৰ ছাত্ৰক আৰু দুই লাখ আঠ হেজাৰ ছাত্ৰীয়ে লাভ কৰা বুলি তেওঁ উল্লেখ কৰাৰ লগতে কয় যে এইবাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰাসকলৰ ভিতৰতো মাত্ৰ ৩৫ শতাংশ ছাত্ৰ আৰু ৬৫ শতাংশ ছাত্ৰী।

### ইজৰাইলত ৪০-৫০ জন অসমৰ লোক আছে ঃ মুখ্যমন্ত্ৰী

ৰাজ্যত বিৰোধীৰ নামত প্ৰতিপক্ষ শূন্য। খালী গ'ল পোষ্টত যিমান পাৰি সিমান গ'ল কৰিব পাৰি। বিৰোধীৰ প্ৰসংগ সাংবাদিকে উত্থাপন কৰিলেহে কি উত্তৰ দিব, সেইলৈ 'নাৰ্ভাছ' হয় মুখ্যমন্ত্ৰী। কাৰণ ৰাজ্যত বিৰোধী বুলি একো চকুতেই পৰা নাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি তেজপুৰত সংবাদমাধ্যমৰ আগত বিৰোধী সন্দৰ্ভত এইদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে মুখ্যমন্ত্ৰীজনে। তেওঁ কয় যে ৰাজ্যত সম্প্ৰতি বিৰোধীৰ অস্তিত্ব শূন্য। আনহাতে, অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে স্থায়ী নিযুক্তি, দৰমহা বৃদ্ধি আৰু অৱসৰকালীন এককালীন সাহায্য শীঘ্ৰেই আদায় দিয়াৰ দাবীত অব্যাহত ৰখা আন্দোলনৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি তেওঁ কয় যে আন্দোলনে সমস্যাৰ সমাধান নকৰে। আন্দোলনে সমস্যা বঢ়ায় আৰু পিছুৱাই নিয়ে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে আলোচনাৰ মাজেৰেহে সমস্যাৰ সমাধান হয় বুলি কয়। তেওঁ ৰাজ্যত আন্দোলন বিবৰ্জিত পৰিৱেশ চলি আছে বুলিও উল্লেখ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'কেইদিনমান তেওঁলোকে জিৰণি আৰু বিৰতি ল'ব। পাছত পুনৰ কামলৈ উভতি আহিব। সকলো ঠিক হৈ যাব।'

আনহাতে, সম্প্ৰতি ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত অব্যাহত যুদ্ধৰ প্ৰভাৱ পৰা গাজাষ্ট্ৰীপ বা ইজৰাইলৰ যুদ্ধবিধ্বস্ত অঞ্চলত কোনো অসমীয়া মানুহ নাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইজৰাইলত প্ৰায় ৪০-৫০জন অসমৰ মানুহ আছে আৰু ভাৰতীয়সকলক দেশলৈ ঘূৰাই আনিবলৈ আজিৰে পৰা কেন্দ্ৰীয় চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

# সৰ্থেবাৰীত জ্বলিছে ক্ষোভৰ জুই, উৰিল ক'লা পতাকা

*এক পৃষ্ঠাৰ পৰা* থকাৰ মাজতে লোক নিৰ্মাণ বিভাগৰ সৰ্থেবাৰীত থকা সৰুক্ষেত্ৰী ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ সহকাৰী অভিযন্তাৰ কাৰ্যালয়টো পাকা-বেতবাৰী নামকৰণেৰে কয়াকুছিলৈ স্থানান্তৰকৰণে আজি সৰ্থেবাৰীত ৰাইজৰ মাজত ক্ষোভৰ জুই জ্বলে। ৰাইজৰ আবেদন-নিবেদনক গুৰুত্ব নিদি লোক নিৰ্মাণ বিভাগে কাৰ্যালয়টো স্থানান্তৰ কৰাৰ প্ৰতিবাদত সৰ্থেবাৰী আঞ্চলিক ৰাজহুৱা স্বাৰ্থ ৰক্ষা সমিতিয়ে আজি ক'লা দিৱস পালনৰ আহ্বান জনায়। ক'লা পতাকা উৰুৱাই চৰকাৰৰ বঞ্চনা আৰু প্ৰতাৰণাৰ বিৰুদ্ধে ক'লা দিৱসৰ আয়োজনৰ পূৰ্বেই সৰ্থেবাৰী সভাৰখলাত প্ৰশাসন আৰু আৰক্ষী বাহিনীয়ে কাৰ্যসূচীত বাধা দিয়াৰ বাবে উপস্থিত হয়। ন বজাত চৌদিশৰ পৰা প্ৰতিবাদকাৰী আহি সভাৰ খলাত উপস্থিত হয় আৰু ক'লা পতাকা উত্তোলন কৰে। আৰক্ষী বাহিনীয়ে ক'লা পতাকা উত্তোলনত বাধা প্ৰয়োগ কৰাক লৈ আৰক্ষী আৰু আন্দোলনকাৰীৰ মাজত এখন খণ্ড যুদ্ধ আৰম্ভ হয়। সেই সময়তে আন্দোলনকাৰীসকলে সভাৰ খলাৰ ভিন ভিন ঠাইত ক'লা পতাকা উৰুৱাই আন্দোলনকাৰীসকলে সৰ্থেবাৰী অঞ্চলৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ৰ লগতে ৩০ খন বিছনাযুক্ত চিকিৎসালয়, সৰ্থেবাৰী পৌৰসভাৰ কাৰ্যালয়ৰ সন্মুখত ক'লা পতাকা উৰুৱাই প্ৰতিবাদ সাব্যস্ত কৰে। ইপিনে, সমবেত মহিলাসকলে সভাৰ খলাত হাতে হাতে ধৰি এক বেষ্টু ৰচনা কৰি মাজত ক'লা পতাকা উৰুৱাই আৰু মহিলা আৰক্ষীৰ অবিহনে মহিলাসকলক ক'লা পতাকা উত্তোলনত বাধা দিয়াত আৰক্ষী ব্যৰ্থ হয়। মহিলাসকলে বিভিন্ন শ্ল'গানেৰে সভাৰ খলা পৰিৱেশ উত্তাল কৰি তোলে। এনে সময়তে অঞ্চলৰ সংগ্ৰামী ৰাইজ হিলদল ভাঙি ওলাই আহে পুৰুষ-মহিলা, যুৱক, কৃষক, কঁহাৰ শ্ৰমিক সকলোৱে সভাৰ খলাত সমৱেত হয়। ই-ৰিক্সাচালকসকলে ক'লা পতাকা উৰুৱাই নগৰখনত এখন প্ৰতিবাদী শোভাযাত্ৰা উলিয়ায়। তাৰ পাছতে সমৱেত ৰাইজে ক'লা বেজ পৰিধান কৰি সভাৰ খলাৰ পৰা হাতে হাতে ক'লা পতাকা লৈ সৰ্থেবাৰী পুৰণ বজাৰ হৈ নতুন বজাৰলৈ এক সমদল উলিয়ায়। আৰক্ষী বাহিনীৰ বাধাত ক্ষুব্ধ হৈ আন্দোলনকাৰীসকলে ঠায়ে ঠায়ে টায়াৰ জ্বলাই চৰকাৰৰ বঞ্চনা আৰু প্ৰতাৰণাৰ প্ৰৱল প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াকে লৈ প্ৰায় তিনি ঘণ্টা ধৰি চলে আন্দোলনকাৰী আৰু আৰক্ষীৰ মাজত এখন খণ্ড যুদ্ধ। আৰক্ষী বাহিনীয়ে ক'লা পতাকা আঁতৰ কৰা, জুই নুমোৱাতে অৰ্ধেক সময় ব্যস্ত থাকিব লগা হয়। পাছত বৰপেটাৰ পৰা উচ্চ পদস্থ প্ৰশাসনিক আৰু আৰক্ষী বিষয়া সৰ্থেবাৰীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰে। এই সময়ছোৱাত প্ৰতিবাদকাৰীসকলে টায়াৰ জ্বলাই পথ অৱৰোধ কৰাত যানবাহনৰ চলাচল কিছু সময়ৰ বাবে ব্যাহত হৈ পৰে। প্ৰাক্তন ছাত্ৰ নেতা গুণজিৎ চৌধুৰীয়ে ক'লা দিৱসত অংশগ্ৰহণ কৰা প্ৰতিবাদী ৰাইজক সম্বোধন কৰে আৰু জাতি-মাটি আৰু ভেটিৰ শ্ল'গান দিয়া খিলঞ্জীয়াৰ স্বাৰ্থৰ সুৰক্ষাৰ কথা কোৱা চৰকাৰখনে অঞ্চলটোৰ পৰা চৰকাৰী কাৰ্যালয়সমূহ আন স্থানলৈ স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰি খিলঞ্জীয়া ৰাইজৰ মাজত ক্ষোভৰ জুই জ্বলাব বিচাৰিছে বুলি অভিযোগ কৰি কয় যে ৰাজ্য চৰকাৰখনে সৰ্থেবাৰী অঞ্চলক সমষ্টি আৰু উপ-জিলাৰ পৰা বঞ্চিত কৰি চৰম প্ৰতাৰণা কৰিছে। তেওঁ কয় যে সৰ্থেবাৰীক উপ-জিলা ঘোষণা নকৰা পৰ্যন্ত এই সংগ্ৰাম অব্যাহত থাকিব। অৱসৰপ্ৰাপ্ত অধ্যক্ষ অধৰ চন্দ্ৰ ডেকাই উপ-জিলা গঠন আৰু সৰ্থেবাৰী অঞ্চলৰ চৰকাৰী কাৰ্যালয়ৰ স্থিতাৱস্থা বাহাল ৰখাৰ দাবীত সৰ্থেবাৰী পাঁচখেল গঞা গয়ৰহৰ নেতৃত্বত আৰু সৰ্থেবাৰী আঞ্চলিক ৰাজহুৱা স্বাৰ্থ ৰক্ষা সমিতিৰ পৰিচালনাত এমাহজুৰি চলা গণতান্ত্ৰিক আন্দোলনৰ ভাষা দিছপুৰৰ হিমন্ত বিশ্ব শৰ্মাৰ বুজি নোপোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে আৰু বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ ৰাজনৈতিক ভৱিষ্যৎ নিৰ্মাণৰ স্বাৰ্থত সৰ্থেবাৰী অঞ্চলটোক গভীৰ সংকটলৈ ঠেলি দিয়া বুলি চৰকাৰখনক ধিক্কাৰ দিয়ে। অসম আন্দোলনৰ নেতা চক্ৰেশ্বৰ ডেকাই কয় যে ১৯৪৭ত যিখন ঐতিহ্যমণ্ডিত ঠাইত দেশৰ স্বাধীনতা লাভৰ সময়ত ৰাষ্ট্ৰীয় পতাকা উৰিছিল সেই স্থানত আজি জাতীয় চৰকাৰৰ দিনত ক'লা পতাকা উৰুৱাব লগতো দুখ আৰু পৰিতাপৰ বিষয়। প্ৰশাসন আৰু আৰক্ষী বাহিনীয়ে বিক্ষোভকাৰীক বাধা প্ৰদান কৰি প্ৰতিবাদী কণ্ঠ বন্ধ কৰিবলৈ চেষ্টা কৰা বুলি সমালোচনা কৰি তেওঁ কয় চৰকাৰে ৰাইজৰ দাবী মানি লৈ সৰ্থেবাৰী উপ-জিলা গঠনৰ ঘোষণা কৰিলেই আন্দোলন বন্ধ হ'ব, ৰাইজে ৰাজপথৰ পৰা নিজ নিজ কৰ্মস্থানলৈ উভতি যাব। ক'লা দিৱসৰ অংশৰূপে নিশা আঠ বজাৰ পৰা ন বজালৈ এঘণ্টাৰ বাবে অঞ্চলটোৰ ৰাইজে ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিজুলী বাতিকে ধৰি সকলো ধৰণৰ পোহৰৰ উৎস বন্ধ ৰাখি নিষ্প্ৰদীপ কাৰ্যসূচী ৰূপায়ণেৰে সৰ্বাত্মক প্ৰতিবাদ সাব্যস্ত কৰে।



## বৰবালি মধ্য ইংৰাজী বিদ্যালয়ৰ পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**হোজাই, ১৩ অক্টোবৰ ঃ** হোজাই জিলাৰ লংকা শিক্ষাখণ্ডৰ অন্তৰ্গত বৰবালি মধ্য ইংৰাজী বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতি গঠনৰ উদ্দেশ্যে যোৱা ১১ অক্টোবৰত সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত চৰকাৰী নিৰ্দেশ অনুসৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে আৰিফ উদ্দিনক সভাৰ সৰ্বসন্মতি সাপেক্ষে নিৰ্বাচন কৰাৰ লগতে ১৭ জনীয়া এখন কাৰ্যকৰী কমিটী গঠন কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল মালিকৰ নেতৃত্বত শান্তিপূৰ্ণভাৱে সমিতি গঠন হৈ যায়। এই উপলক্ষে আয়োজিত সভাৰ সভাপতি খলিলুৰ ৰহমানে। সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি খলিলুৰ ৰহমানে। সভাত বিদ্যালয়খনৰ এলুমিনি কমিটীৰ সভাপতি তাজুল ইছলাম চৌধুৰী আৰু সমন্বয়ক ছাদিকুজ জামান উপস্থিত থাকে।

# পাঁচবছৰীয়া ম্যাদ উকলাৰ পাছতো বঞ্চিত ২০১৭ত অষ্টম শ্ৰেণীৰ বৃত্তি লাভ কৰা ছাত্ৰ-ছাত্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ১৩ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে বিভিন্ন বিনামূলীয়া আঁচনিৰ উপৰি আন কেতবোৰ আঁচনিৰ নামত কোটি কোটি টকা ব্যয় তথা প্ৰদানৰ বিষয়ে ঘোষণা কৰিছে যদিও আন বহু গুৰুত্বপূৰ্ণ বিষয়ত প্ৰাপ্য ধন মোকলাই দিয়াত ব্যৰ্থ হৈছে। আনকি ছাত্ৰ-ছাত্ৰী বৃত্তি পৰীক্ষাৰ উত্তীৰ্ণ হোৱাৰ পাছত চৰকাৰে আদায় দিবলগীয়া ধনো যোৱা সময়ছোৱাত আদায় দিব পৰা নাই বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে। শেহতীয়াকৈ লাভ কৰা তথ্য অনুসৰি, ২০১৬ত অনুষ্ঠিত অষ্টম শ্ৰেণীৰ বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰে নিয়ম অনুসৰি ২০১৮ত আদায় দিয়া জলপানিৰ ধনৰ চেকৰ জৰিয়তে পাঁচবছৰৰ পাছত নিয়ম অনুসৰি লাভ কৰিব লাগে যদিও নিয়ম অনুসৰি পাঁচবছৰীয়া ম্যাদ অতিক্ৰম কৰা সত্ত্বেও আজিলৈকে ছাত্ৰ-ছাত্ৰীসকলে সেই ধন লাভ কৰা নাই। আনহাতে, সেই ধন মোকলাবলৈ যোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে বেংক কৰ্তৃপক্ষৰ পৰা জানিব পাৰে যে চৰকাৰে নিৰ্দিষ্ট বেংকত ছাত্ৰ-ছাত্ৰীসকলে পাবলগীয়া ধন জমা নিদিয়াত বেংকে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ প্ৰাপ্য ধন আদায় দিব পৰা নাই। উল্লেখ্য যে পৰীক্ষাৰ ফলাফল ২০১৭ত ঘোষণা হোৱাৰ পাছত ২০১৮ত বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক এই ডিএফচি বেংকৰ চেক আদায় দিয়া হৈছিল ২০১৮ত। এই ধন ছাত্ৰ-ছাত্ৰীসকলে সেই বেংকত মুকলি কৰা একাউণ্টযোগে পাঁচবছৰৰ পাছত লাভ কৰাৰ ব্যৱস্থা কৰিছিল চৰকাৰে। কিন্তু ইতিমধ্যেই সেই পাঁচবছৰীয়া ম্যাদ মে'ত উকলি যোৱাৰ পাছত তেজপুৰৰ বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এইছডিএফচি বেংকত চেক জমা দি প্ৰাপ্য ধন মোকলাবলৈ গৈ হতাশ হ'বলগীয়া হয়। বেংক কৰ্তৃপক্ষই তেওঁলোকক জনায় যে ছাত্ৰ-ছাত্ৰীসকলক আদায় দিবলগীয়া ধন চৰকাৰে যিহেতু এই পৰ্যন্ত বেংকক জমা দিয়া নাই, গতিকে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰাপ্য ধন এতিয়া লাভ নকৰে। একাংশ ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত চেকখন বেংক কৰ্তৃপক্ষলৈ জমা লৈ তেওঁলোকক সেই চেকৰ এখন জেৰক্স কপি দি ওভতাই পঠিয়াই। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীসকলক পাঁচহেজাৰ টকা বৃত্তিৰ জলপানি হিচাপে চেক আদায় দিয়া হৈছিল আৰু পাঁচবছৰৰ ফিক্সড ডিপ'জিটৰ পাছত সেই পৰিমাণ সাতহেজাৰলৈ বৃদ্ধি পোৱাৰ নিৰ্দিষ্ট সময়ৰ পাছত এই ধন মোকলোৱাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু ৰাজ্যৰ অৰ্থনীতি সৱল বুলি ফিতাহি মৰা চৰকাৰে এই পৰ্যন্ত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাপ্য ধনেই জমা নিদিয়া বুলি বেংক কৰ্তৃপক্ষই প্ৰকাশ কৰাত এতিয়া ছাত্ৰ-ছাত্ৰীসকল আশাহত হৈ প্ৰাপ্য লাভৰ বাবে অপেক্ষা কৰাৰ বিকল্প নোহোৱা হৈছে।

## বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ফাতেহা দোৱাজ দাহম উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ১৩ অক্টোবৰ ঃ** দৰং জিলাৰ বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় ফাতেহা-ই দোৱাজ দাহম। কাৰ্যসূচী অনুযায়ী, পুৱা চাফাই অভিযান, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি আলিমুদ্দিন আহমেদৰ সঞ্চালনাত অনুষ্ঠিত মিলাদ-ই মেহফিলৰ মুকলি সভাত খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰবী শিক্ষক হাফিজ মৌলানা আহচানুল ইছলামে নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি কয় যে চৰিত্ৰ যদি ঠিকে থাকিব লাগে তেনেহ'লে হজৰত মহম্মদৰ বিষয়ে অধ্যয়ন কৰিব লাগিব। ইছলামৰ ধৰ্মই হ'ল শান্তি। গতিকে ইছলামৰ বাণীৰে সকলোকে উদ্বুদ্ধ হ'বলৈ ভাষণ প্ৰসংগত আহ্বান জনায়। ইয়াৰ পূৰ্বে সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় সম্পাদিকা হানিফা বেগমে। মিলাদৰ সভাৰ আঁত ধৰে ৰিতুল হক চৌধুৰীয়ে। সভাত উপস্থিত থাকে ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সদস্য মিনাৰুদ্দিন আহমেদ, পৰিচালনা সমিতিৰ উপ-সভাপতি জামান ওৱাহেদুৰ খণ্ডকৰ আদি। ফাতেহা-ই দোৱাজ দাহম উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ বিতৰণ কৰা হয়। ৰচনা প্ৰতিযোগিতাত প্ৰথম নাৰ্গিছ খানম, দ্বিতীয় ৰিজুমা বেগম, তৃতীয় জুবেইৰ আলমক পুৰস্কাৰ প্ৰদান কৰে।

## বাগ্‌সাৰ অঞ্চলীত অগ্নিনিৰ্বাপক বাহিনীৰ মকড্ৰিল কাৰ্যসূচী ৰূপায়ণ



অগ্ৰদূত বাৰ্তা
**জালাহ, ১৩ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ অঞ্চলীস্থিত অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয়ত যোৱা ১১ অক্টোবৰত অসম চৰকাৰৰ বাঘমাৰা ফায়াৰ এণ্ড ইমাৰ্জেন্সী ছাৰ্ভিচৰ উদ্যোগত এক সজাগতা অভিযান আৰু মকড্ৰিল কাৰ্যসূচী ৰূপায়ণ কৰে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰা এই সজাগতা অভিযান আৰু মকড্ৰিল কাৰ্যসূচীত বাঘমাৰা ফায়াৰ এণ্ড ইমাৰ্জেন্সী ছাৰ্ভিচৰ ফায়াৰ মেন আৰু সমল ব্যক্তি জয় পালে বানপানীত পতিত এগৰাকী ব্যক্তিক কেনে ধৰণৰ কৌশল অৱলম্বন কৰি উদ্ধাৰ কৰিব পাৰি তাৰ ওপৰতো এক কৌশলময় বক্তব্য প্ৰদান কৰে। সজাগতা অভিযান আৰু মকড্ৰিল কাৰ্যসূচীত অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয় প্ৰধান শিক্ষক বিৰাজ দাস, বিশিষ্ট অভিনেতা খনিন দাস, শিক্ষক বিপুল কুমাৰ শৰ্মা, পংকজ দাস, উদয় দাস, মনোজ দাস, ধ্ৰুৱ দাস, শিক্ষয়িত্ৰী জুৰি কলিতা, মঞ্জিতা নাথ, সোনমণি দাস, ভানুপ্ৰভা দাসকে আদি কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## বজালীৰ কঠালমুৰীঘাটত খেল মহাৰণ সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা সভা



অগ্ৰদূত বাৰ্তা
**শালবাৰী, ১৩ অক্টোবৰ ঃ** আগন্তুক পাঁচ আৰু ছয় নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া খেল মহাৰণ সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে বজালীৰ কঠালমূৰীঘাটৰ 'নৱজ্যোতি ক্লাব'ত কালি এক গুৰুত্বপূৰ্ণ আলোচনা সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত অঞ্চলটোত অনুষ্ঠিত হ'বলগীয়া খেল মহাৰণৰ সবিধা-অসুবিধাসমূহৰ বিষয়ে পুংখানুপুংখ ৰূপত আলোচনা কৰা হয়। উল্লেখ্য যে ৰাজ্যখনৰ চুকে-কোণে লুকাই থকা উদীয়মান ক্ৰীড়া প্ৰতিভাসকলক উলিয়াই অনাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ পোনপটীয়া উদ্যোগত এই খেল মহাৰণৰ আয়োজন কৰা হৈছে।

### অনুষ্ঠিত হ'ব চাৰিবিধকৈ খেল

উক্ত খেল মহাৰণৰ জৰিয়তে ৰাজ্যখনৰ ক্ৰীড়া প্ৰতিভাসকলে তেওঁলোকৰ ক্ৰীড়া নৈপুণ্য উজাৰি দিয়াৰ লগতে নিজৰ ক্ৰীড়া প্ৰতিভাৰ স্বীকৃতি আদায়ৰ কাৰণে এখন মঞ্চ লাভ কৰিব বুলি ইতিমধ্যে ৰাজ্য চৰকাৰৰ পক্ষৰ পৰা ঘোষণা কৰা হৈছে। উল্লেখ্য যে, আগন্তুক নৱেম্বৰত ১১৫ নম্বৰ ধুমাৰপথাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত কঠালমূৰীঘাটৰ নৱজ্যোতি ক্লাবৰ উদ্যোগত খেল মহাৰণ অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে। কালিৰ এই আলোচনাত নৱজ্যোতি ক্লাবৰ সম্পাদক জিন্তু কলিতা আৰু সহকাৰী সাধাৰণ সম্পাদক প্ৰাঞ্জল দাসৰ লগতে ৰাজু কলিতা, পিংকু কলিতা, হৰকান্ত দাস, ভুবন কাকতি, অৰূপ গোস্বামী প্ৰমুখ্যে ক্লাবটোৰ কে'বাগৰাকী বিষয়ববীয়াৰ উপৰি ভৱানীপুৰ সমষ্টিৰ খেল মহাৰণৰ তত্ত্বাৱধায়ক দিলীপ কুমাৰ দাস আৰু কুসুম ডেকা উপস্থিত থাকে।

## চিনামৰা মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ১৩ অক্টোবৰ ঃ** চিনামৰা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ, মহিলা কোষ আৰু ইউনেস্ক' কেন্দ্ৰৰ সহযোগত বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি কালি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাকৈ আয়োজন কৰা এই বক্তৃতানুষ্ঠানৰ বিষয় আছিল। 'মানসিক স্বাস্থ্য আৰু কল্যাণ সাধন' শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক তৰুণ শইকীয়াই আঁত ধৰা উক্ত বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট চিকিৎসক তথা জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ অৰুণ কুমাৰ শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মনোগ্ৰাহী হোৱাকৈ বক্তৃতা প্ৰদান কৰে। সাম্প্ৰতিক সময়ত ছাত্ৰ-ছাত্ৰীসকলক মানসিক পৰিপক্কতাৰে ভৱিষ্যৎ জীৱন কেনেকৈ সুস্থ মানসিকতাৰে গঢ়ি তুলিব পাৰে তাৰ ওপৰত আলোকপাত কৰে চিকিৎসা বিষয়াজনে। মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত উক্ত বক্তৃতানুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আদি উপস্থিত থাকে।

## ৰূপালী জয়ন্তী বৰ্ষত উপনীত লক্ষীবাৰীৰ ৰাস মহোৎসৱ

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ১৩ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ বৃহত্তৰ লক্ষীবাৰী অঞ্চলৰ অগ্ৰণী সাংস্কৃতিক, আধ্যাত্মিক আৰু সামাজিক অনুষ্ঠান শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষীবাৰীৰ উদ্যোগত আৰু প্ৰায় ৩৩ খন গাঁৱৰ সহযোগত বিগত বছৰৰ দৰে এইবছৰো ২৫ সংখ্যক ৰাস মহোৎসৱ আৰু পূৰ্ণাংগ নাটক প্ৰদৰ্শনৰ প্ৰস্তুতি চলোৱা হৈছে। সেই উপলক্ষে অলপতে শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষীবাৰীৰ প্ৰাক্তন সভাপতি পুতুল দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত সৰ্বসন্মতি মৰ্মে ২৫ সংখ্যক ৰায় মহোৎসৱৰ উদ্‌যাপনৰ বাবে ভৰেন গগৈ আৰু পিংকু শইকীয়াক উপদেষ্টা পুতুল দত্তক সভাপতি, দ্বীজেন শইকীয়াক কাৰ্যকৰী সভাপতি, ধীৰেন দত্ত আৰু বিজিত গগৈক উপ-সভাপতি বিপুল গগৈ আৰু পাৰ্থপ্ৰতিম শইকীয়াক যুটীয়া সম্পাদক, অপূৰ্ব দত্ত, নিপু হাজৰিকা,

### উদ্‌যাপন সমিতি গঠন

গৌৰাংগ বৰা, বেদান্ত গগৈক সহকাৰী সম্পাদক, নোমল শইকীয়া আৰু অনন্ত শইকীয়াক বিত্ত সম্পাদক, কৰিশ্মা শইকীয়া, মুনমী বৰা আৰু সৌৰভ হাজৰিকাক সাংস্কৃতিক সম্পাদকৰূপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হয়। আনহাতে, ৰাজহুৱা সভাই ২৬ নৱেম্বৰত ৰূপালী জয়ন্তী সামৰণি অনুষ্ঠান, ২৭ নৱেম্বৰত নন্দেশ্বৰ দত্ত, জগত বৰবৰুৱা আৰু প্ৰাঞ্জল শইকীয়াৰ পৰিচালনাত শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা, ২৮ আৰু ২৯ নৱেম্বৰত গকুল বৰা আৰু পিংকু শইকীয়াৰ পৰিচালনাত দুখনকৈ পূৰ্ণাংগ নাটক মঞ্চস্থ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰি তিনিদিনৰ কাৰ্যসূচীৰ বাবে বোলছবি জগতৰ জনপ্ৰিয় অভিনেত্ৰী ৰিম্পী দাস, কৌতুক অভিনেতা অৰুণ হাজৰিকা আৰু অভিনেতা মেঘৰঞ্জনী মেধিক আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ কাৰ্যসূচীসমূহৰ আঁত ধৰে কলামঞ্চৰ সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই।

## দেৰগাঁও টাউন ব্লক কংগ্ৰেছ কমিটীৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ জন্মবাৰ্ষিকী উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**দেৰগাঁও, ১৩ অক্টোবৰ ঃ** দেৰগাঁৱৰ জেলেহুৱা গাঁও নাট্য মন্দিৰত কাকডোঙা ব্লক কংগ্ৰেছী কমিটী আৰু দেৰগাঁও টাউন ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত গৌৰৱ গগৈ ফেনচ ক্লাবৰ সহযোগত জননেতা তৰুণ গগৈৰ ৮৯সংখ্যক জন্মবাৰ্ষিকী উদ্‌যাপন কৰা হয়। এই উপলক্ষে তেওঁৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে দেৰগাঁও টাউন মণ্ডলৰ সভাপতি বিনন্দ সন্দিকৈয়ে। প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ কৰ্মময় জীৱনৰ ওপৰত আলোকপাত কৰে গোলাঘাট জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী বন্তি আহমেদ, দেৰগাঁও টাউন কংগ্ৰেছ কমিটীৰ উপ-সভাপতি গোপাল কৃষ্ণ খাউণ্ড, গোলাঘাট জিলা মহিলা কংগ্ৰেছৰ উপ-সভানেত্ৰী নিজৰা বৰুৱা, কাকডোঙা ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিনোদ কুৰ্মী, সূৰ্যমোহন হাজৰিকা, যুৱনেতা সত্যজিত হাজৰিকা, প্ৰবীণ কংগ্ৰেছ কৰ্মী ৰাজীৱ হাজৰিকা আদিয়ে। অনুষ্ঠানৰ আঁত ধৰে কাকডোঙা ব্লক কংগ্ৰেছৰ সভাপতি ভৰেন গগৈয়ে। সভাত উপস্থিত থাকে কাকডোঙা ব্লক কংগ্ৰেছৰ প্ৰশাসনিক সম্পাদক পৱিত্ৰ দত্ত, ববিতা ঘোষ, মানস প্ৰতিম বৰা, ৰশ্মিৰেখা বৰা, ভোলা বৰা। গৌৰৱ গগৈ ফেনচ ক্লাব দেৰগাঁৱৰ হৈ জয় কৃষ্ণ বৰুৱা, মাহমুদ হাচান, নয়নজ্যোতি নাইদিং ছা আদি।

## গোৱালপাৰাৰ পাঁচ শিল্পীক সাংস্কৃতিক মহাসভা, অসমৰ বঁটা-সম্বৰ্ধনা জ্ঞাপন

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১৩ অক্টোবৰ ঃ** সাংস্কৃতিক মহাসভা অসমে গোৱালপাৰা জিলাৰ পাঁচগৰাকীকৈ শিল্পীক বঁটা প্ৰদান কৰিছে। উল্লেখ্য যে সাংস্কৃতিক মহাসভা, অসমৰ উদ্যোগত যোৱা আঠ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত পঞ্চম ৰাজ্যিক বঁটা আৰু উপাধি প্ৰদান অনুষ্ঠান অনুষ্ঠিত হৈ যাব। উক্ত অনুষ্ঠানত অসমৰ শতাধিক বৰেণ্য ব্যক্তিক বঁটা, উপাধি আৰু সম্বৰ্ধনা প্ৰদান কৰে অসমৰ ৰাজ্যপাল গোলাপ চান্দ কাটাৰীয়াই। ইয়াৰে গোৱালপাৰা জিলাৰ ক্ৰমে গোৱালপাৰা চহৰৰ টিলাপাৰাৰ বাসিন্দা তথা বাদ্যযন্ত্ৰী শিল্পী নিৰ্মল কুমাৰ নাথক জীৱনজোৰা সাধনা বঁটা, আগিয়াৰ বাসিন্দা তথা মহাবাহু চাৰ্কাছৰ প্ৰযোজক আৰু নাট্যশিল্পী প্ৰিয় নাথ, চহৰৰ টিলাপাৰা নিৱাসী তথা ভকত দিলীপ কুমাৰ বৈশ্য, কৃষ্ণাইৰ সংগীতশিল্পী তথা গীতিকাৰ, সুৰকাৰ জোনাৱ আলী আৰু দলগোমা নিৱাসী তথা বাদ্যযন্ত্ৰী শিল্পী, সংগীত শিল্পী তপন শীলক সাংস্কৃতিক মহাসভা অসমৰ তৰফৰ পৰা ৰাজ্যপালজনে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত সাংস্কৃতিক মহাসভা অসমে তিনিখনকৈ গ্ৰন্থ উন্মোচন কৰে।

## সাংস্কৃতিক মহাসভা অসমৰ ওদালগুৰি জিলা সমিতিৰ দ্বিতীয় ত্ৰি-বাৰ্ষিক অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা
**টংলা, ১৩ অক্টোবৰ ঃ** অসমৰ লোক সংস্কৃতি শুদ্ধৰূপত উপস্থাপন, প্ৰচাৰ-প্ৰসাৰ কৰি অসমবাসীক জনোৱাৰ দায়িত্ব আৰু কৰ্তব্য ওদালগুৰি জিলা সমিতিৰ। সংস্কৃতি সমন্বয়ৰ সোপান শীৰ্ষক মূলমন্ত্ৰেৰে কালি ওদালগুৰি জিলাৰ টংলাস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতিভৱন প্ৰাংগণত সাংস্কৃতিক মহাসভা অসমৰ ওদালগুৰি জিলা সমিতিৰ দ্বিতীয় ত্ৰি-বাৰ্ষিক অধিবেশনত এই মন্তব্য কৰে সাংস্কৃতিক মহাসভা অসমৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মাই। ওদালগুৰি জিলা সমিতিৰ সভাপতি ডঃ হৰিৰাম দাসে পতাকা উত্তোলনেৰে আৰম্ভ কৰে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতিভৱন পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্তই। ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি ৰঞ্জিত কুমাৰ দাসে মাল্যাৰ্পণ কৰা কাৰ্যসূচীৰ পাছতে সাংস্কৃতিক মহাসভা অসমৰ পৰম সন্মানীয় সদস্য তথা বিশিষ্ট অনাতাঁৰ শিল্পী প্ৰফুল্ল কুমাৰ বৰুৱাই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে। অনুষ্ঠানত গীত পৰিবেশন কৰে গায়ত্ৰী দেৱী, অনিমা নাথ, যত্না ৰাভা, সন্ধ্যা তামুলী, অৰ্চনা বৰুৱা চলিহা, হেমলতা নাথ, গায়ত্ৰী বৰা তালুকদাৰ, দিপালী বৰ্মন, দণ্ডিৰাম শৰণীয়াই। ভায়োলিন বাদন পৰিবেশন কৰে বিশিষ্ট ভায়োলিন বাদক নৱজিৎ দাস আৰু তেওঁৰ শিষ্য জিজ্ঞাস দাস আৰু জ্যোৎস্না দে। জিলা সমিতিৰ সভাপতি ডঃ হৰিৰাম দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মা, পৰম সদস্য তাৰানাথ কলিতাই ভাষণ দিয়ে। জিলা শাখাৰ শিল্পীবৃন্দই সমবেত সংগীত পৰিবেশন কৰা, উপ-সভাপতি হিৰণ দেৱীয়ে আদৰণি ভাষণ দিয়া আৰু জিলা শাখাৰ সম্পাদক জ্ঞানেন্দ্ৰ কুমাৰ চলিহাই আঁত ধৰা সভাত সাংস্কৃতিক মহাসভা অসমৰ পৰম সন্মানীয় সদস্য ক্ৰমে ধৰণীধৰ মেধি, তাৰানাথ কলিতা, সাংস্কৃতিককৰ্মী মাধৱ ৰাভা, নাট্যশিল্পী পুলিন তালুকদাৰ, টংলা সাহিত্য সভা সম্পাদক দিবাকৰ বৰা প্ৰমুখ্যে ১৫খন আঞ্চলিকৰ বিষয়ববীয়া উপস্থিত থাকে।

### নতুন সমিতি গঠন

বিষয় বাছনি সভাত পুনৰবাৰ ডঃ হৰিৰাম দাসক সভাপতি, হিৰণ দেৱী, ৰঞ্জিত কুমাৰ দাসক উপ-সভাপতি আৰু জ্ঞানেন্দ্ৰ কুমাৰ চলিহাক সাধাৰণ সম্পাদকৰূপে লৈ নতুন সমিতিখন গঠন কৰে।

## সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**দেৰগাঁও, ১৩ অক্টোবৰ ঃ** বিভিন্ন জাতি-উপ-জাতিৰ ৰহণীয়া কৃষ্টিৰ অন্যতম দিহানামৰ এক সদৌ অসম ভিত্তিত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। গোলাঘাট জিলাৰ বৃহত্তম ব্ৰহ্মপুত্ৰ অঞ্চলৰ এক নম্বৰ খকণ্ডগুৰি গাঁৱৰ ৰাইজৰ উদ্যোগত অহা চাৰি আৰু পাঁচ নৱেম্বৰত সদৌ অসম ভিত্তিত আয়োজন কৰিবলৈ লোৱা এই দিহানাম প্ৰতিযোগিতাৰ বাবে ইতিমধ্যেই নাৰায়ণ হাজৰিকাক সভাপতি, অনন্ত কুমাৰ বৰাক কাৰ্যকৰী সভাপতি আৰু বিদ্যুত বৰা, জিণ্টু বৰাক যুটীয়া সম্পাদক হিচাপে লৈ গঠিত উদ্‌যাপন সমিতিয়ে সকলো যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰথম চাৰিটা স্থান প্ৰাপ্তৰ বাবে ক্ৰমে ১২ হেজাৰ, আঠ হেজাৰ ছয় হেজাৰ আৰু তিনি হেজাৰ টকাৰ নগদ ধনসহ মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হ'ব। এই প্ৰতিযোগিতাখন অহা চাৰি নৱেম্বৰৰ দিনৰ ১১ বজাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মুকলি কৰিব দেৰগাঁৱৰ উদয়ন একাডেমীৰ অধ্যক্ষ ভাস্কৰ বৰাই। পুৰুষ-মহিলা চেমনীয়াকে ধৰি সকলো বয়সৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পৰা এই প্ৰতিযোগিতাত ১২ জনীয়া দলে পৰম্পৰাগত পোছাক পৰিধান কৰি দিহানাম পৰিৱেশ কৰিব পাৰিব। প্ৰতিযোগিতাত নিৰ্বাচিত দলক পাঁচ নৱেম্বৰত এক নম্বৰ খকণ্ডগুৰি গাঁৱৰ বৰনামঘৰত অনুষ্ঠিত হ'ব লগা বঁটা বিতৰণী সভাত নগদ ধনসহ পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ নামভৰ্তি মাচুল সাতশ টকা। প্ৰতিযোগিতাৰ বাবে আগ্ৰহীসকলে ফোন নম্বৰ ৮৬৩৮২৭১৯৭৯, ৯১০১৪৩৭৭২৭ যোগে আগতীয়াকৈ যোগাযোগ কৰি নামভৰ্তি নিশ্চিত কৰিবলৈ সমিতিয়ে আহ্বান জনাইছে।

## প্ৰাক্তন প্ৰেমিকক হত্যাৰ উদ্দেশ্যে বহিঃৰাজ্যৰ 'চুপাৰি কিলাৰ' নিয়োগ

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ১৩ অক্টোবৰ ঃ** যোৱা ১১ অক্টোবৰৰ নগৰৰ উপকণ্ঠ লিচুবাৰীত সংঘটিত অজ্ঞাত আততায়ীৰ গুলি চালনাৰ ঘটনাত বহিঃৰাজ্যৰ চুপাৰি কিলাৰ জড়িত থকাৰ গুৰুতৰ তথ্য পোহৰলৈ আহিছে। চলন্ত গাড়ীত গুলীয়াই বসন্ত দাস নামৰ এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক গুৰুতৰভাৱে আহত কৰা ঘটনাৰ তদন্তকাৰী আৰক্ষী বিষয়াই এই কথা প্ৰকাশ কৰিছে। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি, যোৱা ১১ অক্টোবৰত আটক কৰা দিম্পলজিৎ গগৈ আৰু মনালিছা হাজৰিকা নামৰ এগৰাকী যুৱতী মিলি বসন্ত দাসক হত্যা কৰাৰ উদ্দেশ্যে যোৱা ১১ অক্টোবৰৰ ঘটনাটো পৰিকল্পনা কৰিছিল আৰু বহিঃৰাজ্যৰ চুপাৰি কিলাৰ নিয়োগ কৰিছিল।

### আৰক্ষীৰ তদন্তত চাঞ্চল্যকৰ তথ্য

উল্লেখ্য যে যোৱা ১১ অক্টোবৰৰ যি গৰাকী ৰহস্যময়ী যুৱতীয়ে জেএমচিত আহত বসন্ত দাসক শুশ্ৰূষাত ব্যস্ত হৈ পৰিছিল, সেইগৰাকী যুৱতীকে কালি গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ধৃত মনালিছা হ'ল বসন্তৰ প্ৰাক্তন আৰু দিম্পলজিতৰ বৰ্তমানৰ প্ৰেমিক। প্ৰাক্তন প্ৰেমিকক চিৰদিনৰ বাবে তেওঁলোকৰ মাজৰ পৰা আঁতৰাই পঠাবলৈকে দুয়ো মিলি এই পৰিকল্পনা কৰা বুলিও আৰক্ষীয়ে তথ্য লাভ কৰিছে। উল্লেখ্য যে এই ঘটনা সন্দৰ্ভত যোৰহাট আৰক্ষীয়ে ৪৭৭/২৩ নম্বৰত আৰু ভাৰতীয় দণ্ড বিধিৰ ১২০বি/৩৪১/২২৬/৩০৭ নম্বৰ ধাৰাৰ উপৰি আৰ-ডব্লিউ চেকচন ২৫(১/ইউ) ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। দুয়ো পৰকীয়া প্ৰেমিক যুগলক কালি গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰাই দুদিনৰ বাবে নিজৰ জিম্মাত লৈছে আৰক্ষীয়ে।

## ২৫ অক্টোবৰৰ পৰা অনুষ্ঠিত হ'ব অসম সাংস্কৃতিক মহাসংগ্ৰাম

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১৩ অক্টোবৰ ঃ** যুৱ প্ৰতিভাক বিকশিত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত অহা ২৫ অক্টোবৰৰ পৰা ২০২৪ৰ সাত ফেব্ৰুৱাৰীলৈ অসম সাংস্কৃতিক মহাসংগ্ৰামৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ অধীনত প্ৰতিখন গাঁও পঞ্চায়ত, ৱাৰ্ড, ভিচিডিচি আৰু এমএচি পৰ্যায়ত জ্যোতি সংগীত, ৰবীন্দ্ৰ সংগীত, বিষ্ণুৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, বিহু নৃত্য আৰু অসমৰ লোকনৃত্যৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে বয়সৰ সময়সীমা 'ক' শাখাৰ বাবে ১২ৰ পৰা ১৮ বছৰ, 'খ' শাখাৰ বাবে ১৯ৰ পৰা ২৪ বছৰ আৰু 'গ' শাখাৰ বাবে ২৫ৰ পৰা ৩৫ বছৰ হ'ব লাগিব।

### বিশ্বনাথ জিলাৰ আগ্ৰহী প্ৰতিযোগীক অংশগ্ৰহণ কৰাৰ আহ্বান

বিশ্বনাথ জিলাৰ অন্তৰ্গত আগ্ৰহী প্ৰতিযোগীসকলে অফলাইন আবেদন পত্ৰ directorcultureassam.gov.inৰ পৰা ডাউনলোড কৰি নিজ নিজ অঞ্চলৰ পঞ্চায়তৰ কাৰ্যালয়, পৌৰসভাৰ কাৰ্যালয় অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগিব। গাঁও পঞ্চায়ত, ৱাৰ্ড, ভিচিডিচি আৰু এমএচি পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ তিনিগৰাকী বিজয়ীয়ে বিধানসভা পৰ্যায়, বিধানসভা পৰ্যায়ৰ প্ৰতিটো শাখাৰ তিনিগৰাকী বিজয়ীয়ে জিলা পৰ্যায় আৰু জিলা পৰ্যায়ৰ প্ৰতিটো শাখাৰ তিনিগৰাকী বিজয়ীয়ে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব। বিশ্বনাথ জিলা প্ৰশাসনে এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা জানিবলৈ দিছে।

## আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ৰূপ সৌন্দৰ্যচৰ্চাৰ প্ৰতিষ্ঠান 'ভিএলচি'ৰ ডিব্ৰুগড়ত শাখা মুকলি

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** ৰূপচৰ্চা, সৌন্দৰ্যচৰ্চা, জীৱন শৈলী চৰ্চা আৰু চৰ্মৰোগৰ চিকিৎসাৰ জৰিয়তে বাংলাদেশ, শ্ৰীলংকা, থাইলেণ্ড, ডুবাইসহ বিশ্বৰ কে'বাখনো দেশত আৰু দেশৰ বিভিন্ন প্ৰান্তত যথেষ্ট জনপ্ৰিয়তা লাভ কৰা 'ভিএলচিচ'ৰ নামৰ ৰূপ সৌন্দৰ্য চৰ্চাৰ অন্যতম প্ৰতিষ্ঠানটোৱে উজনি অসমৰ ডিব্ৰুগড়ত তেওঁলোকৰ শাখা মুকলি কৰিছে। ডিব্ৰুগড় চৌকিডিংগি মানকটা পথৰ বন্ধন বেংক ভৱনৰ তৃতীয় মহলাত মুকলি কৰাৰ বাবে সাজু কৰিছে ভিএলচিৰ শাখাটো। ৰাজ্যৰ গুৱাহাটীৰ পাছতেই ডিব্ৰুগড়ত তেওঁলোকৰ শাখা মুকলি কৰিছে। ভি এল চিৰ সৌন্দৰ্য-ৰূপচৰ্চাৰ উৎপাদিত প্ৰসাধন সামগ্ৰী আৰু সেৱাৰ বিষয়ে এক সংবাদ মেলৰ জৰিয়তে স্বত্বাধিকাৰী ডাঃ জিয়াউল ইছলাম আৰু জাফৰিনা ইছলাম, আব্দুল খালেকে এক সংবাদ মেলৰ জৰিয়তে প্ৰতিজন লোকে মন আৰু শৰীৰ পৰা সৌন্দৰ্যশীল হৈ থাকিব বিচৰা বুলি উল্লেখ কৰি ইতিমধ্যে ভাৰত আৰু এছিয়া মহাদেশত যথেষ্ট জনপ্ৰিয়তা লাভ কৰা ভি এল চি চিৰ ডিব্ৰুগড়ত মুকলি হোৱা বিষয়টোৱে নৱপ্ৰজন্মৰ বাবে এক সুখবৰ বুলি কয়। শ্লিমিং তথা মেদ হ্ৰাস, কেশ, চৰ্ম আৰু ৰূপসজ্জাৰ বিভিন্ন সেৱাসমূহৰ উপলব্ধ সন্দৰ্ভত সংবাদমেলত কয়।

# বৃন্দাৱনী বস্ত্ৰ সাধাৰণ বস্ত্ৰ নহয়, ই এক আশ্বৰ্যকৰ অনুপম সৃষ্টি

■ সত্ৰত শংকৰী যুগৰ বৃন্দাৱনী বস্ত্ৰৰ ওপৰত গৱেষণামূলক আলোচনাচক্ৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ১৩ অক্টোবৰ ঃ** ঢেকিয়াজুলি কঁহাৰ গাঁওস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকাংসপাৰ মাজঠাই সত্ৰৰ উদ্যোগত, পাৰ্শ্বৱৰ্তী গাঁৱৰ ভক্ত বৈষ্ণৱ ৰাইজৰ সহযোগত সত্ৰৰ প্ৰাংগণত যোৱা ন অক্টোবৰত শংকৰী যুগৰ বৃন্দাৱনী বস্ত্ৰৰ ইতিবৃত্ত কলা-সমাহাৰ আৰু চিত্ৰ বিশ্লেষণৰ ওপৰত এক গৱেষণামূলক আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত আলোচনাচক্ৰ সঞ্চালনা কৰে শ্ৰীশ্ৰী কাংসপাৰ বৰঠাই সত্ৰৰ সত্ৰাধিকাৰ তথা অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক ঈশ্বৰকান্ত দেৱমহন্তই। সাংবাদিক পবিত্ৰ মহন্তই আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত গৱেষণামূলক আলোচনাচক্ৰৰ মূল বিষয় 'শংকৰী যুগৰ বৃন্দাৱনী বস্ত্ৰৰ ইতিবৃত্ত কলা-সমাহাৰ আৰু চিত্ৰ বিশ্লেষণ'ৰ মুখ্য বক্তাৰূপে অংশগ্ৰহণ কৰি বস্ত্ৰ প্ৰস্তুত কৰ্তা বিশিষ্ট চিত্ৰ ভাস্কৰ্য শিল্পী তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ ৰঞ্জিত কুমাৰ বৰুৱাই মহাপুৰুষজনাৰ সৃষ্টি বৃন্দাৱনী বস্ত্ৰ সাধাৰণ বস্ত্ৰ নহয়, ই এক আশ্চৰ্যকৰ অনুপম সৃষ্টি বুলি কয়। তেওঁ কয় যে ইয়াত কলা আধ্যাত্মিক, বিজ্ঞান আদি সম্পূৰ্ণ বিমূৰ্তৰূপত নিহত হৈ আছে। গুৰুজনাৰ সৃষ্টি বৃন্দাৱনী বস্ত্ৰ ৰাজ্যখনৰ পৰা কেনেদৰে পাশ্চাত্যৰ দেশ পাইছিল আৰু বিদেশৰ সংগ্ৰহালয়ত সংগৃহীত হৈ থকা বিশ খণ্ড বস্ত্ৰৰ ওপৰত উপস্থিত ভক্ত বৈষ্ণৱ, ৰাইজৰ আগত যুক্তিভাৱে বৈজ্ঞানিক বিশ্লেষণ দাঙি ধৰাৰ লগতে বৃন্দাৱনী বস্ত্ৰৰ চলমান দৃশ্যৰাজি আলোক মাধ্যমেৰে ভক্ত বৈষ্ণৱ আৰু ৰাইজৰ আগত প্ৰদৰ্শন কৰে। উপস্থিত ভক্ত বৈষ্ণৱ আৰু ছাত্ৰ-ছাত্ৰীয়ে সেইসমূহ উপভোগ কৰি সন্তুষ্টি প্ৰকাশ কৰে আৰু ডঃ বৰুৱাক প্ৰশংসা কৰে। সমজুৱাৰ একাষাৰত ক্ৰমে স্তম্ভ লেখক, সমালোচক দীপক শইকীয়া, মাজঠাই সত্ৰ উন্নয়ন সমিতিৰ সভাপতি বিনয় মহন্ত, ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ অধ্যাপক ডঃ হিমান্ত



প্ৰতিম বৰগোহাঁই, তিতাৰাম বৰদলৈ বিদ্যালয়ৰ শিক্ষক বিমান শইকীয়াই বক্তব্যত ডঃ বৰুৱাই নিজা প্ৰচেষ্টাৰে এক দুঃসাধ্য কাম কৰি প্ৰকৃত শিল্পীৰ পৰিচয় দেখুৱাবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে। সঞ্চালকৰ ভাষণত সত্ৰাধিকাৰজনে কয় যে গুৰুজনাৰ অপূৰ্ব সৃষ্টি বৃন্দৰনী বস্ত্ৰৰ অনুকৃতীমূলক ধ্যান ধাৰণা ডঃ বৰুৱাৰ সৃষ্টি শৈলীত নিখুঁতৰূপত প্ৰকাশ পাইছে। বস্ত্ৰ ভাগি যদি চৰকাৰে উন্মোচন কৰি বিশ্ববাসীৰ আগত অসমীয়া তাঁত শিল্প উজলাই তুলিব বুলি আশা প্ৰকাশ কৰি এই সন্দৰ্ভত অসম সত্ৰ মহাসভাৰ লগত যোগাযোগ অব্যাহত ৰখাৰ উপৰি এই সচিত্ৰ বস্ত্ৰ নিখুঁত ৰূপত বিশ্ববাসীৰ আগত উজ্বলি উঠাৰ সম্ভাৱনা অধিক বুলি সদৰী কৰে। সত্ৰৰ তৰফৰ পৰা ডঃ বৰুৱাক ফুলাম গামোচা, চেলেং, সঁফুৰাই সত্ৰাধিকাৰ আৰু উপদেষ্টা ৰবীন চন্দ্ৰ দত্তই সম্বৰ্ধনা জনায়। অনুষ্ঠানত তিতাবৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰেশ বৰুৱা, অৱসৰপ্ৰাপ্ত অধ্যাপক যোগেন বৰুৱা, সত্ৰীয় গোবিন্দ মহন্ত, দিলীপ কুমাৰ বৰদলৈ, প্ৰবীণ কুমাৰ বৰদলৈ, মোহন বৰদলৈ, ভোগেশ্বৰ শইকীয়াই, গোলাপ বৰা, সমাজ কৰ্মী পৰেশ বৰদলৈ, শ্ৰীমন্ত শংকৰদেৱৰ সংঘ আঞ্চলিক শাখাৰ বিষয়ববীয়া গজেন শইকীয়া, ৰেৱ দত্ত, মানিক দত্ত, দিগন্ত কোঁৱৰ, সদৌ অসম ভাওনা সন্মিলনী জিলাৰ আৰু আঞ্চলিকৰ সম্পাদক প্ৰণৱ বৰদলৈ, প্ৰমুখ্যে কাংসপাৰ বৰঠাই সত্ৰ, চেঁচা সত্ৰ, কাংসপাৰ সত্ৰ, লেটুগাম সত্ৰ, আউনীআটী সত্ৰ, শ্ৰীমন্ত শংকৰদেৱে সংঘ আঞ্চলিক শাখা, বিদ্যালয়, মহাবিদ্যালয়, প্ৰাঞ্জল যুৱ সমাজ, অনুষ্ঠান-প্ৰতিষ্ঠান, আই-মাতৃসকলে অংশগ্ৰহণ কৰা সভাৰ সিদ্ধান্ত মৰ্মে ডঃ ৰঞ্জিত কুমাৰ বৰুৱাই প্ৰস্তুত কৰা শংকৰী যুগৰ বৃন্দাৱনী বস্ত্ৰৰ কলা সমাহাৰ বস্ত্ৰ ভাগি অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত উচ্চস্তৰীয় বিশ্লেষণেৰে যথাযথ নিৰ্ণয় কৰি বিশেষভাৱে সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে গুৰুজনাৰ অমূল্য সৃষ্টিৰাজি কোনো ধৰণৰ বিকৃত নঘটি যথাস্থানত সংৰক্ষণ কৰিবলৈ ৰাজহুৱা প্ৰস্তাৱ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে।






# হামাছক হত্যা কৰি ২৫০ পণবন্দীক মুক্তি

*এক পৃষ্ঠাৰ পৰা* ইজৰাইলৰ বহু নাগৰিক। ইজৰাইলী সেনাৰ দাবী অনুসৰি ছুফা আউট পʼষ্টৰ ওচৰত বাংকাৰত অভিযান চলাই বন্দীসকলক মুক্ত কৰাৰ সমান্তৰালভাৱে হামাছ বাহিনীৰ বহুতকে হত্যাও কৰিছে আৰু ২৬ জনক গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকৰ ভিতৰত হামাছৰ দক্ষিণৰ নেভাল ডিভিজনৰ ডেপুটি কমাণ্ডাৰ মহম্মদ আবু আলীও আছে।

বাংকাৰত প্ৰৱেশ কৰি ইজৰাইলী সেনাই এটাৰ পাছত আনটো কোঠাত তালাচী চলায় আৰু সেই সময়ত তেওঁলোকলৈ উৰি আহে ধাৰাসাৰ গুলি। এইদৰে আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত থাকে। মনকৰিবলগীয়া যে আজি ইজৰাইলৰ সʼতে হামাছৰ সংঘৰ্ষৰ সপ্তম দিন। ইতিমধ্যে তিনি হেজাৰ মানুহৰ মৃত্যু হৈছে।

### বিমান আক্ৰমণত নিহত ১৩ ইজৰাইলী পণবন্দী

ইপিনে, হামাছে আজি দাবী কৰে যে গাজাত ইজৰাইলী বিমান আক্ৰমণত নিহত হৈছে কমেও ১৩ জন ইজৰাইলী পণবন্দী। হামাছৰ এই বিবৃতিত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৰ ওপৰত চাপ বৃদ্ধি হোৱা বুলি ধাৰণা কৰা হৈছে। যোৱা সাত অক্টোবৰত হামাছৰ আকস্মিক আক্ৰমণত নেতানিয়াহু চৰকাৰৰ বিৰুদ্ধে চূড়ান্ত-ব্যৰ্থতাৰ অভিযোগ উঠিছে। সমান্তৰালভাৱে অপহৃতসকলৰ মুক্তিৰ দাবীত জনমত সৃষ্টি হৈছে। ফলত ইজৰাইলৰ বায়ুসেনাৰ আক্ৰমণত দেশখনৰ পণবন্দীৰ মৃত্যুৰ বাতৰিয়ে নেতানিয়াহুৰ চৰকাৰৰ অস্বস্তি বৃদ্ধি কৰিব পাৰে।

উল্লেখ্য যে যোৱা শনিবাৰে ৰকেট আক্ৰমণ আৰু পেৰাগ্লাইডাৰ ব্যৱহাৰ কৰি ইজৰাইলৰ ভূমিত হামাছৰ আকস্মিক আক্ৰমণ, স্থলপথত হামাছ বাহিনীৰ অনুপ্ৰৱেশ আৰু পৰৱৰ্তী পৰ্যায়ত দুই বাহিনীৰ তয়াময়া যুদ্ধৰ মাজতে প্ৰকাশ হয় যে গাজা সীমান্তত ইজৰাইলে নিৰ্মাণ কৰা ইস্পাতৰ 'দ্য গ্ৰেট স্মাৰ্ট ফেন্স' ভাঙি হামাছ বাহিনীয়ে ইজৰাইলৰ ভিতৰত প্ৰৱেশ কৰি বহু সংখ্যক ইজৰাইলীক বন্দী কৰে। এইসকলক গাজাৰ ভূগৰ্ভস্থ সুৰংগত আবদ্ধ কৰি ৰখা বুলি সন্দেহ কৰা হৈছে।

### গাজাৰ নাগৰিকক স্থান ত্যাগ কৰিবলৈ কʼলে ইজৰাইলে ঃ ৰাষ্ট্ৰসংঘৰ সকীয়নি

ইজৰাইলী সেনাই গাজাৰ বাসিন্দাসকলক ২৪ ঘণ্টাৰ ভিতৰত স্থানান্তৰিত হʼবলৈ দিয়া নিৰ্দেশত ক্ষোভ প্ৰকাশ কৰিছে ৰাষ্ট্ৰসংঘই। ইজৰাইলী সামৰিক বাহিনীয়ে ইতিমধ্যে গাজা সীমান্তত সাজু কৰিছে যুদ্ধ টেংক। তদুপৰি গাজা মহানগৰীৰ পৰা আঁতৰিবলৈ বাসিন্দাসকলক নিৰ্দেশ দি কয় যে তেওঁলোকে ব্যক্তিগত আৰু পৰিয়ালৰ সুৰক্ষাৰ বাবে দক্ষিণৰ দিশলৈ আঁতৰি যাব লাগে।

ইজৰাইল বাহিনীয়ে কয়, 'আপোনালোকক মানৱ ঢালৰ দৰে ব্যৱহাৰ কৰা হামাছ সন্ত্ৰাসবাদীৰ পৰা আঁতৰি থাকক। ইজৰাইল বাহিনীয়ে আগন্তুক দিনবোৰত অভিযান চলাব গাজা মহানগৰীত আৰু সাধাৰণ নাগৰিকৰ ক্ষতি কৰিব নিবিচাৰে।' এই কথাত ক্ষুব্ধ হৈছে ৰাষ্ট্ৰসংঘ আৰু ইয়াক অসম্ভৱ বুলি সকীয়নি দিয়ে ৰাষ্ট্ৰসংঘই। সংস্থাটোৱে ইজৰাইলৰ সামৰিক বাহিনীক গাজাৰ নাগৰিকসকলৰ প্ৰতি দিয়া নিৰ্দেশ প্ৰত্যাহাৰ কৰিবলৈ কয়।

অৱশ্যে ইজৰাইলৰ এই সকীয়নিৰ পাছত গাজা ভূখণ্ডৰ বাসিন্দাসকলে ঘৰ-বাৰী এৰি পলায়ন কৰিবলৈ ধৰিছে। ভিডিঅʼত প্ৰকাশ যে বিভিন্ন গাড়ীত কাপোৰ-কানি আৰু তুলি আদি লৈ তেওঁলোকে ঘৰ-বাৰী ত্যাগ কৰিবলৈ লৈছে। তথ্য অনুসৰি সীমান্তৱৰ্তী অঞ্চলত ইজৰাইলে তিনি লক্ষ সেনা নিয়োগ কৰিছে।

### ভাৰতৰ আবদ্ধক উদ্ধাৰ

ইপিনে, যুদ্ধ বিধ্বস্ত ইজৰাইলত আবদ্ধ হৈ থকা ২১২ জন ভাৰতীয় দেশলৈ ওভতাই আনে কেন্দ্ৰই। আজি পুৱা এই ভাৰতীয়সকলক লৈ নতুন দিল্লীত অৱতৰণ কৰে বিশেষ বিমানে। যোৱা নিশা ন বজাত বেন গুৰিয়ন বিমান বন্দৰৰ পৰা ভাৰত উদ্দেশি উৰা মাৰে প্ৰথমখন বিমান। এই অভিযানৰ নাম দিয়া হৈছে 'অপাৰেচন অজয়'। দেশলৈ আহিবলৈ আগ্ৰহীসকলে বিমানৰ ভাড়া আদায় দিব নালাগে বুলি ভাৰতীয় দূতাবাসে ইজৰাইলত থকা ভাৰতীয়সকলক জনাইছিল। সীমিত সংখ্যক আসনৰ বাবে প্ৰথমবাৰ ২১২ জনক ইজৰাইলৰ পৰা ওভতাই আনিছে ভাৰত চৰকাৰে।

# হামাছৰ বৃহৎ গোপন সুৰংগই তীব্ৰ

*এক পৃষ্ঠাৰ পৰা* নেটৱৰ্কে ইজৰাইলৰ প্ৰতি বৃহৎ প্ৰত্যাহ্বান কঢ়িয়াব বুলি বিশেষজ্ঞসকলে কৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীৰ মুখপাত্ৰই কালি কয় যে তেওঁলোকে এই সুৰংগ নেটৱৰ্কত আক্ৰমণ কৰিছে। অৱশ্যে তৎসত্বেও এই যুঁজখন সহজ নহʼব বুলি বিশেষজ্ঞই সকীয়াই দিয়ে।

### কি এই হামাছ সুৰংগ

২০২১ত ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে দাবী কৰিছিল যে হামাছৰ সুৰংগ নেটৱৰ্কৰ এশ কিলোমিটাৰতকৈ অধিক ধ্বংসপ্ৰাপ্ত কৰা হৈছে। হামাছৰ নেতা য়াহয়া ছিনৱাৰে কয় যে গাজা সুৰংগ নেটৱৰ্ক পাঁচশ কিলোমিটাৰ দীঘল আৰু মাত্ৰ পাঁচ শতাংশ ধ্বংসপ্ৰাপ্ত হৈছে। মন কৰিবলগীয়া যে সমগ্ৰ দিল্লী মেট্ৰʼ ৩৯২ কিলোমিটাৰ দীঘল আৰু দিল্লী হৈছে আকাৰত গাজাতকৈ চাৰিগুণ ডাঙৰ। গতিকে ই সূচাইছে যে গাজা ভূখণ্ড কিমান ব্যাপক হʼব পাৰে সুৰংগ নেটৱৰ্ক।

সাধাৰণ মানুহৰ বাসগৃহলৈ লক্ষ্য কৰি আক্ৰমণ কৰাৰ বাবে ইজৰাইল বাহিনী বিশ্বজোৰা সমালোচনাৰ সন্মুখীন হৈছে। অৱশ্যে ইজৰাইলী বাহিনীয়ে যুক্তি দৰ্শায় যে হামাছ সন্ত্ৰাসবাদীসকল সাধাৰণ নাগৰিকৰ বাসগৃহৰ তললৈ যোৱা সুৰংগ পথতে আত্মগোপন কৰি থাকে। ২০০৭ত হামাছে গাজা ভূখণ্ড নিয়ন্ত্ৰণ হস্তগত কৰাৰ পাছত মহানগৰীখনৰ ভিতৰত আৰু গাজা-ইজৰাইল সীমান্তলৈ সুৰংগ নেটৱৰ্ক প্ৰসাৰিত কৰাৰ কাম কৰে। এই নেটৱৰ্কক ইজৰাইলী বাহিনীয়ে গাজা মেট্ৰʼ বুলি কয়। পূৰ্বতে ফাদিল হোৱা বিভিন্ন ভিডিঅʼত দেখা গৈছে সুৰংগৰ ভিতৰত আছে যথেষ্ট পৰিমাণৰ বিজুলী শক্তিৰ ব্যৱস্থা আৰু অস্ত্ৰ-শস্ত্ৰ লুকুৱাই ৰাখিব পৰাকৈ বৃহৎ স্থান আছে ইয়াৰ ভিতৰত। এই সুৰংগৰ দেৱালবোৰ চিমেণ্টৰে সজা। অভিযোগ অনুসৰি, গাজালৈ অহা মানৱীয় সাহায্যসমূহ এই সুৰংগ নিৰ্মাণত ব্যৱহাৰ কৰা হৈছে।

### সাত অক্টোবৰ আৰু সুৰংগ

যোৱা সপ্তাহত ইজৰাইলত হামাছৰ আকস্মিক আৰু বিধ্বংসী আক্ৰমণ জলভাগ আৰু স্থলভাগেৰে একে সময়তে কৰা হৈছিল। ইজৰাইল-গাজাৰ সীমান্ত কাঁটা তাঁৰৰ বেৰ দিয়া আছে আৰু মানুহৰ গতিবিধি লক্ষ্যৰ বাবে ইয়াত 'চেকপ্ৰ' লগোৱা আছে। ইয়াৰ পাছত অৱশ্যে হামাছে সাধাৰণ নাগৰিকৰ ওপৰত চলোৱা আক্ৰমণৰ কোনো ভুকে নাপালে ইজৰাইলে। এই ক্ষেত্ৰত সুৰংগ নেটৱৰ্কৰ বৃহৎ ভূমিকা থকা বুলি কোৱা হৈছে। যাৰ বাবে হামাছ যোদ্ধাসকলে ধৰা নপৰাকৈ ইজৰাইলত অনুপ্ৰৱেশ কৰিব পাৰিলে।

### প্ৰশ্ন কাঁটা তাঁৰ বেৰৰো

ইজৰাইল-গাজাৰ সীমাত থকা ৩০ ফুট উচ্চতাৰ কাঁটা তাঁৰৰ বেৰক লৈয়ো বৃহৎ প্ৰশ্ন উত্থাপন হৈছে। এই বৃহৎ বেৰ থকাৰ পাছতো কিদৰে হামাছ বাহিনী ধৰা নপৰাকৈ ইজৰাইলত প্ৰৱেশ কৰিলে তাকে লৈ প্ৰশ্ন উঠিছে। সন্দেহ কৰা হৈছে যে কাঁটা তাঁৰৰ বেৰৰ তলৰে সুৰংগ খান্দিছে হামাছে। অৱশ্যে এই সুৰংগসমূহ গাজা মহানগৰীৰ ভিতৰত থকা সুৰংগৰ দৰে অত্যাধুনিক নহয় বুলিও ধাৰণা কৰা হৈছে। ৰেইচমান ইউনিভাৰ্ছিটিৰ ফেকাল্টি সদস্য ডº দাফনি ৰেইচমণ্ড-বাৰাকে এই কথা কয় সংবাদ প্ৰতিষ্ঠানক। তেওঁ কয় যে সীমান্তৰে অনুপ্ৰৱেশ কৰিব পৰা সুৰংগসমূহ মসৃণ নহয়। মাত্ৰ এবাৰ কামত অহাকৈ এইবোৰ খন্দা হয়। ইজৰাইল ভূখণ্ডত আগ্ৰাসনৰ একমাত্ৰ উদ্দেশ্য লৈয়ে এইসমূহ সুৰংগ খন্দা হৈছে বুলি অধ্যাপিকাগৰাকীয়ে কয়। তেওঁ কয় যে সুৰংগৰ ভিতৰতো দীঘলীয়া সময় থাকিব পৰাকৈ আৰু জীয়াই থাকিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। নেতাসকল তাতে লুকাই থকা বুলি কয় বিশেষজ্ঞগৰাকীয়ে। এই সুৰংগসমূহৰ ভিতৰত আছে নিৰ্দেশ আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ। এইসমূহ হামাছে বিভিন্ন নিৰ্দেশ পালন কৰিবলৈ, যোগসূত্ৰ ৰক্ষা কৰিবলৈ ব্যৱহাৰ কৰে।

### গাজা সুৰংগৰ ইতিহাস

হামাছে গাজা ভূখণ্ড দখলৰ পূৰ্বে সুৰংগৰ নেটৱৰ্ক চোৰাং কাৰবাৰৰ বাবে ব্যৱহাৰকৰা হৈছিল। ২০০৫ত গাজাৰ পৰা ইজৰাইল বাহিনীৰ পশ্চাৎ গমন আৰু ২০০৬ৰ নিৰ্বাচনত বিজয়ৰ পাছত ইজৰাইলৰ ইজিপ্তে গাজাৰ সʼতে থকা সীমান্তৰে মানুহ আৰু সামগ্ৰীৰ অহা-যোৱাত জাৰি কৰে। লাহে লাহে এই সুৰংগসমূহৰ মূল উদ্দেশ্য হৈ পৰিল চোৰাং কাৰবাৰ। গাজাৰ সʼতে থকা সীমান্তত সুৰংগসমূহ ইজিপ্তে ধ্বংসপ্ৰাপ্ত কৰে যদিও ইজৰাইলৰ সীমান্তত থকা সুৰংগসমূহৰ হামাছে প্ৰসাৰ ঘটায় আৰু অধিক ধ্বংসমুখী অধিক ভয়াৱহ লক্ষ্যৰে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। ইজৰাইলে শেহতীয়াভাৱে এই সুৰংগসমূহক সন্ত্ৰাস সুৰংগ বুলি অভিহিত কৰে আৰু ইয়াৰ নিৰ্মাণ সামগ্ৰীৰ অহা-যোৱা কৰাটো বাধা আৰোপ কৰে। এই সুৰংগত ইজৰাইলী সেনাক বন্দী আৰু হত্যাৰ অভিযোগ আছে। ২০১৪ত ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে প্ৰকাশ কৰা চিত্ৰত দেখা যায় যে সীমান্তৰ সিপাৰে বৃহৎ একাধিক সুৰংগ আছে। সেয়েহে কোৱা হৈছে যে ইজৰাইল যদি গাজা ভূখণ্ডত মুখামুখি যুদ্ধত নামি পৰে তেন্তে সুৰংগসমূহে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। হামাছে সম্প্ৰতি পণবন্দী কৰা ইজৰাইলৰ ১৫০ জন লোকক এই সুৰংগত লুকুৱাই ৰখা বুলি সন্দেহ কৰা হৈছে। তদুপৰি যুদ্ধত ব্যৱহাৰ কৰা প্ৰযুক্তি, অস্ত্ৰ-শস্ত্ৰ সকলো ভূৰ তলত ৰখা হৈছে বুলি অনুমান প্ৰকাশিত হৈছে। হামাছে ভূতলক ইজৰাইলৰ বিৰুদ্ধে আক্ৰমণক ব্যাপকভাৱে ব্যৱহাৰ কৰিব পাৰে বুলি আশংকা আছে। ডº ৰেইচমণ্ড-বাৰাকে কয় যে টাৰ্ণেল নেটৱৰ্কত ফান্দ সাজিবৰ বাবে হামাছে যথেষ্ট সময় পাইছে। তেওঁ সন্দেহ প্ৰকাশ কৰে যে হামাছে ইৰাকৰ সেনা বাহিনীক এই সুৰংগৰ পথৰে প্ৰৱেশ কৰিব দিব পাৰে আৰু তাৰ পাছত সুৰংগৰ নেটৱৰ্ক বিস্ফোৰিত কৰিব পাৰে। হামাছ পলিটব্যুৰʼ উপ-মুখ্য ছালেহ আলৰিয়ে সংবাদ মাধ্যমত কয় যে হামাছে আক্ৰমণ কৰাৰ পূৰ্বে প্ৰতিৰক্ষা পৰিকল্পনাও শক্তিশালী ৰূপত যুগুত কৰা হৈছিল। আক্ৰমণৰ পৰিকল্পনাতকৈ প্ৰতিৰক্ষা পৰিকল্পনা অধিক শক্তিশালী বুলি তেওঁ কয়।

# ক্ষুধা ঃ ১২৫ দেশৰ ভিতৰত

*এক পৃষ্ঠাৰ পৰা* শিশুসকলৰ ওজনৰ সাপেক্ষে উচ্চতাৰ অনুপাতৰ ভিত্তিত এই হিচাপ কৰা হৈছে। তাতেই ভাৰতত চৰম অপুষ্টিৰ ছবিখন প্ৰকট হৈ পৰা বুলি সংশ্লিষ্ট প্ৰতিবেদনত উল্লেখ কৰা হৈছে। অৱশ্যে কালি এই সূচক প্ৰকাশিত হোৱাৰ পাছতে ইয়াক 'পদ্ধতিগতভাৱে ক্ৰুটিযুক্ত' তথা 'দুৰভিসন্ধিমূলক' বুলি খাৰিজ কৰি দিছে নৰেন্দ্ৰ মোদী চৰকাৰৰ নাৰী শিশু কল্যাণ মন্ত্ৰণালয়ে।

২০২২ত এই সূচকতে ১২১খন দেশৰ ভিতৰত ভাৰত ১০৭ নম্বৰত আছিল। এইবাৰ আৰু চাৰিটা ধাপ নামিছে। ইয়াৰ বিপৰীতে সূচকত ভাৰতক অতিক্ৰম কৰি গৈছে পাকিস্তান (১০২), বাংলাদেশ (৮১), নেপাল (৬৯) আৰু শ্ৰীলংকা (৬০)ৰ দৰে প্ৰতিবেশী দেশে। প্ৰতিবেদনত লগতে কোৱা হৈছে যে ভাৰতত পাঁচ বছৰৰ তলত শিশুৰ মৃত্যুৰ হাৰ ৩.১ শতাংশ। পৰ্যাপ্ত স্বাস্থ্যকৰ খাদ্য লাভ নকৰে ১৬.৬ শতাংশ মানুহে। লগতে ইয়াকো উল্লেখ কৰা হৈছে যে ১৫ৰ পৰা ২৪ বছৰ বয়সৰ মহিলাৰ ভিতৰত ৫৮.১ শতাংশই ৰক্তাল্পতাত ভোগে। অৱশ্যে এই প্ৰসংগত কেন্দ্ৰই দাবী কৰিছে যে ইয়াত অপুষ্টিৰ মাত্ৰাৰ জোখ লোৱা হৈছে মাত্ৰ তিনি হেজাৰ মানুহক লৈ কৰা সমীক্ষাত, যিটো ভুল। চৰকাৰী 'পোষণ ট্ৰেকাৰ'ৰ তৰফৰ পৰা কোৱা হৈছে যে ভাৰতত শিশুসকলৰ অপুষ্টিৰ হাৰ একেবাৰে ৭.২ শতাংশৰ তলতে আছে। ইয়াৰ বিপৰীতে এই 'দায়সৰা' মন্তব্যৰ বাবে মোদী চৰকাৰক তীব্ৰ সমালোচনা কৰিছে কংগ্ৰেছে।

# প্ৰতিটো দিনেই অপৰাধে কঁপাইছে অসম

*এক পৃষ্ঠাৰ পৰা* সোণৰ চেইন কাঢ়ি নিয়াৰ আন এক ঘটনা সংঘটিত হয়। সমগ্ৰ অসম বাদেই, অপৰাধীৰ দৌৰাত্ম্যত সম্প্ৰতি গুৱাহাটী মহানগৰবাসীয়ে হেৰুওৱাৰ উপক্ৰম ঘটিছে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা। চৰকাৰী পক্ষই সাফল্যৰ জয়ঢোল বজাই থকাৰ সময়তে ধাৰাবাহিক অপৰাধে ভীতিগ্ৰস্ত কৰি তুলিছে জনজীৱন।

### অঞ্জন নাথৰ হত্যাকাৰীৰ উৱাদিহ পোৱা নাই আৰক্ষীয়ে

২৪ ঘণ্টা অতিক্ৰম কৰাৰ পাছতো ২৬ বছৰীয়া যুৱক অঞ্জন নাথৰ হত্যাকাৰীৰ কাষ চাপিব পৰা নাই মহানগৰ আৰক্ষী। স্বয়ং ডিজিপিয়ে ঘটনাস্থলী পৰিভ্ৰমণ কৰি হত্যাকাৰীক শীঘ্ৰে কৰায়ত্ত কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰিছিল যদিও মহানগৰ আৰক্ষীয়ে শুংসূত্ৰ উলিয়াব পৰা নাই নিচেই ওচৰৰ পৰা কালি সন্ধিয়া গুলীয়াই হত্যা কৰা যুৱকজনৰ হত্যাকাৰীৰ। উল্লেখ্য যে গুৱাহাটীৰ বশিষ্ঠ আৰক্ষীয়ে এই হত্যাকাণ্ড সন্দৰ্ভত আজিও তদন্ত অব্যাহত থকাৰ কথাহে সদৰী কৰিছে; কিন্তু গুলিচালনা কৰি পলায়ন কৰা পিষ্টলধাৰীৰ সম্ভেদ উলিয়াব পৰা নাই। আজি অপৰাধ অনুসন্ধান শাখাৰ এটা তিনিজনীয়া দল কইনাধৰাৰ হত্যাকাণ্ড সংঘটিত হোৱা স্থানত উপস্থিত হৈ সমগ্ৰ দিশ অধ্যয়ন কৰি তদন্ত আৰম্ভ কৰে যদিও সঠিক দিশত গতি লাভ কৰা নাই তদন্তই।

উল্লেখ্য যে কালি সন্ধিয়া গুৱাহাটীৰ বশিষ্ঠৰ লতাকটা নিবাসী অঞ্জন নাথ নামৰ যুৱকজনে কইনাধৰাস্থিত মেট্ৰʼ হাস্পতালৰ ঠিক সন্মুখতে নিজৰ মটৰ চাইকেলৰ ওপৰত বহি পত্নীলৈ অপেক্ষা কৰি থকাৰ সময়তে কোনো দুৰ্বৃত্তই তেওঁক ওচৰৰ পৰা গুলীয়াই পলায়ন কৰিছিল। বুকুৰ সোঁফালে গুলি লগাত অঞ্জনক মুহূৰ্ততে স্থানীয় লোকে মেট্ৰʼ হাস্পতাললৈ লৈ যায় যদিও প্ৰায় এঘণ্টা পাছত যুৱকজনৰ মৃত্যু ঘটে। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ গুৱাহাটীতে অব্যাহত আছে আতংকময় পৰিৱেশ। মহানগৰ আৰক্ষীয়ে যুৱকজনৰ পত্নী আৰু আন বন্ধু-বৰ্গকো সোধপোছ কৰিছে যদিও কোনে কি উদ্দেশ্যেৰে অঞ্জনক হত্যা কৰিলে তাৰ কোনো সম্ভেদ উলিয়াব পৰা নাই।

### নিশা এঘণ্টা ধৰি জেৰা যুৱকজনৰ পত্নীক, মʼবাইল ফোন জব্দ

কালি হত্যাকাণ্ড সংঘটিত হোৱাৰ পাছতে নিশা আৰক্ষীয়ে প্ৰাৰম্ভিক অনুসন্ধানৰ অংশৰূপে মৃত যুৱকজনৰ পত্নী গীতাশ্ৰী সিন্‌হাক হত্যাকাণ্ডৰ সন্দৰ্ভত সোধপোছ কৰে। মহানগৰ আৰক্ষী আয়ুক্তই নিজেই মহিলাগৰাকীক দীৰ্ঘ সময় ধৰি জেৰা কৰে। জেৰাৰ অন্তত মহিলাগৰাকীৰ মʼবাইল ফোনটো তদন্তৰ স্বাৰ্থত বশিষ্ঠ আৰক্ষীয়ে জব্দ কৰে। আজিও বশিষ্ঠ আৰক্ষীয়ে ঘটনাস্থলীলৈ যোৱাৰ লগতে যুৱকজনৰ ভাড়াঘৰ আৰু নিজৰ ঘৰতো বিভিন্নজনক এই বিষয়ে সোধপোছ কৰে। ইফালে, হত্যাকাণ্ডৰ তদন্তত নিয়োজিত মহানগৰ আৰক্ষীৰ ক্ৰাইম ব্ৰাঞ্চেও ঘটনাস্থলীৰ আশে-পাশে বিভিন্ন প্ৰতিষ্ঠানত থকা চি চি টিভি কেমেৰাৰ ফুটেজ সংগ্ৰহৰ বাবে চেষ্টা আৰম্ভ কৰিছে। ক্ৰাইম ব্ৰাঞ্চৰ দল এটাই আজি এই প্ৰসংগত মেট্ৰʼ হাস্পতালতো প্ৰৱেশ কৰি বিষয়টোৰ অনুসন্ধান কৰে।

### পত্নীলৈ অপেক্ষা কৰি থকা বুলি কেনেকৈ জানিছিল দুষ্কৃতিকাৰীয়ে?

সময় নিশা তেতিয়া প্ৰায় আঠ বাজিছে। গুলিৰ আঘাতত নিহত হোৱা অঞ্জন নাথ নামৰ যুৱকজনে পত্নীক ঘৰলৈ নিয়াৰ বাবে আহি ঘটনা সংঘটিত হোৱা স্থানত নিজৰ ৰখাই থোৱা মটৰ চাইকেলখনত বহি মʼবাইল ফোন চোৱাত ব্যস্ত আছিল। [illegible]

### অতিমাত্ৰা সুৰাপান কৰা অঞ্জনে ড্ৰাগছ সৰবৰাহতো জড়িত বুলি পত্নীৰ সন্দেহ

[illegible]

### পত্নীক মাৰধৰ কৰা বাবে এবছৰমান ধৰি মাতৃগৃহতে আছে গীতাশ্ৰী

[illegible] অৱশ্যে অঞ্জনৰ পৰিয়ালে তেওঁক ভাল নোপোৱাৰ বাবে তেওঁলোকে ভাড়াঘৰত কটাইছিল। শেহতীয়াকৈ বশিষ্ঠ চাৰিআলিত নতুনকৈ ভাড়াঘৰ লৈছিল। ইফালে, অঞ্জনৰ পিতৃৰ মৃত্যু ঘটা বাবে তেওঁ অঞ্জনৰ লতাকটাৰ ঘৰতো আছিল যদিও অঞ্জন নথকা সময়খিনিত তেওঁ লতাকটাৰ ঘৰত অকলে থকাটো পছন্দ নকৰা বাবে প্ৰায়ে কইনাধৰাত থকা মাতৃগৃহলৈ আহিছিল। বিগত তিনিটা বছৰত তেওঁলোকৰ মাজত কিছু সংঘাতো হৈছিল। অনবৰতে সুৰাসক্ত হৈ থকা বাবে অঞ্জনে গীতাশ্ৰীক মাৰধৰো কৰিছিল। যাৰ বাবে তেওঁ প্ৰায় এবছৰমান ধৰি কইনাধৰাৰ মাতৃগৃহতে কটাইছিল; কিন্তু তাৰ মাজতো মাজে-সময়ে অঞ্জনে তেওঁক নিবলৈ আহিছিল আৰু সেই মতে তেওঁ ভাড়াঘৰ অথবা অঞ্জনৰ ঘৰলৈও গৈছিল। কালিও অঞ্জনে ফোন কৰি গীতাশ্ৰীক তেওঁলোকৰ ঘৰলৈ লৈ যোৱাৰ কথা কৈ কইনাধৰালৈ ওলাই আহিবলৈ কৈছিল। গীতাশ্ৰীয়ে কয় যে তেওঁক সন্ধিয়া ফোন কৰাৰ পাছতে তেওঁ কইনাধৰালৈ ওলাই আহিবলৈ লওঁতে অঞ্জনৰ পৰা পুনৰ এটা ফোন কল গৈছিল; কিন্তু সেইবাৰ এগৰাকী মহিলাইহে অঞ্জনৰ ফোনৰ পৰা কৈছিল যে মʼবাইল ফোনটোৰ গৰাকী যুৱকজনক কোনোবাই গুলীয়াইছে, মেট্ৰʼ হাস্পতালত ভৰ্তি কৰোৱা হৈছে আৰু আপুনি আহক বুলি কৈছিল। তেতিয়াও তেওঁ অৱশ্যে কথাটো বিশ্বাস কৰা নাছিল যদিও পাছত ওলাই আহিহে প্ৰকৃত সত্য সম্পৰ্কে নিশ্চিত হৈছিল।

### হত্যাকাণ্ডৰ আঁৰত গীতাশ্ৰী! অঞ্জনৰ পৰিয়ালৰ অভিযোগ

কালি সংঘটিত হোৱা হত্যাকাণ্ডৰ পাছতে গীতাশ্ৰীয়ে অঞ্জন সম্পৰ্কে উত্থাপন কৰা বিভিন্ন অভিযোগসমূহ পোনছাটেই নাকচ কৰি অঞ্জনৰ হত্যাকাণ্ডৰ আঁৰত গীতাশ্ৰী জড়িত থকাৰ সন্দেহ ব্যক্ত কৰিছে অঞ্জনৰ জ্যেষ্ঠ ভ্ৰাতৃয়ে। আজি নিহত যুৱকজনৰ ককায়েকে বশিষ্ঠ থানাত উপস্থিত হৈ ভ্ৰাতৃৰ হত্যাকাণ্ডৰ তদন্ত দাবী আৰু গীতাশ্ৰী সিন্‌হা নামৰ মহিলাগৰাকীৰ ওপৰত সন্দেহ ব্যক্ত কৰি এখন এজাহাৰ দাখিল কৰে। অঞ্জনৰ জ্যেষ্ঠ ভ্ৰাতৃয়ে সাংবাদিকৰ আগত এই বুলিও কয় যে গীতাশ্ৰী নামৰ মহিলাগৰাকীয়ে তেওঁৰ প্ৰথম স্বামীৰ সʼতেও সম্পৰ্ক ৰক্ষা কৰি চলিছিল। আনকি অঞ্জনে তেওঁলোক দুয়োজনকে একেলগে থকা দেখাও পাইছিল। আচলতে গীতাশ্ৰীৰ পৰকীয়া প্ৰেমৰ বাবেহে কোনো পক্ষই অঞ্জনক শীতল মস্তিষ্কৰে গুলীয়াই হত্যা কৰিলে বুলি অঞ্জনৰ পৰিয়ালে অভিযোগ কৰে। তেওঁলোকৰ মতে, অঞ্জনে সামাজিকভাৱে বিবাহ কৰোৱা নাছিল গীতাশ্ৰীক। স্বাভাৱিকতে দুয়ো পক্ষৰ এনেবোৰ অভিযোগ-প্ৰতি-অভিযোগক লৈ সম্প্ৰতি সমগ্ৰ বিষয়টো ৰহস্যঘন হৈ পৰিছে। স্বাভাৱিকতে তদন্তকাৰী আৰক্ষীয়েও এই ঘটনাৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰি কʼৰ পৰা ঘটনাৰ আঁত ধৰিব তাকে লৈ বিভ্ৰান্ত হৈছে।

### বেহাৰবাৰীত পত্নীক ডিঙি চেপি হত্যা, লক্ষীপুৰত অভিযুক্ত স্বামীৰ আত্মসমৰ্পণ

কইনাধৰাত এজন যুৱকক দুৰ্বৃত্তই গুলীয়াই হত্যা কৰাৰ মাথোঁ কেইঘণ্টামান পাছতে যোৱা নিশা বেহাৰবাৰীৰ সোণকুছিত সংঘটিত হʼল আন এক হত্যাকাণ্ড। সোণকুছিত ভাড়াতীয়া হিচাপে থকা জেল হক নামৰ দিনহাজিৰা কৰা শ্ৰমিকজনে যোৱা নিশা তেওঁৰ পত্নী হামেদা বেগমক হত্যা কৰে। স্থানীয় লোকে আৰক্ষীক আজি এই হত্যাকাণ্ডৰ কথা অৱগত কৰে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দুটি সন্তানৰ মাতৃ হামেদা বেগমক ডিঙি চেপি হত্যা কৰা বুলি সন্দেহ কৰে। স্থানীয় লোকৰ মতে, পত্নীক হত্যা কৰি নিশাৰ ভাগতে পলায়ন কৰিছে জেল হক নামৰ লোকজনে। পাৰিবাৰিক অশান্তিৰ বাবে এই হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে গুৱাহাটীত অভিযুক্ত জেল হকৰ সন্ধানত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰাৰ সময়তে গোৱালপাৰা জিলাৰ লক্ষীপুৰ থানাত আজি সন্ধিয়া আত্মসমৰ্পণ কৰে অভিযুক্ত জেল হকে। ঘটনা সন্দৰ্ভত অধিক তদন্তৰ বাবে অভিযুক্তজনক মহানগৰ আৰক্ষীলৈ হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে গোৱালপাৰা আৰক্ষীয়ে।

### আঠগাঁৱত দিন-দুপৰতে পিষ্টল দেখুৱাই মহিলাৰ চেইন কাঢ়ি নিলে দুৰ্বৃত্তই

দুটাকৈ হত্যাকাণ্ড সংঘটিত হোৱাৰ পাছতো সজাগ নোহোৱা মহানগৰ আৰক্ষীৰ চূড়ান্ত ব্যৰ্থতাৰ পৰিণতিত আজি বিয়লি গুৱাহাটীৰ আঠগাঁৱৰ কবৰস্থানৰ সমীপত পুনৰ তাণ্ডৱ চলালে পিষ্টলধাৰী যুৱকে। আজি বিয়লি এখন মটৰ চাইকেলত অহা দুজনীয়া দুৰ্বৃত্তৰ দল এটাই সেই সময়ত পথেৰে খোজকাঢ়ি আহি থকা এগৰাকী মহিলাক পিষ্টল দেখুৱাই তেওঁৰ ডিঙিৰ পৰা সোণৰ চেইন কাঢ়ি নিয়ে। এই ঘটনাত মহিলাগৰাকী সামান্য পৰিমাণে আহত হয়। মহিলাগৰাকীয়ে গাখীৰ ক্ৰয় কৰিবলৈ গোশালালৈ আহি থকাৰ সময়তে সংঘটিত হয় চেইন চুৰিৰ এই ঘটনা। উল্লেখ্য যে দুদিনমান পূৰ্বে অনুৰূপ ধৰণে দুজন মটৰ চাইকেল আৰোহীয়ে ৰাজগড়ৰ ১২ নম্বৰ উপ-পথত মমিতা বৰা নামৰ অধিবক্তাগৰাকীক পিষ্টল দেখুৱাই সোণৰ চেইন কাঢ়ি নিছিল। অধিবক্তাগৰাকীয়ে দুৰ্বৃত্ত দুজনক কৰায়ত্ত কৰাৰ চেষ্টা চলাইছিল যদিও তেনেতে এজনে এটা পিষ্টল উলিয়াই অধিবক্তাগৰাকীক ভাবুকি দি পলায়ন কৰে। মহানগৰীত ধাৰাবাহিকভাৱে অব্যাহত থকা পিষ্টলধাৰীৰ এনে অতপালৈ গুৱাহাটীৰ আইন-শৃংখলা পৰিস্থিতিৰ দ্ৰুত অৱনতি ঘটাৰ দিশটো স্পষ্ট কৰি তুলিছে।

# গুৱাহাটীত ৰেলযাত্ৰীৰ পৰা

*এক পৃষ্ঠাৰ পৰা* নামনিমুৱা বিবেক এক্সপেছত অভিযান চলাই দুজনৰ লোকৰ জিম্মাৰ পৰা নগদ এক কোটি ১০ লাখ টকা জব্দ কৰে। ধৃত লোকদ্বয় কেৰালাৰ এন্নাকুলামৰ বাসিন্দা আমেশ মহানন আৰু জিজু জনি বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে জব্দকৃত ধনখিনি গুৱাহাটীৰ পৰা কেৰালালৈ সৰবৰাহৰ চেষ্টা কৰিছিল ধৃতদ্বয়ে। ধনখিনি উৎসৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰখাৰ সমান্তৰালভাৱে জব্দকৃত ধনখিনি কʼলা ধন বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে।

আনহাতে, ধৃতদ্বয়ে দুটা ট্ৰʼলী বেগত কঢ়িয়াই অনা টকাখিনি প্ৰথমে অভিযানকাৰী দলে নকল বুলি সন্দেহ কৰিছিল যদিও পৰৱৰ্তী সময়ত পৰীক্ষাত এয়া আচল টকা বুলি নিশ্চিত হয়।

# আঞ্চলিক ৰাজনীতিত অগপ অটল বটবৃক্ষ

*এক পৃষ্ঠাৰ পৰা* আয়োজন কৰা হৈছে। প্ৰতিষ্ঠা দিৱসৰ এই প্ৰাক্‌ক্ষণত 'দৈনক অগ্ৰদূত'ৰ সʼতে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত দলটোৰ সভাপতি বৰাই অগপৰ মূল শিপাডাল এতিয়া মজবুত হৈ আছে বুলি উল্লেখ কৰি ভালদৰে প্ৰতিপালন কৰিলেই, পুনৰ পূৰ্বৰ দৰেই ঠাল-ঠেঙুলিসমূহে প্ৰাণ পাই উঠিব বুলি কয়। দলটোৰ ইতিহাস স্মৰণ কৰি সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত অগপৰ ভূমিকা আৰু দলৰ তৃণমূল কৰ্মীসকলে আগবঢ়াই অহা নিস্বাৰ্থ সেৱাৰ সন্দৰ্ভত সভাপতি বৰাই কয়, 'এক দীঘলীয়া সংগ্ৰামৰ মাজেৰে ১৯৮৫ৰ ১৪ অক্টোবৰত এক ঐতিহাসিক ক্ষণত গোলাঘাটত অসম গণ পৰিষদে জন্মলাভ কৰিছিল। সুদীৰ্ঘ ৩৮ টা বসন্ত বহু মিঠা-তিতা অভিজ্ঞতা লৈ দলটোৱে আজি ৩৯ বছৰত ভৰি দিলে। মই অত্যন্ত আনন্দিত যে এইবাৰ দলটোৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস দলটোৰ জন্মস্থান তথা মোৰো গৃহভূমি গোলাঘাটত অনুষ্ঠিত হৈছে।' অগপৰ জন্ম সময়ৰ স্মৃতিবোৰ আজিও মনত সজীৱ হৈ আছে বুলি মন্তব্য কৰি সভাপতি বৰাই কয়, 'সেই সময়ত মই সদৌ অসম ছাত্ৰ সন্থাত আছিলো আৰু আছুৰ ঔৰসতে অগপই জন্মলাভ কৰিছিল। ওচৰৰ পৰা সকলো চাবলৈ সুবিধা লাভ কৰিছিলো। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত মূল অধিৱেশনখন অনুষ্ঠিত হৈছিল। যিখন সমন্বয় ক্ষেত্ৰত ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যক্ৰমণিকা আয়োজন কৰা হৈছে, তাত দলটোৰ অন্যান্য কাৰ্যসূচী সেই সময়ত অনুষ্ঠিত হৈছিল। আছুত থাকোতে বাহিৰৰ পৰা দেখা দলটো আজি ভিতৰৰ পৰা দেখিছো, দলটোৰ জৰিয়তে ৰাইজৰ সেৱা কৰিবলৈ সুবিধা পাইছো। দল জন্মৰ প্ৰায় ১০ বছৰৰ পাছত অৰ্থাৎ ১৯৯৫ত মই আৰু কেশৱ মহন্ত একেলগে দলটোত যোগদান কৰিছিলো।' উল্লেখ্য যে অসম গণ পৰিষদ ৰাইজৰ তেজেৰে গঢ়া দল আৰু বিগত দিনসমূহত দলটোৰ উত্থান যিদৰে হৈছে, সময়ে সময়ে বিপৰ্যয়ৰো সন্মুখীন হৈছে বুলি সভাপতি বৰাই মন্তব্য কৰি পুনৰ কয়, 'দলৰ নেতৃত্ব আমাৰ ওপৰত পৰিছে আৰু আমি সততা আৰু নিষ্ঠাৰে দলটোক আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰিছো। দলটোৰ উত্তৰণৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে সততা আৰু নিষ্ঠাৰে কাম কৰি আছো। আঞ্চলিকতাবাদ আমাৰ হৃদয়ৰ স্পন্দন আৰু আমি আশাবাদী অনাগত দিনত অগপ অধিক শক্তিশালী হʼব আৰু ৰাইজৰ সমাদৰ লাভ কৰিব। দলটোৰ ৩৯ সংখ্যক এই প্ৰতিষ্ঠা দিৱসত ছহিদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছো, নিৰ্যাতিতসকলক সোঁৱৰণ কৰি সমূহ ৰাইজলৈ মই অভিনন্দন জ্ঞাপন কৰিছো।'

ইফালে, অতি জটিল পৰিস্থিতিত দলৰ নেতৃত্ব বহন কৰিবলগীয়া হৈছিল বুলি সভাপতি বৰাই দলটোৰ ইতিহাস স্মৰণ কৰি কয়, 'এটা সময় আছিল, দলটোৱে এককভাৱে চৰকাৰ গঠন কৰিছিল আৰু এতিয়া দলটো মিত্ৰজোঁট চৰকাৰৰ অংশীদাৰ। দলটোৰ যিসকল তৃণমূল পৰ্যায়ৰ কৰ্মী আছে, তেওঁলোকেই দলটোৰ মূল শক্তিৰ আধাৰ। যদিও অগপই বিভিন্ন সময়ত ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছে, তৃণমূল কৰ্মীসকলৰ নিস্বাৰ্থ সেৱাৰ কাৰণে আজি নিলিম আকাশত অগপৰ পতাকাখন সগৌৰৱে উৰি আছে। দলটোৱে কেতিয়াবা অকলে চৰকাৰ গঠন কৰিছে, কেতিয়াবা বিৰোধীত আছে, মিত্ৰতাত আছে; কিন্তু যʼতেই নাথাকক কিয়, দলটোৱে নিজৰ লক্ষ্য-উদ্দেশ্যৰ পৰা কেতিয়াও বিচ্যুত হোৱা নাই আৰু হʼবলৈ দিয়া নাই।' সমান্তৰালভাৱে সভাপতি বৰাই কয় যে দলটোৰ প্ৰতি অসমৰ জনতাৰ যথেষ্ট মৰম আছে। মৰম আছে বাবেই কেতিয়াবা যদি সামান্য ভুল চকুত পৰে বা ভুল কৰা বুলি অনুভৱ কৰে, কটু সমালোচনাও কৰে। দলটোৰ শিপা আজিও মজবুত বুলি তেওঁ উল্লেখ কৰি কয়, 'অসমৰ গাঁৱে-ভূঞে যʼতেই নাযাওক কিয়, দলৰ কৰ্মী আৰু সমৰ্থন লাভ কৰা যায়। এসময়ত ৰাজ্যখনৰ ৯৫টা বিধানসভা সমষ্টিত অগপৰ প্ৰাৰ্থী জয়ী হৈছিল, বঙাইগাঁৱৰ দৰে সমষ্টিত আজি আঠবাৰলৈ অগপৰ প্ৰতিনিধি জয়ী হৈছে। গতিকে দলৰ শিপা যেতিয়া মজবুত হয়, তেতিয়া সহজে উভালি নপৰে। ইয়াক সময়ত সাৰ-জাবৰ যদি দিয়া হয়, ভালদৰে যদি প্ৰতিপালন কৰো পুনৰ ভালদৰে ঠাল-ঠেঙুলি মেলিব। সেয়া মই প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্‌ক্ষণত অসমৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত তৃণমূল পৰ্যায়ৰ কৰ্মীকে ধৰি দলটোৰ প্ৰতিজন সদস্যক নিস্বাৰ্থভাৱে ৰাইজৰ সেৱাত ব্ৰতী হʼবলৈ আহ্বান জনাইছো।'

**অগপৰ পূৰ্বৰ স্থিতি আৰু আজিৰ স্থিতিৰ মাজত প্ৰভেদ দেখা যায়। আঞ্চলিক দল হিচাপে অগপৰ চৰিত্ৰ বিনষ্ট হোৱা বুলি বিভিন্ন সময়ত অভিযোগ উঠে?**

এই প্ৰশ্নৰ উত্তৰত সভাপতি বৰাই কয়, 'পৰিৱৰ্তিত ৰাজনৈতিক পৰিস্থিতিত দলটোৰ নেতৃত্বই অনুভৱ কৰিছো যে আমি নতুন দৃষ্টিভংগীৰে দলটোক আগবঢ়াই নিব লাগিব। আমি দেখি আৰু ঠেকি শিকিছো। দলটোৰ উত্থান, পতন, বিপৰ্যয় আমি স্বচক্ষে দেখি আহিছো আৰু দীৰ্ঘ সময় এনে পৰিস্থিতিৰ সʼতে মোকাবিলাও কৰিছো। সেয়ে আমি প্ৰগতিশীল জাতীয়তাবাদৰ কথা দোহাৰিছো। প্ৰগতিশীল জাতীয়তাবাদৰ কথা কৈছো আৰু সেই দৃষ্টিভংগীৰে আমি আগবাঢ়ি গৈছো, নতুন প্ৰজন্মকো আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰিছো।' দলটোক বহুতে বদনাম কৰি এই পথাৰখনত নতুন নতুন আঞ্চলিক দলৰ জন্ম হৈছে বুলি সভাপতি বৰাই মন্তব্য কৰি পুনৰ কয়, 'অগপৰ শিপা আজিও মজবুত আৰু অসমৰ আঞ্চলিক ৰাজনীতিৰ পথাৰখনত অগপ অটল বটবৃক্ষ। অগপই হৈছে অসমৰ আঞ্চলিক ৰাজনীতিৰ আয়ুসৰেখা। ভূপেনদাই যিদৰে কৈছিল মহাবাহু ব্ৰহ্মপুত্ৰ অসমৰ আয়ুসৰেখা, ঠিক সেইদৰে অসমৰ আঞ্চলিক ৰাজনীতিৰ আয়ুসৰেখাডাল হৈছে অগপ। গতিকে যিমানেই যি নকওক কিয়, অগপই নিজৰ লক্ষ্যৰ পৰা এধানমানো বিচ্যুত হোৱা নাই।' আনহাতে, অসম আন্দোলনত যিসকলে নেতৃত্ব লৈছিল, তাৰ মূলতে ছাত্ৰ আছিল বুলি সভাপতি বৰাই উল্লেখ কৰি কয় যে সেই সময়ছোৱাত ছাত্ৰ-যুৱকৰ সমৰ্থন আৰু অংশগ্ৰহণৰ সংখ্যা আছিল সৰ্বাধিক। পৰিৱৰ্তিত ৰাজনৈতিক পটভূমিত দলটোৱে ২০১৯ৰ ২১ নৱেম্বৰত ছাত্ৰ পৰিষদ গঠন কৰে। ছাত্ৰ পৰিষদে শিক্ষাৰ্থীসমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাত প্ৰতিদ্বন্দ্বিতা কৰি সফলতা অৰ্জন কৰিছে বুলি মন্তব্য কৰি তেওঁ কয়, 'অগপই গোলাঘাটত জন্মলাভ কৰিছিল আৰু ইয়াৰ মূল অধিৱেশন গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। মই অত্যন্ত আনন্দিত যে এইবাৰ এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত মুঠ ১৪টা পদত প্ৰতিদ্বন্দ্বিতা কৰি ছাত্ৰ পৰিষদৰ প্ৰতিনিধি ১২টা পদত জয়ী হৈছে। যথেষ্ট সংখ্যক নতুন প্ৰজন্মৰ যুৱক-যুৱতী দলটোলৈ আহিছে। মই আশাবাদী নতুন প্ৰজন্মৰ কৰ্ম উদ্যম আৰু পুৰণিসকলৰ অভিজ্ঞতাই দলটোক সঠিক বাটেৰে লৈ যাবলৈ সক্ষম হয়।' উল্লেখ্য যে দলটোৰ বহু নেতৃত্ববহনকাৰী আজি আঁতৰি গʼল; কিন্তু তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ নিস্বাৰ্থভাৱে সেৱা, তেওঁলোক দৃঢ়মনা হোৱাৰ বাবে, আঞ্চলিকতাবাদ তেজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰৱাহিত হৈ থকাৰ কাৰণে অগপৰ পতাকাখন আজিও সগৌৰৱে উৰি আছে বুলি সভাপতি বৰাই মন্তব্য কৰি দলৰ তৃণমূল কৰ্মীসকল সেয়ে সদায়ে শ্ৰদ্ধাৰ পাত্ৰ বুলি কয়। সেয়ে ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্‌ক্ষণত দলটোৰ সমূহ সতীৰ্থ, শুভাকাংক্ষীক অভিনন্দন জনাই অনাগত দিনত সকলো পৰ্যায়ত দৃঢ়তাৰে দলটোক নেতৃত্ব দিবলৈ আগবাঢ়ি আহিবলৈ তেওঁ সকলোকে আহ্বান জনায়।

**পৰিৱৰ্তিত ৰাজনৈতিক পৰিৱেশত অগপৰ পূৰ্বৰ জনপ্ৰিয়তা পুনৰ উভতি আহিব বুলি আপুনি আশাবাদী নে? সৰ্বভাৰতীয় দলৰ সʼতে মিত্ৰতাত থাকি অগপই আঞ্চলিকতাবাদী চৰিত্ৰ ধৰি ৰাখিবলৈ সক্ষম হৈছে নে ?**

এই প্ৰশ্নৰ উত্তৰত ঐক্য, শান্তি আৰু প্ৰগতিৰ মূলমন্ত্ৰৰে তথা ৰাজ্যত প্ৰগতিশীল জাতীয়তাবাদ শক্তিশালী কৰাৰ লক্ষ্যৰে শাসনাধিষ্ঠ মিত্ৰজোঁট চৰকাৰৰ অংশীদাৰী অগপৰ পূৰ্বৰ শক্তিশালী ভেটি উভতাই আনিবলৈ দলৰ প্ৰতিজন কৰ্মীয়ে নিস্বাৰ্থভাৱে সেৱা মনোভাৱেৰে কাম কৰি আহিছে বুলি মন্তব্য কৰি সভাপতি বৰাই কয়, 'এটা সময় আছিল অগপই অকলেও নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। অগপৰ ইতিহাস হৈছে উত্তৰণৰ ইতিহাস আৰু বিপৰ্যয়ৰ ইতিহাস, সেই কাৰণে সময়ে সময়ে দলটোক আগুৱাই লৈ যোৱাৰ স্বাৰ্থত, ৰাইজক সেৱা কৰাৰ স্বাৰ্থত আমি সুকীয়া সুকীয়া চিন্তা কৰিবলগীয়া হয়। এই সুকীয়া চিন্তা মানে আদৰ্শক জলাঞ্জলি দিয়া নহয়, দলৰ সংবিধানত যি লক্ষ্য আৰু উদ্দেশ্য নিহিত হৈ আছে তাৰ পৰা বিচ্যুত হোৱাটো নহয়। পূৰ্বৰ ভুলসমূহ আত্মবিশ্লেষণ আৰু আত্মশুদ্ধিৰ পথ হিচাপে গ্ৰহণ কৰি নতুন চিন্তা-ধাৰণাৰে প্ৰগতিশীল জাতীয়তাবাদৰ মহামন্ত্ৰৰে সময়ৰ লগত খাপ খুৱাই নতুন প্ৰজন্মৰ উদ্যম আৰু পুৰণিৰ অভিজ্ঞতাৰে আজি দলটো আগুৱাই গৈছে। দায়িত্ব পোৱাৰ পাছত অতি নিষ্ঠাৰে জনতাৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত আমি কাম কৰি গৈছো। আঞ্চলিকতাবাদ সম্পৰ্কে ৰাজনীতিৰ তত্ত্বই বহু কথাই কৈছে, তথাপি আমি নিজস্বভাৱেও এটা দৰ্শন ধাৰণ কৰি সদায় দলৰ কাম-কাজ কৰি গৈছো। মোৰ দৃষ্টিত আপোন ভূমিত থিয় হৈ, আপোন জাতি-জনগোষ্ঠী, ভাষা-ভাষী আৰু বিভিন্ন ধৰ্মাৱলম্বী ৰাইজৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে অহৰ্নিশে চলাই যোৱা সংগ্ৰাম কিম্বা প্ৰচেষ্টাৰ অন্য নাম হৈছে আঞ্চলিকতাবাদ। গতিকে যোৱা সময়ছোৱাত দলটোৰ নেতৃত্ব আৰু কৰ্মীসকল তিতা-মিঠা অভিজ্ঞতা, ৰাইজৰো এনে মিশ্ৰিত অভিজ্ঞতা আছে, এইবোৰ অভিজ্ঞতাৰে পুষ্ট হৈ শক্তিশালী ভ্ৰাতৃত্ববোধ আৰু কৰ্ম-সংস্কৃতিৰ আধাৰত এখন স্ব-নিৰ্ভৰশীল অসম গঢ়াৰ পণ লৈ দলটোৱে কাম কৰি গৈছে।' অসম গণ পৰিষদ অসমৰ মাটিত আঞ্চলিকতাবাদৰ স্তম্ভ বুলি অভিহিত কৰি প্ৰতিষ্ঠা দিৱসৰ দিনটোত সভাপতি বৰাই দলীয় কৰ্মীৰ লগতে ৰাজ্যবাসীলৈ আহ্বান জনাই কয়, 'নতুন কৰ্মীৰ উদ্যমতা আৰু পুৰণি কৰ্মীৰ অভিজ্ঞতাৰ একক তথা ঐক্যবদ্ধ প্ৰচেষ্টাৰে আমি অগপক অধিক শক্তিশালী কৰি তুলিব লাগিব। ইতিহাসৰ পাতত সকলো ৰাজনৈতিক দলৰে উত্থান-পতন, বিপৰ্যয় আছে আৰু বিগত সময়ছোৱাত দলটোক দুৰ্বল কৰিবলৈ বিভিন্নজনে অপচেষ্টা অব্যাহত ৰাখিছে। সেই সকলৰ এই অপচেষ্টা সফল হোৱা নাই আৰু অগপৰ তৃণমূলৰ কৰ্মীসকলে সেই অপচেষ্টা ফলপ্ৰসু কৰাৰ সুযোগ দিয়া নাই আৰু ভৱিষ্যতে নিদিয়ে। ৰাইজে বিচৰা ধৰণে ৰাজ্যখনৰ স্বাৰ্থত অগপই নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই যাব। সকলোৱে ঐক্যবদ্ধ হৈ সততা, নিষ্ঠাৰে দলটোক আগবঢ়াই নিব লাগিব।' যোৱা ৩৮টা বছৰে বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি অগপ আজি এই পৰ্যায়ত উপনীত হৈছে আৰু অসমৰ জনতাৰ আবেগ, অনুভূতি, তেজ, ত্যাগৰ বিনিময়ত গঠিত দলটোৰ তৃণমূল কৰ্মীসকলৰ বাবেই অগপৰ পতাকাখন মুক্তমনে মুক্ত আকাশৰ তলত আজি উৰি আছে বুলি সভাপতি বৰাই কয়।

**এইবাৰ লোকসভাত অগপৰ সদস্য থাকিব বুলি আপোনালোকে দাবী কৰি আহিছে যদিও কোন কেইটা সমষ্টিত প্ৰাৰ্থিত্ব দিব এতিয়াও নিৰ্দিষ্ট হোৱা নাই। মূৰামূৰি সময়ত যুঁজত অৱতীৰ্ণ হৈ সুফল লাভ কৰাটো সম্ভৱ হʼবনে? নে এই ক্ষেত্ৰত বিগ ব্ৰাডাৰ বিজেপিয়ে গুৰুত্ব প্ৰদান নকৰাত সমষ্টি নিৰ্দিষ্ট কৰিব পৰা নাই?**

এই প্ৰশ্নৰ উত্তৰত অগপ সভাপতি বৰাই কয়, 'লোকসভাত এটা সময়ত অগপৰ প্ৰতিনিধি আছিল আৰু মন্ত্ৰীও আছিল; কিন্তু এতিয়া নাই। লোকসভা নিৰ্বাচন সমাগত। এইবাৰ লোকসভা নিৰ্বাচনত আমি প্ৰতিনিধি পঠিয়াবলৈ দৃঢ় প্ৰতিজ্ঞ। অৱশ্যে কোন কেইটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব এতিয়াও নিশ্চিত হোৱা নাই। এই ক্ষেত্ৰত বিজেপিয়ে গুৰুত্ব নিদিয়াৰ কোনো প্ৰশ্ন নাই; কাৰণ লোকসভাত প্ৰতিদ্বন্দ্বিতা কৰাৰ উদ্দেশ্যে দলটোৱে দীৰ্ঘদিনৰ পৰা সাংগঠনিক তৎপৰতা অব্যাহত ৰাখিছে। দলটোৱে এক জৰীপৰ ব্যৱস্থাও অব্যাহত ৰাখিছে। ৰাজ্যখনৰ ১৪ টা লোকসভা সমষ্টিতে কৰ্মী সন্মিলন অনুষ্ঠিত কৰা হৈছে। এই কৰ্মী সন্মিলনসমূহত আমি যথেষ্ট সঁহাৰি লাভ কৰিছো। কৰ্মীসকলৰ দৃঢ়মনা স্থিতি, ৰাইজৰ হকে কাম কৰাৰ যি সংকল্প আমি নিশ্চিত যে লোকসভালৈ এইবাৰ আমি প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰিম।' উল্লেখ্য যে মূৰামূৰি সময়ত নহয়, সম্পূৰ্ণ পৰিকল্পিতভাৱে দলটোৱে দীৰ্ঘ সময়ৰ পৰা লোকসভা সমষ্টি ভিত্তিত কাম কৰি আহিছে বুলি অগপ সভাপতিজনে মন্তব্য কৰি পুনৰ কয়, 'সমষ্টি পুনৰ নিৰ্ধাৰণ আমাৰ দীৰ্ঘদিনীয়া দাবী আছিল আৰু আমি ইয়াক সমৰ্থন কৰিছো। খিলঞ্জীয়াৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত সমষ্টি পুনৰ নিৰ্ধাৰণ হʼব লাগে বুলি আমি দাবী কৰি আহিছিলো। শেষত সমষ্টি পুনৰ নিৰ্ধাৰণ হʼল আৰু এতিয়া ইয়াৰ ভৌগোলিক সীমাও সলনি হৈছে। আমি কোন সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিম শীঘ্ৰে সিদ্ধান্ত গ্ৰহণ কৰিম।'

**বিভিন্ন সময়ত সৰু সৰু আঞ্চলিক দলসমূহক সৰ্বভাৰতীয় দলসমূহে নিঃশেষ কৰা নীতি গ্ৰহণ কৰে বুলি অভিযোগ আছে। আগন্তুক দিনত অগপৰ ক্ষেত্ৰতো তেনে ভাবুকি বহুতে দেখা পায়। এই ক্ষেত্ৰত দলৰ সভাপতিৰূপে আপোনাৰ মতামত কি?**

অৰ্থাৎ প্ৰশ্নটো হʼল বিগ ব্ৰাডাৰে অগপক গিলি পেলাব নেকি? এইদৰে ওলোটাই প্ৰশ্ন কৰি সভাপতি বৰাই প্ৰসংগত কয়, 'আজিৰ যুগৰ ৰাজনীতি হৈছে মিত্ৰতাৰ ৰাজনীতি। ইয়াতে যে কেৱল মিত্ৰতা হৈছে তেনে নহয়, মিত্ৰতা সকলোতে আছে; কিন্তু নিজৰ লক্ষ্য-উদ্দেশ্য যদি ঠিকে থাকে, স্থিতি মজবুত থাকে, এয়া কাৰো পক্ষে সম্ভৱ নহয়।' অসমত আঞ্চলিকতাবাদ লাগিবই আৰু অগপ শক্তিশালী হোৱা মানে আঞ্চলিকতাবাদ সুৰক্ষিত হোৱা, আঞ্চলিকতাবাদ সুৰক্ষিত হোৱা মানেই অসম সুৰক্ষিত হোৱা বুলি মন্তব্য কৰি অগপৰ সভাপতিজনে পুনৰ কয়, 'অসমত অগপই হৈছে আঞ্চলিকতাবাদৰ আয়ুসৰেখা। এই আয়ুসৰেখাডাল যিমানে দীঘলীয়া আৰু শক্তিশালী হʼব, সিমানে অসমত আঞ্চলিকতাবাদৰ আয়ুস দীঘলীয়া আৰু শক্তিশালী হʼব। সেয়া মই আজিও দলটোৰ কৰ্মীসকলৰ প্ৰতি আহ্বান জনাওঁ যে অগপৰ যি ইতিহাস উত্তৰণ আৰু বিপৰ্যয়ৰ ইতিহাস। ভাল দিন, বেয়া দিন সকলোৱে থাকে, গতিকে ভৱিষ্যতৰ দিনবিলাক উত্তৰণৰ দিন হওক, তাৰ বাবে দলৰ সকলো পৰ্যায়ৰ কৰ্মীয়ে সেৱাৰ মনোভাবেৰে, নিস্বাৰ্থভাৱে কাম কৰক।' উল্লেখ্য যে ১৯৮৫ আৰু ১৯৯৬ৰ অগপৰ নেতৃত্বত দুবাৰকৈ চৰকাৰ গঠন হোৱাৰ পাছত দলটোৱে বিপৰ্যয়ৰ মুখামুখি হৈছিল বুলি মন্তব্য কৰি সভাপতি বৰাই কয় যে দলটো বিৰোধীৰ আসনতো বহিবলগীয়া হৈছিল। এটা সময় আছিল যে বিৰোধীৰ আসনখনো দলে লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। তেনে এটা সময়তে দলৰ নেতৃত্ব আমাৰ ওপৰত ন্যস্ত কৰিছিল বুলি তেওঁ মন্তব্য কৰি কয়, 'দলটো আজি চৰকাৰৰ অংশীদাৰ হৈ দুজনকৈ মন্ত্ৰী আছো। আমি ৰাইজক চৰকাৰৰ জৰিয়তে সেৱা কৰাৰ এটা সুযোগ পাইছো। আজি কৃষি, স্বাস্থ্য, অসম চুক্তিৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ মুখ্যমন্ত্ৰীয়ে আমাৰ ওপৰত ন্যস্ত কৰিছে। আন্তৰিকতাৰে সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছো।' প্ৰগতিশীল আঞ্চলিকতাবাদৰ দৃষ্টিভংগীৰে অনুপ্ৰাণিত অগপৰ অক্লান্ত কৰ্মকৰ্তাসকলে দলটোক অপ্ৰতিৰোধ্য গতিৰে আগুৱাই নিছে বুলি মন্তব্য কৰি সভাপতি বৰাই প্ৰতিষ্ঠা দিৱসৰ দিনটোত তৃণমূল পৰ্যায়ত দলৰ সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰিবলৈ অগপৰ নেতা-কৰ্মীসকলক আহ্বান জনাই কয় যে তৃণমূল পৰ্যায়ত দলৰ সাংগঠনিক ভেটি আৰু অধিক শক্তিশালী কৰাৰ বাবে ঐকান্তিক প্ৰচেষ্টাৰে সকলোৱে আগবাঢ়ি যাব লাগিব। জনসংযোগ বৃদ্ধি কৰি অগপৰ নীতি-আদৰ্শক সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজলৈ লৈ যাব লাগিব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ [illegible] সভাপতি বৰাই দলীয় বিষয়ববীয়া আৰু কৰ্মীসকলক আহ্বান জনায়। অসমৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে অগপৰ ভেটি অধিক সুদৃঢ় কৰি তুলিব লাগিব বুলি তেওঁ কয়।

# লালুক অঞ্চলৰ অলিয়ে-গলিয়ে সন্দেহজনক ফাৰ্মাচী

## ■ কোন বৈধ কোন অবৈধ এই লৈ ৰাইজৰ প্ৰশ্ন ■ প্ৰশাসনক উচিত তদন্তৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**লালুক, ১৩ অক্টোবৰ ঃ** মানুহৰ জীৱন-মৰণৰ স'তে জড়িত বিভিন্ন ৰোগৰ ঔষধ অথবা চিকিৎসা সেৱা সম্প্ৰতি লালুক অঞ্চলত তেনেই সুলভ হৈ পৰিছে। বৰ্তমান ফাৰ্মাচীকে ধৰি য'তে ত'তে কাঠফুলাৰ দৰে গঢ় লৈ উঠিছে ৰোগী চোৱা কক্ষ অথবা বিভিন্ন ৰোগৰ চিকিৎসা প্ৰদান কৰা ব্যৱসায়। লখিমপুৰ জিলাৰ লালুক অঞ্চলৰ লগতে বহু ভিতৰুৱা অঞ্চলত সম্প্ৰতি গঢ় লৈ উঠা ফাৰ্মাচী অথবা ৰোগী চোৱা কক্ষৰ বৈধতাক লৈ ৰাইজ সন্দিহান হৈ পৰিছে। ৰাইজে ভাবিবলৈ বাধ্য হৈছে যে চিকিৎসা সেৱাৰ নামতো চলিছে নেকি অঞ্চলটোত অবৈধ ব্যৱসায়। অঞ্চলটোৰ বহু ভিতৰুৱা ঠাইৰ বহু ফাৰ্মাচীত ৰোগী চোৱাৰ বাবে বহুৱাই ৰাখিছে চিকিৎসক। এই চিকিৎসকসকল বৈধ হয়নে নহয় এই লৈ বিভিন্নজনে প্ৰশ্ন কৰিছে। লগতে মন্তব্য কৰিছে যে মানৱ সেৱাৰ নামত বহুতে ৰমৰমীয়া ব্যৱসায় চলায় আহিছে বিভিন্ন ঠাইত। লালুকৰ লগতে অঞ্চলটোৰ ভিতৰুৱা ঠাই যুৱনগৰ, ধৰ্মপুৰ, শনিবৰীয়া বজাৰ, তিনিঠেঙীয়া, বঙালমৰা, ফেনখাতি, ঢেকিয়াজুলি আদি অঞ্চলত আছে বহু ফাৰ্মাচী। জানিব পৰা মতে, ইয়াৰে একাংশই ফাৰ্মাচীৰ অনুজ্ঞাপত্ৰ অৰুনাচল প্ৰদেশৰ বিভিন্ন ঠাইৰ পৰা আনি অসমত চলাই আছে ফাৰ্মাচীৰ ব্যৱসায়। অঞ্চলটোৰ সাধাৰণ তথা দুখীয়া জনসাধাৰণে কোনো ৰোগ হ'লে ওচৰতে থকা ফাৰ্মাচীত দেখুৱাই ঔষধ ক্ৰয় কৰি খায়। এনে ফাৰ্মাচী অথবা ৰোগী চোৱা কক্ষৰ পৰা সাধাৰণ জনতাই উপযুক্ত চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হৈছে জানো বুলি অঞ্চলটোৰ সচেতন মহলে প্ৰশ্ন কৰিছে। অভিযোগ অনুসৰি, ভিতৰুৱা অঞ্চলসমূহৰ একাংশই ব্যক্তিগত কোনো নাম নথকা প্ৰতিষ্ঠানত ফাৰ্মাচী পঢ়ি অথবা শিকি আহি তাৰে আলমত ফাৰ্মাচীৰ ব্যৱসায় চলাই গৈছে। একাংশই এএম পাছ কৰি আহি নাৰ্ছিং হোমৰ দৰে কক্ষ প্ৰতিষ্ঠা কৰি বিভিন্ন পৰীক্ষাৰ পৰীক্ষাগাৰ প্ৰতিষ্ঠা কৰি অঞ্চলটোত চলাই আছে চিকিৎসা সেৱা। য'তে-ত'তে গঢ় লৈ উঠা ফাৰ্মাচীবোৰ দেখি সাধাৰণ জনতা বিপাঙত পৰিছে। প্ৰকৃতাৰ্থত কোন বৈধ, কোন অবৈধ এই লৈ ৰাইজে প্ৰশ্ন কৰিছে। ৰাইজে লখিমপুৰ জিলা প্ৰশাসনক এই ক্ষেত্ৰত এক নিকা তদন্ত কৰি ৰাইজক যাতে উপযুক্তজনেহে চিকিৎসা সেৱা আগবঢ়াব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। লগতে চিকিৎসা সেৱাৰ নামত যাতে কোনেও ব্যৱসায় চলাব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ প্ৰশাসনক আহ্বান জনাইছে।

# যোগীঘোপাত কংগ্ৰেছৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰাত কালি ৰাহুল গান্ধীক বিজেপিৰ আইটি চেলে 'ৰাৱণ' বুলি তুচ্ছ-তাচ্ছিল্য কৰাৰ বিৰুদ্ধে কংগ্ৰেছে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বইটামাৰী ব্লক কংগ্ৰেছৰ উদ্যোগত অৰ্ধশতাধিক কংগ্ৰেছ কৰ্মীয়ে চলন্তাপাৰা ৰাজীৱ ভৱনৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰে প্ৰতিবাদী সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কংগ্ৰেছ কৰ্মীসকলে বিভিন্ন শ্ল'গানৰে বিজেপিক তীব্ৰ ভাষাত সমালোচনা কৰে। 'ৰাহুল গান্ধী জিন্দাবাদ, নৰেন্দ্ৰ মোদী গ' বেক, বিজেপি মুৰ্দাবাদ' আদি ধ্বনি দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছে। প্ৰতিবাদী কাৰ্যসূচীত বঙাইগাঁও জিলা কংগ্ৰেছৰ সভাপতি আবুল কাশেম, বইটামাৰী ব্লক কংগ্ৰেছৰ সভাপতি মুছাৰোফ হুছেইনৰ লগতে কংগ্ৰেছ কৰ্মী, মহিলা কংগ্ৰেছ, যুৱ কংগ্ৰেছ, এনএছইউআইৰ নেতা-কৰ্মী উপস্থিত থাকে।

# প্ৰথম স্থানৰ লগতে তিনিটা শীৰ্ষ স্থান দখলৰে উজলিল হোজাই আজমল আইন মহাবিদ্যালয়

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৩ অক্টোবৰ ঃ** শৈক্ষিক জগতত পুনৰ উজলিল হোজাইৰ আজমল আইন মহাবিদ্যালয়। আজমল ফাউণ্ডেছনৰ দ্বাৰা পৰিচালিত হোজাই জিলাৰ প্ৰথমখন আইন মহাবিদ্যালয় 'আজমল আইন মহাবিদ্যায়লয়ে চমকপ্ৰদ সফলতা লাভ কৰিবলৈ সক্ষম হয়। সদ্যঘোষিত ২০২৩ৰ এএলবিৰ ফলাফলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত আজমল আইন মহাবিদ্যালয়খনে ৰাজ্যখনৰ ভিতৰত তিনিটা স্থান দখল কৰি ৰাজ্যত উজলি উঠিবলৈ সক্ষম হয়। ফলাফলত প্ৰথম স্থান দখল কৰে আজমল আইন মহাবিদ্যালয়ৰ ছাত্ৰী ছাবিনা। ইয়াছমিন আনহাতে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম ২০ গৰাকীৰ ভিতৰত তিনি গৰাকী আজমল আইন মহাবিদ্যালয়ৰ। স্থান দখল কৰা ছাত্ৰ-ছাত্ৰী ক্ৰমে ১৮ সংখ্যক স্থানত ৰাজিয়া চুলতানা আৰু ১৯ সংখ্যক স্থানত ছাবিনা বেগম, সৰ্বমুঠ ২৮ জন পৰীক্ষাত অৱতীৰ্ণ হৈছিল তাৰে ২৬ জনে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। আজমল আইন মহাবিদ্যালয়ৰ অভূতপূৰ্ব সফলতাত উৎফুল্লিত আজমল পৰিয়ালৰ সদস্যসকল। আজমল ফাউণ্ডেছনৰ ন্যাসৰক্ষী তথা ধুবুৰীৰ সাংসদ মৌলানা বদৰুদ্দিন আজমল আৰু মুখ্য ন্যাসৰক্ষী তথা যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিন আজমল, আজমল ফাউণ্ডেছনৰ সঞ্চালক ড° খচৰুল ইছলাম, মহা প্ৰৱন্ধক ড° এমআৰএইছ আজাদ আৰু আজমল আইন মহাবিদ্যালয়ৰ অধ্যক্ষ আব্বাছ আলীয়ে আজমল আইন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে।

# জে বি কলেজত প্ৰতিষ্ঠা দিৱসত হৰিশ্চন্দ্ৰ উপাখ্যান ভাওনা প্ৰদৰ্শন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৩ অক্টোবৰ ঃ** যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ৯৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি যোৱা ১০ অক্টোবৰত নিশা মহাবিদ্যালয়-পৰিয়ালৰ শিক্ষক-কৰ্মচাৰী-শিক্ষাৰ্থী সমন্বিতে নাম-কীৰ্তন, মহিলা কোষ আৰু যুৱসমাজৰ দ্বাৰা দিহানাম পৰিৱেশিত হয়। সন্ধ্যা বন্তি প্ৰজ্জ্বলন, নাম-প্ৰসংগ আৰু গায়ন-বায়নৰ পাছতে 'হৰিশ্চন্দ্ৰ উপাখ্যান' ভাওনাভাগি সাত্ত্বিকভাৱে মহাবিদ্যালয়ৰ চৌহদত পৰিৱেশন কৰা হয়। অধ্যয়নৰত আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমন্বিতে পাঁচ শতাধিক দৰ্শকৰ উপস্থিতিত পৰিৱেশিত হোৱা ভাওনা আৰম্ভণিৰ পূৰ্বে ড° জ্যোতিৰেখা হাজৰিকাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল জ্যোতি মহন্ত, পৰিচালনা সমিতিৰ সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে আদৰণী ভাষণ আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি চমু বক্তব্য আগবঢ়ায়। অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° অশোক বৰঠাকুৰে উদ্বোধন কৰি জগন্নাথ বৰুৱা মহাবিদ্যালয় পৰিয়ালৰ উদ্যোগত আয়োজিত ভাওনা-সংস্কৃতিৰ পৰম্পৰাৰ বিষয়ে আলোকপাত কৰে। ভাওনা পৰিচালনা তথা মূল চৰিত্ৰ হৰিশ্চন্দ্ৰৰ ভাও ৰূপায়ণ কৰা ড° অপূৰ্ব কুমাৰ শৰ্মা আৰু কৰ্মৰত শিক্ষক ক্ৰমে শুভাশিস শৰ্মা (ৰিপুঞ্জয়), ড° প্ৰণৱ বৰুৱা (ভিক্ষাৰী), ড° গৌতম অধ্যাপক (ইন্দ্ৰ), পংকজ গোস্বামী (বামুণ), সন্দীপ শংকৰ ৰেগন (কালুৱা চণ্ডাল), মাধুৰ্য মিলি (ধৰ্মৰাজ)ৰ লগতে মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ মহলাৰ বিদ্যাৰ্থী সত্য শইকীয়া (সূত্ৰধাৰ), বিশ্বজিৎ দত্ত (নাৰায়ণ), ৰাহুল ৰাজ হাজৰিকা (বিশ্বমিত্ৰ), আশিস কুমাৰ দাস (মন্ত্ৰী), প্ৰীতম কুমাৰ বৰা (সমৰসিংহ), হৃষীকেশ দত্ত (দেৱব্ৰত), অম্লান জ্যোতি কৌশিক (পগলা), অনিমেশ শৰ্মা (প্ৰহৰী), দীক্ষাশ্ৰী বৰা (শৈবা), মনদীপ ভৰালী (কাবেৰী), অদিতি নাহৰডেকা (বামুণী), জিজ্ঞাসা কৌশিক (অন্নপূৰ্ণা) আৰু ত্ৰিবিদ্যাৰ ভাৰত ক্ৰমে স্নেহা মেচ, অনন্যা অনানী কাশ্যপ, ঈষাণ কৌশিক আৰু অতিথি শিল্পী প্ৰিয়াংকু নেওগ (ৰোহিত)ৰ মনপৰশা সাৱলীল অভিনয়েৰে দৰ্শকসকলক চাৰি ঘণ্টা ৩০ মিনিট সময় মোহাচ্ছন্ন কৰি ৰাখে। ভাওনাৰ সাফল্যৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে ভাওনা পৰিচালনা সমিতিৰ সভাপতি ড° গৌতম কলিতাই নৱজাগৰণ শিল্পী সমাজৰ লগতে দিনজোৰা কাৰ্যসূচীত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা সংশ্লিষ্ট সকলোলৈ আন্তৰিকতাৰে ধন্যবাদ জনায়।

# বৰহোলা মহাবিদ্যালয়ত স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন



**বিশেষ সংবাদদাতা**

**বৰহোলা, ১৩ অক্টোবৰ ঃ** আন্তঃৰাষ্ট্ৰীয় কন্যা দিৱসৰ লগত সংগতি ৰাখি যোৱা ১১ অক্টোবৰত বৰহোলা মহাবিদ্যালয়ত অনুষ্ঠিত হয় এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ। বৰহোলা মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আৰু তিনিটাকৈ গ্ৰাম্য সংগঠনৰ সহযোগত অনুষ্ঠিত হোৱা কাৰ্যসূচীত দুগৰাকীকৈ চিকিৎসক উপস্থিত থাকি কে'বাশতাধিক ছাত্ৰীক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰি ঔষধ প্ৰদান কৰে। পুৱা বৰহোলা মহাবিদ্যালয়ৰ অধ্যক্ষা বৰ্ণালী কলিতাৰ বন্তি প্ৰজ্বলনেৰে শিবিৰটোৰ শুভ উদ্বোধন কৰা হয়। ইয়াৰ পাছতে মহিলা কোষৰ সম্পাদিকা অনামিকা হাজৰিকাই আঁত ধৰা উদ্বোধনী সভাত অধ্যক্ষা বৰ্ণালী কলিতাই উপস্থিত ছাত্ৰীসকলক উদ্দেশি স্বাস্থ্য সম্পৰ্কীয় চমু সজাগতামূলক বক্তব্য প্ৰদান কৰে। সভাত মহিলা কোষৰ সভানেত্ৰী ফৰিদা ৰহমান, স্বাস্থ্য বিষয়া ডাঃ অংশুমান ৰাজখোৱা, ডাঃ বাবুল মৰাং, সাংবাদিক অজয় শইকীয়া অতিথি হিচাপে উপস্থিত থাকি চমু বক্তব্য আগবঢ়ায়। অধ্যাপিকা চন্দ্ৰমা দেৱীৰ শলাগৰ শৰাইৰে প্ৰায় এঘণ্টীয়া সভাখনৰ সামৰণি পৰাৰ লগে লগে স্বাস্থ্য পৰীক্ষা শিবিৰটোৰ ফিটা কাটি মুকলি কৰে ডাঃ অংশুমান ৰাজখোৱাই। শিবিৰটো চলি থকাৰ মাজতে বৰহোলা সামূহিক স্বাস্থ্য কেন্দ্ৰৰ উপ-অধীক্ষক ডাঃ সৌৰভ বৰা উপস্থিত হৈ চিকিৎসক, স্বাস্থ্যকৰ্মীসকলক উৎসাহ যোগায়। মহিলা কোষক আটাইকেইগৰাকী সদস্যাৰ সক্ৰিয়সহযোগত অনুষ্ঠিত শিবিৰটোত ভালেসংখ্যক ছাত্ৰীক বিনামূলীয়াকৈ চেনিটেৰী পেড বিতৰণ কৰা হয়। উল্লেখ্য যে বৃহত্তৰ বৰহোলা অঞ্চলটোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত মহাবিদ্যালয়খনে মুখ্য ভূমিকা পালন কৰি অহাৰ সমান্তৰালকৈ আজি মহিলা কোষে ছাত্ৰীৰ স্বাস্থ্যৰ বাবে গ্ৰহণ কৰা এনে সজাগতামূলক পদক্ষেপ অতি আদৰণীয় বুলি কে'বাগৰাকীয়ে মত ব্যক্ত কৰিছে।

## কে'বা শতাধিক ছাত্ৰীক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা ঔষধ-চেনিটেৰী পেড বিতৰণ

# শিমলা বজাৰত সাৰ্বজনীন লক্ষ্মী পূজা

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১৩ অক্টোবৰ ঃ** বাগ্সা জিলাৰ শিমলা গাঁও উন্নয়ন সমিতি আৰু সাৰ্বজনীন লক্ষ্মী পূজা সমিতিৰ উদ্যোগত শিমলা বজাৰত অহা ২৮ অক্টোবৰৰ পৰা এক নৰেম্বৰলৈ ৮০ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰীলক্ষ্মী পূজা অনুষ্ঠিত হ'ব। ২৮ অক্টোবৰত পুৱা পূজা কমিটীৰ সভাপতি পৱিত্ৰ বসুমতাৰীয়ে পতাকা উত্তোলনেৰে পূজাৰ আৰম্ভ কৰিব। স্মৃতিতৰ্পণ কৰিব শিমলা বজাৰ স্থায়ী ব্যৱসায়ী সন্থাৰ উপদেষ্টা অচ্যুত দাসে। ইয়াৰ পাছতে গছপুলি ৰোপণ, অতিথিশালাৰ দ্বাৰ উদ্ঘাটন, তোৰণ উন্মোচন, পূজা গৃহ উন্মোচন আদি কাৰ্যসূচী ৰূপায়িত হ'ব। পূজাৰ আনুষ্ঠানিক উদ্বোধন কৰিব বিটিচিৰ ককলাবাৰী সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে, সন্ধিয়া নাম-প্ৰসংগ আৰু আৰজ অনুষ্ঠিত হ'ব। ২৯ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ পুৱা স্বচ্ছ অভিযান, ভাগৱত পাঠ, সন্ধিয়া নৃত্য পৰিৱেশন কৰা হ'ব। ৩০, ৩১ অক্টোবৰৰ নিশা ১০ বজাত নাট্য অভিনয় প্ৰদৰ্শন কৰা হ'ব। এক নৱেম্বৰত পুৱা স্বচ্ছ অভিযান আৰু ভাগৱত পাঠ আৰু সন্ধিয়া সম্বৰ্ধনা অনুষ্ঠান আৰু কেছেটে নৃত্যৰ চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# অসম চৰকাৰৰ কৰ্মচাৰীৰ কৰ্মসংস্কৃতিৰ নমুনা ঃ অনলাইনৰ নামত ভেঁকোভাওনা

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৩ অক্টোবৰ ঃ** বিকাশ আৰু প্ৰগতিৰ জয় ঢোল বজাই থকা পৰিৱৰ্তনকামী অসম চৰকাৰৰ কৰ্মচাৰী কৰ্মসংস্কৃতিয়ে সৰ্বসাধাৰণ ৰাইজক ঘটিয়ে ঘটিয়ে পানী খুৱাই দিছে। যোৰহাট জিলাৰ পূব যোৰহাট ৰাজহ চক্ৰৰ পৰা এখন বাৰ্ষিক আয় প্ৰমাণপত্ৰৰ বাবে 'অৰুণোদয় কেন্দ্ৰ' যোগেদি অনলাইন আবেদন কৰি প্ৰয়োজনীয় মাচুল আদায় দিয়াৰ পাছত প্ৰাপ্তি স্বীকাৰপত্ৰত জনায় ১০ দিনৰ ভিতৰত লাভ কৰিব। দুখৰ বিষয় যে ১১ ছেপ্টেম্বৰত আবেদন গ্ৰহণ কৰা অদ্যপৰিমিত (১২ অক্টোবৰ) আবেদনকাৰীয়ে আয়ৰ প্ৰমাণপত্ৰখন পোৱা নাই। অসম চৰকাৰৰ কৰ্মচাৰী কৰ্মসংস্কৃতি নমুনা দেখি ক্ষুব্ধ হৈ পৰিছে আবেদনকাৰী। অনলাইনৰ নামত ভেঁকোভাওনা পাতি থকা কৰ্মচাৰীৰ বিৰুদ্ধে অসমৰ দক্ষ মুখ্যমন্ত্ৰীয়ে কিবা পদক্ষেপ গ্ৰহণ কৰিবলৈ সক্ষম হ'ব নে সেইটো এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

# কাছুমাৰাত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

**নগৰবেৰা, ১৩ অক্টোবৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ দক্ষিণ প্ৰান্তৰৰ প্ৰাণকেন্দ্ৰ কাছুমাৰা বজাৰত কালি মুকলি কৰা হয় ভাৰত চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ। জানিব পৰা মতে, 'অগ্ৰগামী' মহিলা আত্মসহায়ক গোটৰ উদ্যোগত এক্সেল আইটি কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটো ম'হচৰা গাঁও পঞ্চায়ত সভানেত্ৰী ৰাশিদা খাতুনৰ সহযোগত কাছুমাৰা বজাৰ আঞ্চলিক উন্নয়ন কমিটীৰ সভাপতি আলহাজ মকবুল হুছেইনে উদ্বোধন কৰে। ভাৰত চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটো মুকলিৰ পূৰ্বে অগ্ৰগামী চিএলএফৰ তৰফৰ পৰা অতিথিসকলক সম্বৰ্ধনা জনায়। উল্লেখ্য যে কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটোৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি সমূহীয়াভাৱে দোৱা-প্ৰাৰ্থনা কৰা হয়। অতি কম খৰচৰ বিনিময়ত কেন্দ্ৰটোত নামভৰ্তি কৰি ইচ্ছুক যুৱক-যুৱতীসকলে প্ৰশিক্ষণ ল'ব পাৰিব বুলি সাংবাদিকক জনায়। উদ্বোধনী অনুষ্ঠানত কাছুমাৰা বজাৰ উন্নয়ন কমিটীৰ সাধাৰণ সম্পাদক তাইজুদ্দিন, চেঙা সমষ্টি যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ছাইদুৰ ৰহমানৰ লগতে অঞ্চলটোৰ ভালে সংখ্যক সন্মানীয় ব্যক্তিৰ লগতে কাছুমাৰা আৰু ম'হচৰা আত্মসহায় গোটৰ সদস্যাসকল উপস্থিত থাকে। প্ৰশিক্ষণ কেন্দ্ৰটোৰ পৰিচালকে সমূহ অঞ্চলবাসী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

# হাজোৰ বিভিন্ন স্থানত সিচঁৰতি হৈ থকা চৰকাৰী ভূমি সংৰক্ষণৰ দাবী যুৱ সমাজৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৩ অক্টোবৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পূব বংশৰ মৌজাৰ ২৩, ২৪ আৰু ৩২ নম্বৰ দাগৰ ৰৌমাৰী জলাশয়, হীৰাকাটা, দীঘলী বিল এই কেইখন বিল, জলাশয় বৰ্তমান সংকটত পৰিছে। এই সমূহ বিল-জলাশয়ত বিভিন্ন প্ৰজাতিৰ মাছ-কাছ আৰু দুষ্প্ৰাপ্য হাড়গিলাৰ লগতে বিভিন্ন ঠাইৰ পৰা অহা পৰিভ্ৰমী চৰাই বিচৰণ স্থলী। কিন্তু উক্ত বিল, জলাশয় পৰ্বত-পাহাৰ আদিত থকা চৰকাৰী ভূমি এচাম বণিক গোষ্ঠীয়ে বেদখল কৰি বিভিন্ন ধৰণে বৃহৎ বৃহৎ কল-কাৰখানাৰ লগতে উদ্যোগ আদি স্থাপনৰ যো-জা চলাইছিল। এই অঞ্চলসমূহত যদি এনেদৰে উদ্যোগ, কল-কাৰখানা স্থাপন কৰা হয় তেনেহ'লে এই সমূহ বিল, জলাশয় আৰু চৰকাৰী ভূমি বিলুপ্তি হ'ব আৰু সকলো বণিক গোষ্ঠীৰ হাতলৈ যাব। তদুপৰি হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পছৰীয়া দলৰ পথাৰৰ ২৯৩ নম্বৰ দাগৰ ২৭ বিঘা চাৰি কঠা মই চৰকাৰী ভূমিত অবৈধভাৱে দখল কৰি বণিক গোষ্ঠী বসন্ত আগৰৱালাই আৰণ্টন লোৱাৰ বাবে যো-জা চলাই আছে। স্মাৰকপত্ৰত আৰু উল্লেখ কৰা মতে, ঐতিহাসিক আলাৰৈ ৰণস্থলীৰ গাতে লাগি থকা পাহাৰসমূহত অবৈধভাৱে খনন কাৰ্য চলাই আছে অনাগত দিনত ঐতিহ্য বহনকাৰী পাহাৰসমূহ নিচ্ছিন্ন হৈ যোৱাটো নিশ্চিত। ইতিমধ্যে পছৰীয়া অঞ্চলৰ মেকুৰী পাহাৰখন বসন্ত আগাৰৱালাৰ লগত স্থানীয় ব্যক্তিয়ে অবৈধভাৱে খনন কাৰ্য চলাই ৮০ শতাংশ নিঃশেষ কৰি পেলাইছে। আনহাতে, পছৰীয়া দলৰ পথাৰৰ গো-ৰিজাৰ্ভৰ দাগ নম্বৰ ৩০১ আৰু ৰিজাৰ্ভৰ গৰু-ছাগলী যোৱা পথটো মুকলি তথা জোখ-মাপ কৰি ৰাইজক সীমা চমজাই দিয়াৰ বাবে এই স্মৰকপত্ৰৰ জৰিয়তে দাবী জনায়। সেয়ে উপৰি উক্ত অঞ্চলত চলি থকা অনৈতিক কাৰ্যকলাপসমূহ বন্ধ কৰি ভৱিষ্যতে কোনো দুষ্ট চক্ৰই এনে অনৈতিক কাম কৰিব নোৱাৰে তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ এই স্মাৰকপত্ৰৰ জৰিয়তে হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিণ হুছেইনৰ ওচৰত দাবী জনায়।

## স্মাৰকপত্ৰ প্ৰদান

# বঙাইগাঁও জিলা বিজেপিৰ সভাপতিক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** বিজেপিৰ বঙাইগাঁও জিলাৰ অন্তৰ্গত বিদ্যাপুৰ মণ্ডলত যোৱা ১১ অক্টোবৰত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সম্বৰ্ধনা অনুষ্ঠানত বিজেপিৰ নৱনিযুক্ত জিলা সভাপতি উজ্জ্বলকান্তি ৰায়ক সম্বৰ্ধনা জ্ঞাপন কৰে। বিদ্যাপুৰ মণ্ডলৰ সভাপতি লংকেশ্বৰ বৰ্মনৰ সঞ্চালনাত অনুষ্ঠিত সভাত জিলা সভাপতি উজ্জ্বলকান্তি ৰায়ে দলৰ সাংগঠনিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাষণ প্ৰসংগত তেওঁ জিলাখনৰ বিভিন্ন স্তৰৰ কাৰ্যকৰ্তা, ন-পুৰণি, জ্যেষ্ঠ, কনিষ্ঠ সকলো কাৰ্যকৰ্তাকে আগন্তুক দিনত এক নতুন উদ্যমেৰে দলীয় কামত আত্মনিয়োগ কৰাৰ বাবে আহ্বান জনায়। অনুষ্ঠানত বিদ্যাপুৰ মণ্ডলৰ কাৰ্যকৰ্তা তথা শুভাকাংক্ষী ৰাইজক স্বাগতম জনায়। সভাত জিলা সাধাৰণ সম্পাদক জ্যোতিৰ্ময় সৰকাৰ প্ৰমুখ্যে বুথ সভাপতি-সম্পাদক, শক্তিকেন্দ্ৰ প্ৰমুখ, মণ্ডলৰ বিষয়ববীয়া কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# মৰাণ শাখা সাহিত্য সভাৰ অসম ভিত্তিত চুটি গল্প, কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৩ অক্টোবৰ ঃ** মৰাণ শাখা সাহিত্য সভাই সদৌ অসম ভিত্তিত আয়োজন কৰা ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ ড° কমলা বৰগোহাঁই সোঁৱৰণী চুটি গল্প প্ৰতিযোগিতা আৰু কাব্যপ্ৰাণ চুজাউদ্দিন আহমেদ সোঁৱৰণী কবিতা প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। সেই অনুসৰি চুটি গল্প প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম নগাঁৱৰ সোণাই একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ হিমাংশু কৌশিক বৰা আৰু দ্বিতীয় স্থান অধিকাৰ কৰিছে মাজুলী নাওশালিৰ নৰেন্দ্ৰ শইকীয়াই। 'খ' শাখাত প্ৰথম গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী পম্পী কলিতা, দ্বিতীয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ সিদ্ধাৰ্থ গৌতম দত্ত আৰু তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ সংকল্পজিৎ শইকীয়াই। কবিতা প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম নলবাৰীৰ নালন্দা পাব্লিক স্কুলৰ ছাত্ৰ অনুজ বশিষ্ঠ আৰু দ্বিতীয় স্থান অধিকাৰ কৰিছে শিৱসাগৰ মাদুৰী গোহাঁই গাঁৱৰ নাং ময়ূৰী বৰগোহাঁয়ো 'খ' শাখাত প্ৰথম নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ সংকল্পজিৎ শইকীয়া, দ্বিতীয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী প্ৰাৰ্থনা সন্দিকৈ আৰু তৃতীয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ হোমেন গগৈয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতি যোগে কালি মৰাণ শাখা সাহিত্য সভাৰ সভাপতি নীলকান্ত গগৈ আৰু সম্পাদক ৰাজ্জাত আলীয়ে এই কথা সদৰী কৰিছে। অহা ১৬ অক্টোবৰ দিনৰ ১১ বজাৰ পৰা মৰাণ শাখা সাহিত্য সভাই মৰাণ মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজন কৰা এক অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য কান্ত হাজৰিকাৰ হাতেৰে এই বঁটাসমূহ প্ৰদান কৰা হ'ব। উল্লেখ্য যে ১৬ অক্টোবৰত মৰাণ শাখা সাহিত্য সভাই অসম সাহিত্য সভাৰ সভাপতি হাজৰিকাক মৰাণবাসী ৰাইজে ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব। অনুষ্ঠানটোত সাহিত্যপ্ৰেমী ৰাইজৰ উপস্থিতি একান্তই কামনা কৰিছে উদ্যোক্তা সমিতিয়ে।

# ডিব্ৰু মহাবিদ্যালয়ত ৰক্তদান শিবিৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ ডিব্ৰুগড় শাখা, ডিব্ৰু মহাবিদ্যালয়ৰ এনএছএছ গোট, এনচিচি গোট আৰু ৰেডক্ৰছৰ যৌথ সহযোগত এক স্বেচ্ছামূলক ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। ৰক্তদান শিবিৰত মুঠ ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে কে'বাগৰাকী শিক্ষকে স্বেচ্ছাই ৰক্তদান কৰি আন ছাত্ৰ-ছাত্ৰীসকলক ৰক্তদান কৰিবলৈ অনুপ্ৰাণিত কৰে। এই শিবিৰত অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা অহা এটা চিকিৎসক আৰু সহায়কাৰী দলে পূৰ্ণ সহযোগিতা আগবঢ়াই শিবিৰ সফল কৰাত বৰঙণি যোগায়। শিবিৰৰ আৰম্ভণিতে সমবেত ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলৰ মাজত ৰক্তদানৰ আৱশ্যকতা, ৰক্তদাতা এজনৰ শাৰীৰিক সক্ষমতা আৰু ৰক্তদান কৰাৰ সময়ত ল'ব লগা সাৱধানতা আদিৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায় ৰেডক্ৰছ ছ'চাইটিৰ সভাপতি ডাঃ পি কে শ্ৰুতিকৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, এনএছএছ গোটৰ বিষয়া প্ৰশান্ত বৰা, ৰেডক্ৰছ ছ'চাটিৰ আন কে'বাগৰাকী বিষয়ববীয়া, প্ৰমুখ্যে ভালে সংখ্যক শিক্ষক, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# অভয়াপুৰীত জয়ন্ত হাজৰিকাৰ মৃত্যুবাৰ্ষিকী উদ্যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী জ্যোতি সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত বিগত বৰ্ষৰ দৰে এইবেলিও কণ্ঠশিল্পী প্ৰয়াত জয়ন্ত হাজৰিকাৰ মৃত্যু দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্যাপন কৰিব। জ্যোতি সাংস্কৃতিক অনুষ্ঠানৰ সভাপতি ধৰণী বণিক্য আৰু সম্পাদক দেৱ কুমাৰ দাসে জানিবলৈ দিয়া মতে, অহা ১৫ অক্টোবৰৰ দিনা বৰেণ্য কণ্ঠশিল্পী জয়ন্ত হাজৰিকাৰ ৪৬ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে পতাকা উত্তোলন, জয়ন্ত হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে জয়ন্ত হাজৰিকাৰ গীতৰ আধাৰত একক সংগীত প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত কৰিব। 'ক' শাখাত ষষ্ঠ শ্ৰেণীলৈ আৰু 'খ' শাখাত সপ্তম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত উক্ত প্ৰতিযোগিতাত অংশ ল'ব খোজাসকলে জ্যোতি সাংস্কৃতিক অনুষ্ঠানৰ সম্পাদক নতুবা ৯৪৩৫৮২৯০৫০ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

# মুখ্যমন্ত্ৰীক তিনি দাবী সম্বলিত স্মাৰকপত্ৰ দিব সদৌ অসম গাঁওপ্ৰধান সংস্থাই

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৩ অক্টোবৰ ঃ** কালি যোৰহাটত উপস্থিত হোৱা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক লগ ধৰি গাঁওপ্ৰধান সংস্থাই স্মাৰকপত্ৰ প্ৰদান কৰিব। সংস্থাই জানিবলৈ দিয়া ৰাজ্যৰ গাঁওপ্ৰধানসকলে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। ইতিমধ্যে এই সন্দৰ্ভত মুখ্যমন্ত্ৰীজনক অৱগত কৰা হৈছে। এই সন্দৰ্ভত যোৱা ২৮-২৯ মে'ত ডিব্ৰুগড়ত অনুষ্ঠিত সংস্থাৰ সভাত গ্ৰহণ কৰা প্ৰস্তাৱ অনুসৰি ২০১৯-২০ৰ বাজেট অধিবেশনত ঘোষণা কৰা অনুসৰি গাঁওপ্ৰধানসকলক প্ৰতিষ্ঠানিক ৰূপ দি পাৰিতোষিকৰ পৰিৱৰ্তে মাহিলী দৰমহা দিয়াৰ ব্যৱস্থা কৰা। ২০২১ত চৰকাৰে অব্যাহতি দিয়া গাঁওবুঢ়াসকলক ১০লাখ টকাৰ এককালীন সাহায্য দিয়া আৰু গাঁওপ্ৰধান সংস্থাৰ খানাপাৰাস্থিত মুখ্য কাৰ্যালয়টো উন্নত প্ৰযুক্তিৰে তিনিমহলীয়াকৈ নিৰ্মাণ কৰি দিয়াৰ দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰিব।

# কলিয়াবৰত মোৰ মাটি, মোৰ দেশ মাটিক নমন, বীৰৰ বন্দন



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৩ অক্টোবৰ ঃ** 'মৃত্যুঞ্জয়ী আদৰ্শ আৰু অদম্য বীৰত্বৰে মহীয়ান বীৰ-বীৰাংগনাসকলক প্ৰণাম জনাই দেশৰ একতা দুদৃঢ় কৰাৰ সংকল্পৰে দেশজুৰি চলি থকা 'মোৰ মাটি মোৰ দেশ' কাৰ্যসূচীৰে অংশৰূপে কালি কলিয়াবৰত ৰাইজৰ স'তে 'অমৃত কলহ যাত্ৰা'ত অংশগ্ৰহণ কৰি আনন্দ অনুভৱ কৰোঁ। চৰকাৰৰ এনে প্ৰচেষ্টা প্ৰশংসনীয়।' কালি কলিয়াবৰত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। কলিয়াবৰ টি আও ষ্টেডিয়ামৰ পৰা কলিয়াবৰ উন্নয়ন খণ্ডলৈ সমদল কৰি কলিয়াবৰ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ১০খন গাঁও পঞ্চায়তৰ পৰা সংগ্ৰহ কৰা মাটি অমৃত কলহত সংমিশ্ৰণ কৰে। এই অনুষ্ঠানতে বিভিন্ন দেশপ্ৰেমমূলক সাংস্কৃতিক কাৰ্যসূচী আয়োজন কৰাৰ লগতে পঞ্চপ্ৰাণ সংকল্প গ্ৰহণ কৰে। 'মোৰ মাটি মোৰ দেশ' কাৰ্যসূচীতে ছবিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে সকলোৱে কাৰ্যসূচীত আঞ্চলিক পঞ্চায়ত স্তৰৰ কাৰ্যসূচীত বিজেপিৰ অসম প্ৰদেশৰ সাধাৰণ সম্পাদক দিপ্লু ৰঞ্জন শৰ্মা, কলিয়াবৰৰ মহকুমাধিপতি লিজা তালুকদাৰ, খণ্ড উন্নয়ন বিষয়া (ভাৰপ্ৰাপ্ত) ভাস্মতী কনিকা, অন্যান্য পিছপৰা শ্ৰেণীৰ উন্নয়ন পৰিষদ কলিয়াবৰ মহকুমাৰ অধ্যক্ষ মৃণাল বৰা, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী মুনমুনি দাস, আঞ্চলিক পঞ্চায়তৰ সভাপতি যতীন বৰা, বিজেপিৰ অসম প্ৰদেশৰ কাৰ্যনিৰ্বাহক সদস্য মনদীপ বৰা, অগপৰ কলিয়াবৰ বিধান পৰিষদৰ সভাপতি তিলক নাথ, বিজেপিৰ কলিয়াবৰ পূব মণ্ডলৰ সভাপতি ৰঞ্জন হাজৰিকাৰ লগতে কলিয়াবৰ মহকুমা প্ৰশাসনৰ বিষয়াবৰ্গ, আঞ্চলিক পঞ্চায়তৰ সদস্যসকল, গাঁও পঞ্চায়তসমূহৰ সভাপতি, সচিব সমন্বিতে সদস্যসকল জ্যেষ্ঠ নাগৰিকসকল, মহিলা আত্মসহায়ক গোটৰ সদস্যাসকল উপস্থিত থাকে। ইয়াতে নতুন দিল্লীৰ নেচনেল স্কুল অৱ ড্ৰামাৰ সহযোগিতাত হাটবৰ কেন্দ্ৰীয় নাট্য সমাজৰ শিল্পীসকলে এখন দেশপ্ৰেমমূলক বাটৰ নাট প্ৰদৰ্শন কৰে।

# প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ জন্মদিন পালন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৩ অক্টোবৰ ঃ** কঠালগুৰি ব্লক কংগ্ৰেছৰ উদ্যোগত যোৱা ১১ অক্টোবৰত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰয়াত তৰুণ গগৈৰ ৮৯ সংখ্যক জন্মদিন পালন কৰা হয়। তদুপলক্ষে পুৱা কঠালগুৰি ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে সন্মান জনোৱা হয়। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচী অনুসৰি গোলাঘাট বেঙেনাখোৱাত অৱস্থিত 'আমাৰ ঘৰৰ' আশ্ৰমত থকা ককা-আইতাসকলক আহাৰ বিতৰণ অনুষ্ঠান আয়োজন কৰা হয়। দুয়োটা কাৰ্যসূচীতে খুমটাই সমষ্টিৰ প্ৰাক্তন বিধায়িকা বিস্মিতা গগৈ, কঠালগুৰি ব্লক সভাপতি প্ৰাঞ্জল ৰাজখোৱা, মহিলা ব্লক সভানেত্ৰী ৰেখা বৰা, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ উপ-সভাপতি সাগৰিকা বৰা, জিলা যুৱ কংগ্ৰেছৰ সভাপতি দেৱব্ৰত ফুকন, সামাজিক মাধ্যমৰ গোলাঘাট জিলাৰ সাধাৰণ সম্পাদক প্ৰকাশ তামুলী, ঢেঁকীয়াল পঞ্চায়তৰ সভানেত্ৰী ৰূপা হাজৰিকা ৰাজখোৱা আৰু ব্লক আৰু জিলা পৰ্যায়ৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# সদৌ ওদালগুৰি জিলা আছুৰ কলাইগাঁও অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ১৩ অক্টোবৰ ঃ** সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিবেশন অহা ২৮ আৰু ২৯ অক্টোবৰত কলাইগাঁও পৰিদৰ্শন বঙলাত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক মাধুৰ্য শৰ্মাই জানিবলৈ দিয়া অনুসৰি ২৮ অক্টোবৰত পুৱা সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰী আৰু সাধাৰণ সম্পাদক বিপুল লহকৰে ছহিদ তৰ্পণ কৰিব। বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব জনপ্ৰিয় অভিনেতা নয়ন নিলীমে। পাছত সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ অন্তিম কাৰ্যনিৰ্বাহক সভা, আবেলি প্ৰতিনিধিৰ নাম পঞ্জীয়ন প্ৰতিনিধি সভা উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিতোপন দাসে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব কলাইগাঁও ৰাজহ চক্ৰ বিষয়া কাবেৰী ৰংপিপিয়ে আৰু সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্যই। ২৯ অক্টোবৰৰ পুৱা সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰিব কেন্দুকলাই সাহিত্য সমাজৰ প্ৰতিষ্ঠাপক সম্পাদক আবুল হুছেইনে। আবেলি সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰীৰ পৌৰোহিত্যত অনুষ্ঠিতব্য মুকলি আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান দিলীপ কলিতাই। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ডাঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই মুখ্য অতিথিৰ আসন অলংকৃত কৰিবলগীয়া অনুষ্ঠানত ভাৰপ্ৰাপ্ত সভাপতি উৎপল শৰ্মাই সন্মানীয় অতিথি আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব। অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰতাপ চন্দ্ৰ ভট্টাচাৰ্যই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। তদুপৰি অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, ওদালগুৰি জিলাৰ আয়ুক্ত ডাঃ সাদনেক সিং, গুৱাহাটী প্ৰেছ একাডেমীৰ সভাপতি মধুসূদন মেধি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বিপেন বড়ো, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক পৰাগ চহৰীয়া, অসম উন্নতি সভাৰ উপ-সভাপতি অৰবিন্দ ওজা, কাৰ্যনিৰ্বাহক সদস্য সুৰেন্দ্ৰ নাথ দাস, অসম সেনাৰ সংগঠকদ্বয় গৌতমজ্যোতি তালুকদাৰ, পংকজ কুমাৰ শৰ্মা, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হেমন্ত কোচ, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন ৰাভা, আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি প্ৰদীপ নাগ, সদৌ বিটিআৰ গৰিয়া-মৰিয়া-দেশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিজুল হক, দৰং জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভবেন বৰ্মন, ওদালগুৰি জিলা উন্নতি সভাৰ সভাপতি ঘনকান্ত ডেকা আৰু সাধাৰণ সম্পাদক অখিল কলিতাৰ লগতে সদৌ শৰণীয়া কছাৰী ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, ভোজপুৰী যুৱ-ছাত্ৰ পৰিষদ, চাহ জনজাতি ছাত্ৰ সন্থা আৰু গৰিয়া-মৰিয়া-দেশী ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ নেতৃবৰ্গই অতিথিৰূপে অংশগ্ৰহণ কৰিব। সন্ধিয়া ৰূপালী কাশ্যপে গীতৰ শৰাই আগবঢ়াবলগীয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নৃত্যশিল্পী ভানু ডেকা চহৰীয়াই।

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ অক্টোবৰ, শনিবাৰ ২০২৩ পৃষ্ঠা ১২

# অসমমালা আঁচনিৰ পথ নিৰ্মাণৰ নামত দুৰ্নীতি

## অধিগ্ৰহণৰ নামত চৰকাৰী ধন আত্মসাৎ কৰাৰ ৰাজহুৱা অভিযোগ

আগ্ৰদূত বাৰ্তা

**হোজাই, ১৩ অক্টোবৰ ঃ** পশ্চিম কাৰ্বিআংলং জিলাৰ হামৰেণৰ পৰা হোজাই জিলাৰ সোঁমাজেদি এটি পথ নীলবাগান হৈ হাওৱাঘাটলৈকে নিৰ্মাণ কাৰ্য চলি আছে। এই পথছোৱাৰ বাবে ভূমি অধিগ্ৰহণ কৰা হৈছে। ইতিমধ্যে ভূমিদান দিয়া বহুলোকক ক্ষতিপূৰণৰ নামত চৰকাৰী ধন মোকলাই দিয়া হৈছে; কিন্তু তাৰ বিপৰীতে হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰৰ অন্তৰ্গত দীঘলজাৰ ৰাজহ গাঁৱৰ স্থানীয় ৰাইজে হোজাই জিলা আয়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰিছে। ৰাইজে দিয়া অভিযোগপত্ৰত উল্লেখ কৰা অনুসৰি দীঘলজাৰ ৰাজহ গাঁৱৰ ৪১১ আৰু ৪১২ নম্বৰ চৰকাৰী ভূমিৰ শ্বৰিফ উদ্দিন নামৰ এজন লোকে দীৰ্ঘদিনৰ পৰা দখল কৰি আহিছে। তাৰ পৰিৱৰ্তে ৩১ আৰু ৩৩ নম্বৰ দাগৰ একচনা পট্টা দেখুৱাই চৰকাৰী ধন আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। সম্প্ৰতি অসমমালা আঁচনিৰ পথ নিৰ্মাণত চৰকাৰী ভূমিক ম্যাদী ভূমি দেখুৱাই অধিগ্ৰহণ কৰাই লোকনিৰ্মাণ বিভাগৰ পৰা ধন মোকলাই আনি আত্মসাৎ কৰিবলৈ যো-জা চলোৱা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে একাংশ বিষয়া আৰু পথৰ ভূমি জৰীপ কৰা পূৰ্বৰ লাট মণ্ডলৰ স'তে মিলি দীৰ্ঘদিনৰ পৰা এইজন লোকে অনিয়ম কৰি অহাৰ অভিযোগ উঠিছে। ইয়াকে লৈ তীব্ৰ প্ৰতিক্ৰিয়াই বিৰাজ কৰিছে। ইপিনে, চৰকাৰী চাকৰিয়াল এইগৰাকী লোকে মাটিৰ দালালিত নামি পৰা বুলি গাঁওবাসীয়ে অভিযোগ কৰে। উক্ত বিষয় সংক্ৰান্তত তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# উত্তৰ শালমাৰাৰ বিভিন্ন প্ৰান্তত মৃণ্ময় শিল্পীৰ ব্যস্ততা

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৩ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ প্ৰান্তে প্ৰান্তে শাৰদীয় দুৰ্গোৎসৱৰ ব্যাপক প্ৰস্তুতি চলিছে। মহকুমাটোৰ সদৰ অভয়াপুৰীৰ ৰাজপৰিয়ালৰ দ্বাৰা পৰিচালিত দুৰ্গা মন্দিৰতো অহা ২০ অক্টোবৰৰ পাঁচদিনীয়া কাৰ্যসূচীৰে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ পূজা সমাৰোহ অনুষ্ঠিত কৰিব। ষষ্ঠীৰ দিনা মৃণ্ময় দেৱী পাটত বহুওৱাৰ পাছত সপ্তমী, *১৩ পৃষ্ঠাত চাওক*

# আৰক্ষী-নাগৰিক সমিতিৰ সভা নিয়ম ঃশৃংখল মানি চলিবলৈ আহ্বান

# আগন্তুক দুৰ্গোৎসৱক লৈ তৎপৰ মৰিয়নিৰ আৰক্ষী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৩ অক্টোবৰ ঃ** সমাগত শাৰদীয় দুৰ্গোৎসৱক লৈ মৰিয়নিবাসীৰ মাজত ব্যাপক উছাহ পৰিলক্ষিত হৈছে। ইতিমধ্যেই মৰিয়নিত পূজাৰ পৰিৱেশে বিৰাজ কৰা দেখা গৈছে। সমান্তৰালভাৱে তৎপৰ হৈ পৰিছে আৰক্ষী প্ৰশাসনো। এই সন্দৰ্ভত যোৱা ১১ অক্টোবৰত মৰিয়নি আৰক্ষী থানাৰ পুলিচ পাব্লিক কমিটীৰ এখন সভা ইয়াৰ গাঁওৰক্ষী বাহিনীৰ কাৰ্যালয় ভৱনত অনুষ্ঠিত হয়। পুলিচ পাব্লিক কমিটী চমুকৈ পিপিচিৰ মৰিয়নিৰ সভাপতি, শিক্ষাবিদ বিমান বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে উপ-সভাপতি, জ্যেষ্ঠ ব্যক্তি ধীৰেন্দ্ৰ নাথ দত্তই। সভাৰ আঁত ধৰি মৰিয়নি আৰক্ষী চক্ৰৰ চক্ৰ পৰিদৰ্শক দণ্ডিৰাম বৰাই পুলিচ পাব্লিক কমিটীৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰাৰ লগতে প্ৰশাসনে বান্ধি দিয়া নীতি-নিয়মসমূহ মানি দুৰ্গা পূজাৰ আয়োজন কৰিবলৈ আহ্বান জনায়। দুৰ্গা পূজা সমিতিসমূহলৈ কে'বাটাও পৰামৰ্শ আগবঢ়াই আৰক্ষীৰ পৰিদৰ্শকজনে লগতে সেইসমূহ মানি চলিবলৈ অনুৰোধ জনায়। আনহাতে, মৰিয়নি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গুণীন চুতীয়াই পূজা সমিতিসমূহৰ প্ৰতি কে'বাটাও নিৰ্দেশনা আৰু পৰামৰ্শ দাঙি ধৰে। সেই অনুসৰি প্ৰতিখন পূজা মণ্ডপত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰাৰ লগতে চিচি টিভি কেমেৰা স্থাপন কৰা, অগ্নি নিৰ্বাপণৰ সকলো ব্যৱস্থা ৰখাটো নিশ্চিত কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। তাৰ উপৰি পৰ্যাপ্ত পৰিমাণৰ স্বেচ্ছাসেৱকৰ ব্যৱস্থা কৰিবলৈয়ো দুৰ্গা পূজা সমিতিসমূহৰ প্ৰতি নিৰ্দেশনা দিছে। একেদৰে ভক্তপ্ৰাণ ৰাইজ মণ্ডপৰ ভিতৰত সোমাব আৰু ওলাবৰ বাবে সুকীয়াকৈ প্ৰৱেশদ্বাৰ আৰু প্ৰস্থানৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশনা জাৰি কৰা হৈছে। ইফালে, প্ৰতিমা বিসৰ্জনৰ দিনা সুৰাপান সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। দিনৰ ভাগতেই বিসৰ্জন সম্পূৰ্ণ কৰাৰ লগতে বিসৰ্জনৰ শোভাযাত্ৰাত সাধাৰণ ৰাইজৰ অসুবিধা হোৱাকৈ উচ্চ প্ৰাবল্যৰ ছাউণ্ড ছিষ্টেম ব্যৱহাৰ নকৰিবলৈ আহ্বান জনায়। প্ৰসংগক্ৰমে তেওঁ মহালয়াৰ দিনা আৰু দুৰ্গোৎসৱৰ সময়ত যানবাহন চলাচল নিয়ন্ত্ৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। সভাখনত মৰিয়নি পৌৰসভাৰ পৌৰপতি বিশ্বপ্ৰভা শইকীয়াই পূৰ্বৰ দৰে যোৱাপুখুৰীতেই এইবাৰো প্ৰতিমা বিসৰ্জনৰ পোষকতা কৰে। তাৰ বাবে পৌৰসভাই যাৱতীয় ব্যৱস্থা গ্ৰহণ *১৩ পৃষ্ঠাত চাওক*

# গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চাৰিখন 'জন আৰোগ্য সমিতি' গঠন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১৩ অক্টোবৰ ঃ** অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ নিৰ্দেশনা অনুসৰি গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত পৰহি অনুষ্ঠিত এক ৰাজহুৱা সভাত সংশ্লিষ্ট স্বাস্থ্য কেন্দ্ৰৰ লগতে ইয়াৰ অধীনস্থ তিনিখন ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ক্ৰমে দিখৌমুখ, চাৰিং আৰু বলিয়াঘাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ 'জন আৰোগ্য সমিতি' গঠন কৰা হয়। মহকুমা স্বাস্থ্য বিষয়া ডাঃ তাজিম আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শিৱসাগৰ জিলা পৰিষদৰ উপ-সভানেত্ৰী ৰেখা কলিতা, জ্যেষ্ঠ নাগৰিক সুৰেশ চন্দ্ৰ বৰা, অকন চন্দ্ৰ খনিকৰ ,চাৰিং, দিখৌমুখ, কাৰৈমাৰী, মোমাই তামুলী, হাতীঘুলি পঞ্চায়তৰ সভাপতিসকল, গৌৰীসাগৰ আঞ্চলিক পঞ্চায়তৰ উপ-সভানেত্ৰী হেমদা নেওগকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই সভাতে চৰকাৰী নিৰ্দেশনা অনুসৰি কেউখন স্বাস্থ্য কেন্দ্ৰৰে সভাপতিৰূপে জকাইচুক জিলা পৰিষদৰ সদস্যা তথা শিৱসাগৰ জিলা পৰিষদৰ উপ-সভানেত্ৰী ৰেখা কলিতা, কেউখন চিকিৎসালয়ৰে চিকিৎসা বিষয়াগৰাকীক প্ৰতিখনৰে মেম্বাৰ চেক্ৰেটাৰী, স্থানীয় আৰক্ষী থানাৰ বিষয়াগৰাকীৰ লগতে গাঁও পঞ্চায়তৰ সভাপতিসকল, সংহত শিশু উন্নয়ন প্ৰকল্পৰ ছুপাৰভাইজৰ গৰাকী, স্থানীয় একোজন সংবাদকৰ্মী, একোজন যুৱ প্ৰতিনিধি, দুজনকৈ সমাজকৰ্মী, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু লোকনিৰ্মাণ বিভাগৰ অভিযন্তা এগৰাকীক লৈ পৃথকে পৃথকে কেউখন সমিতি গঠন কৰা হয়। স্মৰ্তব্য যে বিগত সময়ত থকা পৰিচালনা সমিতিসমূহৰ ঠাইত বৰ্তমানৰ এইজন আৰোগ্য সমিতিয়ে কাৰ্যনিৰ্বাহ কৰিব। সভাত স্বাস্থ্য কেন্দ্ৰ সমূহৰ পূৰ্বৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলো উপস্থিত থাকে।

# আহোম ৰাজত্বৰ ঐতিহাসিক স্থান ৰাজবাৰী পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

## ৰাজবাৰীৰ উন্নয়নৰ বাবে শীঘ্ৰে আঁচনি গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ১৩ অক্টোবৰ ঃ** ছশ বছৰীয়া আহোম ৰাজত্বৰ ৰাজধানী যোৰহাটলৈ স্থানান্তৰ কৰি যি স্থানত ৰাজবাহৰ পাতি পাঁচজনকৈ আহোম স্বৰ্গদেউৱে ৰাজকাৰ্য পৰিচালনা কৰিছিল, সেই স্থান আজি পৰিদৰ্শন কৰি শীঘ্ৰে সেই স্থান উন্নয়নৰ বাবে এক আঁচনি গ্ৰহণ কৰাৰ আশ্বাস দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নগৰৰ মাজমজিয়াৰ এ-টি ৰোডৰ কাষতে অৱস্থিত ৰাজবাৰী নামে পৰিচিত স্থানত বৰ্তমান নাই কোনো ৰাজকীয় স্মাৰক, তাৰ পৰিৱৰ্তে আছে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়, ৰাজ্যিক চিকিৎসালয়কে ধৰি ভালেকেইটা কাৰ্যালয়। কমলেশ্বৰ সিংহৰ এখন তোৰণ আছিল যদিও সেয়াও জহি-খহি গ'ল। সেই স্থানত এখন প্ৰতীকী তোৰণ নিৰ্মাণ কৰা হয় যদিও মূল চৌহদটো কিন্তু আজিও অৱহেলিত। ইয়াৰ ঐতিহাসিক গুৰুত্ব নিঃশেষ হোৱাৰ পথত। সেয়ে দীৰ্ঘদিন ধৰি এই স্থান সংৰক্ষণৰ দাবী উত্থাপিত হৈ আহিছিল। কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰী যোৰহাটলৈ আহোতে স্থানীয় জ্যেষ্ঠ নাগৰিকে এই দাবী মুখ্যমন্ত্ৰীৰ ওচৰত উত্থাপনো কৰিছিল। জ্যেষ্ঠ নাগৰিকসকলৰ আহ্বানৰ প্ৰতি সন্মান জনায়ে আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজবাৰী পৰিদৰ্শন কৰে।



মুখ্যমন্ত্ৰীয়ে ঐতিহ্যমণ্ডিত ৰাজবাৰীৰ চৌহদটো পৰিদৰ্শন কৰি সমগ্ৰ অঞ্চলটোৰ বৰ্তমানৰ অৱস্থাৰ চাক্ষুষ বুজ লয়। ইয়াৰ পাছতে উপস্থিতসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমান স্বাস্থ্য বিভাগৰ কাৰ্যালয় চলি থকা ৰাজবাৰীৰ পৰিসৰ এসময়ত চাৰিশ বিঘা আছিল; কিন্তু যোৰহাটৰ ক্ৰমবিকাশ আৰু বিৱৰ্তনৰ ফলত ৰাজবাৰীৰ ভূমি সংকুচিত হৈ পৰিল। মুখ্যমন্ত্ৰীয়ে কয় যে যোৰহাটৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি লৈছে। ৰাজবাৰীৰ উন্নয়ন সাধনৰ অৰ্থেও ৰাজ্য চৰকাৰে অঞ্চলটোৰ বিশিষ্ট *১৩ পৃষ্ঠাত চাওক*

# ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ বঁটা বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক

## 'প্ৰকৃতি ধ্বংস হ'লে কৃত্ৰিম বুদ্ধিমত্তা সমৃদ্ধ মানৱ জাতি কিন্তু ৰক্ষা নহয়'



বিশেষ সংবাদদাতা

**নগাঁও, ১৩ অক্টোবৰ ঃ** কামপুৰৰ অন্যতম শিক্ষানুষ্ঠান বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক আজি ২০২৩ বৰ্ষৰ বাবে 'ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ বটা' প্ৰদান কৰা হয়। নগাঁও কলংপাৰ শাখা অসম বিজ্ঞান সমিতিৰ উদ্যোগত আৰু নগাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সহযোগত অনুষ্ঠিত এক গাম্ভীৰ্যপৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে অসম বিজ্ঞান সমিতিৰ নগাঁও কলংপাৰ শাখাই প্ৰতি বছৰে সেউজ পৰিৱেশ অটুট ৰখাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈ অহা জিলাখনৰ এখন বিদ্যালয়লৈ এই 'ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ বঁটা' প্ৰদান কৰি আহিছে। এই উপলক্ষে আজি বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশিষ্ট শিক্ষাবিদ নগাঁও মহাবিদ্যালয়ৰ (স্বতন্ত্ৰ) অধ্যক্ষ তথা নগাঁও কলংপাৰ বিজ্ঞান সমিতিৰ সভাপতি ড° শৰৎ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত আদৰণি ভাষণ প্ৰদান কৰে বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিকু মোহন কলিতাই। ভাষণত ড° বৰকটকীয়ে ডাঃ নৱকৃষ্ণ গোহাঁই আৰু তেওঁৰ পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে প্ৰয়াত ডাঃ জিতেন গোহাঁই স্বাস্থ্যসেৱা খণ্ডলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ কথা সোঁৱৰণ কৰে। লগতে ড° বৰকটকীয়ে ব্যক্ত কৰে যে প্ৰকৃতি ধ্বংস হ'লে কৃত্ৰিম বুদ্ধিমত্তা সমৃদ্ধ মানৱ জাতি কিন্তু ৰক্ষা নহয়। *১৩ পৃষ্ঠাত চাওক*

# কলাইগাঁৱত আক্ৰাছুৰ ৰাজহুৱা সভা

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ১৩ অক্টোবৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ কলাইগাঁও আঞ্চলিক সমিতিৰ নৱীকৰণৰ ৰাজহুৱা সভা এখন শুকুৰবাৰে কলাইগাঁৱৰ সমীপৰ খাছ ৰণথলি ৰংগ মঞ্চত অনুষ্ঠিত হয়। অৰবিন্দ ডেকাই সভাপতিত্ব কৰা ৰাজহুৱা নৱীকৰণ সভাখনত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক হেমন্ত বড়া কোচে অংশগ্ৰহণ কৰি শীতকালীন অধিবেশনে কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ বাবে চৰকাৰক দাবী জনায়। আনহাতে, উক্ত সভাতে উগ্ৰ ডেকাক সভাপতি আৰু শিৱ প্ৰসাদ ডেকাক সাধাৰণ সম্পাদকৰূপে লৈ ৩১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়। আনহাতে, গুৰুত্বপূৰ্ণ সভাখনত আক্ৰাছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক হেমন্ত ডেকা, ওদালগুৰি জিলা সমিতিৰ সভাপতি মিন্টু বৰুৱা, সাধাৰণ সম্পাদক ৰতন ডেকা, টংলা আঞ্চলিক সমিতিৰ সভাপতি মুন ডেকা, সাধাৰণ সম্পাদক খনিকৰ চৌধুৰী, পানেৰী আঞ্চলিক সভাপতি নয়নজ্যোতি ডেকাই বিশেষভাৱে অংশগ্ৰহণ কৰি সভাখন সফল ৰূপায়ণ কৰে।

# বৰমাত শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱৰ আয়োজন

## অনুষ্ঠিত হ'ব দিহানাম, বিয়ানাম, লোকগীত প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**বৰমা, ১৩ অক্টোবৰ ঃ** অইন বছৰৰ দৰে এইবাৰো বৰমাত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৯০ সংখ্যক বৰমা বাৰোৱাৰী শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱ আয়োজনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অহা ২০,২১,২২,২৩, আৰু ২৪ অক্টোবৰত অনুষ্ঠিত হ'ব দুৰ্গা পূজা মহোৎসৱ। মহোৎসৱৰ বিশেষ আকৰ্ষণ হ'ল সংগম চাৰ্কাছ, চিৰিয়াখানা আৰু উদ্যান, মিনা বাজাৰ, বাণিজ্য মেলা, ঢুলীয়া প্ৰদৰ্শন, সাংস্কৃতিক সন্ধিয়া আৰু ৰাৱণ দাহন আদি। ইতিমধ্যে পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা কাৰ্যসূচী মতে ২০ অক্টোবৰৰ পুৱা ধৰ্মীয় পতাকা উত্তোলন কৰিব দুৰ্গা পূজা মহোৎসৱ সমিতিৰ সভাপতি অজয় দাসে। স্মৃতিবেদীত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ আৰম্ভ কৰিব সমিতিৰ কাৰ্যকৰী সভাপতি ভাৰত চন্দ্ৰ তালুকদাৰ আৰু মুখ্য সম্পাদক ভুপেন চন্দ্ৰ কলিতাই। ইয়াৰ পাছতে মূল তোৰণৰ দ্বাৰ উন্মোচন কৰিব বিটিআৰৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে। কৃষক ঋষিৰাম কলিতা সোঁৱৰণী তোৰণ উন্মোচন কৰিব শিক্ষাবিদ দিলীপ কুমাৰ শৰ্মাই। উপেন শংকৰ কছাৰী সোঁৱৰণী সমন্বয় সাঁকো মুকলি কৰিব বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই। ইয়াৰ পাছতে নন্দৰাম কলিতা, কেলেঙা দাস, সাৱিত্ৰী দাসৰ সোঁৱৰণত আয়োতীৰ দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা উদ্বোধন কৰিব ৪৫ নম্বৰ *১৩ পৃষ্ঠাত চাওক*

# জুৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ১৩ অক্টোবৰ ঃ** ১৯৪৮তে নগাঁও জিলাৰ উত্তৰাঞ্চলৰ জুৰীয়াত স্থাপন হোৱা জুৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে ৭৫ বছৰ সম্পূৰ্ণ কৰিলে। নিজ মহিমাৰে মহিমামণ্ডিত ঐতিহ্যমণ্ডিত বিদ্যালয়খনত মহাৰজত জয়ন্তী উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। অহা তিনি-পাঁচ নৱেম্বৰলৈ বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব মহাৰজত জয়ন্তী অনুষ্ঠান। আজি বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত গায়ন-বায়নৰ খোল-তালৰ শব্দত এক উখল-মাখল পৰিৱেশৰ মাজত মহাৰজত জয়ন্তীৰ মূল মণ্ডপৰ লাইখুঁটা স্থাপন অনুষ্ঠান সম্পন্ন হয়। মহাৰজত জয়ন্তীৰ উদ্‌যাপন সমিতিৰ সভাপতি জগত চন্দ্ৰ শইকীয়াই অনুষ্ঠানটোৰ লাইখুঁটা স্থাপন কৰে। অনুষ্ঠানৰ আঁত ধৰে বিশিষ্ট সমাজকৰ্মী তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী মৌচুমী কাকতিয়ে। তিনিদিনীয়া কাৰ্যসূচীৰ অন্তিম দিনৰ *১৩ পৃষ্ঠাত চাওক*

# সৰ্বভাৰতীয় পৰ্যায়ত মৌখোৱাৰ ছাত্ৰ

## ছেমছাঙৰ শৈক্ষিক-উদ্ভাৱন প্ৰতিযোগিতাত দেশৰ ভিতৰতে শ্ৰেষ্ঠ

অগ্ৰদূত বাৰ্তা

**খুমটাই, ১৩ অক্টোবৰ ঃ** সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাত গোলাঘাট জিলাৰ খুমটাইৰ এজন ছাত্ৰই বৃহৎ সফলতা লাভ কৰি সমগ্ৰ ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। আগশাৰীৰ কোম্পানী ছেমছাঙৰ দ্বাৰা দিল্লীত আয়োজিত ছ'ল্ভ ফৰ টুমৰো ছিজন - ২ শীৰ্ষক শৈক্ষিক আৰু উদ্ভাৱন প্ৰতিযোগিতাত দেশৰ ভিতৰতে শ্ৰেষ্ঠত্বৰ স্থান লাভ কৰি উজ্বলি উঠিলে খুমটাইৰ মৌখোৱা গাঁৱৰ মুহিবুৰ ৰহমান আৰু মমতাজ বেগমৰ পুত্ৰ মুস্তাবীৰ ৰহমান নামৰ ১৭ বছৰীয়া এজন ছাত্ৰ। দেশৰ বিভিন্ন আগশাৰীৰ শিক্ষানুষ্ঠানৰ পৰা প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰা প্ৰায় ৭১,০০০টা দলক ওফৰাই শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হ'ল



যোৰহাটৰ প্ৰজ্ঞা একাডেমীত উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ মুস্তাবীৰৰ দলে। আনহাতে, এই প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰি মুস্তাবীৰে লাভ কৰিলে নগদ ৫১ লাখ টকাৰ লগতে ছেমছাঙৰ লেপটপ, ম'বাইল আৰু বহু উপহাৰ। আনহাতে, এই সফলতাৰ বাবে ছাত্ৰজনক দিল্লী আইআইটিয়ে এবছৰৰ বাবে ইনকুবেছন প্ৰগ্ৰেমৰ বাবে নিৰ্বাচিত কৰিছে। উল্লেখ্য যে সম্প্ৰতি সমগ্ৰ পৃথিৱীতে গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত অহৰ্নিশে ৰ'দত কাম কৰিব লগা হোৱা লোকসকলৰ যথেষ্ট সমস্যাৰ সৃষ্টি হয়। এইসকল লোকৰ সহায়ক হোৱাকৈ এটি যন্ত্ৰ উদ্ভাৱন কৰিলে মুস্তাবীৰৰ তিনিজনীয়া দলটোৱে। যি যন্ত্ৰ ডিঙিত লগালে তিনি মিনিটৰ বাবে শীতল হৈ পৰিব সমগ্ৰ দেহ। এই যন্ত্ৰ উদ্ভাৱনৰ বাবেই প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠত্বৰ পুৰস্কাৰ পালে মুস্তাবীৰৰ লগতে দলত থকা আন দুজন সতীৰ্থই। প্ৰচণ্ড গৰমতো কৰ্মত নিয়োজিত হৈ থকা সেনা-আৰক্ষী তথা কৃষক সকলৰ সুবিধাৰ বাবেই এই যন্ত্ৰটো *১৩ পৃষ্ঠাত চাওক*

# ৰাজগড়ত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰক ৰাৰিয়ৰ্ছৰ উপহাৰ

অগ্ৰদূত বাৰ্ত

**ৰাজগড়, ১৩ অক্টোবৰ ঃ** ৰাৰিয়ৰ্ছ ২০২৩-২৪ৰ কৰ্মসূচীৰ প্ৰথম দিনটোৰ লগত সংগতি ৰাখি শৈক্ষিক কাৰ্যসূচীৰ আধাৰত দৰিদ্ৰ সীমাৰেখাৰ তলৰ মেধাৱী ছাত্ৰক এযোৰ টেবুল-চকী আৰু বহী-কলম প্ৰদানৰ লগতে সম্প্ৰীতিৰ এসাঁজ গ্ৰহণ কৰা এক ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰাৰিয়ৰ্ছ ডিব্ৰুগড জিলাৰ অন্তৰ্গত বগাদাত আঞ্চলিক সমিতিৰ উদ্যোগত যোৱ ১০ অক্টোবৰত অঞ্চলটোৰ এজন দৰিদ্ৰ সীমাৰেখাৰ তলৰ মেধাৱী ছাত্ৰক এযোৰ টেবুল-চকী দিয়াৰ লগতে বহী আৰু কলম প্ৰদান কৰে উদ্যোক্তাসকলে। সাপেখাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ যদুমণি ভূমিজক উপহাৰ প্ৰদান কৰাৰ পাছত বগাদাত আঞ্চলিক সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বগাদাত আঞ্চলিক সমিতিৰ সভাপতি ৰিদিপ ফুকনে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বগাদাত আঞ্চলিক সমিতিৰ উপদেষ্টা দিগন্ত গগৈয়ে। সভাত আগন্তুক বৰ্ষটোত ৰাজ্যিক সমিতিৰ ফালৰ পৰা নিৰ্ধাৰণ কৰা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা বিষয়ে *১৩ পৃষ্ঠাত চাওক*


**NOTIFICATION**

No. CJM.CI/06/2023/ 6167-6173 /Recruitment

In terms of Advertisement dated 20-10-2022, on the basis of the performance in the written examination held on 01-10-2023 and Interview held on 11-10-2023, the following candidates are selected in order of merit for appointment to 7 (Seven) vacant post of Grade IV (Peon and Night Chowkidar) in the Establishment of Chief Judicial Magistrate, Cachar, Silchar.

**List of Candidates selected for the post of Peon**

| Sl. No. | Roll No. | Name of Candidate | Category | Gender | Category against which selected |
|---|---|---|---|---|---|
| 1 | 061 | Bibek Bhattacharjee | EWS | Male | Unreserved |
| 2 | 035 | Shamsad Hussain Laskar | UR | Male | Unreserved |
| 3 | 292 | Supriya Rani Deb | UR | Female | Unreserved |
| 4 | 160 | K. Pintu Singha | OBC | Male | OBC |
| 5 | 087 | Rocki Barman | ST(P) | Male | ST(P) |
| 6 | 039 | Madhab Chutia | OBC | Male | OBC |

**List of Candidates selected for the post of Night Chowkidar**

| Sl. No. | Roll No. | Name | Category | Gender | Category against which selected |
|---|---|---|---|---|---|
| 1 | 012 | Biswajyoti Barman | ST(P) | Male | Unreserved |

**List of candidates in Waiting list for the post of Peon**

| Sl. No. | Roll No. | Name of Candidate |
|---|---|---|
| 1 | 068 | Biswajit Deb |
| 2 | 118 | Sibom Sankar Malakar |
| 3 | 057 | Biswatosh Roy |
| 4 | 104 | Rajdeep Dhar |
| 5 | 137 | Nabajyoti Boro |
| 6 | 127 | Bappi Dey |

**List of candidates in Waiting list for the post of Night Chowkidar**

| Sl. No. | Roll No. | Name |
|---|---|---|
| 1 | 003 | Pritom Deb |
| 2 | 002 | Yakub Ali Mazumder |

**The above select list of candidates will remain valid till 31st March,2024.**

The appointment letter to the selected candidate will be issued by the Appointing Authority in the due course of time. After issuing appointment letter/ joining of the selected candidate, police verification will be initiated by the office of the undersigned. In the event of adverse police verification report, the service of the appointed candidate will be liable for termination.

Sd/-
Chief Judicial Magistrate
cum Chairman, Selection
Board, Cachar, Silchar.

Janasanyog/D/11893/23/14-Oct-23



No: GMB 14/2023/465

**CORRIGENDUM**

In our previous tender notice published on 13/10/2023, there were a couple of errors that need correction. We apologize for any confusion caused. Please note the following corrections:

The incorrect ward number '4' in Sl No 6 should be corrected to ward no '2' for the relevant tender.

The incorrect year '2011-22' should be corrected to '2021-22' for the accurate time frame.

**PRESS NOTICE INVITING TENDER**

Sealed tender in plain papers subsequently to be drawn in F-2 form affixing non-refundable court fee stamp of Rs. 8.25 only are invited for the following works from class- I (A,B,C), II & III contractors under P.W.D. (Roads/Building) according to their eligibility (1% for ST/SC/OBC) of the estimated amount beyond will have to be deposited as security in form of bank draft pledged in favour of Gohpur Municipal Board along with the tenders submitted. Moreover, the successful tenderer will require to furnish earnest money as per A.P.W.D. norms before issuing formal work order.

The tenders will be received up to **11.00** A.M of **19/10/2023**. The tenders will be opened on the same day at **2.30** P.M. Intending tenderer or their authorized agents may remain present at the time of opening the tenders.

The tender papers will be supplied on payment of Rs. 500/- (Rupees five hundred) only (Non refundable) by cash. Attested copy of testimonials like Registration Certificate, up to date clearance of Income tax, Sale tax clearance certificate, Labour licences and experience certificate etc.

Intending tenderer may inspect the plan and estimate in office during office hours.

| Sl No | Name of the Schemes | Amount |
|---|---|---|
| 1. | Construction of community toilet at circle office campus under 1st installment of tied grand 15FC for the year 2021-22 during year 2022-23 at ward no 4 of Gohpur Municipal Board | 5,30,180.00 |
| 2 | Construction of community toilet at Shankardev Shisu Niketan School under 1st installment of tied grand 15FC for the year 2021-22 during year 2022-23 at ward no 4 of Gohpur Municipal Board | 12,51,730.00 |
| 3 | Construction of RCC covered drain at Milan Nagar under 1st installment of tied grand 15FC for the year 2021-22 during year 2022-23 at ward no 5 of Gohpur Municipal Board | 14,02,200.00 |
| 4 | Extension of RCC covered drain at Chatrang guri, under 1st installment of tied grand 15FC for the year 2021-22 during year 2022-23 at ward no 6 of Gohpur Municipal Board | 11,16,430.00 |
| 5 | Construction of saptic tank at Gohpur Police station under 1st installment of tied grand 15FC for the year 2021-22 during year 2022-23 at ward no 2 of Gohpur Municipal Board | 2,70,840.00 |
| 6 | Construction of water supply system at Gohpur Police tation under 1st installment of tied grand 15FC for the year 2021-22 during year 2022-23 at ward no 2 of Gohpur Municipal Board | 2,19,310.00 |

1. Time of completion of the work is 1 month from the date of issue of formal work order. All other details can be seen in the tender document for the week.
2. The undersigned reserves the right to accept or reject any or all the tenders and also reserves the right to not to be bound to accept the lowest rate.
3. As per Terms & Conditions of A.P.W.D.

Chairman
Gohpur Municipal Board , Gohpur.

Executive Officer
Gohpur Municipal Board , Gohpur.

Janasanyog/CF/3118/23/14-Oct-23

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ অক্টোবৰ, শনিবাৰ ২০২৩ পৃষ্ঠা ১৩

## জুৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ

১২ *পৃষ্ঠাৰ পৰা* কাৰ্যসূচীৰ মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কে'বাগৰাকী মন্ত্ৰীও উপস্থিত থাকিব। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিয়ে তিনিদিনীয়া কাৰ্যসূচীত অসমৰ লগতে দেশ-বিদেশৰ বিভিন্ন প্ৰান্তত থকা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে। ইফালে, মহাৰজত জয়ন্তীৰ বাবে দীৰ্ঘ বছৰ ধৰি মেৰামতিৰ অভাৱত বিধস্ত হৈ পৰা নগাঁও সদৰ-জুৰীয়া সংযোগী পথ দুটিৰ মেৰামতিৰ কাম মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ নিৰ্দেশত আৰম্ভ হোৱাত মুখ্যমন্ত্ৰী ড° শৰ্মাক ধন্যবাদ জনাইছে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিয়ে।

## সৰ্বভাৰতীয় পৰ্যায়ত মৌখোৱাৰ ছাত্ৰৰ

১২ *পৃষ্ঠাৰ পৰা* উদ্ভাৱন কৰাৰ কথা জনালে মুস্তাবীৰে। উত্তৰ পূৰ্বৰ ভিতৰত একমাত্ৰ স্থান অৰ্জনকাৰী হিচাপে মুস্তাবীৰে সমগ্ৰ উত্তৰ-পূৰ্বলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল। দেশৰ ভিতৰতে উল্লেখযোগ্য প্ৰতিযোগিতাখনত শ্ৰেষ্ঠত্ব অৰ্জন কৰি মুস্তাবীৰৰ দলটোৱে ১.৫ কোটি টকাৰ নগদ ধন আৰু লক্ষাধিক টকাৰ উপহাৰৰ লগতে আন বহুতো সুবিধা লাভ কৰিছে। সাংবাদিকৰে হোৱা বাৰ্তালাপত তেওঁ কয় যে ভৱিষ্যতলৈও এনেধৰণে বিভিন্ন যন্ত্ৰ উদ্ভাৱনৰ জৰিয়তে সমাজখনক আগবঢ়াই নিবলৈ তেওঁ বদ্ধপৰিকৰ। অতি ভিতৰুৱা এখন গাঁৱৰ পৰা সমগ্ৰ উত্তৰ-পূৰ্বক গৌৰৱান্বিত কৰা মুস্তাবীৰৰ বাবে সম্প্ৰতি পিতৃ-মাতৃৰ লগতে প্ৰতিজন গোলাঘাটবাসীয়ে গৌৰৱবোধ কৰিছে।

## ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ

১২ *পৃষ্ঠাৰ পৰা* ইয়াৰ পাছতেই বিদ্যালয়খনৰ ছাত্ৰ- ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা যথেষ্ট সংখ্যক ৰাইজৰ উপস্থিতিত বিদ্যালয়খনৰ অধ্যক্ষ নিকু মোহন কলিতাক ডাঃ জিতেন গোহাঁই সোঁৱৰণী সেউজ বঁটা' প্ৰদান কৰে মানৰ দৰদী চিকিৎসক প্ৰয়াত ডাঃ জিতেন গোহাঁইৰ সুযোগ্য সন্তান ডাঃ নৱ কৃষ্ণ গোহাঁই আৰু অসম বিজ্ঞান সমিতি নগাঁও কলংপাৰ শাখাৰ উদ্যোক্তাসকলে। ইফালে, এই বঁটা বিতৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি 'অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু বিজ্ঞান' শীৰ্ষক বক্তৃতা অনুষ্ঠানত মুখ্য বক্তাৰূপে তত্ত্বমূলক বক্তব্য প্ৰদান কৰে নগাঁও কলেজ (অট'নমাছ)ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° লক্ষ্যজ্যোতি বৰঠাকুৰে। নগাঁও মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক তথা অসম বিজ্ঞান সমিতি, নগাঁও কলংপাৰ শাখাৰ কাৰ্যকৰী সভাপতি ড° ভুৱন চন্দ্ৰ চুতীয়াই আঁত ধৰা অনুষ্ঠানটিত নগাঁও বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিপীকা লস্কৰ, নগাঁও কলংপাৰ বিজ্ঞান সমিতিৰ কাৰ্যকৰ্তা তথা নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰান্তিক শৰ্মা বৰুৱা আৰু প্ৰায় দুই শতাধিক লোক উপস্থিত থাকে। অনুষ্ঠানটোৰ শেষত নগাঁও কলেজ (অট'নমাছ)ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° প্ৰিয়াংকী শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়। ইফালে, এই অনুষ্ঠানৰ পূৰ্বে অসম বিজ্ঞান সমিতিৰ নগাঁও কলংপাৰ শাখাই বিদ্যালয় প্ৰাংগণত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে।

## বৰমাত শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱৰ

১২ *পৃষ্ঠাৰ পৰা* পশ্চিম নামবৰভাগ গাঁও পঞ্চায়তৰ সভানেত্ৰী ইলোৱা কলিতাই। সন্ধিয়া চিৰিয়াখানা আৰু উদ্যান মুকলি কৰিব কন্দৰ্প শৰ্মাই। ইয়াৰ পাছতে ভবেন বড়োৰ সোঁৱৰণত সনা মাইনাৰ আফাড নাট্যদলৰ নাট প্ৰদৰ্শন। নাটক উদ্বোধন কৰিব কবি ৰশ্মি চৌধুৰীয়ে। ২১ অক্টোবৰত পুৱা অকুমাৰী ছোৱালীৰ দ্বাৰা জল আনয়ন, মন্দিৰৰ দ্বাৰ উন্মোচন, আয়তীৰ বিয়ানাম প্ৰতিযোগিতা, ঢুলীয়া প্ৰদৰ্শন আৰু সন্ধিয়া অসমীয়া আৰু বড়ো গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২২ অক্টোবৰত বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ অন্তত সন্ধিয়া অসমী পাপেট থিয়েটাৰৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা হ'ব। ২৩ অক্টোবৰত পুৱা অনুষ্ঠিত হ'ব সম্বৰিপ্ৰিয়া মেধি সোঁৱৰণী লোকগীত প্ৰতিযোগিতা। আবেলি নাগাৰা নাম পৰিৱেশন কৰিব পল্লৱী দাসে। ২৪ অক্টোবৰত বিভিন্ন পূজা-অৰ্চনাৰ অন্তত আবেলি চাৰি বজাত দুৰ্গা প্ৰতিমালৈ বৰমা নগৰ পৰিভ্ৰমণ কৰি মৰাপাগলদিয়া নদীত বিসৰ্জন দিয়া হ'ব। ইয়াৰ পাছতে আবেলি বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ৰং-বিৰঙৰ আতচবাজী পৰিৱেশন আৰু সুউচ্চ ৰাৱণ দাহন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই কাৰ্যসূচী মুকলি কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম চলচ্চিত্ৰ নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ, সাংসদ নৱ কুমাৰ শৰণীয়া, বিধায়ক ভুপেন বড়ো, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে, প্ৰথম অসম বিশেষ সংৰক্ষিত বাহিনীৰ অধিনায়ক তপন কুমাৰ বৰ্মনকে ধৰি বহু বিশিষ্ট লোক। সন্ধিয়া অনুষ্ঠিত হ'ব ৰত্নেশ্বৰ দেৱ শৰ্মা সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া । মহোৎসৱৰ পৰিচালনা সমিতিয়ে সমূহ ৰাইজৰ উপস্থিত কামনা কৰিছে।

## উত্তৰ শালমাৰাৰ বিভিন্ন প্ৰান্তত মৃণ্ময়

১২ *পৃষ্ঠাৰ পৰা* অষ্টমী, নৱমী আৰু দশমী পূজা ছাগলী বলিৰে অনুষ্ঠিত কৰিব। বিজনী ৰাজ-ইষ্টেটৰ ৰাজধানী অভয়াপুৰীলৈ স্থানান্তৰিক কৰাৰ পৰাই উক্ত দুৰ্গা পূজা অনুষ্ঠিত কৰি আহিছে। দেৱী দুৰ্গাৰ সমান্তৰালকৈ ৰাজপৰিয়ালৰ কুলদেৱী অভয়া আৰু মনসা মন্দিৰতো পূজা অনুষ্ঠিত কৰিব। ইয়াৰ সমান্তৰালকৈ নাতিদূৰৈৰ গান্ধী ময়দানতো ৬৭ সংখ্যক দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। বৈদিক পৰম্পৰা অনুসৰি পূজা অনুষ্ঠিত হোৱাৰ সমান্তৰালকৈ বিভিন্ন খেল-ধেমালি, চিত্ৰাংকন, আয়তীৰ মাজত উৰুলি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। গান্ধী ময়দানৰ দুৰ্গা পূজা সমাৰোহ আৰু মেলাত লক্ষাধিক ভক্তৰ সমাগম হোৱাৰ ধাৰণা কৰি ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। ইয়াৰ বাবে মৰমজ্যোতি দাসক সভাপতি, চহেন ৰায়ক কাৰ্যকৰী সভাপতি, গৌতম অধিকাৰী আৰু সঞ্জীৱ মজুমদাৰক সম্পাদকৰূপে লৈ এখন মূল সমিতি গঠন কৰাৰ লগতে কে'বাখনো উপ-সমিতিও গঠন কৰে। ইপিনে, অভয়াপুৰীস্থিত অষ্টম অসম আৰক্ষী বাহিনী চৌহদতো অনুষ্ঠিত হ'ব শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ পূজা-অৰ্চনা। আনপিনে, মহকুমাটোৰ যোগীঘোপা, চলন্তাপাৰা, মালেগড়ৰ গোবিন্দপুৰ, গান্ধীবস্তি, মোৱামাৰী, কচুদোলা, সৃষ্টিৰপাৰ, আমগুৰি, লেংটিছিঙা, বৰঘোলা, দৰকিনামাৰী, কীৰ্তনপাৰা আদি অঞ্চলতো ৰাজহুৱাকৈ অনুষ্ঠিত কৰিব শাৰদীয় দুৰ্গা পূজা। এনে পৰিপ্ৰেক্ষিতত উত্তৰ শালমাৰা মহকুমাৰ সৃজনগ্ৰামৰ কীৰ্তনপাৰা, যোগীঘোপাৰ সৃষ্টিৰপাৰ আৰু অভয়াপুৰীৰ শিৱপুৰত খনিকৰসকলে দেৱী দুৰ্গাৰ মৃণ্ময় মূৰ্তি বনোৱাত এক খদমদম পৰিৱেশৰ সৃষ্টি হৈছে। অভয়াপুৰীৰ শিৱপুৰৰ সুধীৰ পাল, বলাই পাল, ৰংকিম পাল, ৰঞ্জন পাল, নিৰন পাল আদি পৰিয়ালবোৰে মৃণ্ময় মূৰ্তি বনাবলৈ লোৱাত দিন-ৰাতি একাকাৰ হৈ পৰিছে। প্ৰতিটো পৰিয়ালে কমেও ১০-১২ টাকৈ দেৱী দুৰ্গাৰ মূৰ্তি বনোৱাৰ বাবে পূজা সমিতিৰ স'তে চুক্তিবদ্ধ হৈছে। ইতিমধ্যে বঙাইগাঁও আদিৰ পৰা অহা সহায়কাৰী শিল্পীয়ে মৃণ্ময় মূৰ্তিৰ জীৱন্ত ৰূপ দিয়াৰ বাবে ব্যস্ত হোৱাৰ বিপৰীতে ৰং, কাপোৰ-কানি আদি গোৱালপাৰাৰ পৰা ক্ৰয় কৰি আহিছে।

## আগন্তুক দুৰ্গোৎসৱক লৈ তৎপৰ মৰিয়নিৰ

১২ *পৃষ্ঠাৰ পৰা* কৰাৰ আশ্বাস প্ৰদান কৰে। যানজটৰ সমস্যা সমাধান, বাহনৰ পাৰ্কিঙৰ ব্যৱস্থা আদিৰ ওপৰতো তেওঁ বক্তব্য প্ৰদান কৰে। ইফালে, সুৰক্ষাজনিত কাৰণত বিসৰ্জনৰ দিনা বিদ্যুৎ কৰ্তন কৰিবলগীয়া হ'লেও সন্ধিয়া সময়ত বিদ্যুৎ সেৱা অব্যাহত ৰাখি ৰাইজক সুবিধা কৰি দিয়াৰ বাবে সভাই পোষকতা কৰে। এই ক্ষেত্ৰত এপিডিচিএলৰ নাগাজানকাস্থিত মৰিয়নি কেন্দ্ৰক বিহিত ব্যৱস্থা ল'বলৈ সভাই আহ্বান জনায়। সভাখনত উপস্থিত থাকি এপিডিচিএলৰ মৰিয়নি উপ-সংমণ্ডলৰ উপ-সংমণ্ডলিক অভিযন্তা চিৰঞ্জীৱ হাজৰিকাই সুৰক্ষাজনিত কাৰণতে বিসৰ্জনৰ সময়ছোৱাত বিদ্যুৎ সেৱা ব্যাহত ৰখা হ'ব বুলি উল্লেখ কৰে। তেওঁ বিদ্যুৎ বিভাগৰ তৰফৰ পৰা সৰ্বতোপ্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। সভাত কেন্দ্ৰীয় দুৰ্গোৎসৱৰ সমন্বয় সমিতিৰ সভাপতি দ্বীপেন দাসে কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়ায়। গুৰুত্বপূৰ্ণ সভাখনত সমাজকৰ্মী দ্বীপেন সন্দিকৈ, নেকিবুল ইছলাম, ধৰ্মেন্দ্ৰ চেতিয়া, পুলিন সন্দিকৈ, প্ৰফুল্ল বড়া, অনন্ত বৰঠাকুৰ আদিয়েও বক্তব্য প্ৰদান কৰি ভালেকেইটা পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে মৰিয়নি নগৰৰ যানজট সৃষ্টিত অৰিহণা যোগাই অহা ই-ৰিক্সাসমূহক নিয়ন্ত্ৰণ কৰিবলৈ সভাত সকলোৱে প্ৰশাসন আৰু মৰিয়নি পৌৰসভাৰ প্ৰতি আহ্বান জনায়। এই ক্ষেত্ৰত মৰিয়নি পৌৰসভাই ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। একেদৰে দেওবৰীয়া সাপ্তাহিক বজাৰখনৰ প্ৰসংগতো সভাত স্থান পায় আৰু বিষয়টো আলোচনা কৰা হয়। কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা সভাখনত সমগ্ৰ দুৰ্গোৎসৱৰ সময়ত সকলোৱে শান্তি-শৃংখলা অটুট ৰাখি আনন্দ-উল্লাসত ব্ৰতী হ'বলৈ সভাই সকলোলৈ প্ৰতি আহ্বান জনায়। সভাত শিক্ষাবিদ-সমাজকৰ্মী আনন্দ শইকীয়া, মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন দাস, সমাজকৰ্মী হেমকান্ত বুঢ়াগোহাঁই, অসম চাহ মজদুৰ সংঘৰ যোৰহাট শাখাৰ সভাপতি বিলাতী তাঁতী, উপ-সভাপতি মহেশ্বৰ গোৱালা, গাঁওৰক্ষী বাহিনীৰ মৰিয়নি চক্ৰৰ চক্ৰ সংগঠক ৰাজেন চন্দ্ৰ দাস, মৰিয়নি জোন্ড গাঁওৰক্ষী সন্মিলনৰ সভাপতি কদ্ৰ গগৈ, কিংশুকৰ সভাপতি তৰুণ শইকীয়া, এপিডিচিএলৰ কনিষ্ঠ অভিযন্তাদ্বয় ক্ৰমে অজ্ঞানজ্যোতি ফুকন আৰু এল এন দত্ত, বেলৰে আৰক্ষী থানাৰ প্ৰাঞ্জল মিলি আৰু সঞ্জয় ববিদাস, নকছাৰীৰ জগত মোহন গগৈ, সংগ্ৰাম যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক পৰিৱ ৰাজ প্ৰাণ বৰঠাকুৰ, যুৱ সমাজকৰ্মী দিলীপ চহু, প্ৰণীত বৰ্মন, প্ৰদীপ দাস, মৌচম আগৰৱালা, গাঁওৰক্ষী বাহিনীৰ সুশীল ঘাটোৱাৰ, কৃষ্ণ ভূমিজ, নিক গোহাই গগৈ, মৃদুল পাৰিয়াল আদি বহুসংখ্যক ব্যক্তি উপস্থিত থাকে। মৰিয়নি আৰক্ষী থানাৰ অন্তৰ্গত গাঁও আৰু চাহ বাগিচাসমূহৰ গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়া আৰু দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়াসকল উপস্থিত থাকে।

## আহোম ৰাজত্বৰ ঐতিহাসিক স্থান

১২ *পৃষ্ঠাৰ পৰা* নাগৰিকসকলৰ স'তে হোৱা আলোচনাৰ ভিত্তিত বিষয় এখন আঁচনি গ্ৰহণ কৰিব। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে কয় যে আহোম স্বৰ্গদেউসকলৰ কীৰ্তি আৰু সম্পদসমূহৰ ৰক্ষণাবেক্ষণৰ বাবে ৰাজ্য চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউৰ মৈদামক স্বীকৃতি লাভৰ বাবে বৰ্তমান প্ৰচেষ্টা অব্যাহত আছে বুলি তেওঁ উল্লেখ কৰে। যোৰহাটৰ হোলোঙাপাৰত নিৰ্মীয়মান মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰীত সম্পূৰ্ণ হৈ উঠিব। ৰংঘৰৰ সংৰক্ষণ আৰু সংবৰ্ধৰ কাম শীঘ্ৰে আৰম্ভ হ'ব আৰু তলাতল ঘৰৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ কামো ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে লগতে সদৰী কৰে। যোৰহাট কাৰাগাৰৰ ডেৰশ বিঘা ভূমিত এখন ছহিদ উদ্যান নিৰ্মাণৰ কামো ইতিমধ্যে আৰম্ভ হৈছে বুলি তেওঁ কয়। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে যোৰহাটত জিলা স্বাস্থ্য সমিতি, ধপাত নিয়ন্ত্ৰণ কোষৰ দ্বাৰা 'ধঁপাত মুক্ত সমাজ গঢ়ো আহক' শীৰ্ষক অভিযান আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনকালত সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী, বিজেপিৰ অসম প্ৰদেশৰ যোৰহাট জিলা সমিতিৰ সভাপতি হেমন্ত কলিতা, তাই আহোম সংস্কৃতি আৰু শিক্ষা বিকাশ সমিতিৰ সভাপতি অজনী কুমাৰ চেতিয়াকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**টাৰ্মিনেট কৰা ঠিকাদাৰে আদালতৰ পৰা স্থগিতাদেশ উলিওৱাৰ বাবে স্থবিৰ হৈছে চাৰিলেনযুক্ত পথৰ কাম ঃ** যোৰহাটৰ পৰা ঝাঁজী পৰ্যন্ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত কৰাৰ কামৰ লেমেমীয়া হোৱা সন্দৰ্ভত সোধা সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'কামত গাফিলতি কৰা যিজন ঠিকাদাৰক আমি টাৰ্মিনেট কৰিছিলো, তেওঁ আদালতৰ পৰা স্থগিতাদেশ উলিওৱাৰ বাবে এই অচলাৱস্থাৰ সৃষ্টি হৈছে। আমি কিদৰে আগবাঢ়িলে এই অচলাৱস্থা দূৰ কৰিব পৰা হ'ব সেই বিষয়ে আলোচনা হৈ আছে। এই সন্দৰ্ভত অহা ১৫ অক্টোবৰত এক উচ্চ পৰ্যায়ৰ বৈঠক আহ্বান কৰা হৈছে বুলি সদৰী কৰে মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে বিগত দুবছৰ ধৰি কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে চূড়ান্ত অৱহেলা আৰু ঠিকাদাৰী প্ৰতিষ্ঠানৰ মইমতালিৰ বাবে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ যোৰহাটৰ পৰা ঝাঁজী অংশ বিগত প্ৰায় ডেৰ বছৰ ধৰি সম্পূৰ্ণ ৰূপে স্থবিৰ হৈ পৰিছে। বৰ্তমানলৈকে চাৰিটা ঠিকাদাৰী প্ৰতিষ্ঠান সলনি কৰা হয় যদিও কোনোটোৱে কাম সন্তোষজনকভাৱে আগবঢ়াই নিব নোৱাৰিলে। যাৰ ফলত ৰাষ্ট্ৰীয় পথছোৱাৰ এই অংশটো যাতায়াতৰ অনুপযোগী হৈ পৰাৰ উপৰি চূড়ান্ত বিপজ্জনক হৈ পৰিছে।

## চৰাইদেউত অৰুণোদয় আঁচনি হিতাধিকাৰিলৈ অনুমোদন পত্ৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

**মাহমৰা, ১৩ অক্টোবৰ ঃ** চৰাইদেউ জিলাৰ সোণাৰিত আজি অনুষ্ঠিত এক অনুষ্ঠানত জিলাখনৰ ১১,০৪৫ গৰাকী নতুন হিতাধিকাৰীলৈ অৰুণোদয় আঁচনিৰ অনুমোদন পত্ৰৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৪৫০০ খন চাইকেল বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ আৰু সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে হিতাধিকাৰীসকলৰ মাজত অনুমোদন পত্ৰৰ লগতে চাইকেল বিতৰণ কৰে। সভাত বিধায়ক কোঁৱৰে দিয়া ভাষণত সমগ্ৰ অসমত পূৰ্বতে ১৯ লাখ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী আছিল আৰু এতিয়া সাত লাখ নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত হ'ল বুলি উল্লখ কৰি অসমৰ মহিলাসকলক সকাহ দিয়াৰ হেতুকে প্ৰতিবছৰে ৪,২০০ কোটি টকা ব্যয় সাপেক্ষে মহিলা সবলীকৰণৰ বাবে মুখ্যমন্ত্ৰীয়ে যি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ ফলত বহু পৰিয়াল উপকৃত হ'ব বুলি মন্তব্য কৰে। সভাত চৰাইদেউ জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰী, চৰাইদেউ জিলা পৰিষদৰ সভানেত্ৰী বন্তি কোঁৱৰ, সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ, উপ-পৌৰপতি স্বাক্ষৰ জ্যোতি গগৈ, মৰাণ পৌৰসভাৰ পৌৰপতি অৰূপ দত্ত, অগপৰ নাৰায়ণ লাহন, অতিৰিক্ত উপায়ুক্ত অভিজিত গগৈ, চৰাইদেউ জিলা বিজেপিৰ সভাপতি লক্ষ্মীনাথ তাছা, সোণাৰি পৌৰসভাৰ পৌৰ আয়ুক্ত গিৰিণ গগৈ আদি উপস্থিত থাকে।

## ক্ষেত্ৰীত স্তনৰ কৰ্কটৰোগ সম্পৰ্কীয় সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১৩ অক্টোবৰ ঃ** বেচৰকাৰী সংস্থা তমসো মা জ্যোতিৰ্গময় ফাউণ্ডেছনৰ উদ্যোগত আজি স্তনৰ কৰ্কট ৰোগৰ সজাগতা দিৱস উপলক্ষে ক্ষেত্ৰী আদৰ্শ মাধ্যমিক বিদ্যালয়ত স্তনৰ কৰ্কট ৰোগ আৰু ঋতুস্ৰাৱ সম্পৰ্কীয় সমস্যা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত হায়াট ইনষ্টিটিউট অৱ নাৰ্চিং এডুকেছনৰ কৰ্কট ৰোগ বিভাগৰ প্ৰবক্তা দেৱশ্ৰী কলিতাই সমল ব্যক্তি হিচাপে উপস্থিত থাকে। গুৱাহাটী মহকুমাৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ৰ খণ্ড গাণনিক পাপৰি শৰ্মাই আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে সংস্থাটোৰ তৰফৰ পৰা সমল ব্যক্তিগৰাকীক গামোচা আৰু গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ ছাত্ৰী সকলৰ দ্বাৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত সমল ব্যক্তিগৰাকীয়ে ঋতুকালীন সমস্যা আৰু স্তনৰ কৰ্কট ৰোগৰ বিষয়ে ছাত্ৰী আৰু মহিলা সকলৰ স'তে মত বিনিময় কৰাৰ লগতে স্তনৰ কৰ্কট ৰোগী এগৰাকীয়ে তেওঁৰ নিজৰ মত ব্যক্ত কৰি কিদৰে কেইটামান সহজ পদ্ধতি অৱলম্বন কৰি এই ৰোগ সহজতে ধৰা পেলাব পাৰি তাক সুন্দৰকৈ বুজাই দিয়ে। এই অনুষ্ঠানতে সংস্থাটোৰ তৰফৰ পৰা বিদ্যালয়খনৰ ছাত্ৰী আৰু অভিভাৱকাসকলক প্ৰায় দুশটা বিনামূলীয়াকৈ ছেনিটেৰী পেড বিতৰণ কৰা হয়। অনুষ্ঠানত অঞ্চলটোৰ ভালেমান শিক্ষক-অভিভাৱকৰ উপৰি সংস্থাটোৰ কৰ্মকৰ্তা ৰূপা দেউৰী আৰু সুস্মিতা চৌধুৰী উপস্থিত থাকে।

## নগাঁৱত সদ্য অৱসৰপ্ৰাপ্ত নগৰাকী শিক্ষক-কৰ্মচাৰীক আনুষ্ঠানিক বিদায় সম্ভাষণ

বিশেষ সংবাদদাতা

**নগাঁও, ১৩ অক্টোবৰ ঃ** 'শিক্ষকসকল হ'ল সমাজৰ নক্ষত্ৰ স্বৰূপ। তেওঁলোকে সমাজৰ পৰা আন্ধাৰ আঁতৰাই পোহৰ বিলোৱা কামত ব্ৰতী হয়। সেয়ে তেওঁলোকে সমাজে বেয়া পোৱা কাম কেতিয়াও কৰিব নালাগে।' এই মন্তব্য ঐতিহ্যমণ্ডিত নগাঁও ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নুৰুল আমিনৰ। আজি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক আনুষ্ঠানিক বিদায় সম্ভাষণ অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰি উপাধ্যক্ষ নুৰুল আমিনে ছাত্ৰ-ছাত্ৰীক উদ্দেশি লগতে কয়, 'আজিৰ নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলে ড্ৰাগছৰ প্ৰভাৱত পৰি বিশৃংখল হৈ পৰাই নহয় ধ্বংসৰ দিশলৈ গতি কৰিছে। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ কাৰণে ম'বাইল ফোনটো এক শত্ৰু হিচাপে ব্যৱহৃত হৈছে। কিয়নো তেওঁলোকৰ অধিকাংশই ইয়াৰ সদ্ব্যৱহাৰ কৰা নাই। বিদ্যালয়খনৰ অধ্যক্ষ তপন কুমাৰ বৈদ্যই সভাপতিত্ব কৰা সভাখনত সদ্য অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নুৰুল আমিনৰ লগতে শিক্ষক-কৰ্মচাৰী ক্ৰমে অনন্ত বৰা, প্ৰশান্ত বৰঠাকুৰ, শুভ বেজবৰুৱা, পুষ্পকান্ত বৰদলৈ, জীৱন চন্দ্ৰ ৰয়, শত্ৰুঘ্ন প্ৰসাদ, দিপ্তী বৰঠাকুৰ আৰু অঞ্জুমা বেগমক মানপত্ৰ, গামোচা, শৰাই, বস্ত্ৰ আদিৰে বিদায় সম্ভাষণ জনোৱা হয়। উক্ত সভাত বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ক্ৰমে মামনি গায়ন দাস, ড° অঞ্জলী ভূঞা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পৰাণ কুমাৰ বৰুৱাসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সভাখনত ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ কৰ্মৰত সকলো শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে।

## ৩১ সংখ্যক যোৰহাট জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ আয়োজন

ষ্টাফ ৰিপ'ৰ্টাৰ


**যোৰহাট,১৩ অক্টোবৰ ঃ** ৩১ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলা পৰ্যায়ৰ সমাৰোহ ১৫ অক্টোবৰত ইয়াৰ শংকৰদেৱ ছেমিনাৰী বিদ্যালয়ত অনুষ্ঠিত হ'ব। তিনিশৰো অধিক শিশুবিজ্ঞানী আৰু শিক্ষকে অংশগ্ৰহণ কৰিবলগীয়া সমাৰোহৰ পুৱা পতাকা উত্তোলন কৰিব ৰাজ্যিক সমন্বয়ক ৰমেন গগৈ, ড° অদিতি বেজবৰুৱা, প্ৰবীণ বৰুৱা, প্ৰধান শিক্ষয়িত্ৰী নিবেদিতা বৰুৱা, ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে আৰু শিশু বিজ্ঞানীক শপত বাক্য পাঠ কৰাব বিগত বৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰা শিশুবিজ্ঞানী নীহাৰ দত্তই। ইয়াৰ পাছতে সমাৰোহ উদ্বোধন কৰিব যোৰহাট জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° শোভালক্ষ্মী ৰাজকুমাৰীয়ে। শিশু বিজ্ঞানীসকলৰ প্ৰকল্প উপস্থাপন, প'ষ্টাৰ প্ৰদৰ্শনৰ পাছতে ড° অবনী চন্দ্ৰ গোস্বামী, জনৰত্ন ভৈৰৱ সন্দিকৈ, অধ্যাপক যোগানন্দ গোস্বামী, ড° জীৱন চন্দ্ৰ শৰ্মা কটকী স্মাৰক বক্তৃতা প্ৰদান কৰিব বাহনা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা তথা সুৰ্যমুখী অভিযানৰ লগত জড়িত বিজ্ঞানী ড° ঐশ্বন্যা শৰ্মাই। জিলা সাংগঠনিক সমিতিৰ কাৰ্যকৰী সভানেত্ৰী ড° অদিতি বেজবৰুৱাৰ সভাপতিত্বত বিয়লি হ'বলগীয়া সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে জিলা আয়ুক্ত পুলক মহন্তই অংশগ্ৰহণ কৰিব। সমাৰোহ উপলক্ষে মাধুৰ্য শইকীয়া, ড° দিব্যজ্যোতি ওজাৰ সম্পাদনাত প্ৰকাশিত অন্বেষণ উন্মোচন কৰিব মৌচাক আলোচনীৰ সম্পাদক শান্তনু তামুলীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে প্ৰবীণ বৰুৱা, ভৃগুপতি হাজৰিকা, ড° পৰাণ বৰুৱাই অংশগ্ৰহণ কৰিব।

## ৰাজগড়ত দৰিদ্ৰ সীমাৰেখাৰ

১২ *পৃষ্ঠাৰ পৰা* আলোচনা কৰাৰ লগতে আঞ্চলিক সমিতিয়ে ল'বলগীয়া বিভিন্ন কাৰ্যসূচী কেনেদৰে ৰূপায়ণ কৰা হ'ব সেই বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। সভাত উদীয়মান শিল্পী হিমাক্ষী গগৈয়ে গীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ৰাৰিয়ৰ্ছ চৰাইদেউ জিলাৰ সভানেত্ৰী ঋজুমণি গগৈ, বগাদাত আঞ্চলিক সমিতিৰ উপ-সভানেত্ৰী কৌশল্যা বকলীয়াল, গুণদা গগৈ, নিবেদিতা ফুকন, সাধাৰণ সম্পাদিকা শিখামণি গগৈ,সহকাৰী সম্পাদক বিতোপন হাজৰিকা, সহকাৰী সম্পাদিকা পল্লৱী বৰবৰুৱা হাজৰিকা, ভাগ্যশ্ৰী দিহিঙীয়া কোচ, বিত্ত সম্পাদক বুবু কোচ, জনসংযোগ সম্পাদক পল্লৱ আৰন্ধৰা, প্ৰাইম মেম্বাৰ জয়শ্ৰী গগৈ, পিংকী বৰুৱা, দেৱ গগৈৰ লগতে কে'বাগৰাকী সাধাৰণ সদস্য-সদস্যা উপস্থিত থকা সভাৰ সামৰণি প্ৰাক্‌মুহূৰ্তত সভাপতি ৰিদিপ ফুকনে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনবোৰত গঠনমূলক সুদিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা কামনা কৰি সভা ভংগ কৰে। উল্লেখ্য যে কাৰ্যনিৰ্বাহক সভা সমাপ্ত হোৱাৰ পাছত যোৱা দুই আৰু তিনি অক্টোবৰত গুৱাহাটীৰ কলাক্ষেত্ৰত অনুষ্ঠিত ৰাৰিয়ৰ্ছ তৃতীয় বাৰ্ষিক ৰাজ্যিক অধিবেশনত ডিব্ৰুগড় জিলাৰ শ্ৰেষ্ঠ আঞ্চলিক বঁটা লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে বগাদাত আঞ্চলিক সমিতিৰ সমূহ বিষয়ববীয়া তথা সদস্য-সদস্যাসকলৰ স'তে সম্প্ৰীতিৰ এসাঁজ একেলগে গ্ৰহণ কৰা হয়।

## কেন্দুৰগুৰি-ৰতনপুৰ পথৰ বিধ্বস্ত ৰূপ

### পাঁচখন বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে ভুগিছে যমৰ যাতনা



অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১৩ অক্টোবৰ ঃ** ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আহিছে যদিও গ্ৰামাঞ্চলৰ বাট-পথৰ বিধ্বস্ত ৰূপে শিক্ষাৰ্থীসকলৰ সমান্তৰালকৈ সাধাৰণ নাগৰিকসকলে যমৰ যাতনা ভোগ কৰি আহিব লগা হৈছে। অভিযোগ মতে, গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত মাটিখোলা গাঁও পঞ্চায়তৰ তিনি নম্বৰ বৰজান ৱাৰ্ডৰ পৰা ৰতনপুৰ গাঁও পঞ্চায়তৰ এক নম্বৰ ৰতনপুৰ গাঁওলৈকে প্ৰায় চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ গ্ৰাম্য পথছোৱা শোচনীয় অৱস্থাত দীৰ্ঘদিন ধৰি ৰাইজক জলা-কলা খোৱাই আহিছে। উল্লেখ্য যে সংশ্লিষ্ট পথছোৱা প্ৰায় ২০০৪তে কংগ্ৰেছ চৰকাৰৰ ১৫ বছৰীয়া কাৰ্যকালত সেই সময়ৰ গড়কাপ্তানী মন্ত্ৰী অজন্তা নেওগৰ দিনত পকীকৰণ হৈছিল যদিও আজি পৰ্যন্ত পুনৰ উন্নয়নৰ মুখ নেদেখাত বৃহত্তৰ অঞ্চলটোৰ সচেতন নাগৰিকসকলে আশ্চৰ্য প্ৰকাশ কৰিছে। সম্প্ৰতি মেৰামতিৰ অভাৱত সম্পূৰ্ণ পথছোৱা মাছৰ বাকলি এৰোৱাৰ দৰে এৰাই যোৱাৰ উপৰি প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁতলৈ উপনীত হৈছে। ইয়াৰ ফলত বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, উজ্জ্বল বাল্য ভৱন পাব্লিক স্কুল, লক্ষীবাৰী জাতীয় বিদ্যালয়, ভদ্ৰেশ্বৰ বৰা মধ্য ইংৰাজী বিদ্যালয় আৰু বৰজান প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে প্ৰতিদিনে যমৰ যাতনা ভুগি অহাৰ অভিযোগ উঠিছে। সেয়েহে অঞ্চলটোৰ সচেতন নাগৰিকসকলে বিত্তমন্ত্ৰী তথা স্থানীয় সমষ্টিৰ বিধায়িকা অজন্তা নেওগক পথছোৱাৰ স্থায়ী উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ অহ্বান জনাইছে।

## আমগুৰিত জল জীৱনৰ আঁচনিত দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ১৩ অক্টোবৰ ঃ** জল জীৱন মিছন আঁচনিৰ যোগেদি অসম চৰকাৰে প্ৰত্যেকটো পৰিয়ালে বিশুদ্ধ খোৱাপানী লাভৰ সুলভ ব্যৱস্থা কৰা সময়তে আমগুৰিত জল জীৱন মিছন আঁচনি ৰূপায়ণত ঠিকাদাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে স্থানীয় লোকে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে আমগুৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত বৰশয়ক ডিব্ৰুৱালত অৱস্থিত কুমাৰ চুক পানী যোগান আঁচনি ৰূপায়ণত ঠিকাদাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আনি স্থানীয় লোকে প্ৰতিবাদ সাব্যস্ত কৰে। জল জীৱন মিছন আঁচনি ৰূপায়ণত ঠিকাদাৰ দুৰ্নীতিৰ আশ্ৰয় লোৱা বুলি অভিযোগ আনি 'ঠিকাদাৰৰ মইমতালি নচলিব, জনস্বাস্থ্য কাৰিকৰী বিভাগ হায় হায়, জল জীৱন মিছন আঁচনি ৰূপায়ণত দুৰ্নীতি নচলিব' আদি শ্ল'গানৰে স্থানীয় লোকে প্ৰতিবাদ সাব্যস্ত কৰে। স্থানীয় গাঁওবাসী লোকৰ অভিযোগ অনুসৰি ঠিকাদাৰে জিআই পাইপৰ সলনি প্লাষ্টিকৰ পাইপ ব্যৱহাৰ কৰা, পানী পৰিবাহী পাইপৰ বিভিন্ন অংশত লিকেজ হৈছে। পৰিয়ালে পানীৰ ঘৰুৱা সংযোগ লাভ নকৰাৰ অভিযোগো উঠিছে। নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নোহোৱা অৱস্থাতে আমগুৰি জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু ঠিকাদাৰ প্ৰতিষ্ঠানে বৰাহীবাৰী গাঁও পঞ্চায়তক কুমাৰ চুক পানী যোগান আঁচনি হস্তান্তৰ কৰিবলৈ বিচৰাত স্থানীয় লোক ক্ষুব্ধ হৈ উঠিছে। ঠিকাদাৰ প্ৰতিষ্ঠান হাইটেক ইণ্ডাষ্ট্ৰীজৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি স্থানীয় লোকে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ আৰু আমগুৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী বিষয়াৰ বিৰুদ্ধে উৰ্দ্ধতন কৰ্তৃপক্ষৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

## বালি কঢ়িওৱা ডাম্পাৰৰ খুন্দাত আহত মটৰ চাইকেল আৰোহী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৩ অক্টোবৰ ঃ** ভোগদৈ নৈৰ পৰা বালি কঢ়িয়াই অনা শ শ ডাম্পাৰৰ দৈনিক আহ-যাহৰ ফলত এতিয়া মৰিয়নি নগৰত পথচাৰীসকল ব্যাপক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। নগৰখনত পুৱাৰ পৰা নিশালৈকে বালি কঢ়িওৱা শ শ ডাম্পাৰে সন্ত্ৰাস সৃষ্টি কৰাৰ লগতে পথচাৰীৰ বাবে বিপদ কঢ়িয়াই আনিছে। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই ডাম্পাৰসমূহ অত্যন্ত বিপজ্জনক বিবেচিত হৈছে। এই সন্দৰ্ভত সবিস্তাৰে সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হৈছে। কিন্তু প্ৰশাসন আৰু আৰক্ষীয়ে এই সমস্যাক লৈ কোনো কাৰ্যব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। কালি পুৱা নগৰৰ ষ্টেডিয়াম ৰোডৰ সন্মুখত মৰিয়নি-যোৰহাট পথত বালি কঢ়িয়াই অনা এখন ডাম্পাৰৰ তলত এজন মটৰ চাইকেল আৰোহী সোমাই পৰাত গুৰুতৰভাৱে আহত হয়। বালি কঢ়িয়াই অনা এএছ-০৩ চিচি-৩৭৬৮ নম্বৰৰ ডাম্পাৰখন যোৰহাট দিশে গৈ থকা অৱস্থাত এএছ-০৩ ৱাই ১৩৫০ নম্বৰৰ বাজাজ পালছাৰ বাহনখন কিবা প্ৰকাৰে ডাম্পাৰখনৰ তলত সোমাই পৰে। পুৱা ১০-৪০ মান বজাত সংঘটিত দুৰ্ঘটনাটোত বাদল বাছফৰ নামৰ আৰোহীজন গুৰুতৰভাৱে আহত হয়। আহত যুৱকজনক সংকটজনক অৱস্থাত ততাতৈয়াকৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ যোৱা হয়। মৰিয়নিৰ আৰক্ষীয়ে ইতিমধ্যে দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰখন জব্দ কৰিছে। উল্লেখ্য যে ভোগদৈ নৈৰ পৰা বালি কঢ়িয়াই অনা শতাধিক ডাম্পাৰ মৰিয়নি নগৰত প্ৰৱেশ কৰি তীব্ৰ গতিত অহা-যোৱা কৰে। প্ৰশাসন, আৰক্ষী, পৌৰসভা কোনেও এইবোৰ বিষয় লৈ চিন্তা কৰিবলৈ আহৰি নাই। বিশেষকৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অতি বিপজ্জনক হৈ পৰিছে এনে ডাম্পাৰসমূহ। দিনে-নিশাই বালি কঢ়িয়াই নিয়া ডাম্পাৰ চালকৰ অতপালিও দিনক দিনে বৃদ্ধি পাইছে।

## সাংস্কৃতিক মঞ্চ 'নাটঘৰ'ৰ বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মাহমৰা, ১৩ অক্টোবৰ ঃ** দিখৌ ৰাঙলী অঞ্চলৰ অন্যতম সাংস্কৃতিক মঞ্চ 'নাটঘৰ'ৰ বৰ্ষপূৰ্তি অনুষ্ঠান কালি দিবানৈশ কাৰ্যসূচীৰে 'নাটঘৰ'ৰ বাকৰিত অনুষ্ঠিত হয়। সেই অনুসৰি পুৱা চাফাইৰ লগতে পতাকা উত্তোলন কৰা হয়। সন্ধিয়ালৈ নাটঘৰৰ মুখ্য উপদেষ্টা কৃষ্ণকান্ত ৰাজখোৱাই বন্তি প্ৰজ্বলনেৰে বৰ্ষপূৰ্তি অনুষ্ঠান মুকলি কৰে। ইয়াৰ পাছতে নাটঘৰৰ সভাপতি দীপ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই সম্পাদক ভাস্কৰজ্যোতি চেতিয়াই। সভাত বয়োজ্যষ্ঠ নাট্যকৰ্মী ভৱকান্ত দত্ত, সমাজকৰ্মী মহেশ চেতিয়া, লেখক তথা মহকুমা স্বাস্থ্য বিষয়া ডাঃ নিৰঞ্জন দাসৰ লগতে ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে মঞ্চস্থ কৰিবলৈ প্ৰস্তুতি চলোৱা এখন পূৰ্ণাংগ নাটৰ আখৰা আৰম্ভণি কৰা হয়। উল্লেখ্য যে নাটঘৰে অঞ্চলটোত সাংস্কৃতিক চৰ্চাৰে সুস্থ সামাজিক পৰিৱেশ বৰ্তাই ৰখাৰ নিৰলস প্ৰচেষ্টা অব্যাহত ৰখাৰ লগতে অভিনয় প্ৰতি ধাউতি থকাসকলৰ বাবেও এখন মঞ্চ প্ৰদান কৰিছে।

## এএমচিএইছত সামূহিক মেডিচিন বিভাগৰ চিকিৎসক-গৱেষকৰ সন্মিলন

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৩ অক্টোবৰ ঃ** সামূহিক প্ৰতিৰোধী চিকিৎসা সেৱা কিদৰে জনসাধাৰণৰ কাষলৈ লৈ যাব পাৰি এই কথা সবিস্তাৰে আলোচনা আৰু সিদ্ধান্ত গ্ৰহণাৰ্থে কালিৰে পৰা ডিব্ৰুগড়ত একত্ৰিত হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ কমিউনিটি মেডিচিনৰ স'তে চিকিৎসক আৰু গৱেষকসকল। এই উপলক্ষে আজিৰে পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অসম চিকিৎসা মহাবিদ্যালয় চমুকৈ 'এএমচিএইছ'ত ইণ্ডিয়ান এছ'চিয়েছন অৱ প্ৰিভেণ্টিভ এণ্ড ছ'চিয়েল মেডিচিন চমুকৈ 'আইএপিএছএম'ৰ উদ্যোগত অনুষ্ঠিত হৈছে চিকিৎসক সংগঠনটোৰ ষষ্ঠ উত্তৰ-পূৱ মণ্ডল অধিবেশন। আজিৰ উদ্বোধনী অনুষ্ঠানত দেশৰ বিভিন্ন ৰাজ্যৰ বহু বছৰ ধৰি এই দিশত অভিজ্ঞতাপুষ্ট আৰু বিশেষজ্ঞ চিকিৎসক, শিক্ষাবিদ আৰু গৱেষকৰ লগতে জনস্বাস্থ্যৰ উন্নতিৰ হকে কাম কৰি অহা শতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পুৱাৰ ভাগত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱাৰ পাছত ডাঃ নৱনীতা নিৰ্মলীয়ে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে 'এএমচিএইছ'ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, 'আইএপিএছএম'ৰ ৰাষ্ট্ৰীয় সভাপতি ডাঃ এ এম কাড্ৰি, সম্পাদক ডাঃ পৰুষোত্তম গিৰি, ডাঃ আন্না ৰাও কুলকাৰ্ণি, 'এএমচিএইছ'ৰ প্ৰাক্তন অধ্যক্ষ ডাঃ ফাৰুকউদ্দিন আহমেদ, ইউনিছেফৰ নিউট্ৰিছন বিশেষজ্ঞ ডাঃ মউলিক শ্বাহ, 'ইক' ইণ্ডিয়াৰ সহযোগী অধ্যক্ষ ডাঃ সন্দীপ ভাল্লা, এনআইএইছএছডব্লিউৰ চেয়াৰ প্ৰগ্ৰেম এডভাইজৰী সুনিলা গাৰ্গ, 'জেপিএইছ আই ই জি অ'ৰ নেছনেল প্ৰ'গ্ৰেম অফিচাৰ ডাঃ জিতেশ কাৰাটাডা, আয়োজক 'এনইজেডছিঅ'এন'ৰ সাংগঠনিক অধ্যক্ষ ডাঃ তুলিকা গোস্বামী মহন্ত, সম্পাদক ডাঃ গৌৰাংগী গগৈ উপস্থিত থাকে। উক্ত অনুষ্ঠানতেই অতিথিসকলৰ দ্বাৰা অধিবেশনৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। আদৰণি ভাষণত ডাঃ সঞ্জীৱ কাকতিয়ে ভাষণত প্ৰতিষ্ঠাৰ দিনৰে পৰা কিদৰে 'এএমচিএইছ'য়ে সামূহিক মেডিচিনৰ সেৱা আগবঢ়াই আহিছে সেয়া উল্লেখ কৰাৰ লগতে এই বিভাগত শ শ চিকিৎসক সৃষ্টি কৰি আহিছে সেয়া সবিস্তাৰে উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থাকি নেছনেল হেলথ্ মিছনৰ মিছন ডাইৰেক্টৰ ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই অসমৰ স্বাস্থ্য বিভাগৰ কাম-কাজৰ কথা উল্লেখ কৰি কিদৰে চৰকাৰী বিভিন্ন আঁচনিৰ জৰিয়তে জনসাধাৰণত উপকৃত কৰি আহিছে সেয়া ভাষণত উল্লেখ কৰে। অনাগত দিনত 'এএমচিএইছ'ৰ স'তে কাম কৰি যাব বুলিও বক্তব্যত উল্লেখ কৰে। অনুষ্ঠানত ডাঃ ফাৰুকউদ্দিন আহমেদেও জনসাধাৰণৰ বাবে কাম কৰিবলৈ জনসাধাৰণৰ মাজলৈ যোৱাটো অত্যন্ত আৱশ্যক বুলি ভাষণত উল্লেখ কৰে। ইয়াৰ পাছতেই আয়োজিত সংবাদমেলত সহযোগী অনুষ্ঠান 'ইক' ইণ্ডিয়া'ৰ সহযোগী অধ্যক্ষ ডাঃ সন্দীপ ভাল্লাৰ লগতে অন্যান্যসকলে সামূহিক চিকিৎসা বিভাগত নতুনকৈ আৰম্ভণি হ'বলগীয়া 'ইক' হাব'ৰ সম্পৰ্কে বক্তব্য আগবঢ়াই জনসাধাৰণৰ স্বাস্থ্যৰ উন্নতিৰ নিমিত্তে স্বাস্থ্যকৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান কৰি কেনেকৈ তেওঁলোকৰ সামৰ্থ বৃদ্ধি কৰিব পাৰি সেই কথা অৱগত কৰে। এই বাৰ্ষিক অধিৱেশনৰ স'তে সংগতি ৰাখি যোৱা ১১ অক্টোবৰত 'নেছনেল একাডেমী অৱ মেডিকেল ছায়েঞ্চ'ৰ সহযোগত এখন আলোচনা সত্ৰৰো আয়োজন কৰা হয়। এই আলোচনা সত্ৰত উচ্চ ৰক্তচাপ আৰু ইয়াৰ প্ৰতিকাৰৰ ওপৰত বিশদভাৱে পৰ্যালোচনা কৰা হয়। আনহাতে, ১২ অক্টোবৰত এখন 'ইনএলিটেটিভ ৰিচাৰ্ছ মেথড'লজি'ৰ ওপৰত এখন উচ্চমানৰ গৱেষণা কৰ্মশালাৰ আয়োজন কৰা হয়। এই কৰ্মশালাত হায়দৰাবাদ 'এইমছ'ৰ ডাঃ ৰশ্মি কুণ্ডাপুৰ আৰু তেওঁৰ সহযোগীসকলে অতি সাৰুৱাভাৱে প্ৰশিক্ষণ প্ৰদান কৰা কৰ্মশালাত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা চিকিৎসক-গৱেষকসকলে অংশগ্ৰহণ কৰে।

# ভূৰাগাঁও সমবায় সমিতিত চাউল কেলেংকাৰি ঃ চোৰাংকৈ বিক্ৰী

## ১৭০ বেগ চৰকাৰী চাউল জব্দ ঃ সমবায়ৰ সভাপতি-সম্পাদকসহ আটক চাৰি



**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১৩ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ ইখনৰ পাছত সিখন সমবায় সমিতিৰ বিৰুদ্ধে ভয়ানক দুনীতিৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে পুনৰ ভূৰাগাঁও সমবায় সমিতিৰ ভয়ংকৰ দুৰ্নীতি পোহৰলৈ আহিছে। যোৱা নিশা ভূৰাগাঁও সমবায় সমিতিখনৰ পৰা ১৭০ বেগ চৰকাৰী চাউল বিক্ৰী কৰাৰ সময়তেই চোৰাং ব্যৱসায়ীৰ ঘৰৰ পৰা জব্দ হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা নিশা প্ৰায় ১২ বজাত ভূৰাগাঁও চাৰিআলিৰ পাইকাৰী গেলামাল দোকানী চঞ্চল দেৰ ঘৰত এএছ-চপ্ত-০২৪৫ নম্বৰৰ ট্ৰাকৰ পৰা চাউল নমাই থকা অৱস্থাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি ভূৰাগাঁও আৰক্ষীক খবৰ দিয়ে। লগে লগেই ভূৰাগাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ট্ৰাকসহ ১৭০ বেগ চাউল জব্দ কৰে ব্যৱসায়ী দেৰ ঘৰৰ পৰা। পৰৱৰ্তী সময়ত এই চাউলখিনি ভূৰাগাঁও সমবায় সমিতিৰ বুলি নিশ্চিত হয় আৰক্ষী। ভূৰাগাঁও আৰক্ষীয়ে আজি ভূৰাগাঁও সমবায় সমিতিৰ সভাপতি ছাইফুল ইছলাম, সম্পাদক হাছেন আলী, চোৰাং ব্যৱসায়ী দে আৰু ট্ৰাক চালক ৰাম চন্দ্ৰ চৌহানক আটক কৰে। এই সন্দৰ্ভত ভূৰাগাঁও আৰক্ষীয়ে আটকাধীন চাৰিওকে জেৰা অব্যাহত ৰাখিছে। ইফালে, এই ঘটনাৰ পাছতে ভূৰাগাঁও সমবায় সমিতিৰ কে'বা শ কুইন্টল চৰকাৰী চাউল চোৰাংকৈ বিক্ৰী কৰি অহা বুলি অভিযোগ উঠিছে। একাংশ স্থানীয় লোকে কৰা অভিযোগ মতে, যোৱা ডিচেম্বৰতো সমবায় সমিতিখনৰ পৰা ১৪৫০ কুইণ্টল চাউল বিক্ৰী কৰা হৈছিল। তদুপৰি আন একাংশ স্থানীয় লোকে অঞ্চলটোৰ বিভিন্ন সমবায় সমিতিত সংঘটিত দুনীতিসমূহত মৰিগাঁও যোগান বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীলৈকো সন্দেহৰ আঙুলি টোঁৱাইছে। কাৰণ মৰিগাঁও জিলাৰ সমবায় সমিতি সমূহত সংঘটিত দুৰ্নীতিৰ তদন্তৰ নামত ৰহস্যজনক ভুমিকা গ্ৰহণ কৰি আহিছে। আজি জব্দ হোৱা ভূৰাগাঁও সমবায় সমিতিৰ ১৭০ বেগ চাউল আৰক্ষী আৰু মৰিগাঁও জিলা যোগান বিভাগৰ বিষয়াৰ উপস্থিতিত জোখ-মাখ কৰা হয়। সম্প্ৰতি আৰক্ষীয়ে আটক কৰা চাৰিওজন লোকক সোধ-পোছ কৰি ভূৰাগাঁও আৰক্ষী আৰু যোগান বিভাগৰ উৰ্ধ্বতন বিষয়াই সমগ্ৰ ঘটনাটোৰ তদন্ত প্ৰক্ৰিয়া আগবঢ়াইছে যদিও সমবায়খনৰ কেলেংকাৰিৰ প্ৰকৃত তথ্য বৰ্তমানেও তদন্তকাৰী বিষয়াই সদৰী কৰা নাই।

## সৰুপেটাৰ সৰবৰহী মহিলা চিকুনী প্ৰভাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ১৩ অক্টোবৰ ঃ** সৰুপেটাৰ ধৰ্মপ্ৰাণা মহিলা তথা সমাজ সেৱিকা চিকুনী প্ৰভা চৌধুৰীৰ আজি মৃত্যু হয়। তথ্য মতে, হিম'গ্লবিনজনিত কাৰণত বিগত কে'বাদিনো ধৰি তেওঁ শাৰীৰিক অসুস্থতাত ভুগি থকাত যোৱা ১০ অক্টোবৰত গুৱাহাটীৰ ডাউন টাউন হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদি চিকিৎসাধীন অৱস্থাতে আজি পুৱতি নিশা মৃত্যু হয়। চিকুনী প্ৰভা চৌধুৰী সৰুপেটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত স্বামীৰ স'তে সাংবাদিক পুত্ৰ কাশ্যপ চৌধুৰীৰ লগতে আন তিনিজন পুত্ৰ সন্তান, তিনিগৰাকী বোৱাৰী, এগৰাকী বিবাহিতা জীয়ৰী আৰু কে'বাগৰাকী নাতি-নাতিনী-আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

## অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত নোহোৱা গ্ৰাহকক বিদ্যুৎ মাচুল ৰেহাই দিয়াৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ১৩ অক্টোবৰ ঃ** সম্প্ৰতি নিৰ্বাচনৰ পূৰ্বে নেতৃত্বাধীন ড° হিমন্ত বিশ্ব শৰ্মা অসমৰ বিজেপি চৰকাৰৰ কাৰ্যকালত অসমৰ দৰিদ্ৰ পৰিয়ালসমূহৰ প্ৰায় প্ৰতিটো পৰিয়ালকে অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰি পৰিয়ালসমূহক প্ৰতিমাহে বিদ্যুতৰ মাচুল পৰ্যন্ত বিদ্যুৎ বিভাগত দিব পৰাৰ ব্যৱস্থা কৰাৰ বাবে অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত নোহোৱা পৰিয়ালসমূহকো সেই ব্যৱস্থাৰ সুবিধা দিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতি জনতাই দাবী জনাইছে। উল্লেখ্য বিষয় ৰাজ্যৰ বিভিন্ন ঠাইত অভিযোগ উঠা অনুযায়ী বৰ্তমান অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত গৰিষ্ঠসংখ্যক পৰিয়াল সত্য নথিগতভাৱে দৰিদ্ৰ নহয় আৰু প্ৰায় প্ৰতিটো পৰিয়ালেই বৰঞ্চ আৰ্থিকভাৱে সচ্ছল তথা একাংশ শিক্ষিত পৰিয়াল। এনে একাংশ পৰিয়ালে প্ৰতিমাহে যদি দৰিদ্ৰতাৰ মাচুল লাভ কৰাই নহয় প্ৰতিমাহে বিদ্যুতৰ বিল দিবলৈও চৰকাৰে ধন আদায় দিয়ে তেনে অৱস্থাত প্ৰতিমাহে বিনামূল্যৰ চাউলৰ ভাত খাই জীৱন নিৰ্বাহ কৰা প্ৰকৃত দৰিদ্ৰ জনতাই বিদ্যুতৰ মাচুল দিবলৈ চৰকাৰৰ সাহায্যৰ ধন কিয় নাপাব বুলি প্ৰশ্ন উঠিছে বহু অঞ্চলত।

প্ৰকাশ পোৱা মতে, ৰাজ্যৰ অসংখ্য দৰিদ্ৰ নামধাৰী পৰিয়ালে বিভিন্ন উপায়েৰে নিজকে দৰিদ্ৰ সজাই চৰকাৰৰ সৎ উদ্দেশ্যৰ সাহায্যৰ ধনৰ লুটৰাজ চলাই আছে আৰু সেই কাৰ্যত বৰ্তমান অৰুণোদয় আঁচনিও অন্তৰ্ভুক্ত হৈ পৰাৰ অভিযোগ উঠিছে। এনে ব্যৱস্থাৰ অধীনত যদি নামত দৰিদ্ৰজনে বিদ্যুতৰ বিল দিবলৈ ৰাজসাহায্য পায় তেনেহ'লে সমাজৰ প্ৰকৃত দৰিদ্ৰজনে ৰাজ্যত অনিয়মীয়াকৈ বিদ্যুৎ যোগান ধৰা বিদ্যুতৰ মাচুল দিবলৈ চিন্তা নকৰিবনে? শাসকীয় পক্ষই জনতাৰ হিতৰ স্বাৰ্থত কাৰ্য কৰাৰ আশাৰে বাট চাইছে সাধাৰণ জনতাই।

## শোণিতপুৰৰ আদাবাৰী চাহ বাগিচাত ছটা বাসগৃহ ভাঙিলে বনৰীয়া হাতীয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৩ অক্টোবৰ ঃ** তেজপুৰৰ নিকটৱৰ্তী আদাবাৰী চাহ বাগিচাৰ এক নম্বৰ লাইনত আজি পুৱতি নিশা প্ৰায় তিনি বজাত এটা বনৰীয়া হাতীয়ে কে'বাটাও ঘৰ ভাঙি লণ্ডভণ্ড কৰে। পুৱতি নিশা অহা বনৰীয়া হাতীটোৱে উগ্ৰমূৰ্তি ধৰি লাইনৰ বিভিন্ন খুঁটা উভালি পেলোৱাৰ লগতে পকী আৰু কেঁচা ঘৰ ছটা ভাঙি পেলায়। ইয়াতে ক্ষান্ত নাথাকি হাতীটোৱে ঘৰৰ ভিতৰত থকা আচবাব সমূহো ভাঙি উপদ্ৰৱ চলায়। আবাসী সকলে কোনোমতে হাতীৰ আক্ৰমণৰ পৰা প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয় আৰু পাছত ৰাইজে হাতীটোক খেদাই পঠিয়াবলৈ সক্ষম হয়। উল্লেখ্য যে এই অঞ্চললৈ পূৰ্বেও বনৰীয়া হাতী আহে যদিও উপদ্ৰৱ চলোৱাৰ ঘটনা এয়ে প্ৰথম বুলি ৰাইজে প্ৰকাশ কৰিছে।

## নাজিৰাত অ'এনজিচিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আটছাৰ

### ■ দুৰ্ঘটনাত নিহত-আহতৰ পৰিয়ালক ক্ষতিপূৰণৰ দাবী




**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৩ অক্টোবৰ ঃ** উদ্যোগ তেল আৰু প্ৰাকৃতিক গেছ নিগম (অ'এনজিচি) অসম সম্পদৰ অধীনৰ গধুৰ বাহন আদিয়ে বিভিন্ন সময়ত বিভিন্ন স্থানত দুৰ্ঘটনা সংঘটিত কৰাত বহুজনে প্ৰাণ হেৰুৱাব লগা হোৱাৰ উপৰি বিভিন্নজনে চিৰ জীৱনৰ বাবে পংগুত্বৰ জীৱন অতিবাহিত কৰিব লগা হৈছে। তেনে পৰিস্থিতিত সেই নিহত-আহতৰ পৰিয়ালসমূহে সম্প্ৰতি দুৰ্বিসহ যাপন কৰিছে। অ'এনজিচি কৰ্তৃপক্ষই তেনে পৰিয়ালৰ লোকক উচিত ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি দিয়েই দায়িত্ব সামৰে বুলি অভিযোগ উঠিছে। তেনে পৰিয়াল সমূহৰ ভিতৰত অন্যতম ভৰজ্যোতি হাজৰিকা, কুন্দন মিৰ্ধা আৰু শিৱা নায়কৰ পৰিয়াল। উল্লেখ্য যে ২০২২ আৰু ২০২৩ত অ'এনজিচিৰ অধীনত চলা গধুৰ বাহনে খুন্দিওৱাৰ ফলত দুজনকৈ যুৱক ক্ৰমে ভৰজোতি হাজৰিকা আৰু কুন্দন মিৰ্ধা থিতাতে নিহত হৈছিল আৰু শিৱা নায়ক নামৰ এজন যুৱক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ আহত হৈছিল। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত নিহত আৰু আহত পৰিয়াললৈ উচিত ক্ষতিপূৰণ প্ৰদান কৰা বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থাই তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ উৰ্ধ্বতন বিষয়াৰ লগত কে'বালানি বৈঠক অনুষ্ঠিত কৰি পৰিয়াল কেইটালৈ ক্ষতিপূৰণৰ দাবী উত্থাপন কৰিছিল। দাবী অনুসৰি, অ'এনজিচিয়ে উক্ত পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল; কিন্তু অ'এনজিচিৰ সেই প্ৰতিশ্ৰুতি আজিও প্ৰতিশ্ৰুতি হৈয়ে থাকিল। আজি পৰ্যন্ত অ'এনজিচিয়ে উক্ত পৰিয়াল কেইটাক ক্ষতিপূৰণ প্ৰদান নকৰিলে। সেয়ে কালি পুৱা পাঁচ বজাৰ পৰা গেলেকী তৈল ক্ষেত্ৰৰ খাৰুৱা তেল সংৰক্ষণ কৰা জিজিএছ-থ্ৰীৰ কাৰ্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে চাহ জনজাতি ছাত্ৰ সন্থাই। অ'এনজিচিৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানৰে প্ৰতিবাদ সাব্যস্ত কৰে আটছা আৰু নিহত-আহতৰ পৰিয়ালৰ লোকে আৰু পুনৰ আজিৰ পৰা পাঁচ দিনৰ সময়সীমা বান্ধি দি এখন স্মাৰক পত্ৰ প্ৰদান কৰে সংগঠনটোৱে। পাঁচ দিনৰ ভিতৰত যদি অ'এনজিচিয়ে উক্ত পৰিয়াল কেইটাক ক্ষতিপূৰণ প্ৰদান নকৰে, তেন্তে পৰৱৰ্তী সময়ত গেলেকী তৈল ক্ষেত্ৰৰ সকলো কাম-কাজ অচল কৰি জংগী আন্দোলন কৰাৰ সকীয়নী প্ৰদান কৰে আটছা নেতা সকলে আৰু তাৰ বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থা দায়ী নহ'ব বুলিও হুংকাৰ প্ৰদান কৰে সংগঠনটোৱে।

## কাকজান বাগিচাত নাহৰফুটুকী পিঞ্জৰাবদ্ধ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৩ অক্টোবৰ ঃ** মৰিয়নিৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কাকজান চাহ বাগিচাত আজি এটা নাহৰফুটুকী পিঞ্জৰাবদ্ধ হয়। কাকজান চাহ বাগিচাৰ পকা লাইনৰ সমীপত বন বিভাগে স্থাপন কৰা পিঞ্জৰাত নাহৰফুটুকীটো আৱদ্ধ হয়। বিগত বহুদিন ধৰি নাহৰফুটুকীটোৱে বাগিচাখনত মুক্ত বিচৰণ কৰি সন্ত্ৰাস চলাই আহিছিল। বাগিচাখনৰ বাসিন্দাসকলৰ পশুধন বধ কৰি ভক্ষণ কৰাৰ লগতে নাহৰফুটুকীটোৱে দিন-দুপৰতে গৰু-ছাগলী আদি বধ কৰিছিল। ফলত অঞ্চলটোৰ লোকসকলৰ মাজত আতংকৰ বিয়পি পৰিছিল। বাগিচাখনত কাম কৰিবলৈ যোৱা শ্ৰমিক কে'বাদিনো নাহৰফুটুকীটোৰ মুখামুখি হৈছিল। এই সন্দৰ্ভত বন বিভাগক অৱগত কৰাৰ পাছত বিগত বুধবাৰে উক্ত অঞ্চলত পিঞ্জৰা স্থাপন কৰে। যোৱা নিশা পিঞ্জৰাবদ্ধ হোৱা নাহৰফুটুকীটো চাবলৈ আজি সহস্ৰাধিক লোকৰ আগমন হয়। মানুহৰ সমাগমৰ বাবে পিঞ্জৰাত খুন্দিয়াই নাহৰফুটুকীটোৱে মূৰত আঘাতো পায়। পাছত বন বিভাগে পিঞ্জৰাত আৱদ্ধ নাহৰফুটুকীটোৰ প্ৰাথমিক চিকিৎসা প্ৰদান কৰি কাজিৰঙালৈ প্ৰেৰণ কৰে। স্থানীয় ৰাইজৰ মতে, সেই অঞ্চলত অধিক নাহৰফুটুকী থকাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ বন বিভাগৰ প্ৰতি অঞ্চলটোৰ ৰাইজে আহ্বান জনাইছে।

### বনাইত অবৈধ বালি খননৰ অভিযোগ

## টীয়কত চালান বিহীন বালি ভৰ্তি ডাম্পাৰ জব্দ আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৩ অক্টোবৰ ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষীয়ে আজি পুৱা বনাই ঘাটৰ সমীপৰ পৰা এএছ-০৪ বিচি-৯৩৩৫ নম্বৰৰ এখন বালি ভৰ্তি ডাম্পাৰ জব্দ কৰে। আজি দীৰ্ঘদিন ধৰি টীয়কৰ বিভিন্ন স্থানত এনেদৰে অবৈধভাৱে বালি-পলসৰ বেপাৰ চলাই থকা অসাধু চক্ৰটোক মাহেকীয়া কমিছনত এনে অনৈতিক কাম কৰিবলৈ যোৰহাট বন উপ-সংমণ্ডলৰ লগতে টীয়ক আৰক্ষীয়ে সুবিধা প্ৰদান কৰাৰ অভিযোগ উত্থাপিত হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় যে দুই-তিনি মাহৰ অন্তত আৰক্ষী আৰু বন বিভাগৰ চমক লগা অভিযানত দুই-এখন বালি ভৰ্তি গাড়ী জব্দ হয় যদিও বাকী সকলো গাড়ী নিৰাপদ স্থান ৰৈ যায়। ইয়াৰ মূল কাৰণ হ'ল গাড়ীসমূহৰ গৰাকী বিভাগীয় কৰ্তৃপক্ষৰ লগত থকা গোপন বুজাবুজি বুলি এক সূত্ৰই জনাইছে। বনাইৰ পৰা জাঁজী নদীৰ বালি টীয়কৰ বিভিন্ন ঠাইলৈ সৰবৰাহ কৰোতেই বনাই-জগদুৱাৰ পথত টীয়ক আৰক্ষীয়ে মিনি ডাম্পাৰখন জব্দ কৰি পৰৱৰ্তী সময়ত বন বিভাগক গতাই দিয়ে। বন বিভাগৰ এজন বিষয়াই জনোৱা মতে, বনাই নপমুৱাৰ পৰা বালি কঢ়িওৱা ডাম্পাৰখনৰ কোনো চালান নাছিল। উক্ত বালি মহলটোৱে পূৰ্বে বিভাগক দিয়া ৰাজহৰ ম্যাদ শেষ হোৱাৰ বাবে অনলাইন চালান দিব পৰা নাই বুলি আঞ্চলিক বন বিভাগৰ পৰা এক বিশেষ সূত্ৰই জনাইছে।

## আজি বিজ্ঞান চ'ৰাৰ বৈঠক

**যোৰহাট, ১৩ অক্টোবৰ ঃ** যোৰহাট বিজ্ঞান চ'ৰাৰ পঞ্চমখন বৈঠক কাইলৈ বিয়লি তিনি বজাৰ পৰা যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত আৰম্ভ হ'ব। বৈঠকত নেন' বিজ্ঞান আৰু প্ৰযুক্তি সম্পৰ্কে নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক উদয়জ্যোতি বৰাই আলোচনা আগবঢ়াব। সকলোৰে উপস্থিতি আহ্বায়ক ৰমেন গগৈয়ে কামনা কৰিছে।

## লাহৰীঘাটত দুই ড্ৰাগছ সৰবৰাহকাৰীক আটক



**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১৩ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত বৰছলাত কালি আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে আটক কৰা ড্ৰাগছ সৰবৰাহকাৰী দুজন ক্ৰমে এক নম্বৰ বৰচলা গাঁৱৰ এনামুল হুছেইন (২৫) আৰু তাঁতীকটা গাঁৱৰ মাকমাদুল হুছেইন (১৯)। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুটাৰ পৰা ১১ টা সন্দেহযুক্ত ড্ৰাগছভৰ্তি কন্টেইনাৰ উদ্ধাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজনে ড্ৰাগছখিনি লৈ বৰছলাৰ ফালে আহি থকা অৱস্থাত গোপন সূত্ৰৰ পমখেদি বৰছলা আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই দুয়োজনক হাতে- লোটে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত লোক দুজনক সোধ-পোছ অব্যাহত ৰাখিছে।

## ৰংজুলিত চোৰাং গৰুসহ বাহন কৰায়ত্ত ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১৩ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে চোৰাং গৰু সৰবৰাহ। গো-ধন সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে সময়ে সময়ে অভিযান চলাই আছে যদিও তাৰ মাজতে আৰক্ষীৰ চকুত ধূলি দি একাংশ গো-মাফিয়াই জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা মেঘালয়লৈ চোৰাংভাৱে গৰুৰ সৰবৰাহ কৰি আহিছে। আজি পুৱতি নিশাও চাৰিমান বজাত ৰংজুলি থানাৰ অন্তৰ্গত টিপলাই-বনগাঁৱত চোৰাং গৰু সৰবৰাহকাৰীয়ে এ এছ -১৮-এ চি -২০৭৬ নম্বৰৰ টাটা যোদ্ধা পিক্ আপ ভানত এটা হালোৱা গৰু উঠাই থকাৰ সময়তে ৰাইজে প্ৰত্যক্ষ কৰে আৰু লগে লগে গাঁৱৰ ৰাইজ গোট খাই চোৰাং গৰু সৰবৰাহকাৰী কেইটাক আগুৰি ধৰে যদিও ৰাইজৰ মাজৰ পৰা দৌৰি পলাবলৈ সক্ষম হয় চোৰাং গৰু ৰবৰাহকাৰীকেইজন। পাছত ক্ষুব্ধ ৰাইজে বাহনখনৰ ক্ষতি সাধন কৰে। ইপিনে, ঘটনাৰ খবৰ লাভ কৰি ৰংজুলি থানাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ বাহনসহ গৰুটো থানালৈ লৈ আনে।

## পূব বাঙালীপাৰা পানী যোগান আঁচনি বিকল

### ■ কোটিটকীয়া আঁচনিত চৰকাৰী প্ৰহসন



**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ১৩ অক্টোবৰ ঃ** ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগানৰ প্ৰতিশ্ৰুতিৰে চৰকাৰে প্ৰৱৰ্তন কৰা অভিলাষী জলজীৱন মিছন আঁচনি এতিয়া প্ৰহসনত পৰিণত হৈছে। ৰাজ্যত এতিয়ালৈকে অভিলাষী জলজীৱন মিছনে ৬০ শতাংশ পৰিয়ালকো এইপৰ্যন্ত সাঙুৰি ল'বলৈ সক্ষম হোৱা নাই। বহু কোটিটকীয়া আঁচনি নিৰ্মাণৰ পাছতে বিকল হৈ পৰিছে বা পানী যোগান ধৰিবলৈ সক্ষম হোৱা নাই। জলজীৱন মিছনৰ নামত যি হাৰত চৰকাৰী ধনৰ শৰাধ হৈছে সেই অনুপাতে লাভান্বিত হোৱা নাই সাধাৰণ জনতা। তামুলপুৰ জিলাৰ পুৱ বাঙালীপাৰা পানী যোগান আঁচনিখনো নিৰ্মাণৰ পাছতে বিকল হৈ পৰাত সাধাৰণ জনতা বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে । কোটি কোটি টকা ব্যয়ৰে উক্ত আঁচনিখন নিৰ্মাণ কৰিলে যদিও ৰাইজ ইয়াৰ পৰা কিঞ্চিতো উপকৃত নোহোৱাত অঞ্চলটোত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্মাণৰ পাছত এক সপ্তাহ পানী দি আজি পৰ্যন্ত তলা উলমি থাকিল আঁচনিখনত। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তামুলপুৰ উপ-সংমণ্ডলৰ অন্তৰ্গত পুৱ বাঙালীপাৰা পানী যোগান আঁচনিয়ে উদঙাই দিছে অভিলাষী জলজীৱন মিছনৰ নামত চৰকাৰী প্ৰহসন। অঞ্চলটোৰ প্ৰায় ২০০/২৫০ পৰিয়ালক আঁচনিখনে সাঙুৰি লৈছিল যদিও ইয়াৰ দ্বাৰা পৰিয়ালসমূহে লাভ নকৰিলে বিশুদ্ধ খোৱাপানী। ৰজাঘৰীয়াৰ চকুৰ সন্মুখতে দুৰ্নীতি সংঘটিত হোৱাৰ পাছতো চকু মুদা কুলিৰ ভাৰত তেওঁলোক।

## দুধনৈত দুৰ্বৃত্তই সৰকালে ৩৪ হেজাৰ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১৩ অক্টোবৰ ঃ** দুধনৈত আজি সংঘটিত হ'ল এক ধন লুটৰ ঘটনা। সুযোগ বুজি এজন লোকৰ পৰা দুৰ্বৃত্তই সৰকালে মুঠ ৩৪ হেজাৰ টকা। মেঘালয়ৰ গাৰোপাহাৰ জিলাৰ মেন্দিমা গাঁৱৰ ৰাকমান কে চাংমা নামৰ এজন লোকে দুধনৈস্থিত এছবিআই শাখাৰ কাষতে থকা এটিএম এটাৰ পৰা ২০ হেজাৰ টকা উলিয়াই পেণ্টৰ জেপত সুমুৱাই এটিএমটোৰ পৰা বাহিৰলৈ ওলাই আহি দেখে যে তেওঁৰ জেপত থকা ২০ হেজাৰ টকা আৰু এটিএম কাৰ্ড দুখন নাই। কোনো দুৰ্বৃত্তই লোকজনৰ পৰা ধনসহ এটিএম কাৰ্ড লৈ যোৱাৰ কিছু সময় পাছতে উক্ত এটিএম কাৰ্ডৰ পৰা ক্ৰমে দুধনৈৰ আন এটা এটিএমৰ পৰা ১০ হেজাৰ আৰু কৃষ্ণাইৰ এটা এটিএমৰ পৰা চাৰি হেজাৰ সহ মুঠ ১৪ হেজাৰ টকা উলিয়াই নিয়ে দুৰ্বৃত্তই। সন্দেহ কৰা হৈছে যে ভুক্তভোগী লোকজনে এটিএমৰ পৰা যেতিয়া টকা উলিয়াই আছিল, তেতিয়াই হয়টো দুৰ্বৃত্তই গোপন পিনকোড নম্বৰটো পাই যায় আৰু সেই পিনকোডৰ সহায়ত দুটাকৈ এটিএমৰ পৰা ধনখিনি অনায়াসে উলিয়াই নিবলৈ সক্ষম হয়। ইয়াৰ পাছতে ভুক্তভোগী লোকজনে দুধনৈ আৰক্ষী থানাত উপস্থিত হৈ আৰক্ষীক লিখিত অভিযোগ প্ৰদান কৰে।

## গোলাঘাট গ্ৰন্থমেলা-সাহিত্য সমাৰোহৰ প্ৰস্তুতি পূৰ্ণ গতিত ঃ শীৰ্ষ গীত উন্মোচন



**বিশেষ সংবাদদাতা**

**গোলাঘাট, ১৩ অক্টোবৰ ঃ** পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থা, বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাইজৰ সহযোগত গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত অহা ২৯ নৱেম্বৰৰ পৰা ছয় ডিচেম্বৰ পৰ্যন্ত আয়োজিত 'গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ-২০২৩ ৰ প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত আছে। আজি গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ-২০২৩ৰ শীৰ্ষক গীতৰ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ত্ৰিনয়ন শইকীয়া, উপ-সভাপতি সিদ্ধাৰ্থ বৰা, মৰঙী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতি মহেশ মাঝিকে ধৰি ছাত্ৰ নেতাই বন্তি প্ৰজ্বলন কৰি উন্মোচন কৰা শীৰ্ষক গীতটিত কণ্ঠদান আৰু সুৰ দিছে গণশিল্পী মহেন্দ্ৰ হাজৰিকাই। গীতৰ কথা বিশিষ্ট লেখক, কবি পাৰিজাত বৰুৱাৰ। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি দ্বীপেন দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পুতুল শইকীয়া, উদ্‌যাপন সমিতিৰ সভাপতি দিগন্ত কুমাৰ ভূঞা, বিত্ত সম্পাদক সীমান্ত কলিতা, বিষয়ববীয়া মনোজ বৰুৱা, গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখোৱা, বিষয়ববীয়া চুহানা আলি আহমেদ, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা বৰা, গোলাঘাট সদৰ কবি সন্মিলনৰ সভাপতি কমলাক্ষী দত্ত, সীমা ৰাজবংশী ৰাভা, দিপ্তী নাথ আদি উপস্থিত থাকে। উল্লেখ্য যে গ্ৰন্থমেলা উপলক্ষে গোলাঘাট জিলাৰ শিক্ষানুষ্ঠানসমূহত 'গোলাঘাট গ্ৰন্থমেলালৈ যাওঁ' শীৰ্ষক বিদ্যালয়, মহাবিদ্যালয়সমূহত এক সজাগতামূলক অভিযানো অব্যাহত ৰাখিছে।

## নৱেম্বৰত আৰম্ভ হ'ব গোৱালপাৰাৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ স্থায়ী বান্ধৰ কাম

### ■ ১৭ কিলোমিটাৰ বান্ধৰ বাবে এছিয়ান ডেভেলপমেন্ট বেংকৰ প্ৰায় ৩১০ কোটি টকা ঋণ প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৩ অক্টোবৰ ঃ** এছিয়ান ডেভেলপমেন্ট বেংক চমুকৈ এডিবিৰ আবণ্টিত পুঁজিৰে অহা নৱেম্বৰত গোৱালপাৰাত আৰম্ভ হব ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ স্থায়ী বান্ধৰ কাম। বিভাগীয় সূত্ৰে জানিব পৰা মতে, স্থায়ী বান্ধৰ বাবে ইতিমধ্যে চৰকাৰী ভূমি অধিগ্ৰহণৰ কাম চলি আছে। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ফলত প্ৰতি বছৰে গোৱালপাৰা জিলাৰ বৃহৎসংখ্যক লোকে সৰ্বস্ব হেৰুৱাই হাহাকাৰ কৰিবলগীয়া হৈছে। লুইতৰ বুকুত নিজৰ ভেটি-মাটি জাহ যোৱাৰ ফলত হেজাৰ হেজাৰ পৰিয়ালে পথৰ ভিক্ষাৰীত পৰিণত হৈছে। সেয়েহে ভুক্তভোগী পৰিয়ালৰ লগতে জিলাখনৰ বিভিন্ন দল-সংগঠন আৰু সচেতন নাগৰিকে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ স্থায়ী সমাধানৰ দাবী জনাই আহিছিল। শেহতীয়াভাৱে গোৱালপাৰা জিলাৰ মাটিয়া, বালিজানা আৰু লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলৰ ক্ৰমে বলদমাৰী চৰৰ পৰা পাহাৰতলীলৈ ২৩৫০ মিটাৰ, গোৱালপাৰা টাউন প্ৰটেকচন স্পাৰৰ পৰা নতুন বস্তিলৈ ৩০০০ মিটাৰ, হুৰকাকুছিৰ পৰা নতুন বস্তিলৈ ২০৭৫ মিটাৰ আৰু চুনাৰীৰ পৰা জলেশ্বৰলৈ ১০,০০০ মিটাৰ মুঠ ১৭,৪২৫ মিটাৰ স্থায়ী বান্ধৰ বাবে এছিয়ান ডেভেলপমেন্ট বেংকে নতুনকৈ ৩০৯ কোটি ৯০ লাখ টকা ঋণ প্ৰদান কৰিছে। ইয়াৰে প্ৰায় ২৩৭ কোটি টকা ব্যয়েৰে প্ৰথম পৰ্যায়ত হ'বলগীয়া ১১.৩৫ কিলোমিটাৰ বান্ধৰ বাবে ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষই নিবিদা আহ্বান কৰাত কে'বাটাও প্ৰতিষ্ঠানে নিবিদা দাখিল কৰা বুলি বিভাগীয় সূত্ৰে প্ৰকাশ। 'ক্লাইমেট ৰেচিলিইন্ট ব্ৰহ্মপুত্ৰ ইনটেগ্ৰেটেট ফ্লাড এণ্ড ৰিভাৰবেংক ইৰোজিওন ৰিস্ক মেনেজমেন্ট প্ৰজেক্ট ইন আসাম গোৱালপাৰা ছাব প্ৰজেক্ট (জোন-ডি)' নামৰ আঁচনিখনৰ কামৰ তত্বাৱধান কৰিব গোৱালপাৰা জলসম্পদ সংমণ্ডলে। প্ৰথম পৰ্যায়ত এপ্ৰণৰ অৰ্থাৎ পানীৰ তলৰ অংশৰ কাম কৰা হ'ব বুলি জানিব পৰা গৈছে। গোৱালপাৰা জিলাৰ বাবে অন্যতম জ্বলন্ত সমস্যা হিচাপে পৰিগণিত হোৱা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰাত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিভাগীয় কৰ্তৃপক্ষৰ বলিষ্ঠ পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰিছে খহনীয়া আক্ৰান্ত অঞ্চলৰ ৰাইজে। লগতে উল্লিখিত অঞ্চলৰ উপৰি জিলাখনৰ আন আন গৰাখহনীয়া আক্ৰান্ত অঞ্চলসমূহৰো স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে সচেতন মহলে।



দৈনিক অগ্ৰদূত

ক্ৰীড়াভূমি/ক্ৰীড়াভূমি


গুৱাহাটী, ১৪ অক্টোবৰ, ২০২৩
শনিবাৰ, পৃষ্ঠা ১৫


# বিশ্বকাপত আজি ভাৰত-পাকিস্তান

## বৰষুণে বাধা দিব পাৰে হাইভল্টেজ মেচত



**আহমেদাবাদ, ১৩ অক্টোবৰ ঃ** চলিত আই চি চি বিশ্বকাপ ক্ৰিকেটৰ কাইলৈ হ'বলগা এখন হাইভল্টেজ মেচত ভাৰত আৰু পাকিস্তান মুখামুখি হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত দিনৰ দুই বজাৰ পৰা হ'বলগা মেচখনত উভয় দলে আত্মবিশ্বাসৰে নামিব। কাৰণ ভাৰতৰ লগতে পাকিস্তানেও চলিত আই চি চি বিশ্বকাপত প্ৰথম দুখন মেচতে জয়লাভ কৰি সুন্দৰ আৰম্ভণি কৰিছে। পাঁচবাৰৰ বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়াক প্ৰথম মেচতে পৰাস্ত কৰি চলিত আই চি চি বিশ্বকাপত অভিযান আৰম্ভ কৰা ভাৰতীয় দলে নিজৰ দ্বিতীয় মেচত আফগানিস্তানৰ বিৰুদ্ধে আঠ উইকেটত আন এক চমকপ্ৰদ জয় অৰ্জন কৰে। সেয়ে ভাৰতৰ আত্মবিশ্বাস এতিয়া তুংগত। পাকিস্তানৰ বিৰুদ্ধে বিশ্বকাপত ভাৰতৰ অপৰাজেয় ইতিহাস আছে। কাইলৈৰ মেচতো ভাৰতৰ লক্ষ্য ৮-০ কৰা। কেৱল ইতিহাসৰ মাপকাঠিৰে নহয়, কাইলৈৰ মেচত ভাৰতে ফেভাৰিট। ৰোহিত শৰ্মা, বিৰাট কোহলি, লোকেছ ৰাহুলৰ বেটিং ফৰ্ম লগতে ৰবীন্দ্ৰ জাডেজা, কুলদ্বীপ যাদব, যশপ্ৰীত বুমৰাহৰ ফলপ্ৰসু বলিঙে ভাৰতক কাইলৈৰ মেচত পাকিস্তানতকৈ ৬০-৪০ ৰ ব্যৱধানৰে ওপৰত ৰাখিছে। কিন্তু এই সকলোবোৰ নিৰ্ভৰ কৰিব পকিস্তানৰ বাওঁহাতীয়া



বলাৰ শ্বাহীন শ্বাহ আফ্ৰিদিৰ প্ৰথমটো স্পেলৰ কাৰ্যকাৰিতাই। কাৰণ ভাৰত কাগজত বহু পৰিমাণে উচ্চমানৰ দল। প্ৰথম মেচত ব্যৰ্থ হ'লেও দ্বিতীয় মেচত ৰোহিত ভাল সংগ দিছে ইষান কিষানেও। ইফালে, শুভমন গিলে ডেংগুৰ পৰা এতিয়া সুস্থ হৈ উঠিছে আৰু যদিহে কাইলৈৰ মেচত তেওঁ অংশ লৈ শ্বাহীনৰ বিৰুদ্ধে পাৱাৰপ্লেত কলম্বোত হোৱা এছিয়া কাপত পাকিস্তানী বলাৰক আৰম্ভনিতে যিদৰে নিৰ্দয় প্ৰহাৰ কৰিছিল সেয়াই পুনৰাবৃত্তি কৰে তেন্তে মেচ কাৰ্যতঃ একপক্ষীয় হৈ যাব। মাষ্টাৰ পুলাৰগৰাকীয়ে স্বাভাৱিকতে প্ৰথমে নিজৰ আধিপত্য দৃঢ় কৰিব বিচাৰিব। ইফালে, কোহলি, শ্ৰেয়াছ আয়াৰ, ৰাহুলৰ দৰে খেলুৱৈৰ বাবে মিডল অভাৰৰ সময়ত ৰোহিত-গিলে গঢ়ি তোলাৰ মঞ্চক দৃঢ়তাৰে শক্তিশালী কৰিব। পাকিস্তানৰ গুণগত স্পীনাৰৰ অভাৱ ভাৰতৰ বাবে সহায়কো হ'ব। ইফালে, চাপ হ'ব পাকিস্তানৰ প্ৰধান শত্ৰু। ষ্টেডিয়ামত থাকিব পাকিস্তান বিৰোধী এক লাখ দৰ্শক। কিন্তু হায়দৰাবাদত খেলা প্ৰথম দুখন মেচত দলে কৰা প্ৰদৰ্শন সাত ঘণ্টাৰ মহাৰণৰ ঈন্ধন। শ্ৰীলংকাৰ বিৰুদ্ধে মহম্মদ ৰিজৱানে অসাধাৰণ ইনিংছ খেলাৰ লগতে আব্দুল্লা শ্বাফিকে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছিল। কিন্তু দলৰ বেটিঙৰ বাবে অতি গুৰুত্বপূৰ্ণ দলৰ অধিনায়ক বাবৰ আজম। তথাপিও বাবৰ আৰু কুলদীপ যাদৱৰ মাজৰ সংঘাতে খেলখনত এটা ৰাসয়ন সৃষ্টি কৰিব পাৰে। কুলদীপক নিষ্ক্ৰিয় কৰিবলৈ পাকিস্তানে বুমৰাহ আৰু মহম্মদ চিৰাজৰ প্ৰথমটো অগ্নিয় প্ৰত্যাহ্বান অতিক্ৰম কৰিব লাগিব। ভাৰতৰ বাবে মূল একাদশ বাছনিত কাইলৈও উইকেটে সকলো নিৰ্ণয় কৰিব। বেটিঙৰ বাবে পিটচ আদৰ্শ হ'লে পুনৰ শ্বাৰ্দুল উন্নত বিকল্প। কিন্তু উইকেট শ্ল' হ'লে যিহেতু আহমেদাবাদৰ বাউণ্ডেৰী দীঘলীয়া সেয়ে অশ্বিনৰ প্ৰত্যাৱৰ্তন হ'ব পাৰে।

## মহালয়াত মহাৰণ

■ কুলপ্ৰদীপ ভাগৱতী

কাইলৈ মহালয়া। শুকুলা ঘোঁৰাত উঠি ধৰণীলৈ নামি আহিব মা দূৰ্গা। আৰম্ভ হ'ব নৱৰাত্ৰি। ভক্তি আৰু আনন্দৰ উৎসৱত উদ্ভাসিত সমগ্ৰ দেশ। তাৰমাজতে বিশ্বকাপত কাইলৈ মুখামুখি হ'ব ভাৰত আৰু পাকিস্তান ক্ৰিকেট দল। স্থান মহাত্মা গান্ধীৰ অন্বেষনৰস্থলী সাবৰমতী নদীৰ পাৰৰ আশ্ৰমৰ কাষতে থকা বিশ্বৰ সৰ্ববৃহৎ ষ্টেডিয়ামটোত। মহালয়াৰ দিনাই আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ভাৰত আৰু পাকিস্তান ক্ৰিকেট মহাৰণ। উৎকণ্ঠা, আনন্দ, চাপ, উত্তেজনাই চৰম সীমা স্পৰ্শ কৰিছে এই ক্ৰীড়া মহাৰণে। উল্লেখ্য যে বিশ্বকাপৰ এই খেলখনত পাকিস্তানৰ বিৰুদ্ধে ভাৰত ফেভাৰিট। ইয়াৰ কাৰণ ৰোহিত শৰ্মাৰ স্থিৰতা, বিৰাট কোহলীৰ উগ্ৰতা আৰু যশপ্ৰীত বুমৰাহৰ মগজুৰ প্ৰতিভা। বিশ্বকাপৰ শ্ৰেষ্ঠ মেচখনৰ আকৰ্ষণীয় এক আৰ্থ-ৰাজনৈতিক পৰিৱেশো বিৰাজ কৰিছে। আনহাতে, ২২ গজৰ ৰেখাৰ বাহিৰলৈ গৈ নানান ঘটনা-পৰিঘটনাও ঘটিছে। আৰম্ভ হৈছে বিতৰ্ক। কিন্তু এই সকলোৰে জীৱন ৰেখা কাইলৈ দিনৰ দুই বজালৈ। খেল আৰম্ভ হোৱাৰ পাছত কেৱল হাইভল্টেজ খেলৰ ৰোমাঞ্চ। কিন্তু আহমেদাবাদৰ বতৰে নিৰ্ণয় কৰিব এই মেচৰ ভাগ্য। বৰষুণৰ সম্ভাৱনাৰ বাতৰিয়ে ইতিমধ্যে মন সেমেকা কৰিছে ক্ৰিকেটপ্ৰেমীৰ। এই খেলখন যদিও স্বাভাৱিক কিন্তু তাৰমাজতে ব্যতিক্ৰম। আৱেগিক কাৰকবোৰে ভাৰত-পাকিস্তানৰ প্ৰতিখন মেচত নায়ক আৰু দানৱ দুয়োটাকে সমানে উৎপন্ন কৰি আহিছে। জাভেদ মিয়াদাদ আৰু চেতন শৰ্মা, ছালিম মালিক আৰু মনিন্দৰ সিং, অজয় জাদেজা আৰু ৱাকাৰ ইউনিছ, হৃষিকেশ কানিতকাৰ আৰু ছাকলিন মুস্তাক, শচীন তেণ্ডুলকাৰ আৰু ছোৱাইব আখতাৰ, বিৰাট কোহলি আৰু ৱাহাব ৰিয়াজ, যোগিন্দৰ শৰ্মা আৰু মিছবাহ উল হক, ফকৰ জামান আৰু যশপ্ৰীত বুমৰাহৰ ২২ গজৰ ঘটনা সকলোৰে স্মৃতিত জীৱন্ত। ভাৰত-পাক ক্ৰিকেটিং লোককথাত ১৯৯২ ৰ ছিডনীত কিৰণ মৰেৰ হাস্যৰসময়ী আনন্দ প্ৰকাশ, ১৯৯৬ ত চিন্নাস্বামীত ভেংকটেশ প্ৰসাদে আমিৰ ছোহাইলক দিয়া ক্ৰোধিত বিদায়, চেঞ্চুৰিয়ানত হৰভজন সিং আৰু মহম্মদ ইউছুফৰ মাজত হোৱা কুৎসিত কাজিয়া আদিও অন্তৰ্ভুক্ত। প্ৰতিখন মেচৰে জীৱনৰ যন্ত্ৰণা, অলংকৃত আনন্দ আৰু হৃদয় বিদাৰক উদাহৰণেৰে ভৰি আছে। যিবোৰে কেতিয়াও বন্ধ নহয়। বিপৰীতে



কাইলৈ আৰু এটা নতুন ঘটনা সৃষ্টিহে হ'ব পাৰে। ভাৰত-পাকিস্তান মেচক লৈ 'যুদ্ধ' আৰু 'প্ৰতিশোধ' শব্দ দুটা ব্যৱহাৰ কৰাৰ ধৰণত মহেন্দ্ৰ সিং ধোনীয়ে অসন্মতি প্ৰকাশ কৰিছিল। অৱশ্যে ভাৰত-পাক সংঘাতৰ ইতিহাস আৰু সময়ৰ লগে লগে বৃদ্ধি পোৱা শত্ৰুতাক আওকাণ কৰাটো অতি কঠিন। যাৰ ফলত উন্মাদ অনুৰাগীসকলে বিশ্বাস কৰে এয়া কেৱল এখন খেল নহয় বৰঞ্চ ক্ৰীড়া মহাৰণ। 'বিশ্বকাপ জয় কৰাৰ প্ৰয়োজন নাই কিন্তু পাকিস্তানৰ হাতত পৰাস্ত নহ'ব' বুলি বিশ্বাস কৰা মানুহ এতিয়াও আছে আৰু তেওঁলোকৰ সংখ্যা কেবালাখ। কিন্তু বাস্তৱত ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা বিশ্বকাপৰ সাতখন মেচেই হৈছে এটা নিস্তেজ বিষয়, য'ত খেলখন শেষ হোৱাৰ বহু আগতেই ভাৰতে জয়লাভ কৰিছিল। তথাপি এই মেচবোৰৰ এক অনন্য মনোমোহাতা আৰু সময়ৰ লগে লগে ক্ৰীড়াৰ পৰিধি ভাঙি অন্য এক ঘটনালৈ ৰূপান্তৰিত হোৱাৰ নানান পৰিঘটনাও আছে। যাৰবাবে ক্ৰিকেট বিশ্বকাপত ভাৰত আৰু পাকিস্তানৰ মহাৰণ একক, অনন্য আৰু অতুলনীয়। যিহেতু খেল সেয়ে এটা দল হাৰিব। কিন্তু হাৰিলেও বিশ্বকাপত এয়া দল দুটাৰ বাবে মাথো আন এখন খেলহে হ'ব। ছেমিফাইনেললৈ উত্তৰণ কৰাৰ অংকত একো সলনি নহয়। এই মেচৰ ক্ষতিপূৰণ দিবলৈ উভয় দলে পৰৱৰ্তী ছখন মেচ পাব। গতিকে দল দুটাৰ বাবে ই কোনো ট্ৰেজেডী বা পথৰ শেষ নহয়।

## বিশ্বকাপৰ আজিৰ খেল



ভাৰত বনাম পাকিস্তান
স্থান ঃ আহমেদাবাদ
সময় ঃ ২ বজাত

## আজি ফাইনেল

**অগ্ৰদূত বাৰ্তা, বাহাৰঘাট, ১৩ অক্টোবৰ ঃ** প্ৰবীন চন্দ্ৰ শইকীয়া আৰু পুস্পলতা শইকীয়া সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ চুড়ান্ত খেলখন কাইলৈ অনুষ্ঠিত হ'ব। চুড়ান্ত খেলত অংশগ্ৰহণ কৰিব কামৰূপ ৰৱেল এফ চি, ৰামপুৰ আৰু বৰভাগ আঞ্চলিক ক্ৰীড়া সংঘ, কমাৰকুছি দলে।

## খেল নহয় মেচৰ টিকটক লৈ আমি চাপত পৰিছো ঃ বাবৰ




**আহমেদাবাদ, ১৩ অক্টোবৰ ঃ** পাকিস্তান ক্ৰিকেট দলৰ অধিনায়ক বাবৰ আজমে আজি সংবাদমেলত ব্যক্ত কৰা অনুসৰি কাইলৈ ভাৰতৰ বিৰুদ্ধে খেলিব লগা বিশ্বকাপৰ মেচখনক লৈ তেওঁৰ কোনো চাপ নাই। কিন্তু এই মেচ উপভোগ কৰাৰ বাবে টিকট বিচৰা অনুৰাগীৰ সংখ্যাইহে দলক চাপত পেলাইছে। উল্লেখ্য যে চলিত আই চি চি বিশ্বকাপ ক্ৰিকেটৰ কাইলৈ হ'বলগা এখন হাইভল্টেজ মেচত ভাৰত আৰু পাকিস্তান মুখামুখি হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত দিনৰ দুই বজাৰ পৰা হ'বলগা মেচখনত উভয় দলে আত্মবিশ্বাসৰে নামিব। কাৰণ ভাৰতৰ লগতে পাকিস্তানেও চলিত আই চি চি বিশ্বকাপত প্ৰথম দুখন মেচতে জয়লাভ কৰি সুন্দৰ আৰম্ভণি কৰিছে। কিন্তু বিশ্বকাপত ভাৰতৰ বিৰুদ্ধে কেতিয়াও জয়লাভ নকৰাৰ ইতিহাসে পাকিস্তান দলক সচকিত কৰি ৰাখিছে। সেয়ে কাইলৈৰ মেচত চাপ হ'ব পাকিস্তানৰ প্ৰধান শত্ৰু। তদুপৰি ষ্টেডিয়ামত থাকিব পাকিস্তান বিৰোধী এক লাখ দৰ্শক। কিন্তু হায়দৰাবাদত খেলা প্ৰথম দুখন মেচত দলে কৰা প্ৰদৰ্শনক লৈ আত্মবিশ্বাসী বাবৰ।

## সুখবৰ ঃ আজি শুভমন গিলে খেলাৰ ইংগিত দিলে অধিনায়ক ৰোহিত শৰ্মাই



**আহমেদাবাদ, ১৩ অক্টোবৰ ঃ** পাঁচবাৰৰ বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়াক প্ৰথম মেচতে পৰাস্ত কৰি চলিত আই চি চি বিশ্বকাপত অভিযান আৰম্ভ কৰা ভাৰতীয় দলে নিজৰ দ্বিতীয় মেচত আফগানিস্তানৰ বিৰুদ্ধে আঠ উইকেটত আন এক চমকপ্ৰদ জয় অৰ্জন কৰি সফলতাৰ দৌৰ অব্যাহত ৰাখিছে। কাইলৈ ভাৰতে লীগৰ তৃতীয় মেচখন পাকিস্তানৰ বিৰুদ্ধে খেলিব আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত। হাইভল্টেজ মেচৰ পূৰ্বে ভাৰতৰ বাবে সুখৰ খবৰ এয়ে যে অসুখৰ বাবে প্ৰথম দুখন মেচত অংশ নলোৱা শুভমন গিলে যোৱা দুটা দিনত দলৰ লগত অনুশীলনত অংশ লৈছে। কাইলৈ মেচত গিলে খেলাৰ ইংগিত দিছে অধিনায়ক ৰোহিত শৰ্মাই। উল্লেখ্য যে নতুন দিল্লীৰ অৰুন জেটলী ষ্টেডিয়ামত হোৱা মেচত ভাৰতীয় ক্ৰিকেট দলে আফগানিস্তানৰ বিৰুদ্ধে মুখামুখি হৈছিল যদিও এই মেচৰ বাবে যেতিয়া চেন্নাইৰ পৰা নতুন দিল্লীলৈ ভাৰতীয় ক্ৰিকেট দল আহিছিল বিমানত নাছিল অপেনাৰ শুভমন গিল। যুৱ তাৰকা গিল অবিহনে দিল্লীত উপস্থিত হৈছিল টীম ইণ্ডিয়া। উল্লেখ্য যে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা প্ৰথম মেচখনতো গিলে অংশ লোৱা নাছিল। ডেংগুত আক্ৰান্ত হৈছিল ভাৰতীয় দলৰ প্ৰতিভাবান অপেনাৰজন। সেয়ে চিকিৎসকে জিৰণিৰ পৰামৰ্শ দিয়ে গিলক। পাকিস্তানৰ বিৰুদ্ধে কাইলে খেলিব লগা ভাৰতীয় ক্ৰিকেট দলৰ লীগৰ তৃতীয় মেচখনতো গিলে অংশ ল'ব নোৱাৰাটো প্ৰায় নিশ্চিত হৈছিল যদিও দলৰ লগত অনুশীলন কৰাৰ ছবিয়ে মূল একাদশত প্ৰৱেশৰ ইংগিত দিছে। ইফালে, গিলক দলৰ পৰা বাদ দিয়া নহয় বুলি পূৰ্বেই ব্যক্ত কৰিছে ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মা। গিল সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি ৰোহিতে কয় 'ভাৰতীয় দলৰ অধিনায়ক হোৱাৰ পূৰ্বে আমি প্ৰথমে সকলোৰে মানুহ। সেয়ে গিলৰ সুস্থতা বিচাৰিছো। কিন্তু তেওঁক দলৰ পৰা বিদায় দিয়াৰ সিদ্ধান্ত এতিয়াই লোৱা হোৱা নাই। আশা কৰো গিল সুস্থ হৈ দলত যোগ দিব পাৰিব।' স্মৰ্তব্য যে গিলৰ অনুপস্থিতিত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত



অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা প্ৰথম মেচখনত ৰোহিতৰ লগত ঈষান কিষানে ইনিংছ মুকলি কৰিছিল যদিও উভয় অপেনাৰে ৰাণ নকৰাকৈয়ে উইকেটৰ পৰা বিদায় লয়। অৱশ্যে বিৰাট কোহলি আৰু লোকেছ ৰাহুলৰ দৰ্শনীয় ইনিংছৰে মেচখনত ভাৰত ছয় উইকেটত জয়ী হয়। কিন্তু দ্বিতীয় মেচত ৰোহিত আৰু ঈষানে শতকীয় ইনিংছ খেলে। উল্লেখ্য যে আই চি চিয়ে আজি ঘোষণা কৰা অনুসৰি ছেপ্টেম্বৰত বিশ্বৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ হিচাপে গিলক নিৰ্বাচন কৰা হৈছে। এছিয়া কাপত কৰা প্ৰদৰ্শনৰ বাবেই মাহটোৰ বিশ্বৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰৰূপে নিৰ্বাচিত হয় গিল।

## পইণ্ট তালিকাৰ শীৰ্ষ স্থানলৈ উত্তৰণ

## বাংলাদেশক হৰুৱাই ক্ৰমাগত তৃতীয় মেচত জয় নিউজিলেণ্ডৰ

**চেন্নাই, ১৩ অক্টোবৰ ঃ** নিউজিলেণ্ডে চলিত আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ক্ৰমাগত তৃতীয়খন মেচতো জয়লাভ কৰি ছয় পইণ্টৰে শীৰ্ষত উপনীত হৈছে। আজি চেন্নাইত খেলা মেচত দলে আঠ উইকেটত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি বাংলাদেশে ৫০ অভাৰত ন উইকেট হেৰুৱাই ২৪৫ ৰাণ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ৪২.৫ অভাৰতে দুটা উইকেট হেৰুৱাই ২৪৮ ৰাণ কৰি সহজ বিজয় সাব্যস্ত কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ উদ্বোধনী মেচত বৰ্তমানৰ বিশ্ব চেম্পিয়ন ইংলণ্ডক ন উইকেটত নিৰ্লজ্জ ৰূপত পৰাস্ত কৰি নিউজিলেণ্ডে চলিত বিশ্বকাপত ৰাজকীয় অভিযান আৰম্ভ কৰিছিল। ইংলণ্ডে ৫০ অভাৰত ন উইকেট হেৰুৱাই ২৮২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত নিউজিলেণ্ডে ৩৬.২ অভাৰতে এটা উইকেট হেৰুৱাই ২৮৩ ৰাণ কৰি সহজ বিজয় সাব্যস্ত কৰে। আনহাতে, দ্বিতীয় মেচত কিৱি বাহিনীয়ে ৯৯ ৰাণত পৰাস্ত কৰিছিল নেদাৰলেণ্ডছক। দলে পৰৱৰ্তী মেচ আফগানিস্তানৰ বিৰুদ্ধে চেন্নাইতে খেলিব।



## জেউতিৰ জয়

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১৩ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ বৰচিলা ক্ৰীড়া সন্থাৰ উদ্যোগত বৰচিলা স্কুল খেলপথাৰত চলি থকা দীনমনি বৰদলৈ আৰু পুতুলী বৰদলৈ সোঁৱৰণি সদৌ অসম ভিত্তিক আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতযোগিতাত মৰিগাঁৱৰ বঙলাবৰী জেউতি ক্লাবে অগ্ৰগতি লাভ কৰিছে। এই প্ৰতিযোগিতাৰ আজিৰ খেলত বঙলাবৰী জেউতি ক্লাবে দীঘলবড়ী এফ চিক ৩-০ গ'লত পৰাজিত কৰে। খেলখনত বঙলাবৰী জেউতি ক্লাবৰ হৈ অনুপম কোঁৱৰ, মধুচন্দ্ৰ বৰদলৈ আৰু দীপ বৰদলৈয়ে গ'লকেইটা দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী ইজাজুল্লা খানক সহায় কৰে ৰৌজ আলি আহমেদ, নজৰুল ইছলাম আৰু ইনামুল হুছেইনে।



## ৰাজ্যিক ছাব-জুনিয়ৰ কাবাদী আৰম্ভ



**ছয়গাঁও, ১৩ অক্টোবৰ ঃ** দক্ষিণ কামৰূপৰ গৰৈমাৰীস্থিত ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত গৰৈমাৰী আঞ্চলিক ক্ৰীড়া সন্থা আৰু ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ সহযোগত সদৌ অসম কাবাডী সন্থাৰ চতুৰ্থ আন্তঃ জিলা ছাব জুনিয়ৰ (লৰা ছোৱালী) কাবাডী খেলখন আৰম্ভ হয় । উদ্বোধনী অনুষ্ঠানত হিমা দাস উপস্থিত থাকে। তেওঁ খেল মহাৰণত অংশগ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায় । ইফালে, অসম চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কান্ত কলিতাও উপস্থিত থাকে।

## ২০২৮ ৰ অলিম্পিকত ক্ৰিকেট অন্তৰ্ভূক্ত

**মুম্বাই, ১৩ অক্টোবৰ ঃ** ২০২৮ ত লছ এঞ্জেলছত অনুষ্ঠিত হ'বলগীয়া অলিম্পিক গেমছত ক্ৰিকেটক অন্তৰ্ভুক্ত কৰাৰ বাবে আজি আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ কাৰ্যবাহীয়ে অনুমোদন জনাইছে। মুম্বাইত অনুষ্ঠিত হোৱা কাৰ্যবাহী ব'ৰ্ডৰ বৈঠকৰ অন্তত আই অ' চিৰ সভাপতি থমাছ বাচে এই কথা ঘোষণা কৰে। উল্লেখ্য যে অলিম্পিকত টি-২০ ক্ৰিকেটক অন্তভূক্ত কৰাৰ বাবে লছ এঞ্জেলছৰ আয়োজকসকলে দিয়া প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে অন্য চাৰিবিধ নতুন খেলো অন্তৰ্ভুক্ত কৰা হৈছে। সেয়া হৈছে বেছবল-চফটবল, ফ্লেগ ফুটবল (আমেৰিকান ফুটবলৰ এটা নৱৰূপ), স্ক'ৱাছ আৰু লেক্ৰছ। অৱশ্যে এই নতুন ক্ৰীড়াসমূহ অন্তৰ্ভুক্ত কৰাৰ চূড়ান্ত সিদ্ধান্ত নিৰ্ভৰ কৰিব সোমবাৰে অনুষ্ঠিত হ'বলগীয়া আই অ' চিৰ সদস্যৰ ভোটৰ ওপৰত। তাৰ পিছতহে ২০২৮ ত লছ এঞ্জেলছ গেমছৰ অংশ হিচাপে নিশ্চিত হ'ব। আজি সাংবাদমেলত বাচে কয় যে নতুন খেলৰ অন্তৰ্ভুক্তি আই অ' চিৰ বাবে নতুন খেলুৱৈ আৰু অনুৰাগীৰ সৈতে জড়িত হোৱাৰ এক সুন্দৰ সুযোগ হ'ব। 'আমি টি-২০ ক্ৰিকেটৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা দেখিবলৈ পাইছো আৰু ২০২৮ ত বিশ্বৰ শ্ৰেষ্ঠ খেলুৱৈসকলক আমেৰিকালৈ আদৰণি জনোৱাৰ বাবে আমি আগ্ৰহী।' বাচে ব্যক্ত কৰে। উল্লেখ্য যে লছ এঞ্জেলছৰ মুৰব্বীসকলে ছটা দলৰ ইভেণ্টৰ প্ৰস্তাৱ দিছিল, যত পুৰুষ আৰু মহিলা উভয়ৰে টি-২০ ক্ৰিকেট আছিল। ক্ৰিকেটক শেষবাৰৰ বাবে ১৯০০ ৰ পেৰিছ অলিম্পিকত দেখা গৈছিল। যেতিয়া ব্ৰিটেইনৰ এটা দলে ফ্ৰান্সক প্ৰতিনিধিত্ব কৰা দল এটাক পৰাস্ত কৰিছিল। অলিম্পিক কাৰ্যসূচীত ক্ৰিকেট সংযোজন কৰাটো এক আৰ্থিকভাৱে স্পষ্ট পদক্ষেপ হিচাপেও চিহ্নিত হৈছে। ইফালে ২০২৮ ৰ গেমছত বক্সিঙৰ মৰ্যাদা অনিশ্চিত হৈ আছে। কাৰণ খেল পৰিচালনাৰ বিবাদৰ পিছত আই অ' চিয়ে আন্তঃৰাষ্ট্ৰীয় বক্সিং এছ'চিয়েশ্যনৰ পৰা স্বীকৃতি কাঢ়ি লৈছে। এই বিষয়ে বাচে কয় 'আমি অলিম্পিকত বক্সিং বিচাৰো। বক্সিং বা বক্সাৰৰ লগত আমাৰ কোনো সমস্যা নাই। কিন্তু সংগঠক আৰু সংস্থাৰ পৰিচালন নীতিক লৈ সমস্যা আছে।'




## ডিমা ইউনাইটেড ছেমিত


**ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ, ১৩ অক্টোবৰ ঃ** পূব শোণিতপুৰ ক্ৰীড়া সন্থাৰ উদ্যোগত তেজপুৰৰ ছামধৰা হাই স্কুল খেলপথাৰত চলি থকা ৩০ সংখ্যক বিষ্ণু-জ্যোতি সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তৃতীয় খন কোৱাৰ্টাৰ ফাইনেল খেলত ডিমা ইউনাইটেড, হাফলং ফুটবল একাদশে ইউনাইটেড চিৰাং দুৱাৰক ২-০ গলত পৰাস্ত কৰে। ডিমা ইউনাইটেডৰ হৈ প্ৰকাশ ছেত্ৰী আৰু লুনমিণ্ট হাংগে এটাকৈ গল দিয়ে। খেল পৰিচালনা কৰে লাকি ৰঞ্জন বৰুৱাই। তেওঁক লাইনত সহায় কৰে দীপাংকৰ ঢেকিয়াল ফুকন আৰু বাজু টিছুৱে। চতুৰ্থ ৰেফাৰী হিচাপে থাকে পুষ্প ৰঞ্জন বৰুৱা। কাইলৈ অনুষ্ঠিত হব লগীয়া চতুৰ্থ খন কোৱাৰ্টাৰ ফাইনেলত ইলেভেন ষ্টাৰ এফ চি বঙাইগাঁও আৰু মৰাণ টাউন ক্লাবে খেলিব।

## ছিলং লাজঙৰ জয়লাভ

**ওদালগুৰি, ১৩ অক্টোবৰ ঃ** ওদালগুৰি জিলা ক্ৰীড়া সন্থা আৰু ওদালগুৰি জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰিৰ নলবাৰী খেলপথাৰত চলি থকা ২৯ সংখ্যক সৰ্বভাৰতীয় বডোফা উপেন্দ্ৰনাথ ব্ৰহ্ম স্বৰ্ণকাপ ফুলবল প্ৰতিযোগিতাখনিৰ আজি তৃতীয়খন কোৱাৰ্টাৰ ফাইনেল খেল ছিলং লাজং আৰু বাৰহুংখা এথলেটিক ক্লাবৰ মাজত অনুষ্ঠিত হয়। খেলখনত লাজঙে বাৰহুংখাক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। কাইলৈৰ অন্তিমখন কোৱাৰ্টাৰ ফাইনেল অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ বনাম মহাৰাণা এথলেটিকছ ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।




নিউ য়ৰ্কত ২০২২ত দুষ্কৃতিকাৰীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছিল বুকাৰজয়ী লেখক ছলমান ৰুশ্বদিয়ে। এটা চকু তেওঁ চিৰদিনৰ বাবে হেৰুৱাবলগীয়া হয়। এতিয়া সেই ভয়ানক আক্ৰমণৰ ঘটনাৰ অৱলম্বনতে নতুন গ্ৰন্থ ৰচনা কৰিছে ৰুশ্বদিয়ে। বুধবাৰে এই ঘোষণা কৰে প্ৰকাশন গোষ্ঠী পেংগুইন ৰেনডম হাউছে। নিউ য়ৰ্ক টাইমছ্ কাকতে প্ৰকাশ কৰা অনুসৰি, ৰুশ্বদিৰ সেই গ্ৰন্থখনৰ নাম 'নাইফ ঃ মেডিটেছনছ্ আফটাৰ এন এটেম্পটেড মাৰ্ডাৰ'।



# প্ৰাণনাশৰ আশংকাৰ পৰিস্থিতিক লৈ ৰুশ্বদিৰ নতুন গ্ৰন্থ

## এবছৰৰ পূৰ্বৰ আক্ৰমণত এটা চকু হেৰুৱাইছিল বুকাৰজয়ী লেখকে

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৩ অক্টোবৰ ঃ** নিউ য়ৰ্কত ২০২২ত দুষ্কৃতিকাৰীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছিল বুকাৰজয়ী লেখক ছলমান ৰুশ্বদিয়ে। এটা চকু তেওঁ চিৰদিনৰ বাবে হেৰুৱাবলগীয়া হয়। এতিয়া সেই ভয়ানক আক্ৰমণৰ ঘটনাৰ অৱলম্বনতে নতুন গ্ৰন্থ ৰচনা কৰিছে ৰুশ্বদিয়ে। বুধবাৰে এই ঘোষণা কৰে প্ৰকাশন গোষ্ঠী পেংগুইন ৰেনডম হাউছে। নিউ য়ৰ্ক টাইমছ্ কাকতে প্ৰকাশ কৰা অনুসৰি, ৰুশ্বদিৰ সেই গ্ৰন্থখনৰ নাম 'নাইফ ঃ মেডিটেছনছ্ আফটাৰ এন এটেম্পটেড মাৰ্ডাৰ'। ২০২৪ৰ ১৬ এপ্ৰিলত গ্ৰন্থখন উন্মোচন হ'ব।

যোৱা বছৰ এক অনুষ্ঠানত অংশ লোৱাৰ পৰত ৭৫ বছৰীয়া ৰুশ্বদিৰ ওপৰত আক্ৰমণ চলোৱা হয়। ঘটনাৰ লগে লগে চটকা ইনষ্টিটিউছনৰ সমগ্ৰ প্ৰেক্ষাগৃহ খালী কৰি দিয়া হয়। আক্ৰমণকাৰীক লগে লগেই গ্ৰেপ্তাৰ কৰা হৈছিল। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, মঞ্চত এজন ব্যক্তিৰ স'তে ৰুশ্বদিৰ পৰিচয় কৰাই দিয়া হৈছিল। সেই সময়তে বিতৰ্কিত লেখকজনৰ ওপৰত আক্ৰমণকাৰী জঁপিয়াই পৰে। এখন ছুৰীৰে অতি দ্ৰুতগতিৰে ৰুশ্বদিক কমেও ১০-১৫ বাৰ আঘাত কৰা হৈছিল। ক্ৰমাগত তেওঁৰ ডিঙি আৰু কান্ধৰ সংযোগস্থলীত আঘাত কৰা হৈছিল। এই ঘটনাত সৌভাগ্যক্ৰমে প্ৰাণ ৰক্ষা পৰিলেও ৰুশ্বদিয়ে এটা চকুৰ দৃষ্টিশক্তি হেৰুৱায়।

উক্ত আক্ৰমণৰ পাছত দীৰ্ঘদিন ধৰি ৰুশ্বদিয়ে 'প'ষ্ট ট্ৰমেটিক ষ্ট্ৰেছ ডিজ'ৰ্ডাৰ' (পিটিএছডি)ত ভুগিছিল। নিউ য়ৰ্ক টাইমছ্ কাকতক ৰুশ্বদিয়ে কয়, 'এই গ্ৰন্থখনৰ ৰচনা মোৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ আছিল। যি ঘটিছিল সেই হিংসা প্ৰত্যুত্তৰ মই শিল্পৰ মাধ্যমেৰে দিব খোজো।' আক্ৰমণকাৰীৰ ছুৰীৰ আঘাতত ৰুশ্বদিয়ে এটা চকুৰ দৃষ্টিশক্তি হেৰুৱায়, এখন হাত বিকল হৈ পৰিছে আৰু কান্ধৰ স্নায়ুতো গভীৰ আঘাত আছে; তৎসত্ত্বেও ভাঙি পৰিব নোখোজে ভাৰতীয় বংশোদ্ভৱ লেখকজন। কাৰণ দীৰ্ঘ সময় ধৰি তেওঁ প্ৰাণৰ আশংকাৰ মাজতেই দিন অতিবাহিত কৰি আহিছে। উল্লেখ্য যে যোৱা বছৰৰ ১২ আগষ্টত নিউ য়ৰ্কত এখন গ্ৰন্থ উন্মোচনী সভাত ৰুশ্বদি আক্ৰমণৰ সন্মুখীন হৈছিল। ইয়াৰ পাছত যোৱা মে'ত আমেৰিকাৰ উক্ত চহৰৰে এক অনুষ্ঠানত ৰুশ্বদি প্ৰথমবাৰলৈ ৰাইজৰ সন্মুখলৈ আহে। সেইদিনা তেওঁ কৈছিল, 'সন্ত্ৰাসে যাতে আমাক ভয় খুৱাব নোৱাৰে। হিংসাই যাতে নিশ্চুপ কৰি দিব নোৱাৰে। সংগ্ৰাম অব্যাহত ৰাখিব লাগিব। সংগ্ৰাম চলি থাকিব।'

# সোণতলীৰ এটা জলাশয় সদৃশ পথ-বাঁহৰ ওপৰেৰে বিপদসংকুল যাতায়াত পথচাৰীৰ



**অগ্ৰদূত বাৰ্তা**
**সোণতলী, ১৩ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ বিভিন্ন অঞ্চলৰ বাট-পথৰ বিধ্বস্ত অৱস্থাত অঞ্চলটোৰ শিক্ষাৰ্থীৰ লগতে পথচাৰীয়ে দুৰ্ভোগ ভুগিছে। উন্নয়ন খণ্ডটোৰ ৫১ নম্বৰ মাহতলী গাঁও পঞ্চায়তৰ গৰৈমাৰী বিলৰজান গাঁৱৰ এটা সদাব্যস্ত পথৰ মাজত সৃষ্টি হোৱা জলাশয় সদৃশ গাঁত আৰু পানীয়ে ৰাইজৰ চলাচল কৰাৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিবলগীয়া হৈছে। উল্লেখ্য যে এই পথছোৱাৰ যি ধৰণৰ নাজল নাথল অৱস্থাৰ সৃষ্টি হৈছে তথাপি সেই ভগা- ছিঙা ৰাস্তাৰে অঞ্চলটোৰ সৰ্বস্তৰৰ ৰাইজৰ লগতে বিদ্যালয়ত অহা-যোৱা কৰা কণ কণ ছাত্ৰ-ছাত্ৰীসকলে নিতৌ যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে। ৰাইজে কেইডালমান বাঁহৰ টুকুৰাৰ ওপৰেৰে বিপদসংকুলভাৱে যাতায়াত অব্যাহত ৰাখিছে। পথছোৱাত একাধিকবাৰ চৰকাৰৰ এমজি এনৰেগা আঁচনিৰ জৰিয়তে মেৰামতিৰ কাম কৰিছে যদিও নিম্নমানৰ কাম কৰাৰ লগতে বাঢ়নী পানীয়ে উঠাই লোৱাৰ কথা সদৰী কৰে গাঁওবাসীয়ে। উক্ত পথছোৱা মেৰামতিৰ বাবে ৰাইজে পঞ্চায়ত প্ৰতিনিধিৰ লগতে স্থানীয় বিধায়িকাৰ লগতে চৰকাৰক বাৰম্বাৰ দাবী জনাই অহাৰ পাছতো কোনো সুফল পোৱা নাই বুলি অভিযোগ কৰে। পথছোৱাৰ ওপৰত সৃষ্টি হোৱা জলাশয়ৰ ওপৰত এখন কাঠৰ দলং নিৰ্মাণ কৰি যাতায়াতৰ সুব্যৱস্থা কৰি দিয়াৰ বাবে বিধায়িকা নন্দিতা দাসক আহ্বান জনাইছে গাঁওবাসীয়ে।

CONSULTATION WITH APOLLO EXPERTS
Apollo HOSPITALS
CARDIOLOGY CLINIC
DR DILIP KUMAR MISHRA
MS, M.Ch (PGI), FICS (USA)
২৯-১০-২০২৩ তাৰিখে গুৱাহাটীত ৰোগী চোৱা চিতা কৰিব
যিকোনো ধৰণৰ হৃদৰোগৰ সমস্যা, উচ্চ ৰক্তচাপ, কলেষ্টেৰলৰ সমস্যা, উশাহ নিশাহৰ সমস্যা, হাৰ্টভাল্ভ অস্ত্ৰোপচাৰ আৰু নূন্যতম ছিদ্ৰযুক্ত খোৰাছিক চাৰ্জাৰী থকা ৰোগীয়ে পৰামৰ্শৰ বাবে আপত্তীয়াকৈ তলৰ ঠিকনাত নাম পঞ্জীয়ন কৰিব পাৰে।
APOLLO HOSPITALS REGIONAL OFFICE
Rajgarh Main Road, Opp-By Lane -10
Ph :8404037649, 03613102669, 0361-3102166




# মাতৃৰ পেট ফালি হত্যা কৰিলে গৰ্ভস্থ সন্তানক

## ইজৰাইলত হামাছৰ নৃশংসতাৰ বৰ্ণনা দিলে এজন উদ্ধাৰকাৰীয়ে


ইজৰাইলত মৃতদেহ উদ্ধাৰ কাৰ্যত ব্ৰতী হৈ আছে আছডোডৰ বাসিন্দা ইয়োছি লানদাউ। বোমা-গুলিৰ আঘাতত ছিন্ন-ভিন্ন অসংখ্য মৃতদেহ তেওঁ বিগত কিছু দশকত উদ্ধাৰ কৰিছে। অথচ যোৱা সাত অক্টোবৰৰ পৰা আৰম্ভ হোৱা ইজৰাইল আৰু পেলেষ্টাইনৰ সশস্ত্ৰ বাহিনী হামাছৰ সংঘাতে নৃশংসতাৰ মাত্ৰা বৃদ্ধি কৰা বুলিয়ে ধাৰণা কৰিছে ইয়োছিয়ে।



**নিউজ ব্যুৰ'**
**জেৰুজালেম, ১৩ অক্টোবৰ ঃ** বিগত কিছু দশক ধৰি ইজৰাইলত মৃতদেহ উদ্ধাৰ কাৰ্যত ব্ৰতী হৈ আছে আছডোডৰ বাসিন্দা ইয়োছি লানদাউ। বোমা-গুলিৰ আঘাতত ছিন্ন-ভিন্ন অসংখ্য মৃতদেহ তেওঁ বিগত কিছু দশকত উদ্ধাৰ কৰিছে। অথচ যোৱা সাত অক্টোবৰৰ পৰা আৰম্ভ হোৱা ইজৰাইল আৰু পেলেষ্টাইনৰ সশস্ত্ৰ বাহিনী হামাছৰ সংঘাতে নৃশংসতাৰ মাত্ৰা বৃদ্ধি কৰা বুলিয়ে ধাৰণা কৰিছে ইয়োছিয়ে। সংবাদ সংস্থা এএফপিৰ স'তে বাৰ্তালাপৰ সময়ত নিজৰ ভয়ানক অভিজ্ঞতা বৰ্ণনা কৰিছে ইজৰাইলৰ বাসিন্দাজনে।


ইয়োছিয়ে জনাইছে যে প্ৰতিদিনে চাইৰেণৰ শব্দ শুনাৰ লগে লগে তেওঁ সাৰ পায়। তাৰ পাছৰে পৰা আৰম্ভ হয় মৃতদেহ উদ্ধাৰৰ কাম। গাজা চহৰৰ উত্তত উপকূলীয় চহৰ আছডোডৰ নিজৰ বাসগৃহৰ পৰা ওলাই তেওঁ যুদ্ধবিধ্বস্ত অঞ্চলসমূহলৈ যায়। ইয়াৰ পাছত সমগ্ৰ দিনটো তেওঁ মৃতদেহ উদ্ধাৰত ব্যস্ত হৈ থাকে। সেই অভিজ্ঞতাক ভয়ংকৰ বুলি ক'লেও কম হ'ব বুলিয়ে মন্তব্য কৰিছে ইয়োছিয়ে। তেওঁ কয়, 'মই গাড়ী ওলোটা হৈ পৰি থকা দেখিছো। ৰাস্তাত কিমানযে মানুহৰ মৃতদেহ পৰি থকা দেখিছো। সেই দৃশ্য অতি ভয়ংকৰ। সীমান্তৰ সমীপৰৰ ছেডেৰো চহৰত অসংখ্য সাধাৰণ মানুহ নিহত হৈছে।' ৫৫ বছৰীয়া ইয়োছিয়ে জনাইছে যে হামাছ আৰু ইজৰাইলী বাহিনীৰ মাজৰ এই সংঘাতত তেওঁ যি ভয়াৱহতা দেখিছে, সেয়া আগতে কেতিয়াও দেখা নাছিল। ইয়োছিয়ে কয়, 'এটা পথত ইমান মৃতদেহ পৰি আছিল যে ১৫ মিনিটৰ পথ অতিক্ৰম কৰিবলৈ ১১ ঘণ্টা লাগিছিল।' অৱশ্যে ইয়োছিৰ অন্তত অধিক আঘাত দিয়ে এগৰাকী মহিলাৰ দেহে। ইয়োছিয়ে কয় যে এটা বাসগৃহত প্ৰৱেশ কৰি তেওঁ সেই মৃতদেহ প্ৰত্যক্ষ কৰিছিল। সেই দৃশ্যৰ বৰ্ণনা দি তেওঁ কয়, 'ছুৰীৰে মহিলাগৰাকীৰ পেট ছিন্ন-ভিন্নকৈ ফালি পেলোৱা হৈছিল। তাত এটি শিশুও আছিল। মাতৃৰ নাড়ীৰ স'তে তেতিয়াও যুক্ত হৈ আছিল শিশুটি। সেই দৃশ্য দেখি মই স্থিৰ হৈ থাকিব পৰা নাছিলো।' এই সংঘাতৰ পৰিস্থিতিত বহু মহিলা যৌন নিৰ্যাতনৰ বলি হোৱা বুলিও ইয়োছিয়ে দাবী কৰিছে।

# পেলনীয়া তামৰ তাঁৰেৰে দুৰ্গাৰ প্ৰতিমা নিৰ্মাণ




**অগ্ৰদূত বাৰ্তা**
**ধুবুৰী, ১৩ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ মাজত মাথোঁ কেইটামান দিন বাকি থকাৰ সময়তে ধুবুৰীৰ এজন শিল্পীয়ে নিৰ্মাণ কৰি উলিয়ালে পেলনীয়া তামৰ তাঁৰেৰে দুৰ্গাৰ প্ৰতিমা। এক ব্যতিক্ৰমী প্ৰচেষ্টাৰে পেলনীয়া তামৰ তাৰেৰে দুৰ্গাৰ প্ৰতিমা নিৰ্মাণ কৰি চমক সৃষ্টি কৰিবলৈ সক্ষম হৈছে ধুবুৰীৰ সঞ্জীৱ বসাক নামৰ এজন যুৱকে। পেলনীয়া বস্তু অপচয় নকৰি তাক যে পুনৰ ব্যৱহাৰ কৰি বহু বস্তু তৈয়াৰ কৰিব পাৰি তাৰে এক বাৰ্তা ৰাইজলৈ প্ৰেৰণ কৰাৰ উদ্দেশ্যৰে এই প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে। ধুবুৰী চহৰৰ বাসিন্দা বসাক এজন কৰ্মসূত্ৰে চৰকাৰী চাকৰিয়াল যুৱক। তেওঁ কাৰ্যালয়ৰ কাম শেষ কৰাৰ পাছত সন্ধিয়াৰ ভাগত এই প্ৰতিমা নিৰ্মাণত ব্যস্ত হৈ পৰে। এই দুৰ্গাৰ প্ৰতিমা নিৰ্মাণত তেওঁৰ সময় লাগিছে প্ৰায় তিনিমাহ। প্ৰতি বছৰে বিভিন্ন পেলনীয়া সমগ্ৰীৰে দুৰ্গাৰ প্ৰতিমা নিৰ্মাণ কৰি ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ লগতে ইণ্ডিয়া বুকছ অৱ ৰেকৰ্ডত নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হৈছে বসাকে। এইবছৰো সেই একে প্ৰচেষ্টাৰে পেলনীয়া তামৰ তাঁৰেৰে দুৰ্গাৰ প্ৰতিমা নিৰ্মাণ কৰি উলিয়ালে বসাকে।

# সোণৰ কণী পৰা হাঁহলৈ পৰিণত জাঁজী নৈ



## বন বিভাগক মেনেজ কৰি বালি মাফিয়াই ৰাজহ ফাকিৰে চলাইছে অবৈধ বালিৰ বেহা

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ১৩ অক্টোবৰ ঃ** ৰাজহ বৃদ্ধিৰ বাবে অৱশেষত ৰাজ্য চৰকাৰে জনসাধাৰণৰ ওজৰ আপত্তিক আওকান কৰি গ্ৰামাঞ্চলৰ অলিয়ে গলিয়ে সুৰাৰ বিপণী অনুমোদন দিয়াৰ সময়তে চৰকাৰৰ চকুত ধূলি দি ৰাজহ ফাকিৰে একাংশ অসাধু ব্যৱসায়ীয়ে বিভিন্ন অবৈধ ব্যৱসায় চলাই আছে। দুৰ্নীতিৰ বিৰুদ্ধে সৰৱ ভূমিকা লোৱা মিত্ৰজোঁটৰ বিজেপি চৰকাৰৰ কাৰ্যকালতে এচাম বালি মাফিয়াই ৰাজহ ফাকিৰে যোৰহাট আৰু শিৱসাগৰ জিলাৰ সীমাৰেখা সদৃশ জাঁজী নদীত অবৈধভাৱে বালিৰ ৰমৰমীয়া বেহা চলাই থকাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে জাঁজী নদীৰ বালি ব্যৱসায়ীকভাৱে আছে বিশেষ সুনাম। ৰাজহ ফাকিৰে জাঁজী নদীৰ যোৰহাট জিলাৰ উত্তৰ দিশৰ পাৰটোত জিলা বন বিভাগৰ স'তে মধুৰ সম্পৰ্ক থকা একাংশ বালি মাফিয়াই বালিৰ ৰমৰমীয়া বেহা চলাই আহিছে। উলেখ্য যে ঐতিহাসিক জাঁজী নদীৰ উত্তৰ দিশৰ জাঁজী নৈৰ মথাউৰিটো কাষতে বালি মাফিয়াই দিনে নিশাই অত্যাধুনিক মেচিনেৰে বালি উত্তোলন কৰি থকাৰ পাছতো এই ক্ষেত্ৰত উদাসীন ভূমিকা গ্ৰহণ কৰি আহিছে জিলা বন বিভাগৰ নিয়োজিত দুৰ্নীতি পৰায়ন বিষয়া কৰ্মচাৰীসকলে। অনুসন্ধান কালত পোহৰলৈ অহা খবৰ মতে যোৰহাট জিলা প্ৰশাসনৰ সোপা ঢিলা অনুশাসনৰ সুযোগ গ্ৰহণ কৰি মহা প্ৰতাপিৰূপে পৰিচিত খান আৰু জাহিদুছ জামাল আলীয়ে ইয়াৰ চূড়ামণি গাঁৱৰ সমীপত দুই-তিনিটাকৈ মেচিনেৰে দিনে নিশাই অবৈধভাৱে জাঁজী নদীৰ বুকুৰ পৰা উত্তোলন কৰি আছে বালি। ইফালে, ইয়াৰ সমীপতে হাতীমুৰীয়াত অনুৰূপ পদ্ধতিৰে জনৈক বৰুৱা আৰু গগৈ উপাধিৰ একাধিক কুখ্যাত বালি মাফিয়াই ৰাজহ ফাকিৰে এক প্ৰভাৱশালী ৰাজনৈতিক চক্ৰৰ ছত্ৰছাঁয়াত বিভাগীয় নীতি নিয়ম উলংঘাৰে দীৰ্ঘদিন ধৰি নদীখনৰ বুকুৰ পৰা বাৰিষা কালতো দিনে নিশাই অত্যাধুনিক মেচিনেৰে বালি উত্তোলন কৰি থকা কাৰ্যই আতংকিত কৰি তুলিছে জনসাধাৰণক। ভৰ বাৰিষাৰ কালছোৱাত ঐতিহাসিক নদীখনৰ বুকুত কোনো কাৰণতে বালি খনন কাৰ্য যাতে চলাব নোৱাৰে তাৰ বাবে প্ৰশাসনে বিভাগীয় নিয়ম বলবৎ কৰি থৈছিল যদিও সেই নিয়ম অথাৎ নিষেধাজ্ঞাক অংগুষ্ঠ প্ৰদৰ্শন কৰি এনেবোৰ বালি মাফিয়া চক্ৰই অত্যাধুনিক যন্ত্ৰ ব্যৱহাৰ কৰি নদীখনৰ বুকুত দিনে-নিশাই অবৈধভাৱে বালি খনন কাৰ্য বীৰদৰ্পে চলাই আহিছে। তথ্য মতে, জিলা বন বিভাগৰ স'তে কমিচনৰ অংক জড়িত থকা বাবেই এনেবোৰ বালি ফাফিয়াই ৰাজহ ফাকিৰে নিশাটোৰ ভিতৰতে লাখ লাখ টকাৰ গৰাকী হ'বলৈ সক্ষম হৈছে; কিন্তু এনেবোৰ অবৈধ বালি মাফিয়াক নাকী লগাবলৈ কাৰোৰে সৎ সাহস নোহোৱাৰ বিপৰীতে এই ক্ষেত্ৰত জাতীয় দল-সংগঠনসমূহৰ ভূমিকাও লক্ষ্যণীয় হৈ পৰিছে। ফলত জাঁজী নৈৰ দুয়োপাৰৰ মথাউৰিলৈ চৰম ভাবুকি কঢ়িয়াই অনাৰ লগতে ইয়াৰ সমীপত থকা চূড়ামণি গাঁও প্ৰাথমিক বিদ্যালয়ৰ লগতে আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়লৈ কঢ়িয়াই আনিছে তীব্ৰ অনিশ্চয়তা। কিয়নো এনেবোৰ বালি মাফিয়াক নিয়ন্ত্ৰণ নকৰি কেৱল কমিচনৰ বুজাবুজিৰে নদীৰ বুকুৰ পৰা জধে-মধে বালি উত্তোলনৰ কৰ্তৃত্ব প্ৰদান কৰাৰ পৰিণতিত মথাউৰিৰ নিচেই কাষতে অৱস্থিত শিক্ষানুষ্ঠান দুখন অচিৰেই খহনীয়াৰ কবলত পৰাৰ সম্ভাৱনা প্ৰকট হৈছে।




অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com